ডিব্ৰু মহাবিদ্যালয় - ডিব্ৰুগড়
তমসো মা জ্যোতির্গময়
স্থাপিত ১৯৬৩

# ডিব্ৰুয়ান

## ত্রয়োদশ সংখ্যা



সম্পাদক

সুধীৰ নাৰায়ণ চাউদাং বৰুৱা

# ডিব্ৰুৱান

ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

ত্ৰয়োদশ সংখ্যা

১৯৮৯—৯০

182

# DIBRUAN

THE ANNUAL JOURNAL OF
DIBRU COLLEGE

VOL—XIII, ● 1989--90

*Editor* : **Sanjib Narayan Chaudang Barooah.**

বেটুপাতৰ অঙ্কন আৰু ভাৱাৰ্থ —

১) হিংসা-অশান্তি
চৌদিশে ধ্বংসৰ জুই,
ৰক্ষা কৰিম আইক
নেথাকি শুই।

২) ধ্বংসৰ অগণিয়ে সবাকে
ধৰিছে বেঢ়ি,
ৰক্ষা কৰিম আইক
দুহাতেৰে ঘেৰি।

— মাধৱ কৃষ্ণ দাস।



## উচৰ্গা।

Dibru College Library
Accession no Jour/13,035
Date 11-4-91



যি সকল আই অসমীৰ বীৰ-বীৰাঙ্গনাই
স্বদেশ আৰু স্বজাতিৰ হকে স্বাধীনোত্তৰ কালৰ
আগত আৰু পাছত, নিজৰ জীৱনৰ ক্ষুদ্ৰ
স্বাৰ্থক বিসৰ্জন দি বৃহত্তৰ স্বাৰ্থক
আকোৱালি ভৱিষ্যতলৈ আমাক আগবাঢ়ি
যাবলৈ উৎসাহ, অনুপ্ৰেৰণা যোগাই
নিজান ধামলৈ ধাপলি মেলিলে, সেই প্ৰতিজন
জ্ঞাত-অজ্ঞাত বীৰ-বীৰাঙ্গনাৰ পবিত্ৰ স্মৃতিত
এই সংখ্যাৰ ডিব্ৰুৱান খনি উচৰ্গা কৰা হ'ল।

জ্যোতি প্ৰসাদৰ বাণীয়েই আমাৰ বৰ্ত্তমান আৰু ভৱিষ্যত যাত্ৰাপথৰ অনুপ্ৰেৰণা —

"...............তই অসমীয়া
শৰাইঘটীয়া
তই যে অগ্নি-বীৰ্য্য।
জ্বলি উঠ নৱ-সূৰ্য্য।
দেশ যায় জ্বলি
ঘৰ যায় হ'লি
চোতালত দিলে শত্ৰুৱে ভৰি
এতিয়াও জানো তোৰ বুকুখন
যোৱা নাই ডেই-পুৰি ?
কৰ সোনকালে
ফালি মোহ-জাল
ওলা ওলা তই
নুছুৰি কপাল,
হীনতাতকৈ মৃত্যুও ভাল।
অসমীয়া ছহিয়াৰ
শত্ৰু যদিও ছুৰ্ণিবাৰ
হৈ যাব ছাৰখাৰ।
ভাষাত শত্ৰু
দেশত শত্ৰু
কলা সাহিত্যত
সঙ্গীত-শিল্পত
সোমাল শত্ৰু তোৰ ভিতৰত
শত্ৰু আহিছে বেয়া বতৰত;
মণিকূট গৈ পোৱাৰ আগতে
সমূলি নিপাত কৰ;
আপোনাৰ ঘৰ
ৰাখিবলৈ তই
কালৰ মূৰ্ত্তি ধৰ;
কঠোৰ প্ৰতিজ্ঞা কৰ
অস্ত্ৰ-শস্ত্ৰ ধৰ
ক্ষেত্ৰে ক্ষেত্ৰে ৰণ সাজ পিন্ধি
নিজৰ কৰ্ত্তব্য কৰ......... "। ●





## কৃতজ্ঞতা স্বীকাৰ

১) মহাবিদ্যালয়ৰ অধ্যক্ষ
শ্ৰীযুত ভৰত নাৰায়ণ জামুৱাৰ চাৰলৈ।

২) সকলো সময়তে দিহা পৰামৰ্শ দিয়া —
প্ৰৱক্তা শ্ৰীযুত ফণীভূষণ দত্ত, প্ৰৱক্তা শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন, প্ৰৱক্তা শ্ৰীযুত চন্দ্ৰগুপ্ত বৰা আৰু শ্ৰীযুতা জ্যোতি বৰগোহাঁইলৈ।

৩) বিভিন্ন লিখনিৰে আলোচনী খনিৰ সৌষ্ঠৱ বৃদ্ধিকৰা ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী সকললৈ আৰু অধ্যাপক অধ্যাপিকা সকললৈ।

৪) সাক্ষাৎকাৰ শিতানত বহু কষ্ট স্বীকাৰ কৰি কবিতা কোঁৱৰ ককা শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকন দেৱে কবিতাৰ সুৰেৰে যি ছন্দ মধুৰ ভাৱ ভাষা আমাৰ আগত দাঙি ধৰিলে তাৰ বাবে আমি প্ৰত্যেক জন ডিক্ৰুয়ানে ককালৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

৫) বেটুপাতৰ শিল্পী শ্ৰীমাধৱ কৃষ্ণ দাসলৈ।

৬) আলোক চিত্ৰ গ্ৰহণকাৰী — ৰবি ষ্টুডিঅলৈ।

৭) বিভিন্ন সময়ত দিহা পৰামৰ্শ দিয়া — শ্ৰীযুত বিৰেণ বৰা চাৰলৈ।

৮) মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়ালৈ।

৯) বন্ধু সৰ্বশ্ৰী বিৰাজ আহমেদ, উৎপল সোনোৱাল, কনক দেউৰী, জয়ন্ত কাকতি, মানিক গগৈ, মহেন্দ্ৰ গগৈ, ভাইটি কুল গোহাঁই, প্ৰদীপ ৰাভা, সোণমণি দাস, ৰমেন দত্ত, কেশৱ শইকীয়া, চন্দন সোনোৱাল, হৰেশ্বৰ দেউৰী, সূৰ্য্য দেউৰী, সঞ্জীৱ বৰা, বিজিত ভূঞা লগতে জ্ঞাত অজ্ঞাত সকলো শুভাকাঙ্খীলৈ। ● ★ ●

## সম্পাদনা সমিতি

সভাপতি — অধ্যক্ষ শ্ৰীযুত ভৱত নাৰায়ণ জামুৱাৰ
উপাধ্যক্ষ শ্ৰীযুত নন্দলাল বৰগোহাঁই

অধ্যাপকদ্বয় —
শ্ৰীযুত ফণীভূষণ দত্ত ( ইংৰাজী শাখা )
শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন ( অসমীয়া শাখা )

উপদেষ্টা —
শ্ৰীযুতা জ্যোতি বৰগোহাঁই
শ্ৰীযুত চন্দ্ৰগুপ্ত বৰা

সদস্য সদস্যা —
শ্ৰীমতী পুষ্পাঞ্জলি সন্দিকৈ
শ্ৰীসোণমণি দাস
শ্ৰীত্ৰিদিব গগৈ
শ্ৰীকনক দেউৰী
শ্ৰীমুকুন্দ মাধৱ দাস
শ্ৰীজয়ন্ত কাকতি
শ্ৰীপ্ৰসন্ন চেতিয়া
শ্ৰীমানিক গগৈ

সম্পাদক — শ্ৰীসঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা
প্ৰকাশক — ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা
বেটুপাত অঙ্কন আৰু ভাৱাৰ্থ — শ্ৰীমাধৱ কৃষ্ণ দাস
অঙ্গ সজ্জা — শ্ৰীসঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা, শ্ৰীগিৰিকান্ত ৰাভা
আলোক চিত্ৰ — ৰবি ষ্টুডিঅ ( ডিব্ৰুগড় )
ছপাশাল — বৰা প্ৰিণ্টিং হাউচ, ডিব্ৰুগড়





# — সূচী —

সম্পাদকীয় :—

প্ৰবন্ধ :—

| | | পৃষ্ঠা |
|---|---|---|
| জ্যামিতি আৰু ইয়াৰ ক্ৰমবিকাশ | * প্ৰবক্তা শ্ৰীপ্ৰদীপ কুমাৰ চেতিয়া ফুকন | ১ |
| এজন ডিব্ৰুৱানৰ মৃত্যু :— নাট্যকাৰ অনিল মজুমদাৰ | * শ্ৰীতুলাল বৰা | ৪ |
| নতুন কবিতা : এটি আলোকপাত এতিয়াও দুৰ্বোধ্য নেকি | * শ্ৰীসঞ্জীৱ কুমাৰ দত্ত | ৯ |
| অই নিঃতম | * শ্ৰীপ্ৰভাত পাইত | ১৫ |
| অভিশপ্ত টাইটানিক | * শ্ৰীমনোৰঞ্জন বৰ্মন | ১৭ |
| সংযম আৰু সংগম | * শ্ৰীমৃদুল শৰ্ম্মা | ২২ |
| দুটা জনপ্ৰিয় কলা কৌশল : কেৰাটে আৰু কুংফু | * শ্ৰীদিব্যজ্যোতি সন্দিকৈ | ২৩ |
| থোৰতে পৃথিৱী, নেপচুন আৰু প্লুটো সম্পৰ্কীয় তথ্য | * শ্ৰীলক্ষী পাটৰ | ২৫ |

গল্প :—

| | | |
|---|---|---|
| পৰিণাম | * শ্ৰীতুলসী উপাধ্যায় | ২৭ |
| অভাগিনী | * শ্ৰীভৈৰৱ কুমাৰ শইকীয়া | ৩০ |
| অচিনাকি | * শ্ৰীনিৰুপমা কোঁৱৰ | ৩৩ |
| মৃত্যুৰ আগত | * শ্ৰীবিভূতি দাস মজুমদাৰ | ৪০ |
| হৃদয়ে হৃদয়ে | * শ্ৰীদূৰ্গেশ্বৰ গগৈ | ৪২ |
| মনৰ কলা ডাৱৰ | * শ্ৰীসুভাষ চন্দ্ৰ কাৰ্দ্দিং | ৪৬ |
| অব্যক্ত বেদনা | * শ্ৰীলীলা মহন | ৪৯ |
| উত্তৰ | * শ্ৰীদুলাল বৰা | ৫২ |
| সুবিচাৰ | * শ্ৰীবাতুল কুমাৰ মেছ | ৫৫ |

কৱিতা :—

| | | |
|---|---|---|
| ডাষ্টবিনৰ সুখ | * অধ্যাপক চন্দ্ৰগুপ্ত বৰা | ৬৩/৭৫ |
| প্ৰতি মানুহ সেউজী শব্দৰ বাহক | * শ্ৰীসঞ্জীৱ কুমাৰ দত্ত | |
| আহ্বান | * শ্ৰীমুনীন দুৱৰা | |
| জীৱন | * শ্ৰীনিপেন চেতিয়া | |
| মই আহি আছো | * শ্ৰীসঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা | |
| ছবি | * শ্ৰীসূৰ্য্যভক্ত শৰ্ম্মা | |
| চাৰিবেৰৰ মাজত | * শ্ৰীবিপুল চন্দ্ৰ তালুকদাৰ | |
| ইতিহাস | * দয়ানন্দ বৰগোঁহাই | |
| পোহৰ | * শ্ৰীপ্ৰাঞ্জল ৰাজকুমাৰ | |

| | | |
|---|---|---|
| প্ৰেম | * শ্ৰীভূপেন নেওঁগ | |
| সময়ৰ খোজত | * শ্ৰীদিগন্ত ফুকন | |
| অৰ্থহীন | * শ্ৰীবিপুল সোনোৱাল | |
| ইতিহাস, তুমি আঁতৰি যোৱা | * শ্ৰীভীমৰাজ নেৱাৰ | |
| এজাক বান্দৰ | * শ্ৰীনয়নজ্যোতি চেলেং | |
| চিত্ৰলেখা | * শ্ৰীপ্ৰভাত জ্যোতি দেউৰী | |
| বিদ্ৰোহী মন | * শ্ৰীদেৱানন্দ সিংহ | |
| ই মানুহৰ দেশ | * শ্ৰীমিনাক্ষী ফুকন | |
| শ্ৰেষ্ঠ মানৱ | * শ্ৰীতুলসী উপাধ্যায় | |
| জাগ্ৰত প্ৰহৰী | * শ্ৰীচন্দ্ৰ কুমাৰ দত্ত | |
| নতুন পুৰুষ | * শ্ৰীঅতুল কলিতা | |
| সংস্পৃহা | * শ্ৰীপ্ৰসন্ন কুমাৰ চেতিয়া | |
| বিপ্লৱ | * শ্ৰীতুলু গগৈ | |
| সময় হ'ল ৰাইজ—নিজকে এবাৰ ভাবি চোৱাৰ | * শ্ৰীঅপূৰ্ব্ব চেতিয়া | |
| বস ৰচনা আৰু লিখিব নোৱাৰিম নেকি ? | * শ্ৰীপ্ৰফুল্ল কলিতা | ৭৭ |
| কবিতা কোঁৱৰ শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকনৰ সৈতে এখন্তেক — সাক্ষাৎকাৰ | * | ৮১ |
| অভিমত | * | ৮৫ |
| বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন | * | ৯৭ |


## —: ENGLISH SECTION :—


| | | |
|---|---|---|
| Expansion of Banking system in India in Recent years — | * Dr. Romiza Khatun | 109 |
| Biological Indicators | * Prof. Ajit Narayan Hazarika | 113 |
| Oil Field Pollution in Upper Assam | * Rupjyoti Gogoi | 118 |
| Head Me Through it, Omnipotence (Poem) | * Rajib Gogoi | 120 |
| Noise pollution and its effects | * Jayanta Kr. Kakoty | 121 |
| Birds and their scientific names-Collection | * Deba Jyoti Saikia | 122 |
| Whither ( Poem ) | * Prof. P. B. Dutta | 123 |
| Man and wife ( Poem ) | * Pradip Lahon | 124 |
| Computer And Its Use | * Nayan Jyoti Dowerah | 125 |


# সম্পাদকীয় ঃ—

তেৰশব্দটো ছূৰ্ভগীয়া। unlucky thirteen. এইখন; মহাবিদ্যালয়ৰ তেৰ নম্বৰ আলোচনী। এই তেৰ নম্বৰ আলোচনীৰ সম্পাদক হিচাবে মোক নিৰ্বাচন কৰাৰ বাবে সমূহ ডিব্ৰুৱানলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো আৰু সম্পাদকীয় প্ৰতিবেদন আৰম্ভ কৰিছো।

একবিংশ শতিকাৰ ছুৱাৰ দলিত থিয় দি আজি বিশ্বজনতাই মুখা-মুখী হৈছে ঃ বিৱৰ্ত্তনৰ। এই বিৱৰ্ত্তন আহিছে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক তথা পাৰিবাৰিক আৰু ব্যক্তিগত জীৱনলৈ। ফলস্বৰূপে, পৰিবৰ্ত্তন আহিছে—সকলো ক্ষেত্ৰলৈ। এই পৰিবৰ্ত্তনে মানুহৰ চিন্তা-চৰ্চ্চা ৰুচি আদিত পৰিৱৰ্ত্তন আনিছে। এই পৰিবৰ্ত্তনে বিংশ শতিকাৰ শেষ ভাগত দেশৰ ভৱিষ্যত বুলি কোৱা যুৱ সমাজৰ মাজত যি পৰিৰৰ্ত্তনৰ ঢৌ আহিছে, তাৰ ফলত শিক্ষা, সমাজ, সামাজিক আৰু পাৰিবাৰিক জীৱনত যি বিকৃত ৰুচি আৰু মানসিকতাৰ জন্ম দিছে—সি অতি ভয়াবহ, অতি কৰুণ।

ভাৰতৰ বিভিন্ন প্ৰান্তত ঘটা ঘটনাৰাজি, বাদ দি আজি অসমৰ চাৰিবেৰৰ মাজত যি ৰুচিবোধ, কাৰ্য্য চিন্তা আদিৰ মাজত পৰিবৰ্ত্তনৰ নামত যি বিকৃত ৰুচিৰ জন্ম হৈছে, সি অতি ভয়াবহ। আজিৰ পৰা প্ৰায় আধাদজন বছৰৰ আগত বিশ্বৰ সমগ্ৰ জন সাধাৰণৰ শ্ৰদ্ধা, ভক্তি, প্ৰশংসা বুটলিবলৈ সমৰ্থ হৈছিল। কিন্তু ছটা বছৰৰ ভিতৰতে এই যুৱ সমাজৰ মানসিক যি পৰিৱৰ্ত্তন আহিলসি সমাজবিজ্ঞানীৰ গৱেষণাৰ বিষয়। নতুনত্বৰ নামত যি উশৃঙ্খলতা, নৈতিক স্খলন, নাৰী স্বাধীনতাৰ নামত যি উদ্ভণ্ডালি, পৰীক্ষাগৃহত হোৱা অৰাজকতা, সাজপাৰত সৃষ্টি হোৱা ৰুচিবোধৰ অভাৱে বিজ্ঞজনক চিন্তান্বিত কৰি তুলিছে।

তাতোকৈ ভয়ঙ্কৰ চিন্তাৰ বিষয় হৈছে আমাৰ ৰাজ্যৰ শিক্ষা সমস্যা। মাধ্যমিক স্তৰত এই সমস্যা জাতীয় সমস্যাত পৰিণত হৈছে। ১৯৬৪ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ দায়িত্বত মাধ্যমিক শিক্ষা পৰিষদে গ্ৰহণ কৰা সময়ত পৰীক্ষাৰ্থীৰ সংখ্যা আছিল প্ৰায় ৩৭,০০০ (সাতত্ৰিশ হাজাৰ ) আৰু ১৯৯০ চনৰ হাইস্কুল শেষান্ত পৰীক্ষাত বহা পৰীক্ষাৰ্থীৰ সংখ্যা প্ৰায় তিনি লাখ। এই বছৰ উত্তীৰ্ণ হাৰ ২৬%শতাংশতকৈ অলপ বেছি। সংখ্যাৰ ফালৰ পৰা প্ৰায় আশী হাজাৰ। দেখা যায় যে আজি একাদিক্ৰমে ভালে কেইবছৰ উত্তীৰ্ণৰ শতকৰা হাৰ ২৫%শতাংশৰ পৰা ৩২%শতাংশৰ মাজতে ঘুৰি আছে। ফলত শতকৰা ৬৮%শতাংশৰ পৰা ৭৫%শতাংশ অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰে অৰ্দ্ধশিক্ষিত নিবনুৱা সমস্যা সৃষ্টি কৰিছে। উচ্চতৰ মাধ্যমিক স্তৰৰ ছৱিখনো বৰ আশাব্যঞ্জক নহয়। দেখা যায় যে প্ৰত্যেক বছৰেই এই পৰীক্ষা সমূহৰ ফলাফল ঘোষণা কৰাৰ সময়তে শিক্ষাৰ লগত জৰিত হৈ ছুই এজন বিজ্ঞলোকে ফলাফল সম্পৰ্কে বাতৰি কাকত, আলোচনী, সম্পাদকলৈ চিঠি শিতানত লিখা ছুখনমান চিঠি আৰু ছুই এখন কাকতৰ সম্পাদকীয়ত কৰা মন্তব্যৰ মাজতে আৱদ্ধ থাকে। আকৌ সময়ৰ গতিত সকলো পাহৰি যোৱা হয় আৰু গতানুগতিক ৰীতিৰে পৰীক্ষা অনুস্থিত

হয় আৰু একেবিলাক কাৰ্য্যই সংঘটিত হৈ থাকে। প্ৰত্যেকটো পৰীক্ষাৰ ফলাফল ঘোষণাই গাঁৱৰ সহজ-সৰল কৃষক পৰিয়ালৰ কেইবা সাজো ভাতৰ বাবে চকুৰ তললৈ জুই নাযায়।

এই সমস্যাৰ সমাধান স্বাধীনতাৰ দুকুৰি বছৰৰ পিছতো নোহোৱাতো ভাৰতৰ দৰে এখন বৃহৎ গণতান্ত্ৰিক দেশৰ চৰম দুৰ্ভাগ্য। আমি ভবা মতে, এই ক্ষেত্ৰত ছাত্ৰ, অভিভাৱক, শিক্ষক, চৰকাৰ, ৰাজনৈতিক দল সকলো সমানে জগৰীয়া। আজি কিছু বছৰ ধৰি ছাত্ৰ সমাজত পঢ়াৰ প্ৰতি ধাউতি নাইকীয়া পৰিলক্ষিত হৈছে। যাৰ ফলত পৰীক্ষা ঘৰত অনীতিৰ প্ৰকোপ চৰিছে। স্থান বিশেষে পৰীক্ষা ঘৰত অনীতি কৰি ধৰাপৰা ছাত্ৰই নিৰিক্ষকক অসৎ ব্যৱহাৰ কৰা কাৰ্য্য বাতৰি কাকতত প্ৰকাশ পোৱা দেখা যায়। একবিংশ শতিকাৰ দুৱাৰ দলিত থিয় দি অসমৰ ছাত্ৰ সমাজৰ এই কলঙ্ক এক বিপৰ্য্যয়হে।

লগতে সৰহ সংখ্যক অভিভাৱকে নিজৰ সতি-সন্ততিৰ চকুৰ আগতে ঘটা অধঃপতন দেখিও নিৰ্বিকাৰ হৈ থকাৰ কাৰ্য্য বিস্ময়কৰ। অশিক্ষিত বা অৰ্দ্ধশিক্ষিত অভিভাৱক সকলক বাদ দিলে এনে বহুশিক্ষিত, সম্ভ্ৰান্ত বুদ্ধিজীৱি অভিভাৱক দেখা যায়, যি সকলে অসৎ কাৰ্য্যৰ জৰিয়তে নৈতিক অধঃপতন ঘটা সতি সন্ততিৰ বাবে অন্যায় ভাৱে যুজ কৰিও অসতক সৎ বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰে। সেই ফালৰ পৰা চালে, মাজে সময়ে বাতৰি কাকতত প্ৰকাশ পোৱা সম্ভ্ৰান্ত ঘৰৰ সতি সন্ততি সকলে কৰা অসামাজিক আৰু অনৈতিক কাৰ্য্য সমূহৰ উৎস ক'ত সি সহজে অনুমেয়!

তাৰ পাছতে লক্ষ্য কৰা যাওঁক, বিভিন্ন বিদ্যালয়ত থকা শিক্ষা গুৰু সকলৰ কাৰ্য্য কলাপ। আগতে শুনা মতে, মজলীয়া স্কুল পৰীক্ষাত উত্তীৰ্ণ হোৱা এজন ব্যক্তি, এখন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হোৱাৰ উপযুক্ত বুলি বিবেচিত হৈছিল। সেই অনুক্ৰমে সেই ব্যক্তি সকলে নিজৰ দায়িত্ব পালন কৰি, একোটাহঁত বৃহৎ অঞ্চলৰ সামাজিক তথা সকলো কামতে নিজৰ গুণ-গৰিমা প্ৰকাশৰ জৰিয়তে মৃত্যুৰ পিছৰ কেইবাটাও দশকলৈ নিজৰ গুণ-গৰিমা জীয়াই ৰখাইছিল। তেনে গুণী-জ্ঞানী শিক্ষকৰ তলত শিক্ষা লাভ কৰা বহু বয়োবৃদ্ধ সৎলোকে বৃদ্ধ বয়সতো তেনে শিক্ষকৰ গুণ-গৰিমা অকপট চিতে বসনা শুনা যায়।

অন্যহাতে, আজি প্ৰাক-প্ৰাথমিক স্তৰৰ পৰা উচ্চতৰ মাধ্যমিক স্তৰলৈকে প্ৰায় স্নাতক স্নাতকোত্তৰ ডিগ্ৰি ধাৰী শিক্ষকে পাঠদান কৰাৰ পিছতো পৰীক্ষাৰ ক্ষেত্ৰত এনে দূৰ্গতি হোৱাৰ মূল কাৰণ কি ?

থূল মূলকৈ চিন্তা কৰি চালে দেখা যায় যে ইয়াক প্ৰভাবান্বিত কৰা ভালে কেইটা কাৰণ আছে। বৰ্ত্তমান সময়ত এই শিক্ষা অনুস্থান সমূহক out post হিচাবে ব্যৱহাৰ কৰাৰ পৰিবৰ্ত্তে centre for solving unemployment হিচাবে ব্যৱহাৰ কৰাৰ প্ৰৱণতা অধিক হোৱা হেতুকে প্ৰায় স্থানতে নীতি নিয়ম, আৱশ্যকতাৰ প্ৰতি গুৰুত্ব নিদিয়া হৈছে। ফলত, পুলিছ, মিলিটাৰী বনবিভাগ, আবকাৰী বিভাগৰ বাবে উপযুক্তব্যক্তিয়ে শিক্ষকৰ সাজ পিন্ধি জীৱন নিৰ্বাহ কৰিব লগা হৈছে। ইয়াৰ ফল কি হব পাৰে সি সহজে সকলোৰে বোধগম্য। তাৰোপৰি, বৰ্ত্তমানে বিদ্যালয়ৰ চাকৰি সংক্ৰান্তত যি আঞ্চলিকতাবাদ গঢ় লৈ উঠিছে — শিক্ষা সংক্ৰান্তত অধোগামিতাৰ অন্য এক থল আছে। বিষয়, বিভাগ আদিৰ আৰু শিক্ষক জনৰ গুণগত মানৰ বিবেচনাতকৈ ব্যক্তিজন আঞ্চলিক নে বাহিৰৰ সেইটোহে বিবেচনাৰ বিষয়,





size আদিৰ অৰ্থাৎ গুণগত বিবেচনা নহয়। ইয়াৰ ফল কি হবগৈ পাৰে তাক সময়েহে দিব।

ইয়াৰ ওপৰিও বৰ্ত্তমান শিক্ষাগুৰু সকলৰ মাজত ৰাজনৈতিক কাৰ্য্যকলাপৰ প্ৰতি যি সীমাহীন ৰাপ গঢ়ি তুলিছে — সিয়ো বিচাৰ্য্য। এনে বহু শিক্ষক আছে যি সকলে পাঠদান কাৰ্য্যক গৌণ আসন দি সমাজৰ আৰু ৰাজনৈতিক কাৰ্য্য কলাপত অধিক গুৰুত্ব আৰোপ কৰি, নিজৰ দলৰ প্ৰতি আকৰ্ষিত কৰিবলৈ ছাত্ৰৰ লগত লগ হৈ নানা দুষ্কাৰ্য্য কৰা ঘটনা আদিৰ কথা শুনিলে কোনো চিন্তাশীল লোকেই বিচলিত নোহোৱাকৈ নাথাকিব। আনকি, পৰীক্ষা ঘৰত কু কৰ্মৰ আহিলাপাতি শিক্ষকেই পৰীক্ষাৰ্থীক যোগোৱাৰ ঘটনাত বাতৰিকাকতত মাজে সময়ে প্ৰকাশ পোৱাতো অসমৰ শিক্ষা জগতৰ চৰম দুৰ্ভাগ্য, গতিকে শিক্ষাগুৰু সকলেও, শিক্ষকৰ ঐতিহ্য, আদৰ্শৰ প্ৰতি উচৰ্গীকৃত ধ্যান ধাৰণাৰ অনুশীলন কৰিবলৈ পুনৰবাৰ আৰম্ভ কৰিলে শিক্ষা জগতক চানি পেলোৱা অৰাজকতা ৰূপী ৰঘুমলা বহুলাংশে আতৰি যাব বুলি আমাৰ দৃঢ় বিশ্বাস।

চৰকাৰ নামৰ এটা ৰাজনৈতিক যন্ত্ৰও আছে। এই যন্ত্ৰটোৰ শিক্ষা বিভাগ নামৰ এটা অংশ আছে। এই বিভাগটো চলাবলৈ পঞ্চায়ত পৰ্য্যায়ৰ পৰা ৰাজ্যিক পৰ্য্যায়লৈকে বিভিন্ন বিভাগ বিভাগীয় বিষয়া আছে। সকলোৰে ওপৰত আছে মন্ত্ৰী নামৰ এজন ৰাজনৈতিক দলৰ বিষয়া। যিজনে এই বিভাগটোৰ নীতি নিৰ্দ্ধাৰণ কৰে। অপ্ৰিয় হলেও এটা কথা মুকলিকৈ কব লাগিব যে বৰ্ত্তমান শিক্ষা জগতৰ মাজত দেখা দিয়া অৰাজকতাৰ কাৰণে এই মন্ত্ৰী নামৰ সৰ্বোচ্চ বিষয়াজন কম জগৰীয়া নহয়। কেতিয়া নীতি বিষয়ক কি ঘোষণা কৰে একো ঠিকনা নাথাকে। উদাহৰণ স্বৰূপে, বিনামূলীয়া পাঠ্য পুথি আৰু সাজ পোছাক দিম বুলি ঘোষণা কৰি যি বহুৱালি কৰিলে তাৰ ফল স্বৰূপে পাঠ্য-পুথিৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে ৰাজআলিত মিচিল উলিয়াব লগা হল। স্বাধীন দেশ এখনত ইয়াতকৈ চৰম দুৰ্ভাগ্য কি হব পাৰে? ১৯৫২ চনত মুছালিয়াৰ আয়োগৰ ভিত্তিত গঢ়লৈ উঠা উচ্চতৰ মাধ্যমিক শিক্ষক সকল শিক্ষক হিচাপে গণ্য কৰি অহা হৈছিল আৰু শিক্ষক সকলেও নিজকে শিক্ষক বুলিয়ে ভাবি সামাজিক মান মৰ্য্যদা ৰক্ষা কৰিছিল। কিন্তু হঠাৎ মন্ত্ৰীজনে ঘোষণা কৰিলে যে উচ্চতৰ মাধ্যমিকৰ শ্ৰেণী দুটাকলৈ জুনিয়ৰ কলেজ খোলা হব। লগে লগে উচ্চতৰ মাধ্যমিক শিক্ষক সকলৰ মনতো জুনিয়ৰ কলেজৰ অধ্যক্ষ অধ্যাপক আদি হোৱাৰ বাসনা জাগিল। ফলত বহু বিদ্যালয়ত মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষকৰ সম্বন্ধত ফাট মেলিলে যাৰ ফলত কোনো কোনো উচ্চতৰ বিদ্যালয়ৰ শিক্ষক সকলে মাধ্যমিক বিদ্যালয়ত পাঠ দান কৰিবলৈ অস্বীকাৰ কৰিলে কিন্তু মূল বিষয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক সকলক নিয়োগ কৰা হৈছে. ১০+২ স্তৰত হে, ২+৩ স্তৰত নহয়। গতিকে এনে বহুৱালিয়ে শিক্ষাজগতৰ আৰু অৰাজকতা বহে সৃষ্টি কৰিব বুলি বিশ্বাস।

শিক্ষাজগতৰ অৰাজকতা সৃষ্টিৰ উৎস হ'ল — ৰাজনৈতিক দল সমূহ। এই দল সমূহৰ প্ৰচেষ্টাতে প্ৰথম অৱস্থাত বিভিন্ন শিক্ষকক সদস্য কৰি লৈ, এই শিক্ষক সকলৰ জৰিয়তে, ছাত্ৰ-ছাত্ৰী সকলক বিভিন্ন ৰাজনৈতিক দলৰ অনুগত কৰি শিক্ষানুস্থান সমূহক শিক্ষা আহৰণৰ কেন্দ্ৰৰ পৰিবৰ্তে ৰাজনৈতিক প্ৰশিক্ষণ আৰু ৰণ কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিছে। যাৰ ফলত, শিক্ষানুস্থান সমূহত সহকৰ্মী সহপাঠী, আদিৰ নিচিনা শব্দ সমূহ নিবাসিত হৈছে। যাৰ ফলত পৰীক্ষা গৃহত অপ্ৰীতিকৰ ঘটনা, দলীয় সংঘৰ্ষৰ সূত্ৰপাত হৈছে। সকলো চিন্তাশীল লোকে

শিক্ষানুস্থান সমূহ এই নিকৃষ্ট কাৰ্য্যকলাপৰ পৰা মুক্ত হোৱা বিচাৰে।

শেষৰ বিষয়টো হল - সমাজ। আজি সন্দেহ হয় অসমত আজি সমাজ বুলি কিবা এটা আছে নে নাই, কোনেও সঠিককৈ নিশ্চয় কব নোৱাৰিব, কিয়নো অসমত বাস কৰা সকলো লোকেই সামাজিক ভাৱে, ধৰ্ম, ৰাজনীতি, গোষ্ঠী, সম্প্ৰদায়, ভাষা আদিক কেন্দ্ৰ কৰি বহুধা বিভক্ত হৈ পৰিছে। যাৰ ফলত, এই ভাগ বিলাকৰ প্ৰভাৱ প্ৰাথমিক বিদ্যালয়ৰ পৰা মহাবিদ্যালয়ৰ ছাত্ৰলৈকে সকলোৰে ৰক্তত কম বেছি পৰিমাণে প্ৰবাহিত হৈ পৰিছে। যাৰ ফলত, গোষ্ঠীগত সংঘৰ্ষ, লুণ্ঠন, ধৰ্ষণ, হত্যা আদি নিকৃষ্টতম কাৰ্য্য বিলাক চকুৰ আগতে ঘটি থাকিলেও কোনেও কোনো অনুভূতি অনুভৱ নকৰে। সকলো নিৰ্বিকাৰ। বাতৰি কাকত, আৰু অন্যান্য বাতৰি মাধ্যমত প্ৰকাশ পোৱা এঘাৰ বাৰ বছৰীয়া কিশোৰীৰ পাইকাৰী ধৰ্ষনৰ বাতৰিয়েও কাকো বিস্মিত নকৰে। প্ৰতিবাদৰ "টু" শব্দ এটাও উচ্চাৰণ নকৰে। ইয়াতকৈ অধঃপতন সমাজবোলা বস্তুটোৰ কি বাকী থাকিল ? পুত্ৰৰ ওপৰত পিতা, অভিভাৱক আদি বুলি কোৱালোক সকলৰ অভিভাৱকত্ব দায়িত্ব কৰ্ত্তব্য আদি শিথিল হল। কিয়নো এই লোক সকলেই ধৰ্ম, ৰাজনীতি, গোষ্ঠী আদি নানা ভাগত বিভক্ত হৈ কু-কৰ্মত লিপ্ত। এনে বহু পিতৃ অভিভাৱকো আছে — কোনো গোষ্ঠীগত বা সাম্প্ৰদায়িক অথবা সদৌ অসম নামৰ বহু সংগঠনৰ লগত জৰিত ছাত্ৰ পুত্ৰই কৰা কুকৰ্মলৈ গৌৰৱ অনুভৱ কৰা দেখা যায়। এই সমস্যা সমূহৰ আশু সমাধানৰ ব্যৱস্থা নকৰিলে সোণৰ অসম ৱিচৰা জাতিটোৱে তামৰ অসম এখনো ৰক্ষা কৰিব নোৱাৰিব। অসমৰ কলা-কৃষ্টি-সংস্কৃতি বৰ্ণাঢ্য বুলি কোৱা হয়। দেখ দেখকৈ অসমৰ কৃষ্টি-সংস্কৃতি দুটা বিপৰীত সোতত গতি কৰা লক্ষ্য কৰা যায়। এই গতিত লক্ষ্য কৰিলে দেখা যায় যে আধুনিকতাৰ নামত পশ্চিমীয়া সংস্কৃতিৰ নামত এক অৰাজকতা। এই বিশৃংখলতা অসমীয়া সমাজ জীৱনলৈ বোজা স্বৰূপে জাপি দিয়াৰ প্ৰচেষ্টা চলিছে।

দ্বিতীয় ধাৰাটো অনুধাৱন কৰিলে দেখা যায় যে অসমীয়া কলা - কৃষ্টি সংস্কৃতি বৈষ্ণৱ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ আৰম্ভ হৈ জ্যোতিপ্ৰসাদ আগৰৱাল আৰু বিষ্ণু প্ৰসাদ ৰাভাত শেষ হৈছে। এনে এক ধাৰণাৰ সৃষ্টি কৰা হোৱা যেন লাগে পোন্ধৰ শ শতিকাৰ মাজভাগত অসমীয়া কৃষ্টি সংস্কৃতিৰ জন্ম হৈ কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত শেষ হৈছে। ইয়াৰ আগত বা পাছত একো নাছিল। এই প্ৰৱণতাই অসমৰ জাতীয় জীৱনত ঐক্য সংহতি ৰক্ষা কৰাত কিমান অৰিহণা যোগাইছে বিজ্ঞজনৰ চিন্তাৰ বিষয়।

আজি অসম অগ্নিগৰ্ভা। এই অগ্নিগৰ্ভা অসম আজি সামাজিক ভাৱে বহুধা বিভক্ত। অসমত অসমীয়া সমাজ নামৰ কিবা এটা বস্তু আছেনে নাই সন্দেহ আছে। একালে একবিংশ শতিকালৈ গতি কৰাৰ আয়োজন আৰু আনফালে সামাজিকভাৱে তেৰশ শতিকাৰ পিছলৈ উভতি যোৱাৰ মানসিক যি প্ৰৱণতা পৰিলক্ষিত হৈছে তাৰফলশ্ৰুতি লাহে লাহে প্ৰকাশ পাবলৈ আৰম্ভ কৰিছে।

একালত মুঠ বান্ধি থাকি ভাৰত বিজয়ী মোগলক সোতৰবাৰ কৰতোৱা পাৰ কৰি পঠোৱা সেই মুঠি অসমীয়াৰ সতি-সন্ততিয়ে একমুঠে থকাৰ চিন্তা ত্যাগ কৰি সামন্তবাদী চিন্তাত হাবুডুবু খাই এনে এক অৱস্থাত উপস্থিত হৈছে যে বহিঃ শত্ৰুৰ বিপক্ষে থিয় দিয়াৰ পৰিবৰ্তে ভাতৃঘাটী সংঘৰ্ষত হে লিপ্ত হৈছে। ইয়াৰ মূল উৎস ক'ত তাক বিচাৰি উলিওৱাৰ পৰিবৰ্তে পৰস্পৰে পৰস্পৰক সাম্প্ৰদায়িক, সমাজ বিৰোধী, সন্ত্ৰাসবাদী, ধৰ্ম্মান্ধ বিভেদকামী আদি বিশেষণ জাপি দি নিজক নিৰ্দ্দোষী প্ৰমাণ





কৰাৰ প্ৰচেষ্টাত ৰত হৈছে। যাৰ ফলত আজি অসমৰ চুক-কোণে ভাতৃঘাটী সংঘই সৰ্বসাধাৰণ ৰাইজক অনিশ্চয়তাৰ মাজত ৰাখি জীৱন দুৰ্ব্বহ কৰি তুলিছে। শিক্ষা, সমাজ, অৰ্থনীতি, সমাজনীতি সকলোতে এক অভাৱনীয় বিশৃঙ্খলতাৰ সৃষ্টি হৈছে যাৰ ফলত অসম নামৰ দেশখন আৰু অসমীয়া নামৰ জাতিটো বৰ্ত্তি থাকিব নে নাথাকে বিজ্ঞলোকৰ মনত সন্দেহৰ অৱকাশ জাগিছে। শিক্ষাৰ নামত যি বহুৱালি, যি অৰাজকতা; পৰীক্ষাৰ নামত যি বিশৃঙ্খলতা আজি প্ৰায় দশক জুৰি চলিছে ইয়াৰ ফলত জাতিটোৰ গঠনত যি শূন্যতাৰ সৃষ্টি হৈছে. ই চলি থাকিলে আৰু দুই চাৰিটা দশকত অসমীয়া নামৰ জাতিটো নিচিহ্ন হৈ যাব বুলি চিন্তাশীল লোকসকলে আশঙ্কা কৰিছে। গতিকে এতিয়াও এই বিশৃঙ্খলতাসমূহ শাসক, শাসিত, বুদ্ধিজীৱি, শিকাঁওতা, শিকোঁতা, আন্দোলনকাৰী, প্ৰতি আন্দোলনকাৰী, মধ্যস্থতাকাৰী, বিভেদকামী সকলো সজাগ হৈ এক মধ্যম পন্থা বিচাৰি উলিয়াব নোৱাৰিলে বিজ্ঞ সকলৰ আশঙ্কা বাস্তৱত পৰিণত হোৱাৰ সম্ভাৱনাই বেছি।

আজি অসম ৰাজ্যত নৈৰাস্য, আতঙ্ক, বাতৰি, উৰা বাতৰি, আদিয়ে জন সাধাৰনক কিং কৰ্ত্তব্য - বিমূঢ় আৰু দিক হাৰা কৰি পেলাইছে। ইয়াত ইন্ধন যোগাইছে জনতাৰ ত্ৰানকৰ্তাৰে অভিনয় কৰা আঞ্চলিক তথা সৰ্বভাৰতীয় ক্ষমতালোভী ৰাজনৈতিক দল সমূহে। প্ৰত্যেকেই প্ৰত্যেকৰ দোষ খোচৰা আৰম্ভ কৰি নিজৰ দলৰ ঘাবোৰ বান্দৰৰ ঘালৈ ৰূপান্তৰিত কৰিছে। ৰাজনৈতিক দলৰ নেতা সকলে অসমৰ জনতাৰ দুখত, হিয়া ঢাকুৰি কন্দা-কটা কৰি ঘৰিয়ালৰ যি চকুপানী পেলাইছে, সেই লোতকে জনতাৰ হিয়া সেমেকাব পৰা নাই। তেওঁলোকে ভৱাৰ দৰে অসমৰ জনতা আজি মানসিক ভাৱে দৈন্য নহয়। গতিকে, আজি আঞ্চলিক আৰু সৰ্বভাৰতীয় সকলো ৰাজনৈতিক দলৰ সন্মুখত এটাই পথ খোলা আছে — তেওঁলোকে নিজৰ নিজৰ গোধা ভৰি বোৰ ঢাকি লোকৰ ভৰিলৈ আঙুলি টোৱাই থকাতকৈ জনতাৰ দুখত ঘৰীয়ালৰ চকুপানী টুকি হায়ে-বিয়ে কৰাতকৈ নিজৰ কৃতকৰ্মৰ বাবে অসমৰ জন সাধাৰণৰ ওচৰত দোষ স্বীকাৰ কৰি স্বত্বহীন ক্ষমা প্ৰাৰ্থনা কৰক। লগতে পাঁচ বছৰৰ পৰা চল্লিশ বছৰ কথা কোৱা সকল স্তব্ধ হৈ কোনো দিন "আ" নকৰা জনতাক কবলৈ দিয়ক আৰু শুনক।

দ্বিতীয়তে, অসমৰ বুদ্ধিজীৱি বোলা শ্ৰেণীটোৰ বিষয়েও কবলগা আছে। বৰ্ত্তমান জগতত এই বুদ্ধিজীৱি শব্দটো যি ব্যাপক অৰ্থত ব্যৱহাৰ হৈছে অসমত তেনে অৰ্থত ব্যৱহাৰ হোৱা যেন নালাগে। আচলতে এই শব্দৰ প্ৰয়োগ নিজৰ সুবিধা অনুসৰি নিজ বুদ্ধি প্ৰয়োগ কৰি জীয়াই থকা একশ্ৰেণী লোককহে বুজোৱা পৰিলক্ষিত হৈছে। যাৰ ফলস্বৰূপে তেখেত সকলে সকলো অৱস্থাতে অক্ষত অৱস্থাত অৱস্থান কৰিছে আৰু তেওঁলোকৰ কথাত পৰিচালিত জনতাই অথাই সাগৰত পৰি ককবকাই থাকিব লগা হৈছে। গতিকে তেখেত সকল সাৱধান হবৰ হল — কিয়নো তথাকথিত ফেঁহাই দিন দুপৰতে কণা গাধৰ পথ প্ৰদৰ্শক হোৱাৰ দাবী কৰা অনুচিত। তাৰোপৰি বুদ্ধিজীৱি মহলে বিভিন্ন জাতি-জনজাতি, গোষ্ঠী সম্প্ৰদায়ৰ মাজত ওলোৱা মানসিক ঘাঁ সমূহত নিৰাময়ৰ মলম লগোৱাতকৈ তেওঁলোকৰ কথা বতৰাত গেলাঘাঁত চেঙাতেল মৰাহে পৰিলক্ষিত হৈছে।

ইয়াৰ লগতে আৰু এটা কথা আলোচনা কৰিবলগীয়া লাগিব। যিবিলাক প্ৰচাৰ মাধ্যম শাসকৰ দ্বাৰা পৰিচালিত সেইবিলাক চৰকাৰৰ ভাষ্য প্ৰকাশ কৰাত ব্যস্ত; আনহাতে, কাকত জাতীয় মাধ্যম সমূহ যিবিলাকক জনমত গঠনৰ মূল ভেতি বুলি গণ্য কৰা হয় আৰু

জনতাৰ মুখপত্ৰ বুলি বিবেচনা কৰা হয় সেই বিলাকেও পক্ষপাতিতা অৱলম্বন কৰাটো পৰিলক্ষিত হৈছে, যাৰ ফল-স্বৰূপে জনতাই মানসিক শান্তি পোৱাৰ পৰিবৰ্ত্তে মানসিক যান্ত্ৰনাত অধিক ভূগিব লগা হৈছে। ওপৰুক্ত কাৰ্য্যব্যৱস্থা সমূহ দেশ তথা জনতাৰ স্বাৰ্থৰ অনুকুল হোৱা নাই।

গতিকে এই বিপৰ্য্যয়ৰ সময়ত সকলোৱে জাত পাত; গোষ্ঠী সম্প্ৰদায়, ৰাজনৈতিক মতানৈক্য, অসূয়া ঘৃণা, হিংসা, প্ৰতিহিংসাৰ, বিৰুদ্ধে ঠিয় দিব নোৱাৰিলে আৰু নিজৰ কৃতকৰ্মৰ পৰা শিক্ষা লব নোৱাৰিলে অসমীয়া জাতি নিশ্চিন্ন হৈ যাব।

আমি এটা বিষয়ে আলোচনা কৰি সামৰণি মাৰিম। নিজে যুৱক নামৰ সগোত্ৰৰ অংশ হৈ নিজে কৰা কামৰ সমালোচনা কৰাতো উচিত বুলি ভাবিছো। এটা সময়ত অসমৰ যুৱ সমাজ এক বিশ্বজনীন সুনামৰ অধিকাৰী আছিল। কিন্তু এই সুনামৰ লগত ক্ষমতালোভ আৰু অৰ্থলোভে এনে এক পৰিস্থিতিৰ সৃষ্টি কৰিলে যে আজি অসমৰ যুৱ বিভিন্ন কাৰণত বিভিন্ন জনৰ কাৰণে ত্ৰাসৰ কাৰণ। তেওঁলোকৰ সৰহ ভাগেই অতি কম সময়ত, অতি কম কষ্টত, সৰহ উপাৰ্জন কৰাটোৱেই বিচাৰে। আনকি অসমৰ নাৰী সমাজো ত্ৰস্তমান। অৱশ্যে এই ক্ষেত্ৰত এচাম উদ্ধত যুৱতীৰো অৱদান কম নহয়। সদায়ে প্ৰায়বোৰ কাকততে যুৱ সমাজৰ কাৰ্য্য কলাপৰ আলোচনা সমালোচনা প্ৰকাশ পাই থাকে। গতিকে এই সংক্ৰান্তত বহল ভাৱে কব লগা নাই। যুৱ সমাজৰ জৰিয়তে সুসমাজ প্ৰতিষ্ঠা হোৱাতো সকলোৱে কামনা কৰে।

আলোচনীখন পোহৰলৈ অনাৰ ক্ষেত্ৰত লিখনি আৰু বুদ্ধি পৰামৰ্শৰে সহায় কৰাৰ বাবে মহাবিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ প্ৰতি চিৰকৃতজ্ঞ হৈ ৰলো। বিভিন্ন সময়ত দিহা পৰামৰ্শ দিয়াৰ বাবে অধ্যক্ষ শ্ৰীযুত ভৰত নাৰায়ণ জামুৱাৰ, শিক্ষা গুৰু শ্ৰীযুত ফণীভূষণ দত্ত, শ্ৰীযুতা জ্যোতি বৰগোহাঁই বাইদেউ, শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন, চাৰ আৰু শ্ৰীযুত চন্দ্ৰগুপ্ত বৰা চাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জনালো। বেটুপাত শিল্পী শ্ৰীমাধৱ কৃষ্ণ দাসলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালো। বহু সমস্যাৰ মাজতো বেটুপাতখন আঁকি আলোচনীখন সৰ্ব্বাঙ্গ সুন্দৰ কৰা বাবে, লগতে আলোচনীখন সৰ্ব্বাঙ্গ সুন্দৰকৈ প্ৰকাশ কৰি দিয়াত বৰা প্ৰিন্টিং হাউচৰ স্বত্বাধিকাৰী তথা প্ৰেছৰ সমূহ কৰ্ম কৰ্ত্তাৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰলো।

সদৌ শেষত, ওপৰত উল্লেখিত সকলৰ উপৰিও যি সকলৰ নাম বাদ পৰি গৈছে অথবা যি সকলে আলোচনীখন প্ৰকাশৰ বাবে সহযোগ আগবঢ়ালে সেই সদৌটিলৈকে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

ক্ষমা প্ৰাৰ্থনাৰে —

– "অধমে কেৱল দোষ লৱয় মধ্যমে গুণ
দোষলৱে কৰিয়া বিচাৰ।
উত্তম কেৱলে গুণ লৱয় উত্তমোত্তমে
অল্পগুণ কৰয় বিস্তাৰ॥"

ভৱদীয়

সঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা

১৪/১/৯১



## মহাবিদ্যালয়ৰ অধ্যক্ষ



শ্ৰীযুত ভৰতনাৰায়ণ জামুৱাৰ দেৱ

## সম্পাদনা সমিতি



বাওঁফালৰ পৰা বহি ক্ৰমে সঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা (আঃ সঃ), প্ৰৱক্তা শ্ৰীযুত ফণীভূষণ দত্ত (ভাঃ অধ্যক্ষ), শ্ৰীযুত নন্দলাল বৰগোহাঁই (উপাধ্যক্ষ), শ্ৰীযুত ভৰত নাৰায়ণ জামুৱাৰ (অধ্যক্ষ), শ্ৰীযুতা জ্যোতি বৰগোহাঁই (উপদেষ্টা), শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন (উপদেষ্টা)

থিয় হৈ বাওঁফালৰ পৰা ক্ৰমে পুষ্পাঞ্জলী সন্দিকৈ, সোণমণি দাস, ত্ৰিদিপ গগৈ, কনক দেউৰী, মুকুণ্ড মাধৱ দাস, জয়ন্ত কাকতি, প্ৰসন্ন চেতিয়া (সদস্যবৃন্দ)। অনুপস্থিত প্ৰৱক্তা শ্ৰীযুত চন্দ্ৰগুপ্ত বৰা (উপদেষ্টা). শ্ৰীমানিক গগৈ (সদস্য)

## মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা



বহি বাওঁফালৰ পৰা ক্ৰমে শ্ৰীবিদ্যুৎ কোঁৱৰ (ছাত্ৰঃ জিঃ কোঃ সঃ), সঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা (আঃ সঃ), শ্ৰীযুত নন্দলাল বৰগোহাঁই (উপাধ্যক্ষ), শ্ৰীযুত ভৰত নাৰায়ণ জামুৱাৰ (অধ্যক্ষ), শ্ৰীকনক দেউৰী (সাঃ সঃ), জয়ন্ত কাকতি (সহঃ সাঃ সঃ)

থিয় হৈ বাওঁফালৰ পৰা ক্ৰমে শ্ৰীযুত প্ৰসন্ন চেতিয়া (সঃ কঃ সঃ), অৰুণ সোণোৱাল (শৰীৰ চঃ বিঃ), ডেভিদ কাদং (সদস্য), শ্ৰীমতী বিজয়া গোহাঁই (ছাত্ৰী জিঃ কোঃ), একাদিত্য হাজৰিকা (সদস্য), ত্ৰিদিব গগৈ, ৰাতুল বুঢ়াগোহাঁই, চন্দন শইকীয়া, অতুল কলিতা।

অনুপস্থিত শ্ৰীৰাজকুমাৰ দত্ত(উঃসঃ), প্ৰশান্ত দত্ত (সাংঃ সঃ), নৰকুমাৰ গগৈ (সাংঃ বিঃ), নিৰঞ্জন গগৈ (মুখ্যঃ খেঃ বিঃ), অনন্ত শৰ্মা (সঃ খেঃ বি), ৰোহিত হাজৰিকা (শ্ৰেঃ প্ৰঃ)

## —ঃ জ্যামিতি আৰু ইয়াৰ ক্ৰমবিকাশ ঃ—

শ্ৰীপ্ৰদীপ কুমাৰ চেতিয়া ফুকন
এম,এচ,চি,এম,ফিল,
প্ৰবক্তা, গণিত শাস্ত্ৰ বিভাগ

সাম্প্ৰতিক যুগটো হৈছে বৈজ্ঞানিক যুগ। মানৱ সমাজক প্ৰতি পদে পদে গণিত শাস্ত্ৰৰ প্ৰয়োজন হৈ পৰিছে। গণিতশাস্ত্ৰৰ এটি অতি প্ৰয়োজনীয় শাখা হৈছে জ্যামিতি। আমি দেখি থকা জগত খনত—কি প্ৰাকৃতিক জগত, কি মানুহে সজা কৃত্ৰিম জগত — দুয়োতে জ্যামিতিৰ ভীৰ। বস্তুৰ আকৃতিত জ্যামিতিৰ গঢ় ক'তনো নাই ? মকৰা জালখনত কি সুন্দৰ জ্যামিতি। উইয়ে বনোৱা উই হাঁফলুতো যি ধুনীয়া জ্যামিতিৰ চিত্ৰ। বৰ্ত্তমান যি কোনো ক্ষেত্ৰত কামকৰা এজন বিজ্ঞানীয়ে হওঁক বা আমাৰ সমাজত সাধাৰণ ভাৱে দুবেলা-দুসাজ খাই জীৱিকা নিৰ্বাহ কৰা ব্যক্তিয়েই হওঁক, এই সকলো ক্ষেত্ৰতে জ্যামিতিৰ প্ৰয়োগ প্ৰভূত। আমি বাস কৰা পৃথিৱীখনত দৈনন্দিন জীৱনতো জ্যামিতিৰ প্ৰয়োগ আকৃতি-প্ৰভৃতি আৰু যুক্তিৰ মাধ্যমেৰে প্ৰতি মূহুৰ্ত্ততে আমি নকৰি নোৱাৰো। সচাঁকৈয়ে প্ৰকৃতিৰ ৰেহৰূপ লেখি জীৱন সাফল্যমণ্ডিত কৰিবলৈ হলে জ্যামিতিৰ সহায় অৱশ্যম্ভাৱী।

গ্ৰীক ভাষাৰ দুটা শব্দৰ সংযোজনত ইংৰাজী Geometry শব্দটো সৃষ্টি হৈছে। Ge মানে পৃথিৱী অৰ্থাৎ মাটি আৰু metre in মানে জোখ লোৱা। গতিকে Geometry হল জোখ-মাখ লোৱা জ্ঞান দিব পৰা বিজ্ঞান। জ্যামিতিৰ এই শব্দগত অৰ্থটো অৱশ্যে জ্যামিতিৰ বিষয়টোৰ বৰ্ত্তমানৰ বহল পৰিসৰৰ লগত সম্পূৰ্ণ খাপ নাখায়।

খ্ৰীঃপূঃ প্ৰায় ২০০০ চনত পোন প্ৰথমে মিছৰত জোখমাখৰ ব্যৱহাৰিক বিজ্ঞানৰ আহিলা হিচাবে জ্যামিতিৰ জন্ম হয়। গ্ৰিক সকলৰ জ্যামিতি বৰ প্ৰিয় নাছিল। খ্ৰীঃপূঃ ( 640—546 ) থেলচৰ আগমনৰ পাছৰ পৰাহে গ্ৰিছত জ্যামিতিৰ জনপ্ৰিয়তা বৃদ্ধি পায়। আৱিস্কৃত ফলবোৰ অ'ত-ত'ত সিচৰিত হৈ আছিল। পাইথাগোৰাছ, টোলেমি, হিপোক্ৰেটছ আদিয়ে বিষয়টোক সুসজ্জিত ৰূপ দিবলৈ বিছাৰিছিল যদিও কৃতকাৰ্য্য নহল। তেওঁলোকৰ গৱেষণাৰ ফলবোৰ পুনৰ অধ্যয়ন কৰি এথেন্সৰ ইউক্লিডে এই কামত কৃতকাৰ্য্যতা লাভ কৰিলে। তেওঁ "Elements" নামৰ কিতাপত জ্যামিতিৰ উপপাদ্যবোৰ এটা নিৰ্দিষ্ট ক্ৰমত সজাই প্ৰকাশ কৰে। পিছৰ চাম মানুহৰ বাবে জ্যামিতি বিষয়টো জানিবলৈ ই এটা বিশেষ সম্বল হল। আমাৰ স্কুলবোৰত ব্যৱহাৰ কৰা জ্যামিতিৰ পুথিবোৰ সিদিনালৈকে "Elements" অৰ অংশ বিশেষহে আছিল। নতুন পাঠ্যক্ৰমবোৰত জ্যামিতিৰ নতুন ধৰণৰ ৰূপ দিয়া হৈছে।

জ্যামিতিক "Deductive Science" বুলিও কোৱা হয়। কাৰণ, কোনো এটা উপপাদ্য প্ৰমাণ কৰিবলৈ হলে আগেয়ে জনা আন কিছুমান উপপাদ্য ব্যৱহাৰ কৰিব লগীয়া হয়। সেই দৰে আগৰ উপপাদ্য বোৰ প্ৰমাণ কৰোঁতেও আনে জনা উপপাদ্য ব্যৱহাৰ কৰা হৈছিল। সেইদৰে আগুৱাই গৈ থাকিলে পোৱা যাব যে কিছুমান ফল ( Results ) বিনা প্ৰমাণে ব্যৱহাৰ

কৰিব লগীয়া হয়। এইবোৰক ইউক্লিডে ( Postulates ) স্বীকাৰ্য্য বুলি অভিহিত কৰিছে।

আনহাতে, আন কিছুমান বাস্তৱ অনুভূতিৰ পৰা পোৱা সাধাৰণ সত্য আছে, যিবোৰ অকল জ্যামিতিতেই নহয়, বিজ্ঞানৰ সকলো শাখাতে বিনা দ্বিধাই মানি লোৱা হয়। এইবোৰক স্বতঃসিদ্ধ ( Axiom ) বোলা হয়।

হিন্দুসকলৰ অৱদানো জ্যামিতি বিষয়ত কম নহয়। উদাহৰণ স্বৰূপে শুলভ্ সূত্ৰৰ কথা কব পাৰি। আমি পাইথাগোৰাছ সূত্ৰ বুলিলে যি বুজো, সিয়েই শুলভৰ সূত্ৰ। অৰ্থাৎ এটা আয়তক্ষেত্ৰৰ কৰ্ণডালে যি বৰ্গক্ষেত্ৰ কৰিব তাৰ কালি, দীঘ আৰু প্ৰস্থই প্ৰত্যেকে কৰা বৰ্গক্ষেত্ৰ দুটাৰ কালিৰ যোগফলৰ সমান। দেখা যায় যে এই শুলভ সূত্ৰটো পাইথাগোৰাছৰ সূত্ৰৰ বাহিৰে আন একো নহয়।

জ্যামিতিত বিশেষ অৱদান থকা আন এজন হিন্দু গণিতজ্ঞ হল ব্ৰহ্মগুপ্ত ( জন্ম 598 খ্ৰী: ) ব্ৰহ্মগুপ্তই প্ৰধানকৈ চক্ৰীয় চতুৰ্ভূৰ্জৰ কালি, শংকু ( Cone ) আৰু পিৰামিডৰ আয়তন উলিওৱা সূত্ৰ উদ্ভাৱন কৰে। জ্যামিতিত এপোলোনিয়াছৰ অৱদানো অতুলনীয়। এওঁ সকলো ধৰণৰ বক্ৰ ( Curve ) সম্বন্ধে বিশেষভাৱে অধ্যয়ন কৰে আৰু 'Conics' নামৰ কিতাপ এখনত সেইবোৰ প্ৰকাশ কৰে। তাত তেওঁ বৃত্ত ( Circle ), উপবৃত্ত ( Ellipse ), অধিবৃত্ত ( Pasabola ) পৰাবৃত্ত ( Hyperbola ) আৰু ( Pairs of straight lines ) যোৰ সৰল ৰেখাৰ কথা আলোচনা কৰে। এই আটাইবিলাক ৩ টা শংকুক বিশেষ ভাৱে ছেদ কৰি পোৱা শংকুচ্ছেদৰ বাহিৰে আন একো নহয়।

প্ৰকৃততে বৰ্ত্তমানৰ জ্যামিতি বহুতো জ্যামিতিৰ সমষ্টি। ৰেনেছা যুগৰ চিত্ৰশিল্পী সকলে প্ৰথমে ইউক্লিডীয় জ্যামিতিৰ পৰা ফালৰি কাটি আহি ত্ৰিবিমীয় বস্তুক দ্বিবিমীয় চিত্ৰ অংকনৰ সুস্থ পদ্ধতিৰ অন্বেষণত আন এক প্ৰকাৰ নতুন জ্যামিতিৰ সম্ভাৱনাৰ দুৱাৰ মুকলি কৰে। এজন মানুহে তেওঁৰ কোঠালিৰ পাচৰ খিৰিকীখনৰ মাজেৰে চাই পঠিয়ালেই দেখিবলৈ পায় দিগন্তত ওপঙি থকা এটুকুৰা শুকুলা ডাৱৰ। তেওঁ বাহিৰৰ এই দৃশ্যটো দেখিবলৈ পাইছে এইবাবে যে সুদূৰৰ বস্তুৰাশিৰ প্ৰত্যেক বিন্দুৰ পৰা পোহৰ ৰশ্মি তেওঁৰ চকুত প্ৰৱেশ কৰিছে আৰু কাচৰ খিৰিকী খনৰ ওপৰত প্ৰতিটো ৰশ্মিয়ে একোটা বিন্দু সূচাইছে। এই বিন্দুবোৰৰ সমষ্টিক ( Section ) অনুচ্ছেদ বোলা হয়। চিত্ৰকৰ সকলে এই তথ্য আৱিষ্কাৰ কৰিছিল যে কোনো এটা দৃশ্যৰ প্ৰক্ষেপনৰ ফলত উদ্ভৱ হোৱা অনুচ্ছেদ প্ৰকৃত দৃশ্যটোৰ এটা হুবহু ধাৰণা জন্মাব পাৰে। কিন্তু এনে কিয় হয় ? এই মূল প্ৰশ্নটোৰ উত্তৰ দিবলৈ যাওঁতেই জ্যামিতিৰ নতুন বিভাগ প্ৰক্ষেপন জ্যামিতিৰ ( Projective Geometry ) ৰ জন্ম হয়। প্ৰক্ষেপন জ্যামিতিৰ কিছুমান সাধাৰণ সত্য হ'ল — এটা সৰলৰেখাৰ প্ৰক্ষেপিত অনুচ্ছেদ ( Section of Projection ) ৩টা সৰল ৰেখাই হয়। দুটা কটাকটি কৰা সৰল ৰেখাৰ প্ৰক্ষেপিত অনুচ্ছেদ দুটা কটাকটি কৰা সৰল ৰেখাই হয়, ইত্যাদি। সপ্তদশ শতিকাত ফৰাছী ভাস্কৰ্য্যবিদ আৰু অভিযন্তা জেৰাৰ্ড ডিৰ্ছাগুৱে মূল বস্তুটো আৰু প্ৰক্ষেপিত অনুচ্ছেদৰ মাজত থকা এটা উল্লেখযোগ্য জ্যামিতিৰ সম্বন্ধ ভাঙি ধৰে। প্ৰক্ষেপন জ্যামিতিত ডিৰ্ছাগুৰ বাহিৰেও পাস্কাল (Pascal), মোংগি ( Monge ), ছাডি কাৰণট ( Sadi Carnot ), জিন পোনছিলেট ( Jean Poncelet ) আদিৰ অৱদান উল্লেখযোগ্য।

প্ৰক্ষেপন জ্যামিতিৰ চিন্তা চৰ্চা চলি থকা কালতে ৰেনি ডেকাৰ্ট ( Rene Descartes ) 1619 চনৰ ২৬ মাৰ্চৰ দিনা তেওঁ বন্ধু বিকমেনলৈ (Beck man) খবৰ





পঠিয়াই যে তেওঁ এটা নতুন তথ্য আৱিষ্কাৰ কৰিছে। এই নতুন তথ্যৰ বিষয়ে "New Science" কিতাপ খন 1637 চনত প্ৰকাশ পায়। কিতাপ খনত দেখুৱালে যে এপোলিনিয়াছে আগেয়ে অধ্যয়ন কৰা বক্ৰ — বৃত্ত, অধিবৃত্ত, উপবৃত্ত, পৰাবৃত্ত বা যোৰ সৰল ৰেখা আদি শংকুচ্ছেদবিলাক একোটা x আৰু y বিশিষ্ট দ্বিঘাত সমীকৰণৰ দ্বাৰা প্ৰকাশ কৰিব পাৰি। এইদৰে ডেকাৰ্টৰ নতুন জ্যামিতিত বীজগণিত আৰু ইউক্লিডীয় জ্যামিতিৰ মিলন ঘটিল। জ্যামিতিক অংকনৰ সহায়ত বৃত্ত বা উপবৃত্ত এটাৰ ধৰ্ম অধ্যয়ন নকৰি তাৰ বীজগণিতীয় সমীকৰণটোৰ পৰাই তাৰ ধৰ্ম অধ্যয়ন কৰিব পৰা হল। এই নতুন জ্যামিতিবিধেই হ'ল বৰ্ত্তমানৰ স্থানাংক জ্যামিতি ( Coordinate Geometry )। ডেকাৰ্টৰ নাম অনুসৰি এই জ্যামিতিক কাৰ্টেজিয়ান (Cartesian Geometry) বুলিও কোৱা হয়।

ডেকাৰ্ট আৰু ফাৰ্মাটৰ এই নতুন জ্যামিতিৰ সহায়ত এখন দ্বিবীমীয় সমতলৰ কোনো বিন্দু আৰু এযোৰ ক্ৰমিত (ordered) বাস্তৱ সংখ্যা (x, y)ৰ মাজত সেই দৰে মহাকাশত থকা কোনো বিন্দু আৰু তিনিটা ক্ৰমিত বাস্তৱ সংখ্যা (x, y, z) অৰ মাজত একোটা একৈকী সম্বন্ধ (one-one-Correspondence) সম্ভৱ হল।

ইউক্লিডীয় জ্যামিতিক সংশ্লেষণ জ্যামিতি (Synthetic Geometry ) বোলা হৈছিল। ইয়াৰ লগত সংগতি ৰাখি স্থানাংক জ্যামিতিক বিশ্লেষণ জ্যামিতি ( Analytical geometry ) বুলিও কোৱা হয়। কিছু বছৰৰ পাছত এই স্থানাংক জ্যামিতিৰো সীমাবদ্ধতা প্ৰকট হৈ উঠিল। ৰেখাবোৰৰ এনে কিছুমান মৌলিক ধৰ্ম থাকি গল যাক ডেকাৰ্ট — ফাৰ্মাটৰ বীজগণীতিয় পদ্ধতিৰে ব্যাখ্যা কৰিবলৈ টান হৈ পৰিল। কোনো ৰেখাৰ নতিমাত্ৰা (Slope) , বক্ৰতা (curvature) আদিৰ বিষয়ে বীজগণিতীয় পদ্ধতিত অধ্যয়ন কৰিবলৈ জটিল।

নতিমাত্ৰাই x - স্থানাংকৰ লগত y - স্থানাংকৰ পৰিবৰ্ত্তনৰ হাৰ আৰু বক্ৰতাই ৰেখাটোৰ কোনো বিন্দুত দিশ পৰিবৰ্ত্তনৰ হাৰ বুজায়। এই পৰিবৰ্ত্তনৰ হাৰ অধ্যয়ন কৰিবলৈ বীজগণিতীয় সমীকৰণৰ লগতে অৱকলন গণিতৰ প্ৰয়োজন হৈ পৰিল। অৱকলনৰ সহায়ত ৰেখা আৰু তলৰ ( Surface ) ধৰ্ম অধ্যয়ন কৰা এইবিধ জ্যামিতিৰ নাম হ'ল অৱকলন জ্যামিতি ( Differential Geometry ) কোনো চিত্ৰৰ সহায় নোলোৱাকৈ ৰাইমানে ( Riemann ) n বিমীয় মহাকাশৰ বক্ৰতা সম্বন্ধে ( n dimensional Space ) গৱেষণা কৰি উলিয়াই। ৰাইমানৰ এই নতুন জ্যামিতিৰ নাম Riemann Geometry নামে অভিহিত কৰা হ'ল। ৰাইমান জ্যামিতিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰায় এক শতিকাৰ পিছত এলবাৰ্ট আইনষ্টাইনে ( Albert Einstine ) বিখ্যাত আপেক্ষিকতাবাদ সূত্ৰ উলিয়াই। আপেক্ষিকতাবাদ সূত্ৰটো হৈছে, $E = mc^2$ য'ত E= পৃথিৱীৰ শক্তি। C = পোহৰৰ বেগ। m = পৃথিৱীৰ ভৰ। ৰাইমানেই জ্যামিতিৰ আন এটা নতুন দিশো মুকলি কৰে যাৰ পৰা গণিতত পৃষ্ঠগণিত ( Topology ) নামৰ নতুন শাখা এটাৰ সৃষ্টি হ'ল। এই পৰিবৰ্ত্তনশীল জগতত অদূৰ ভৱিষ্যতে আৰু কিমান যে জ্যামিতিৰ ওপৰত গৱেষণা চলিব তাক কোৱাটো কঠিন। কিন্তু পৰিশেষত ইয়াকে কওঁ যে বৰ্ত্তমান বা ভৱিষ্যতে যিমান বোৰ জ্যামিতিৰ তথ্য উদ্ভাৱন হব, সেই বিলাক মানৱ সমাজৰ কল্যাণৰ বাবে হওক।

## এজন ডিব্ৰুৱানৰ মৃত্যু ঃ—

# "নাট্যকাৰ অনিল মজুমদাৰ"

শ্ৰীদুলাল বৰা
স্নাতক ১ম বাৰ্ষিক
কলা শাখা

*"Lives of great men all remind us
We can make our lives sublime
And, departing leave behind us;
—Foot-Prints on the Sands of time."*

মানুহৰ জন্ম আৰু মৃত্যু; দুয়োটাই স্বাভাৱিক। জন্ম হলেই এদিন মৃত্যুও হব। এই দুয়ো ক্ৰিয়া কোন মূহুৰ্ত্তত কেতিয়া হৈ যাব কোনেও কব নোৱাৰে। জীৱনৰ এটি সুৱদী পুৱাত এটি মানৱ শিশুৰ জন্ম হয় আৰু এই সংসাৰত দুদিন থাকি জীৱনৰ এটি শেষ সন্ধ্যাত ইহসংসাৰৰ পৰা আঁতৰি যায় গৈ কোনোবা অজান দেশলৈ। জীৱনৰ এই চুটি সময় ছোৱাত থাকি সংসাৰত কি কৰিলে, কি নকৰিলে সকলোবোৰৰ চিন সময়ে আমাক সহাৰি জনাই থাকে। সময়েই হৈ পৰেগৈ আমাৰ আদি অন্ত। মৃত্যুৰ সন্ধ্যা নামি আহিলে কাকো ৰক্ষা নকৰে, সকলোৱেই ইয়াৰ ওচৰত হাৰ মানিব লাগিব! ঠিক তেনেকৈ সময়ৰ কোপ দৃষ্টিত পৰি জীৱনৰ আদ বাটতে সকলো এৰি নিয়তিৰ পিছে পিছে গতি কৰিবলৈ বাধ্য হৈছিল আমাৰ চিৰ পৰিচিত, নাট্যকাৰ, অভিনেতা আৰু নাট পৰিচালক ৺অনিল মজুমদাৰ।

অসমীয়া সমাজৰ সম্পূৰ্ণ বৈশিষ্ট্যৰহিত এক নিষ্ঠাবান আৰু উদাৰ দৃষ্টি ভংঙ্গীৰ পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল ৺মজুমদাৰে। তেখেতৰ দেউতাকৰ নাম আছিল ৺হৰেশ্বৰ মজুমদাৰ আৰু মাকৰ নাম শ্ৰীমতী দময়ন্তী মজুমদাৰ। ৺মজুমদাৰ, শ্ৰীমতী মজুমদাৰৰ তেৱেঁই ডাঙৰ সন্তান। ১৯৪৭ চনৰ এপ্ৰিল মাহৰ এক শুভ ৰবিবাৰে বৰ্ত্তমানৰ কামৰূপ জিলাৰ নলবাৰীত তেওঁৰ জন্ম হৈছিল। তেওঁৰ দেউতাক আছিল এজন আৱকাৰী বিভাগৰ পৰিদৰ্শক আৰু মাক আছিল সতীসাধ্বী ধৰ্মপ্ৰাণা তিৰোতা। দেউতাকৰ দিহাপৰামৰ্শমতেই তেওঁ বহুতো অগ্ৰগতি লাভ কৰিব পাৰিছিল যদিও জীৱনৰ আদবয়সতে দেউতাকে তেওঁক পৰিয়ালৰ সম্পূৰ্ণ দায়িত্ব অৰ্পণ কৰি ইহসংসাৰৰ পৰা গুচি যায়। তথাপিও তেওঁ দুটি ভায়েক আৰু দুজনী ভনীয়েকক আৰু লগতে দুখুনী মাকক লগত লৈ আগবাঢ়িছিল জীৱনৰ প্ৰগতিৰ বাটত। সকলোক নেওচা দি তেওঁ এখোপ এখোপকৈ আগবাঢ়ি গৈ এদিন সমাজৰ সকলোৰে প্ৰিয় নাট্যকাৰ, অভিনেতা, নাট পৰিচালক আদি বিশেষণৰে নিজকে চিনাকী দিবলৈ সক্ষম হৈছিল। নিজৰ ওপৰত বিশ্বাস ৰাখি সম্পূৰ্ণ স্বাৱলম্বীতাৰে তেওঁ বহুতো শিক্ষাৰ লগতে অসমৰ সকলো শ্ৰেষ্ঠ অভিনেতাৰ শাৰীত এদিন ঠিয় হবলৈ সাহস গোটাইছিল।

শিক্ষা হিচাপে, তেওঁ নিম্ন শ্ৰেণীৰ পৰা মেধাৱী ছাত্ৰ বুলি নিজকে চিনাকী দিবলৈ সক্ষম হৈছিল। মধ্যভাগত শিক্ষাকালত বাসস্থান পৰিবৰ্ত্তনৰ কাৰণে একেঠাইতে শিক্ষা লব পৰা নাছিল। ডিব্ৰুগড় লৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৬৬ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত





উত্তীৰ্ণ হৈছিল। মিলন নগৰত স্থায়ী বাসভৱন হোৱাৰ পাছত ডিব্ৰুমহাবিদ্যালয়ত নামভৰ্ত্তি হৈ এজন নিষ্ঠাবান ছাত্ৰ হিচাবেই ১৯৬৮ চনত প্ৰাক্‌বিশ্ববিদ্যালয় পৰীক্ষাত উত্তীৰ্ণ হৈছিল আৰু এই মহাবিদ্যালয়ৰ পৰাই ১৯৭১ চনত কলা বিভাগত স্নাতক উপাধী গ্ৰহণ কৰিছিল। কিন্তু আৰ্থিক বা পাৰিবাৰিক কাৰণতেই যতদূৰ সম্ভৱ তেখেতে বিশ্ববিদ্যালয়ত অধ্যয়ণ কৰিবলৈ মনোনিবেশ নকৰি অৰ্থ উপাৰ্জনত ৰত হব লগাত পৰে। জীৱনৰ জীৱিকা নিৰ্বাহ আছিল তেখেতৰ "অভিনয়"। এই অভিনয়ৰ যোগেদিয়েই তেখেতে অৰ্থৰ অভাৱ মোচন কৰিছিল আৰু লগতে তাৰ যোগেদিয়ে অসমীয়া ক'লা সংস্কৃতিলৈ তেখেতে এক বৃজন পৰিমাণৰ অৰিহণা যোগাবলৈ সক্ষম হৈছিল। অভিনয়তেই যদিও তেওঁ পিছৰ জীৱন অতিবাহিত কৰিছিল তথাপিও তেওঁ তাৰ মাজেৰেই ডিব্ৰুগড় আইন মহাবিদ্যালয়ৰ পৰা ১৯৮১ চনত আইনৰ স্নাতক উপাধি(L.L.B )গ্ৰহণ কৰিছিল।

তেখেত যেনেদৰে পঢ়াশুনাত আগৰণুৱা আছিল, তেনেকৈ খেলাধুলা, গান-নাচ আদিৰ প্ৰতিও অসীম ৰাপ আছিল। তেওঁ সকলোতকৈ সৰুৰে পৰা ভাল পাইছিল নাচ গান। মাকৰ মতে তেওঁ সৰুতে বোলে খুউব গান নাচ আদিৰ অনুষ্ঠানলৈ যোৱাৰ ৰাপ আছিল আৰু সেইবোৰ শেষ নহয় পৰ্য্যন্ত ঘৰলৈ ঘূৰি নাহিছিল। ৺ মজুমদাৰে একেবাৰে কমবয়সৰ পৰাই নাট্য সাহিত্যত জড়িত হৈ পৰিছিল। প্ৰাথমিক বিদ্যালয়ত থকা সময়তেই তেওঁ একাঙ্ক নাটকত অভিনয় কৰিছিল আৰু এই শিক্ষাকালতে ১৯৬৪ চনত নিজে একাঙ্কিকানাট ৰচনা কৰিছিল। এই নাটক খনৰ নাম থৈছিল "এপ্ৰিলফুল"। এয়ে তেওঁৰ জীৱনৰ প্ৰথম নাটক ( একাঙ্কিকা ) আৰু নাট্য সাহিত্যলৈ আগমন। তাৰ পাছত লাহে লাহে তেওঁ বহুতো একাঙ্কিকা নাটক ৰচনা কৰি নিজেই তাৰ অভিনয় কৰিছিল আৰু লগৰ সকলক দিহা পৰামৰ্শ দি নাটকৰ মূলবস্তু মঞ্চত সফল ভাৱে মঞ্চস্থ কৰি ৰাইজৰ ভূয়সী প্ৰসংশা লাভ কৰিছিল। সংগৃহীত তথ্যৰ পৰা আজিলৈকে পোৱা তেখেতৰ একাঙ্কিকা নাটক সমূহ হ'ল "উক্তি", "প্ৰস্তুতি", "সেই সত্য দোহাৰি", "নষ্ট যুগৰ ইতিহাস", "চচ্‌মা পিন্ধা মাছ", "কুকুৰৰ পৰা সাৱধান", 'ৰাজগাদি লৰিছে', "নিশাচৰ", 'মুটুষা বামুণ", "চোৰ - চোৰ", "পাৰ আৰু পানী", "এপ্ৰিল ফুল" "অহা বাৰলৈ" ইত্যাদি এই নাটক সমূহ তেওঁ ৰচনা কৰি নিজে তাত অভিনয় কৰি ৰাইজক চমক্ খুৱাইছিল।

এইখিনিতে এটা কথা কব পাৰি যে ৺ মজুমদাৰে নাট্যশিক্ষাৰ বাবে কোনো শিক্ষানুষ্ঠানৰ লগত জড়িত হোৱা নাছিল বা কোনো বিশেষ ব্যক্তিৰ লগত ব্যক্তিগত ভাৱে জড়িত হৈ নাট্যশিক্ষা গ্ৰহণ কৰা নাছিল। তেওঁ জীৱনত সকলোবোৰেই দেখি দেখিয়েই শিকি লৈছিল, আৰু বন্ধুবৰ্গৰ লগত আলোচনা কৰি সকলো আয়ত্ব কৰি লৈছিল। হয়তো তেওঁ বিশেষ ভাৱে নাট্যশিক্ষা লাভ কৰিবলৈ সুবিধাকন পোৱা হলে আৰু যে কিমান অৱদান দি নগ'লহেতেন।

৺ মজুমদাৰ যে অকল একাঙ্ক নাটকৰ ৰচকেই আছিল এনে নহয়, তেখেতে পাছৰ জীৱনলৈ বহু পূৰ্ণাংগ নাটক ৰচনা কৰিছিল আৰু সেই নাটক সমূহৰ কাহিনী বাস্তৱ সৰ্বাধুনীক আছিল। তেখেত জীৱন নাটকৰ লগত বহুতো প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈ পৰিছিল। ডিব্ৰুগড়ত চি. ৱাই. চি নামৰ অনুষ্ঠানৰ লগত তেওঁ প্ৰথমতে বিশেষ ভাৱে জড়িত আছিল আৰু সেই সময়তে তেওঁ "এজন ৰাৱন লাগে", "এই উপকণ্ঠ নিস্তব্ধ", "নগ্ন ইতিহাস", "এগৰাকী মাৰ মৃত্যু" "এইয়া বৰভেটা, সেইয়া ইতিহাস", "ৰঙা নদীৰ পাৰ" নামেৰে ছখন পূৰ্ণাঙ্গ নাট ৰচনা কৰে আৰু সেই অনুষ্ঠানৰ সহযোগতে বিভিন্ন ৰংগমঞ্চত মঞ্চস্থ কৰে। তাৰ পাছত তেওঁৰ ক্ৰমান্বয়ে নাট্যসাহিত্য ৰচনা

আৰু অভিনয়ে সমাজত জনপ্ৰিয়তা লাভ কৰিবলৈ ধৰিলে আৰু অসমৰ বিভিন্ন ভ্ৰাম্যমান নাট্যদলৰ লগত জড়িত হৈ পৰে। বিভিন্ন নাট্যদলত যোগদান কৰি শেষলৈ তেওঁ নাট্যদল পৰিচালক হিচাপে কাৰ্য্যনিৰ্ব্বাহ কৰে। ভ্ৰাম্যমান নাট্যদল সমূহৰ লগত জড়িত হৈ তেওঁ বহুতো পূৰ্ণাঙ্গ নাটক ৰচনা কৰি সেই নাটক বোৰ মঞ্চস্থ কৰিছিল। তেওঁ চমু জীৱনকালত বিভিন্ন নাট্যদলৰ লগত জড়িত হৈ আগবঢ়োৱা তেখেতৰ নাটক সমূহ হৈছে “বৰভেটা”, আৰু “বনজুই” — নটৰাজ থিয়েটাৰলৈ ; “মহানায়ক” আৰু “পলাতক” — অপৰূপালৈ ; “এখন যুদ্ধ লাগে”, আৰু “ধুমুহাপখিৰ গান” — আৰাধনা থিয়েটাৰলৈ ; „ অট্টালিকা আৰু ৰাজপথ” ; পঞ্চনন থিয়েটাৰলৈ ; “বিধাতা”, “নৱবলি” আৰু “সেইয়া বৰভেটা” — সম্ৰাট থিয়েটাৰলৈ ; “উপকণ্ঠ”, “ৰঙানদীৰ পাৰ” — জ্যোতিৰূপা থিয়েটাৰলৈ আৰু “কলঙ্কিত দেৱতা”, — ৰূপালীম - থিয়েটাৰলৈ। এই নাট্যদলসমূহৰ লগত জড়িত হৈ থকা কাল ছোৱাত প্ৰায় সকলোবোৰ নাট্যদলতেই তেওঁ পৰিচালক, অভিনেতা আদি ৰূপে আছিল। ইমানবোৰ নাটক ৰচনা কৰি সকলো বোৰেই সুকলমে পৰিচালনা কৰাত তেখেতৰ কীৰ্তি অসীম আছিল।

বিভিন্ন নাট্যদললৈ আগবঢ়োৱা বৰঙণিৰ উপৰিও তেখেতৰ ৰচিত বহুতো নাটক ডিব্ৰুগড় আৰু গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰযোগেদি প্ৰচাৰ হৈছিল। অনাতাঁৰ কেন্দ্ৰৰ যোগেদি প্ৰচাৰ হোৱা তেখেতৰ উল্লেখ যোগ্য নাটক সমূহৰ ভিতৰত “কাল স্মৃতি”, “বহুৰূপি”, “দীপ্ শিখা”, আৰু লেলিহান। ইয়াৰ উপৰিও তেওঁৰ অনাতাঁৰ নাটক সমূহৰ ভিতৰৰ কেইখনমান দিল্লী অনাতাঁৰ প্ৰচাৰ অনুষ্ঠানৰ যোগেদিও প্ৰচাৰিত হৈছিল।

সৰুৰে পৰা নাট্য চৰ্চা কৰি ভাল পোৱা ৺ অনিল মজুমদাৰ এদিন অসমৰ সকলো লোকৰে পৰিচিত হব পাৰিছিল তেখেতৰ নাট্যাভিনয়ৰ যোগেদি। শদিয়াৰ পৰা ধুবুৰিলৈকে ভ্ৰাম্যমান নাট্য দল সমূহৰ লগত নাট্যাভিনয় কৰি পৰিচিত হৈ পৰিছিল এজন পৰিচালক আৰু অভিনেতা হিচাবে। নিজ প্ৰতিভাৰ গুণেৰেই তেখেত অসমৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ জীৱনত অসম তথা ভাৰতৰ নাট্যানুষ্ঠান সমূহে আগবঢ়োৱা প্ৰশংসা সমূহ তলত উল্লেখ কৰিলো।

নাটক পৰিচালকৰ শ্ৰেষ্ঠ হিচাপে ১৯৭৭ চনত উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ৰ ‘সদৌ অসম গোলাপ শৰ্ম্মা সোঁৱৰণী’ ‘একাঙ্ক নাট প্ৰতিযোগিতাত’ শ্ৰেষ্ঠ নাট্যকাৰ তথা পৰিচালকৰ সন্মান অৰ্জন কৰিছিল। তেতিয়াৰ নাটক আছিল “চচ্মা পিন্ধামাছ”। ১৯৭৭ চনত অবিভক্ত দৰং জিলাৰ চতিয়াত অনুষ্ঠিত ‘সদৌ অসম বিষ্ণুৰাভা সোঁৱৰণী’ একাঙ্ক নাট প্ৰতিযোগিতাত “সেইয়া বৰভেটা, এইয়া ইতিহাস” নাটকৰ যোগেদি শ্ৰেষ্ঠ নাট্যকাৰ আৰু পৰিচালকৰ সন্মান লাভ কৰিছিল। শিলঘাট নাট্যমন্দিৰত ১৯৭৯ চনত অনুষ্ঠিত হোৱা ‘চন্দ্ৰ ফুকন সোঁৱৰণী একাঙ্ক নাট প্ৰতিযোগিতা’তো তেখেতে শ্ৰেষ্ঠপৰিচালক আৰু শ্ৰেষ্ঠনাট্যকাৰৰ ব’টা লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াতো তেখেতৰ নাটক আছিল “সেইয়া বৰভেটা এইয়া ইতিহাস”। শিৱসাগৰত নাট্য সমাজে অনুষ্ঠিত কৰা পাৰ্ব্বতী প্ৰসাদ বৰুৱা সোঁৱৰণী পূৰ্ণাঙ্গ নাটক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি তেখেতে ১৯৭৯ চনত শ্ৰেষ্ঠ নাট্যকাৰৰ লগতে শ্ৰেষ্ঠ পৰিচালকৰ সন্মান পাইছিল। ১৯৭৯ চনত শোণিতপুৰ জিলাৰ বিশ্বনাথ চাৰিআলিৰ ‘বিনাপানী’ নাট্যমন্দিৰত অনুষ্ঠিত হোৱা ‘সদৌ অসম সূৰ্য্যবৰা সোঁৱৰণী একাঙ্ক’ নাটক প্ৰতিযোগিতাত তেখেতে শ্ৰেষ্ঠ নাট্যকাৰ তথা পৰিচালকৰ আসন লাভ কৰি সমগ্ৰ শোণিতপুৰ জিলা বাসীৰ সন্মা-





নিত পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৭৬ চনত লক্ষীমপুৰৰ “Assam Natya Sanmilon”ৰ দ্বাৰা আয়োজিত একাঙ্ক নাটক প্ৰতিযোগিতাটো তেখেতে শ্ৰেষ্ঠ পৰিচালক তথা-নাট্যকাৰৰ পদক লাভ কৰিছিল। ১৯৮২ চনত সদৌ অসম ভিত্তিত আয়োজিত নাট্যগুৰু ফণী শৰ্ম্মাৰ স্মৃতিত ‘সভানাথ শৰ্ম্মা সোঁৱৰণী নাট’ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ পৰিচালক আৰু নাট্যকাৰ আছিল ৺অনিল মজুমদাৰদেৱ। ১৯৭৪ চনত তেজপুৰৰ ব্ৰজেন বৰুৱা সোঁৱৰণী নাট্যসমাজৰ দ্বাৰা আয়োজিত ( প্ৰথম বাৰ্ষিক ) সদৌ অসম বিষ্ণুজ্যোতি একাঙ্ক নাটপ্ৰতিযোগিতাৰ শ্ৰেষ্ঠ নাট্যকাৰ/পৰিচালক আছিল ৺মজুমদাৰ। ‘প্ৰস্তুতি’ নাটকৰ জৰিয়তে ১৯৭৩ চনৰ অসম নাট্য সন্মিলনত (ডিব্ৰুগড় শাখাৰ ) তেখেতেই শ্ৰেষ্ঠ নাট্যকাৰ, পৰিচালক হিচাপে পৰিচিত হৈ পৰিছিল।

১৯৭৩ চনত যোৰহাটত অনুষ্ঠিত দ্বাদশ বাৰ্ষিক অসম নাট্য সন্মিলনৰ অধিবেশনটো প্ৰস্তুতি’ নাটকৰ যোগেদিয়েই তেখেতে শ্ৰেষ্ঠ নাট্যকাৰ তথা পৰিচালকৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল।

স্কুলীয়া জীৱনটো ছাত্ৰ হিচাপে ডিব্ৰুমহাবিদ্যালয়ৰ পৰা বহুতো সন্মানিত পদক লাভ কৰিছিল। ১৯৭০ চনত ছাত্ৰ সংসদৰ বাৰ্ষিক অধিবেশনত “MONO ACTING” বিভাগৰ প্ৰথম পুৰস্কাৰ লাভ কৰিছিল আৰু “ONE ACTOR PLAY” বিভাগত দ্বিতীয় পুৰস্কাৰ লাভ কৰিছিল। ডিব্ৰুগড়ৰ ‘DON BOSCO’ বিদ্যালয়ে একবিংশতম্ সৰ্বভাৰতীয় বিদ্যালয় সমূহৰ মহোৎসৱত যোগদান কৰিছিল। তেখেতেই এই বিদ্যালয়ৰ হৈ পৰিচালক হিচাপে নতুন দিল্লীৰ সেই মহোৎসৱত যোগদান কৰিছিল ১৯৭১ চনত। ইয়াৰ উপৰিও ১৯৭৮ চনত B.B.S.N.S.ৰ দ্বাৰা আয়োজিত Neijyoti —Memorial— Drama— Competition (তেজপুৰ) তো মজুমদাৰে শ্ৰেষ্ঠ নাট্যকাৰৰ সন্মান লাভ কৰিছিল।

তেখেতে জীৱনত যিমানবোৰ নাটক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল তাৰ সকলোবোৰ প্ৰতিযোগিতাতেই প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। অসমৰ নাট্য সাহিত্যত মজুমদাৰৰ দৰে অদ্বিতীয় ভাৱে শ্ৰেষ্ঠ সন্মান পোৱা খুব সম্ভৱ দ্বিতীয় জন পোৱা নাযাব। তেখেতৰ নাটক বোৰৰ ভাৱ ভঙ্গী, ভাষা, সকলোবোৰেই বৰ সহজ সৰল। নাটকৰ কাহিনীবোৰো বাস্তৱ আৰু সংস্কাৰ মুখী। “নৱবলী”ৰ দৰে নাটকৰ যোগেদি আমাৰ সমাজত প্ৰচলিত ভণ্ডামি, কুপ্ৰথা, অন্ধবিশ্বাস আদি স্পষ্ট ভাৱে দাঙি ধৰিবলৈ সক্ষম হৈছে। ‘বিধাতা’ আদিৰ দৰে নাটকৰ জৰিয়তে দেখুৱাইছে অসমীয়া সমাজৰ প্ৰেমবান্ধোন লগতে মহামাৰীৰ ৰূপ আৰু তাৰ দ্বাৰা ক্ষতিগ্ৰষ্ট সমাজখন।

নিৰন্তৰ ভাল পোৱা মজুমদাৰে অকলে অকলে বহি নাটক বোৰ লিখি গৈছিল। একোখন নাটক তেওঁ একেবাৰতে শেষ কৰিছিল। ভাৱাদৰ্শ ফুটাই তোলাত সাৰ্থক হব পাৰিছেনে নাই তাৰ কাৰণে সেই লিখনিবোৰ আনৰ হতুৱাই বাৰে বাৰে পঢ়াই নিজে শুনি গৈছিল।

পিছে এনে এটা দিন আহিল, সমগ্ৰনাট্য সমাজকে অন্ধকাৰ কৰি সৌ সিদিনা ১৯৮৯ চনৰ ২৪ ডিচেম্বৰ তাৰিখে হঠাতে এক অচিন ৰোগত আক্ৰান্ত হৈ অসম মেডিকেল কলেজত কৰুণ ভাৱে মৃত্যুক সাৱতি ললে। মাত্ৰ ৩৯ বছৰ জীয়াই থাকিয়েই অসমীয়া সমাজলৈ যিবোৰ বৰঙণি আগবঢ়ালে তাক অসমবাসীয়ে কোনোদিনে পাহৰিব নোৱাৰে। জীৱনৰ শেষ সময়লৈকে তেওঁ সম্ৰাট থিয়েটাৰ দলৰ লগত জড়িত আছিল আৰু অন্তিম অভিনয়ো তাতে কৰি সেই মঞ্চতেই শৰীৰৰ অসুস্থতা অনুভৱ কৰি মেডিকেল কলেজলৈ স্থানান্তৰ হয়। সৰুৰে পৰাই অভিনয়ক ভাল পোৱা মজুমদাৰে শেষ সময়লৈকে অভিনয় কৰিয়েই শেষ নিশ্বাস ত্যাগ কৰিলে।

মজুমদাৰৰ অকাল বিয়োগত আমাৰ যি অপূৰণীয় ক্ষতি হ'ল তাক আমি কেতিয়াও পূৰণ কৰিব নোৱাৰিম। চিৰ কুমাৰ হিচাপেই জীৱনকাল অতিবাহিত কৰি যি অপূৰণীয় অবদান আগবঢ়ালে সেই অবদানে অসমীয়া নাট্য সাহিত্যত এক সুকীয়া স্থান লাভ কৰিব। ●



"যি কোনো উল্লেখযোগ্য কামৰ বীজ প্ৰথমে এজন ব্যক্তিৰ চিন্তাৰ মাজত জন্মে। তাৰ পিছত সেই কাম-বীজক অন্যান্য ব্যক্তিয়ে সমূহীয়া ভাৱে তালি তুলি ডাঙৰ দীঘল কৰে। গতিকে ব্যক্তিৰ ভূমিকা কোনো পৰিস্থিতিতেই উলাই কৰিব পৰা বিধৰ নহয়।"

—আলেকজেণ্ডাৰ ফ্লেমিং





# "নতুন কবিতা" ঃ এটি আলোকপাত এতিয়াও দুৰ্বোধ্য নেকি ?"

—শ্ৰীসঞ্জীৱ কুমাৰ দত্ত।
স্নাতক তৃতীয় বাৰ্ষিক ( কলা বিভাগ )

ইংৰাজী সাহিত্যত মেঘৰ সুকুণ্ডাৱে বৰ্ষা নমাৰ সময়তে কবিতা দুৰ্বোধ্য নেকি এই বিষয়ে ইংৰাজ কবি T. S. Eliot য়ে তেওঁৰ "The use of poetry and the use of criticism" নামৰ গ্ৰন্থত উল্লেখ কৰিছে। যদিও শিক্ষিত আৰু সচেতক শ্ৰেণীৰ বাবে বিষয়টো গ্ৰহণীয় নহয়, কাব্য সাহিত্যৰ সুধা পান কৰা সৰ্বসাধাৰণ পঢ়ুৱৈৰ বাবে আজিৰ স্পন্দিত গদ্যধৰ্মী, প্ৰতীকধৰ্মী নতুন কবিতাই যে এক complexiety ৰ সৃষ্টি নকৰিব তাক নুই কৰিব নোৱাৰি। এটা কথা মনকৰিব লগীয়া যে জীৱন আৰু অভিজ্ঞতাৰ ধন্যাত আওঁজি কবিতাক বুজি পোৱা বিজ্ঞজনৰ সংখ্যা আমাৰ সমাজত আঙুলী মূৰত গণি উলিয়াব পাৰি। দ্বিতীয়তে যিসকলে কবিতা লিখিবলৈ শিকিছে অথবা কবিতা লিখিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে সেইসকল পাঠক পাঠিকাইহে কবিতাক বুজিবলৈ অলপ-অচৰপ চেষ্টা কৰিছে। সেয়ে নতুন কবিতা সম্পৰ্কে অবগত নোহোৱা এজন পঢ়ুৱৈৰ বাবে কবিতা দুৰ্বোধ্য বা জটিল হৈ পৰাটো কোনো অস্বাভাৱিক নহয়। অভিনৱ ভাৱ ভাষা আচহুৱা প্ৰতীক-ব্যঞ্জনা, আদিৰ প্ৰয়োগে পাঠকৰ মনত এক অভিনৱ আৰু অভূতপূৰ্ব কলাত্মক ৰূপ দিব নোৱাৰে। এই ৰূপ সৃষ্টি কৰিবলৈ হলে সন্ধিয়াৰ শান্ত সমাহিত আকাশখনৰ দৰে ফৰকাল ভাষা, প্ৰতীক আৰু কল্পচিত্ৰ আদিৰ প্ৰয়োগহে বাঞ্চনীয়। অন্যহাতে এইখন আকাশ মৃতপ্ৰায় ৰুগ্ন মানুহৰ দৰে হব পাৰে।

১৯১২ চনত ইংৰাজ কবি John Keats য়ে John Tailers লৈ এখন চিঠিত লিখিছিল—"If poetry comes not as natural as leaves to a tree, it had better not to come at all." অৰ্থাৎ যদি কবিতা একোজন কবিৰ কলমৰ পৰা গছৰ পাতবোৰৰ দৰেই সহজাত বা স্বাভাৱিক ভাবে উদ্ভুত নহয় তেনেহলে তেনে কাব্য সাহিত্য সৃষ্টি নোহোৱাই বাঞ্চনীয়। প্ৰতিটো কবিতাই প্ৰণালীবদ্ধ প্ৰচেষ্টাৰ দ্বাৰা উদ্ভাবিত হোৱাতকৈ বিশেষ অনুভূতি বা অনুপ্ৰাণিত মুহূৰ্ত্তৰ ফলপ্ৰসু হোৱাটোহে বেছি গুৰুত্বপূৰ্ণ। উচ্চমান বিশিষ্ট কবিতা হবলৈ হলে ইয়াৰ গাঠনি বৌদ্ধিক ভিত্তিক আৰু এক অনুপ্ৰাণিত শক্তি বিদ্যমান হব লাগিব। অসমীয়া সাহিত্য জগতত জন্ম লগ্নৰে পৰা বৰ্ত্তমানলৈকে নতুন কবিতাৰ ওপৰত আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ আলোচ্য বিষয়টো হৈছে ইয়াৰ দুৰ্বোধ্যতা। নতুন কবিতাসমূহক বুজাৰ জটিলতা সম্পৰ্কে T. S. Eliot য়ে দিয়া সম্ভাব্য কাৰণবোৰ হল — ১) কাব্য সাহিত্যৰ প্ৰতি একান্ত স্বকীয় দৃষ্টিভংগী ২) প্ৰকাশভংগীৰ অস্বাভাৱিকতা বা অভিনৱত্ব ৩) জটিলতা বা দুৰ্বোধ্যতা সম্পৰ্কে পঢ়ুৱৈসকলৰ পূৰ্ব পৰিকল্পিত ধাৰণা আৰু ৪) কোনো এটা কবিতাৰ প্ৰয়োজনীয় তথ্য বা ধাৰণা পঢ়ুৱৈৰ চকুৰ আগৰ পৰা আঁতৰাই ৰখাৰ কৌশলগত প্ৰচেষ্টা। উল্লিখিত আধুনিক কবিতাৰ দুৰ্বোধ্যতাৰ বিষয়ে এলিয়টৰ এই নিজস্ব চিন্তাগধুৰ বিশ্লেষণ

তেওঁৰ নিজৰ কবিতাৰাজিতে বোধগম্য হোৱাৰ প্ৰচেষ্টা কৰিব পাৰি। পৃথিৱীৰ জটিলপূৰ্ণ চিত্ৰ, এনন্থ্ৰপলজি, চাইকলজি আদিৰ সহঅৱস্থানৰ কৌশলপূৰ্ণ এখনি চিত্ৰ এওঁৰ কবিতাত বিৰাজমান—যাৰ দ্বাৰা সাধাৰণ পাঠকবৰ্গই এক বহুল ব্যৰ্থতা আৰু বিষন্নতা অনুভব কৰিবলগা হয়। 'খুউব কম সংখ্যক পাঠকেহে এই দুৰ্বোধ্যতাৰ মায়াজাল অতিক্ৰম কৰি কবিতাৰ ওপৰত সম্যক উপলব্ধি কৰিছে। এই সম্পৰ্কে আমাৰ অসমীয়া কাব্য সাহিত্যত চৈয়দ আব্দুল মালিকৰ "আমাৰ কবিতা কোনোৱে নুবোজে" শীৰ্ষক কবিতাটি মনকৰিবলগীয়া —

—আমাৰ কবিতা কোনোৱে নুবুজে হে কবি নৱকান্ত,
বুদ্ধিৰ শিলত থেকা খাই খাই অনুভূতি হয় ক্লান্ত।
হৰি বৰকাকতি, হেমবৰুৱাৰ, মহেন, বীৰেন ভট্টৰ,
কবিতাৰ মাথো কাৰচাজী আছে নাই চিন কতো সত্যৰ।
........ ........ ..............................
.................... ........... ........... ......
বিষ্ণুমেধিৰ কবিতা বুজাৰ আছে জানো অৱসৰ,
গাৱৰ ভদাই এতিয়াও হায় বৈ গল নিৰক্ষৰ।
............................................... ।

আধুনিক সভ্যতাৰ এই বেদনাই কবিক যেন সমসাময়িক সমাজখনক পৃথিৱীৰ শ্মশানভূমি আৰু মানুহৰ জীৱন যাত্ৰাৰ পথটো শৱযাত্ৰাৰ পথৰ দৰে করুণ কৰি পেলাইছে। বিভিন্ন সংঘাতে এই দিশটোত গভীৰ হাতাশা আনি দিছে। ৰোমান্তিক ভাবধাৰাৰ বিপৰীতে কাব্য সাহিত্যৰ সৃষ্টি আৰু ইয়াৰ ভাৱ-ভাষাৰ প্ৰয়োগ এক বিস্তৃত আৰু যান্ত্ৰনাদায়ক কাম। মানবতাবাদ, ব্যক্তি স্বাধীনতা, বস্তুবাদী পৃথিৱীসম্পৰ্কে নতুন কবিতা সমূহ এক ৰমনীয় ৰহস্যবাদী চেতনাৰে উদ্বুদ্ধ। ইয়াত এক প্ৰগাঢ় সৌন্দৰ্য্যবোধ, স্বদেশপ্ৰেম, জাতীয়তাবোধ, বৈপ্লবিক চেতনা, জীৱন-যৌৱনৰ মিশ্ৰিত ব্যৰ্থতা আৰু বিষন্নতা আদিৰ বিলাসী মনোভাবে গা কৰি উঠিছে। গতিকে ইয়াৰ গুঢ়াৰ্থ বা ভাৱাদৰ্শ কোনো এক তত্বগধুৰ বিষয়-বস্তুৰ চলন্ত প্ৰবাহ। ইংৰাজী কবিতাৰ দুৰ্বোধ্যতা বা বোধগম্যহীনতাৰ প্ৰসঙ্গটো সৰ্বপ্ৰথমে ইংৰাজ কবি T. S. Eliot ৰ কবিতাক কেন্দ্ৰ কৰিয়েই গঢ় লৈ উঠিছিল। কিয়নো, আগতেই উন্নুকীয়াই অহা হৈছে তেওঁৰ কবিতাৰ যোগেদিয়েই জীৱন যৌৱনৰ বিষন্নতা আৰু ব্যৰ্থতাৰ মাজতো জীৱনৰ যি মৌলিক সমন্বয়ৰ ইতিবাচক চিত্ৰ ফুটাই তুলিছিল তাক বুজি পোৱা পাঠক সেই সময়ত ইংলণ্ডত তেনেই নগণ্য।

কবিতাৰ জৰিয়তে বৰ্ত্তমানৰ জটিলতাপূৰ্ণ আৰু সমস্যাবহুল পৃথিৱীখনৰ কোনো এটা দিশৰ কলাত্মক ৰূপ দিবলৈ যাওঁতে এলিয়টে কিছু দুৰ্বোধ্যতা, জটিলতা এৰি থৈ গৈছে বুলি ভবাৰ কিছু অৱকাশ আছে। বৰ্ত্তমান কাব্য সাহিত্যত ধৰ্ম, বিজ্ঞান, এনন্থ্ৰপলজি আৰু মনণশীলতা (Psychology) এই চাৰিটা দিশৰ গধূৰ সমন্বয় পৰিলক্ষিত হৈছে আৰু এলিয়টৰ কাব্য গ্ৰন্থ "THE WEST-LAND" এই সমন্বয়ৰ শ্ৰেষ্ঠ নিদৰ্শন।

১৯১৮ চনৰ অসম সাহিত্যসভাৰ বৰপেটা অধিবেশনত সভাপতি আসনৰ পৰা পণ্ডিত প্ৰৱৰ কালিৰাম মেধিয়ে কৈছিল — অসমীয়া ভাষাত আজিকালি বহুত কবিতা ওলাইছে। স্কুল কলেজকলৈ কিতাপ লিখা গ্ৰন্থকাৰৰ বাদে বাকী লেখাকৰ ৯০ জনেই হয় কবিতা লিখে নহয় নাটক লিখে। তেওঁলোকৰ ভিতৰত প্ৰকৃত কবি কিন্তু দুই এজনহে পোৱা যায়। বেছি ভাগৰ কবিতাত— "পুখুৰীত পানী নাই পাৰ কিমতে বুৰে। নিজৰাত পানী নাই হাহঁ কিমতে চৰে॥" — কথাকে খাটে। বহুতো কবিতা আমাৰ বুজিবৰ সাধ্য নাই। বহুতৰ আগ - গুৰি





ধৰিব নোৱাৰা আৰু আঁত বিচাৰি নাপায়। সৰহভাগ কবিতা অস্পষ্ট - ইংৰাজীত যাক 'মিষ্টিক' (Mystic) বোলে সেই সংজ্ঞা দিব পাৰি। কোনো কোনো কবিয়ে মনৰ ভাব ব্যক্ত নকৰি তাৰ ওলোটা কৰে। কাৰ্য্যতঃ সাধাৰণ কথাও কবিতাৰ মেলাত পৰি দুৰ্বোধ্য হৈ পৰে। "মুঠতে অসমীয়া বহুত কবিতাত প্ৰকৃত কবিতা নাই। এনেবোৰ কাৰণ সাপেক্ষেই আধুনিক অসমীয়া কবিতাৰ দুৰ্বোধ্যতা আৰু জটিলতা নিৰ্মূল হওঁক চাৰি লগ্নজাতহে হব। কেৱল শব্দৰ ঝংকাৰেৰে সমৃদ্ধ বা ৰহস্যাবৃত্ত হলেই যে কবিতা ৰূপে স্বিকৃত পাব এনে কথা দুৰ্বোধ্য। অৱশ্যে এইক্ষেত্ৰত S.T. Coleridge ৰ "Poetry is best word in the best order" এই সংজ্ঞাটিক সাৰোগত কৰিলে বা সাঙোৰি ললে ভুল হব। কবিতা হবলৈ হলে বাল্মিকীৰ মুখৰ স্ৰোত শ্লোকবোৰৰ দৰে জৰ্‌জৰ্‌কৈ অনুভূতিবোৰৰ স্বাভাৱিক প্ৰকাশ হব লাগিব। দ্বিতীয়তে, লেখনি সমূহে পঢ়ুৱৈৰ সংখ্যা বঢ়োৱাৰ ক্ষমতা থাকিব লাগিব যাতে অতি সহজ সৰল ভাষাৰ ছন্দোবদ্ধ ৰচনা হয় আৰু পঢ়িব নজনা মানুহে বুজি নেপালেও শ্ৰুতিমধুৰতা অনুভৱ কৰে। এইখিনিতে William Shakespeare য়ে কবিতা সম্পৰ্কে দিয়া এটা মন্তব্য মনত পৰে। তেওঁ কৈছিল — তীব্ৰ অনুভূতিবসতঃ যদিহে কথা কয় তেন্তে গাঁৱলীয়া চহা লোকৰ সেই সহজ সৰল কথা খিনিয়েই একোটা সুন্দৰ কবিতা হয়। তৃতীয়তে মহাভাৰতেই হওঁক অথবা ৰামায়ণেই হওঁক ইয়াৰ বৰ্ণনাটো যদিহে এক নতুন আৱেগক ফুটাই তুলিব পৰা যায় অথবা জাতীয়তাবোধ গঢ়ি তুলিব পৰা যায় তেতিয়া ইয়াৰ গুনাগুণ দুগুণে বাঢ়িব। মাধৱ কন্দলিৰ ,ৰামায়ন' ইয়াৰ উৎকৃষ্ট নিদৰ্শন। আকৌ যি ৰঙৰ দ্বাৰা কবিতাৰ অবয়বটো ৰঙীন কৰি তোঁলা হয় সেই ৰঙৰ উপাদানসমূহৰ প্ৰয়োগ সুন্দৰ হৈছেনে নাই তাৰ প্ৰতি অধিক সচেতন হোৱা বাঞ্চনীয়।

বৰ্ত্তমানৰ নতুন কবিতাসমূহ শব্দ আৰু পদবিন্যাসৰ সমন্বয়ত এক নতুন ৰীতিৰ সৃষ্টি। উপমা, ব্যঞ্জনা, চিত্ৰকল্প, প্ৰতীক আদিৰে সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক মনঃস্তাত্বিক পৃথিৱীখনৰ পৰা অতিবৌদ্ধিক স্পন্দিত গদ্যধৰ্মী ছন্দৰীতিৰ নতুন কবিতাই বৰ্ত্তমান জটিলৰ পৰা জটিলতৰ স্তৰ পাইছেগৈ। শব্দৰ মায়াজালৰ মাজত ইয়াক বুজাৰ অৱশ্যেই অন্তৰায় হৈ পৰিছে। অসমীয়া সাহিত্যজগতত নীলমণি ফুকন, নৱকান্ত বৰুৱা, হৰি বৰকাকতী, মহেন্দ্ৰ বৰা, সনন্ত তাঁতি, নীলিম কুমাৰ প্ৰমুখ্যে কেইজনমান প্ৰবীন কবিৰ কবিতাক বুজিবৰ বাবে এটা বিশেষ অধ্যয়নপুষ্ট মনৰ দৰকাৰ হয়। কিন্তু অসমীয়া সমাজ জীৱনত এনে অধ্যয়ন পুষ্ট মনৰ অধিকাৰী ব্যক্তিৰ সংখ্যা কিমান তাক নিৰ্ণয় কৰাটোহে ডাঙৰ কথা। "বেলি মাৰ গল" নীলমণি ফুকনে যেতিয়া কাব্যিক মনোভংগীৰে "শূন্যতাৰ হাতৰ পৰা খহি পৰিল দিনৰ হিৰন্ময়ী পাত্ৰ" বুলি প্ৰকাশ কৰে তেতিয়াই পাঠকৰ বাবে ই হৈ পৰে দুৰ্বোধ্য। ড° চন্দ্ৰ কটকীৰ "আধুনিক অসমীয়া কবিতা" গ্ৰন্থত উল্লেখ কৰাৰ দৰে চাৰি আলিত পুলিচ এটা ঠিয় হৈ আছে বুলি কলে সাধাৰণ পাঠকৰ বাবে বাক্যটো বুজাত কোনো আসোৱাহ নাথাকে। কিন্তু সেই কথাটোৱেই কবিয়ে নিজস্ব শব্দ জ্ঞান আৰু কাব্যিক ব্যঞ্জনাৰে প্ৰকাশ কৰে — "আলি দোমোজাই ক্ৰুচত দিয়ে পহৰীয়াক", চাৰিআলিৰ কটা চিনটোক আনি যীশুখ্ৰীষ্টৰ ক্ৰুচত দিয়া কবিৰ সেই সুক্ষ্ম কলাত্মক ৰূপ অভিনৱ। এয়ে নতুন কবিতাৰ দুৰ্বোধ্যতা। কিন্তু এই দুৰ্বোধ্যতা পাঠক সমাজে হয়তোবা নিজে চপাই লোৱাহে। কিয়নো, তেওঁলোকে যদিহে অধিক একাগ্ৰচিত্তে কাব্যিক জগতখনৰ অধ্যয়নৰ লগতে শব্দৰ প্ৰয়োগ পদ্ধতিৰ বিচাৰ বিশ্লেষণ বৈজ্ঞানিক মনোভংগীৰে দৃষ্টিগোচৰ কৰিব পাৰে তেন্তে আমাৰ কবিতাৰ তথাকথিত দুৰ্বোধ্যতা দুৱৰিবনত ক্ষনিকৰ বাবে লাগি থকা নিয়ৰৰ মুকুতা মণি

যেন হৈ পৰাৰ থল আছে। মানি লব লাগিব, আমাৰ সাহিত্যৰ বেছিভাগ ঠাই কবিতাই জুৰি আছে। কিন্তু এই ক্ষেত্ৰত কবিয়ে খিৰিকীৰে দেখা চাৰিকোণীয়া আকাশ খন সাধাৰণ পাঠকবৰ্গই হয়তো চাৰিকোণীয়া আকাশখনৰ চাৰিটা আগ নেদেখিবও পাৰে। আমাৰ ক্ষুদ্ৰ মনটোৱে মেলিলেও ধুকি নোপোৱা এনে কিছুমান তত্ব গধুৰ আৰু ভাবাৰ্থক সাফল্য উক্তিয়ে দুৰ্বোধ্যতা আনি দিয়ে যিবোৰ পৰিণতিত সমাজৰ বাবে হৈ পৰে একপ্ৰকাৰ স্বৰ্গতোক্তি। নৱকান্ত বৰুৱাৰ কবিতাত 'জ্ঞান জীৱনৰ একমাত্ৰ সত্য নহয়, সম্বলো নহয়, জ্ঞান ধ্বংসকাৰীও; যিদৰে' odd to the west wind কবিতাৰ সেই কালিমাসনা বতাহজাক পৃথিৱীৰ Preserver ও, destroyer ও। অতীতৰ এনে কিছুমান প্ৰমূল্য আছে যি আমাৰ জীৱনবোধ সুন্দৰকৈ ৰাখিব খোজে। কিন্তু জ্ঞানে সেইবোৰ পুৰি পেলায়, জ্ঞানৰ অখণ্ড শিখাই পুৰি ছাৰখাৰ কৰে আমাৰ সজীৱ উশাঁহ আনকি অজ্ঞান শিশুৰ মুখৰ হাঁহিকনো —

জ্ঞান ধ্ৰুৱ। জ্ঞান মৃত্যু। নিজে নিৰ্বিকাৰ
তাৰ অখণ্ড শিখাই আমাৰ উশাহ পোৰে।
প্ৰেম পোৰে। ......
লাজ পোৰে প্ৰথম প্ৰিয়াৰ। ভোগালীৰ মেজি
পোৰে গৰখীয়া লৰাটিৰ
বহাগী সপোন পোৰে।

-এনে উক্তি সাপেক্ষেই কব পাৰি, পৃথিৱীৰ প্ৰত্যেকজন প্ৰতিভাশালী কবিয়েই একো একোটা স্বতন্ত্ৰ পুথিঘৰ, সাম্প্ৰতিক চেতনাৰ কেটেলগ্।

কবিতা হ'ল একপ্ৰকাৰ ইতিহাস। যদি আমাৰ বৰ্ত্ত- অতীতে আমাৰ বৰ্ত্তমান নিৰ্ণয় কৰিব পাৰে আমাৰ মানে আমাৰ ভবিষ্যতো নিৰ্ণয় কৰাৰ থল আছে। ঠিক একে ধ্যান - ধাৰণাৰে কবিতাই অতীতৰ পৰা বৰ্ত্তমান জুৰি, বৰ্ত্তমানৰ পৰা সুদূৰ ভৱিষ্যৎ জুৰি বহুতো জীৱন্ত ঘটনাপুঞ্জীৰ সাক্ষ্য বহন কৰি আহিছে। I. S. Eliot ৰ 'The west land' য়ে সেই সময়ৰ সভ্যতা সংস্কৃতিৰ বৌদ্ধিক আৰু আধ্যাত্মিক অৱনতিৰ ফলক আঁকি ইতিহাসৰ এক সাক্ষ্য প্ৰদান কৰিছে। Words worth ৰ Sonnet ( London 1802 ) কবিতাটিত London ৰ সামাজিক জীৱন যিদৰে এচাম পুঁজিপতিৰ গৰাহত পৰি বিনস্ত হৈছিল তাৰ এপলক চিত্ৰ "LONDON, September 1802" থকালৈকে জীৱন্ত হৈ থাকিব। এৰিষ্টটেলৰ মতে অৱশ্যে কবিতা এনে এক বস্তু, ই ইতিহাস সাহিত্যতকৈও অধিক ভাবোদ্দীপক আৰু শ্ৰেষ্ঠত্বৰ। কবিয়ে স্বকীয় দৃষ্টিভংগীৰে সৰ্বসাধাৰণৰ মাজতে অসাধাৰণ অথবা গতানুগতিক tradition ৰ মাজতে সাৰ্বজনীনতা অনুধাৱন কৰি শেষ সত্য নিৰূপন কৰিব পাৰে আৰু এইদৰেই কাব্য সাহিত্য আৰু দৰ্শনৰ মাজত একান্ত সমন্বয় গঢ়ি উঠে। অৰ্থাৎ কাব্য সাহিত্য বাস্তৱ জীৱনৰ অনুকৰণ, আন এক অৰ্থত ই মানৱ জীৱনত কৈও শ্ৰেষ্ঠত্বৰ উপাদানৰ প্ৰতিফলক।

সাম্প্ৰতিক সময়ৰ নতুন অসমীয়া কবিতাই পৃথিৱীৰ সকলো দিশৰ ৰৰঘৰ উন্মোচন কৰিবলৈ সক্ষম হৈছে। নতুন আৱেগিক আৰু চিত্ৰকল্পৰ জৰিয়তে প্ৰাচীন ঐতিহ্য আৰু মূল্যবোধ অপসাৰণ কৰাত ব্যস্ত হৈ পৰিছে। এক নব্য মানবীয় দৃষ্টিভংগীৰে তেওঁলোকে এক নতুন জগতৰ সন্ধান দিছে। জাপানী কবিতাৰ অধিকাংশ কলা-কৌশল, ছোভিয়েট ৰুচিয়াৰ মায়াকভক্সি, স্পেইনৰ পাবলো নেৰুভা, বৰেন্য পুৰুষ টি, এচ, এলিয়ট, এজৰা পাউণ্ড, খলিল জিব্ৰান, বডলেয়াৰ, মালাৰ্থে, জীৱনানন্দ আদিৰ কবিতাৰ ঘনিষ্ঠ প্ৰভাৱ অসমীয়া নতুন কবিতা সমূহত ৰাৰুকৈয়ে পৰিছে। দলিত - অৱহেলিত - নিষ্পেষিত জনৰ





মৰ্ম্ম ব্যাখ্যাৰ জৰিয়তে সমাজত জাতীয়তাবোধ, মানবতাবোধ আদি আজিৰ কবিতাৰ মূৰ্ত্তমান ভেটি স্বৰূপ। আধুনিক ইংৰাজী কবিতাৰ গতি আৰু প্ৰগতিৰ ক্ষেত্ৰত Geoffrey Bullough য়ে মন্তব্য কৰিছে যে "Biology, anthropology, psychology, economic and social struggle have weakened our faith in the instruments of body and mind." এই মন্তব্য অসমীয়া কবিতাটো বৰ্ত্তমান সমাদৃত। কবিতাসমূহত এই মন্তব্য কলা, সাহিত্য, বিজ্ঞান, মনোবিজ্ঞান আদিৰ দ্ৰুত পৰিবৰ্তনৰ সমন্বয়ত নব বৌদ্ধিক চেতনা উদয় হৈ একপ্ৰকাৰ জটিল কাব্যমানস গঢ়ি উঠিছে। মাৰ্ক্স - এংগলচৰ নতুন মূল্যবোধৰ ধ্বনি, শিল্প আৰু কলকাৰখানাৰ প্ৰসাৰণৰ জৰিয়তে সমস্যাবহুল উদ্যোগিক জীৱন, বিজ্ঞানৰ জটিল সূত্ৰৰাজি আদিৰ ক্ৰিয়া প্ৰতিক্ৰিয়াই যে অসমীয়া কবিতাসমূহৰ এক নতুন ইতিহাস ৰচনা কৰিছে সেই কথা অনস্বীকাৰ্য্য। বিশ্বৰ লাখে লাখে লাঞ্চিত, নিষ্পেষিত আৰু সৰ্বহাৰাৰ মানবাত্মাক কবিসকলে স্নেহেৰে আকোৱালি লৈছে। বৰ্ত্তমান অসমীয়া সাহিত্যৰ এচাম কবি মাৰ্ক্সীয় দৰ্শনৰ দ্বাৰা উদ্বুদ্ধ হৈ তেওঁলোকে বিচাৰিছে পুঁজিপতি শোষণৰ অৱসান হওঁক, সৰ্বহাৰা শ্ৰেণীয়ে মুক্তিৰ পথ বিচাৰি পাওক, নতুন সামাজিক, ৰাজনৈতিক, আৰু অৰ্থনৈতিক প্ৰযুক্তিৰে নিপীড়িত জনে শোষণৰ ৰথৰ চকা ভাঙি মোহাৰি চুৰমাৰ কৰিবলৈ সক্ষম হওক। এই জটিল সমস্যাৰাজিৰ ক্ৰিয়া প্ৰতিক্ৰিয়াতেই অৱশ্যে এচাম পঢ়ুৱৈৰ বাবে প্ৰকৃত নতুন কবিতাই দুৰ্বোধ্যতা সৃষ্টি কৰিব পাৰে যদিও আমাৰ সৰু সৰু মনৰ বিচাৰ বিশ্লেষণৰ দ্বাৰা আমি এটা কথাত উপনীত হৈছোহি যে আধুনিক কবিতা সমূহ সমাজৰ একপ্ৰকাৰ জাতীয় পোহৰ।

নতুন কবিতাৰ Psychology আৰু anthropology ৰ দিশদুটা কবিতাত বুজাত অধিক জটিল। এই দিশদুটাৰ মাজেদি কবিতাই জীৱনৰ আধ্যাত্মিক অৱনতি আৰু বৌদ্ধিক অবক্ষয়ৰ চিত্ৰখনৰ কথা স্পষ্টকৈ সকিয়াই দিয়ে। জেমচ ফ্ৰিজাৰ, জাঁপল চাত্ৰে, ফ্ৰয়েড, লৰেঞ্চ, এত্লাৰ আদি বিশ্ববিশ্ৰুতি কবিসকলৰ মনস্তাত্বিক ব্যাখ্যা আজিৰ সংৰক্ষনশীল সমাজত কবিতাৰ এক প্ৰশংসনীয় বুদ্ধিমত্তা গতি। যৌনচেতনা আৰু মননশীলতাৰ ওপৰত আলোকপাত কৰা নতুন পোহৰে অসমীয়া কবিতাত এক নতুন ৰূপ প্ৰদান কৰিছে। এনেধৰণৰ কাব্যিক দৃষ্টিভংগীতে মানুহৰ আধ্যাত্মিক আৰু বৌদ্ধিক সংকটসমূহ নাইকীয়া হৈ পৰে। শ্ৰেণীচেতনা, গোষ্ঠীচেতনা একাকাৰ হৈ এক আলোকিত চেতনা বিকাশ হয় য'ত সামাজিক জীৱনবোধ হৈ পৰে এক সমন্বয়ৰ স্বাক্ষৰ। অসমীয়া কাব্য সাহিত্যত এই শ্ৰেণীৰ কবিতাৰ জৰিয়তে চিত্ৰিত হোৱা সমাজৰ স্বাৰ্থপৰতা, সংকীৰ্ণতা অথবা চৰম ভোগ লালসাৰ চিত্ৰখনি হৈ পৰিছে অভিজ্ঞান পূৰ্ণ পাঠক পাঠিকাৰ মনত আত্মচেতনা ঘুৰাই অনাৰ চেতনাস্ৰোত প্ৰবাহ। যাক ইংৰাজীত কোৱা হয় "stream of consciousness"। মুঠতে ফ্ৰয়েড, জাঁ পল ছাত্ৰে, ডি, এইচ লৰেঞ্চ আদিৰ ভাবধাৰাৰে উদ্বুদ্ধ Psychology আৰু anthropology এই দুয়োটা দিশৰ আধাৰত বৰ্ত্তমানলৈকে সৃষ্টি হোৱা অসমীয়া কবিতাসমূহ কবিৰ একপ্ৰকাৰৰ মহৎ সৃষ্টি য'ত প্ৰতিফলিত হয় এক তত্বগধূৰ বিশ্লেষণ।

অসমীয়া নতুন কবিতাৰ গোটেইকেইটা দিশ সামৰি লব পৰা জে, আইজাকৰ এটা সফল সংজ্ঞা সুসাহিত্যিক ডঃ মহেন্দ্ৰ বৰাই আমাৰ আগত বহুদিন আগতেই উদঙাই দেখুৱাইছিল। সংজ্ঞাটো হ'ল এনেধৰণৰ- "ইবিলাকৰ দীঘ বাণীত আছে দ্বন্দ-সংঘাতৰ ভাৰসমতা; আঁচুফুলত আছে শব্দৰ বিচিত্ৰ ৰঙ আৰু বৰ্ণছায়া; আটাইতকৈ বেয়াখিনিত পোৱা যায় ভঙা-চিঙা উপমাৰ থুপ;

আটাইতকৈ ভালখিনিত পোৱা যায় বহুৰূপময় বর্ণাঢ্য আলোকস্তম্ভ যাৰ ভিতৰত জ্বলি আছে কত নিখিল শুভ্রতাৰে মণ্ডিত একেটি প্রদীপৰ একেটি মাথোন শিখা"। জীৱনে - মৰণে প্রতীক, শব্দৰ কল্পচিত্র, উপমা, ৰূপক আদি নতুন কবিতাৰ আবহমান কালৰ উপাদান। এক বুজন পৰিমাণৰ কবিতাত জোন আৰু বেলিৰ জাতীয়ধর্মী কল্পচিত্র পোৱা যায়। বেলিটো যেন এটা ৰণমত্ত ৰঙামুৱা খেতিয়ক অন্যহাতে জোনটো এইমাত্র গা ধুই অহা এজনী সদ্য প্রস্ফুটিত ষোড়ষীৰ আনন্দানুভূতি। জোন-বেলিত বাদেও উপমাৰ বিস্তৃতি, ৰূপকৰ বিস্তৃতি, শ্রাব্যকল্পনা, সূক্ষ্ম শাব্দিক ইন্দ্রজালৰ কর্ষন, ছান্দিক প্রয়োগৰ দ্বাৰা সৃষ্টি হোৱা এনে কিছুমান চিত্রকল্প আছে য'ত সিচৰিত হৈ থাকে সমোজ্বল চিত্তে এক জাতীয় পোহৰ। এই চিত্র বুদ্ধি আৰু অনুভূতি দুয়োটাৰে ক্রিয়া প্রতিক্রিয়া। অন্যহাতে এই চিত্রত "Saying one thing and meaning another" এই আন অর্থটোৱে ব্যঞ্জনার্থৰ জৰিয়তে কবিৰ বর্ণিত বিষয়বস্তুক পাঠকৰ অন্তৰলৈ বৈ নিয়ে। সূর্য্যই স্পর্শ কৰিব নোৱাৰা। গাভৰুৰ স্তনযুৰি যদি প্রখৰ ৰ'দৰ তাপৰ প্রতীক হয় এনে অনুভূতি কবিৰ এক দার্শনিক মনোভংগীৰ পৰিচয়। আন এজন কবিয়ে আকৌ গাভৰুৰ এই সুস্থ গোলাপী স্তনযুৰিক "তেজৰঙা ব্লাউজৰ অপাৰ সমুদ্র" বুলি বর্ণনা কৰিছে। হীৰেন্দ্র নাথ দত্তৰ কবিতা 'শোধন' ত -

"এইদৰে এন্ধাৰ লেহন এৰি
কুমলীয়া চেউৰীৰ মুখ যেন
কমলিনী পুৱা নামে।"

নবকান্ত বৰুৱাৰ কবিতাত

... ... ..." বাঢ়ি আহে মৰ পৌৱতীৰ গাখীৰতি
পিয়াহৰ দৰে ... ... ...।"

— প্রথম খণ্ডত কুমলীয়া চেউৰীৰ মুখৰ ৰঙা ৰং আৰু পুৱাৰ কমলা ৰঙৰ তুলনা কবিৰ এক বিচিত্র অভিব্যক্তি। ২ য় খণ্ডত ভাষাৰ ক্ষেত্রত সাধু ভাষা আৰু তৎসম জাতীয় শব্দৰ প্রতি মোহত্যাগ কৰি সৰল জাতীয়তা আৰু গ্রাম্যতাৰ নৈসর্গিক সম্পদৰ বিস্তৃত বর্ণনাৰ আচর্য্য অভিব্যক্তি প্রকাশ পাইছে। টেমচ নৈৰ পানী হৈ বৈ অহা এনেবোৰ ভাষাৰে পৰিপুষ্ট কবিসকলৰ কবিতাত দার্শনিক মননশীলতা, ইতিহাস চেতনা আৰু অন্যান্য ভাৱনা সমৃদ্ধি বিৰাজমান। আংগিকৰো সার্থকতম নিদর্শন এনেবোৰ কবিতাত প্রতিফলিত হয়। একে আষাৰতে কব পাৰি অসমীয়া নতুন কবিতাৰ আয়ুবেলিৰ ৰেখাডাল ইবিলাকেই বর্ণাঢ্য কৰিব।

জয়ন্তীয়ে লগ পোৱা অমূল্য বৰুৱাৰ "কুকুৰ", "বেশ্যা" আদিৰ পৰা আৰম্ভ কৰি বর্ত্তমান সময়লৈকে সময়ৰ স্তুতিয়েদি অহা কবিতাৰ চ'ৰা নাওঁখনিৰ যন্ত্রপাতি সমূহ এতিয়া সম্পূর্ণ বৈজ্ঞানিক দৃষ্টিভংগীৰে মেৰামতি কৰা হৈছে। নতুন কবিৰ পিছতো নতুনতৰ কবিৰ আগমন ঘটিছে। তাৰ পিছতো নবতম সূর্য্যোদয় হৈছে - বহুবিচিত্র পথেৰে প্রবাহিত হৈছে ইয়াৰ কাব্যপ্রবাহ। প্রতীকবাদী আৰু সমাজবাদী এই দুয়োটা মূল সুঁতিৰে কবিসকলে এক ব্যয়বহুল ভাষাৰ নাবিক যাত্রী হৈ শব্দৰ সতে এক অনন্য মহীয়ান সেতু বান্ধিছে — য'ত প্রতিটো শব্দই হৈ পৰিছে দেৱদূত স্বৰূপ। আজিৰ কবিতাত কবিৰ পৰিপূর্ণ পৰিচয় ঘোষিত হৈছে এইদৰে —

"কবি ফুলতকৈও পাহাৰ আৰু নিজৰাতকৈও
শিশুৰ চকুযোৰতকৈও
জোন আৰু প্রস্ফুটিত নাৰীতকৈও সুন্দৰ তেওঁ
নির্মেঘ আকাশৰ দৰে নীলা
অন্ধকাৰৰ দৰে গভীৰ জোৎস্নাৰ দৰে কোমল
তেওঁ পানী আৰু স্বপ্নৰ দৰে বর্ণহীন।"

( সনন্ত তাতী )

*****



# ★ অই নিঃতম ★

শ্রীপ্রভাত পাইত
স্নাতক দ্বিতীয় বার্ষিক
( কলা শাখা )

অই নিঃ তমৰ উৎপত্তি কেতিয়া হৈছিল তাক সঠিককৈ কোৱা টান। নদীৰ উৎপত্তি কেতিয়া হ'ল তাক সহজভাৱে কোনেও কব নোৱাৰে। আদিম কালৰে পৰা বৈ অহা এখন নদীৰ সোঁতৰ লগতেই ইয়াক ( অই নিঃতম্‌ক ) ৰিজাই লব পাৰি। নদীৰ পানী আৰু বোৱতী সোঁতৰ লগত মানুহৰ এক নিবিড় সম্পর্ক আছে। কালৰ গতিত নদীৰ সোঁতে গৰা খহাই গতি সলনি কৰে। পাৰৰ জাৱৰ জোথৰ উটুৱাই নদীক গর্ভাৱতী কৰে। অই নিঃতম্‌ৰ উৎপত্তি সম্পর্কে নেজানিলেও মানুহৰ মুখে মুখে বাগৰি আহি বর্ত্তমানৰ কালৰ ৰূপ পাইছেহি। ভাৱ, ভাষা, সুৰ আদি সময়ে সময়ে সলনি হৈ আহিছে। সৃষ্টিৰ আদিম পুৱাতে মানুহে যেতিয়া শব্দৰ যোগেদি মনৰ ভাৱ অনুভূতি প্রকাশ কৰিব পৰাৰ ক্ষমতা লাভ কৰিলে তেতিয়াৰ পৰাই এই মৌখিক সাহিত্যবোৰ সৃষ্টি হৈ আহিছে। অই নিঃতম কোনো গায়ক গায়িকাৰ মুখত আবদ্ধ হৈ নাথাকে। ইয়াৰ কোনো ৰচকো নাই। যিয়ে অই নিঃতম গায় তেওঁৰেই প্রাণৰ ভাষা হিচাপে প্রকাশ পায়। অই নিঃতম যিয়ে শুনে তেওঁৰো অন্তৰৰ ভাষা হিচাপে প্রকাশ পায়। সেয়েহে অই নিঃতম্‌ৰ গায়ক আৰু শ্রোতাৰ মাজত ভাষাৰ, ভাৱৰ সমৰূপত স্থাপন হয়। অই নিঃতম্‌ৰ ভাৱ সার্বজনীন, অই নিঃতম্‌ৰ ভাষা চিৰন্তন।

অই নিঃতম্‌ৰ সমস্ত পদৰ অর্থ হ'ল প্রেমক উদ্দেশ্য কৰি গোৱা এক গীত বা প্রেমৰ গীত। মিচিং গীতবিলাকৰ ভিতৰত অই নিঃতম হৈছে অন্যতম আৰু জনপ্রিয়তাৰ ফালৰ পৰাও লোকগীতৰ শীর্ষস্থানত। অই নিঃতম্‌ৰ 'অই' শব্দই মিচিং ভাষাৰ সম্বোধনত মৰমৰ, চেনেহৰ, প্রিয়জন ইত্যাদি বুজায়। সাধাৰণতে বক্তাজনতকৈ সৰু হলে যি কোনো ব্যক্তিকেই মৰমেৰে 'অই বুলি সম্বোধন কৰি মাতিব পাৰে। আনফালে প্রেমিক বা প্রেমিকাকো অন্তৰৰ অতি আপোনজন বুলি ভাবি 'অই' শব্দৰেই সম্বোধন কৰা হয়। 'নিঃতম' শব্দত দুটি অক্ষৰ আছে। 'নিঃ' ধাতু :— নিচুকুৱা ; মৰমৰ গীত গাই ভুলোৱা। 'তম' প্রত্যয় :— উদ্দেশ্য যাক উদ্দেশ্য কৰি গোৱা হয়। গতিকে অই নিঃতমৰ সমস্ত পদৰ অর্থ হ'ল প্রেমক উদ্দেশ্য কৰি গোৱা গীত বা প্রেমৰ গীত।

প্রেম হৈছে অই নিঃতম্‌ৰ প্রধান উৎস। জন্ম, বিবাহ, মৃত্যু আদি মানুহৰ চিৰন্তন ৰূপ আৰু গতি। জন্ম আৰু মৃত্যু মানুহৰ নিয়ন্ত্রণাতীত ; আনকি ভগৱানৰো হস্তক্ষেপ ইয়াত নাখাটে। 'বিবাহ' জীয়াই থকাৰ কাল-ছোৱাত নাৰী-পুৰুষৰ মিলনৰ যোগেদি সংসাৰ সোঁতক চিৰ প্রবাহমান কৰি ৰখা এটি প্রথা। পোৱাৰ আনন্দতকৈয়ো নোপোৱাৰ বেদনাই হৈছে প্রেমৰ উদ্দীপক। মিলন বা বিবাহৰ যোগেদি প্রেমে পৰিপূর্ণতা লাভ কৰে। কিন্তু মিলনৰ পৰিপূর্ণতাত চহা কৰিৰ ভাৱৰ উদ্দীপনা হেৰাই যায়। অই নিঃতমৰ গায়ক কবি সকলে অপূর্ব

প্ৰেম বা প্ৰেমপূৰ্বক আশা-নিৰাশা, ৰাগ-অনুৰাগ ইত্যাদিকেই প্ৰেৰণাৰ উৎস হিচাপে গণ্য কৰে।

প্ৰধানকৈ 'অই নিঃতম' হৈছে প্ৰেমৰ গীত। ইয়াৰ বিষয় বস্তুত প্ৰেম সম্পৰ্কীয় সকলো ৰসৰ সোৱাদেৰে পৰিপূৰ্ণ। হাঁহি কান্দোন, মিলন বিচ্ছেদ, প্ৰশংসা - নিন্দা আদি সকলো ৰসৰ বিষয়েই অই নিঃতম্‌ত প্ৰকাশ পায়। অই নিঃতম্‌ত ব্যৱহৃত কোম্পানী, জাহাজ, চীনা যুদ্ধ, মহাযুদ্ধ, মহাত্মাগান্ধী, জৱাহৰলাল নেহেৰু, পিস্তল, ৰাইফলৰ গুলী, মটৰ গাড়ী ইত্যাদি শব্দৰ প্ৰয়োগ আৰু উপমাই এই কথাৰ সাক্ষ্য বহন কৰে। মুঠতে চমু কথাত কবলৈ হলে অই নিঃতম্‌ত যি বিষয়বস্তু নাই সি মিচিং সমাজতেই নাই। মিচিং সমাজৰ দৃষ্টিৰ অগোচৰত থকা বিষয় বস্তুও অই নিঃতম্‌ত প্ৰকাশ লাভ কৰে।

"যিজন ঈশ্বৰে জগতখন স্ৰজিলে তেওঁ পীৰিতি কৰিছে, আমিনো নকৰিম কিয়? বনৰ চৰায়ে জোৰ পাতিছে, আমিনো নাপাতিম কিয়?" অই নিঃতম্‌ক এই দুটি পংক্তিতেই বিভক্ত কৰা হৈছে। প্ৰথম পংক্তিত সাধাৰণতে প্ৰকৃতিৰ নৈসৰ্গিক ৰূপৰ বৰ্ণনা আৰু দ্বিতীয় পংক্তিত প্ৰকৃতিৰ সতে চহা কবি বা গায়ক - গায়িকাৰ ব্যক্তিগত জীৱনৰ তুলনা বা উপমা। প্ৰথম পংক্তিত যি বিৱৰণ দিয়া হয়, দ্বিতীয় পংক্তিত ব্যক্তিগত জীৱনৰ উপমাৰে প্ৰথম পংক্তিৰ নেতিবাচক বা ইতিবাচক ইঙ্গিত বহন কৰে। তলত এটি উদাহৰণ লোৱা হওক।

"Asi sikur sikur ko
Miksi sikur sikur ko
Asi sikur pvnyc pc
Miksi sikur pvnpc ma."

ইয়াৰ অৰ্থ হ'ল —

পানীৰ জুৰিও জুৰি
চকুপানীও এটা জুৰি
জুৰিৰ পানী শুকাই যায়
চকুপানীৰ জুৰি নুশুকায়।

এই উদাহৰণটিত জুৰিৰ পানীৰ লগত চকু পানীৰ ৰিজনি দিয়া হৈছে।

অই নি.তম্‌তৰ ভাষা সৰ্বজনৰ ভাষা। ইয়াৰ ভাষা বিশেষ কোনো এটা যুগৰ প্ৰচলিত ভাষা নহয়। সময়ৰ পৰিবৰ্ত্তনৰ লগতে ভাষাও পৰিবৰ্ত্তন হয়। এই পৰিবৰ্ত্তনৰ লগে লগে অই নিঃতম্‌ৰ ভাষাও পৰিবৰ্ত্তন হয়। কিন্তু এই কথা ঠিক যে আজিৰ অই নিঃতম্‌ৰ যি ভাষা সেই ভাষা আজিৰ পৰা এহেজাৰ বা পাঁচশ বছৰৰ আগতে নিশ্চয় নাছিল। অই নিঃতম্‌ৰ আৰম্ভনি সদায় উচ্চ গ্ৰামত আৰম্ভ হৈ ক্ৰমে মুদাৰা আৰু উদাৰা গ্ৰামলৈ অবৰোহন হয়। এনেকৈ উদাৰা মুদাৰাত আৰোহন অবৰোহনত বিস্তাৰিত হৈ মুদাৰা গ্ৰামত সমাপ্ত হয়। অই নিঃতম্‌ৰ বহুতো সুৰ কালৰ গতিত সৃষ্টি হৈ আছে আৰু এই সুৰেই পাহৰনিৰ গৰ্ভত এটা সময়ত বিলীনো হৈছে। অই নিঃতম্‌ৰ পংক্তিবোৰত সম অক্ষৰৰ ছন্দ সজ্জা নাথাকিলেও তালৰ পতন ঘটিব পাৰে। সেয়ে গায়ক গায়িকাৰ কণ্ঠৰ পৰা নিগৰি অহা যি কোনো অই নিঃতম্‌ত কব নোৱাৰাকৈ ছন্দই নিজৰ পৰিধি বিচাৰি লয়। ৰচনা পদ্ধতিৰ ফালৰ পৰা অসমীয়া বিহুগীত, বনঘোষাৰ সতে সাদৃশ্য থাকিলেও সুৰৰ ক্ষেত্ৰত অসমীয়া বিহুগীত নাইবা অন্যান্য ভাৰতীয় লোকগীতৰ সুৰৰ লগত ইয়াৰ সম্পূৰ্ণ বৈসাদৃশ্য লক্ষ্য কৰা যায়। শ্ৰুতিজ্ঞানৰ ফালৰ পৰা চমুকৈ এই দৰে কব খুজিছোঁ যে তিব্বত ধৰ্মীয় ভাষাগোষ্ঠীৰ লোকগীতত যিবোৰ স্বৰৰ বিস্তাৰ হয়:— সেই স্বৰবোৰেই অই নিঃতম্‌তো বিস্তাৰ হয়। এই অই নিঃতম্‌বোৰৰ ৰচনা কৌশলত একো ভাষাৰ জটিলতা নাই বা ভাৱৰ গভীৰতা নাই, আছে মাথো সৰল আৰু পোন পটীয়া মাধুৰী। ●

****





# অভিশপ্ত টাইটানিক

শ্ৰীমনোৰঞ্জন বৰ্মণ
স্নাতক ২য় বাৰ্ষিক বিজ্ঞান

[ বিশ্বৰ সকলোবোৰ ৰহস্যময় ঘটনাৰ সবিশেষ পোৱাৰ সামৰ্থ্য সকলোৰে ভাগ্যত নঘটে। তথাপি টাইটানিক ৰহস্যৰ আঁত আজিৰ বিজ্ঞান সভ্যতাৰ বাবে এটি চমকপ্ৰদ ঘটনা। এই ঘটনাৰাজিৰ এক থুলমুল আভাস পঢ়ুৱৈ সমাজক দিয়াৰ মানস কৰি এই প্ৰৱন্ধ যুগুত কৰি উলিওৱা হৈছে। ]

'টাইটানিক' এনে এটা নাম যাৰবাবে বিশ্ববাসী আজিও কম্পমান। প্ৰায় এঘাৰ মহলা ঘৰ এটাৰ সমান ওখ, ২৭০ মিটাৰ দীঘল আৰু ছয়ছল্লিশ হাজাৰ টনতকৈও বেছি গধুৰ এই জাহাজখনক নিৰ্মাতা সকলে গৌৰৱান্বিত হৈ 'আনচিংকেবল' ডুবিব নোৱাৰা জাহাজ বুলি আখ্যা দিছিল। অহংকাৰেই পতনৰ মুল। একেই দশাই লগ দিছিল অভিশপ্ত টাইটানিকৰ ভুৰ্কপালত আৰু জীৱনৰ প্ৰথম সমুদ্ৰ জাহাজ যাত্ৰাৰ পাঁচদিনৰ ভিতৰতে ডুবি গৈছিল আটলাণ্টিক মহাসাগৰৰ অটল গৰ্ভত। সলিল সমাধি ঘটিছিল প্ৰায় ১৫১২ জন যাত্ৰীৰ।
১৯১২ চনৰ ১০ এপ্ৰিল।
সেইদিনা বুধবাৰ।

টাইটানিকৰ প্ৰথম সমুদ্ৰ যাত্ৰা। হোৱাইটষ্টাৰ লাইনচৰ বিশাল আৰু বিলাসবহল টাইটানিকৰ ইংলেণ্ডৰ চাউডাম্পটন বন্দৰৰ পৰা নিউইয়ৰ্ক অভিমুখে যাত্ৰা আৰম্ভ হ'ল। বহুতো গণ্যমান্যলোক, ধন কুবেৰ, ব্যৱসায়ী আদিয়ে হেতা ওপৰা লগাইছিল কোনে এই টাইটানিকৰ প্ৰথম যাত্ৰী হব। বহুতে প্ৰথম যাত্ৰা কৰিব পাই নিজকে পৰম সৌভাগ্যবান বুলি ভাবিব ধৰিলে।

জাহাজখনত মুঠতে ২২০০ যাত্ৰী আছিল। অৱশ্যে শেষ মুহুৰ্ত্তত নাবিকৰ সালসলনি আৰু বিভিন্নজনে দিয়া যাত্ৰীৰ তালিকানুসৰি তাৰতম্যৰ পৰিপ্ৰেক্ষিতত এই সংখ্যাৰ অলপ ইফাল সিফাল হব পাৰে।

টাইটানিকৰ প্ৰথম শ্ৰেণীৰ যাত্ৰীৰ ভাড়া আছিল ৪৩৫০ ডলাৰ। বৰ্ত্তমান অৱস্থাত ইয়াৰ মুল্য হবগৈ প্ৰায় ৫০,০০০ ডলাৰ।
১৪ এপ্ৰিল। দেওবাৰ।
হঠাৎ টাইটানিকৰ কণ্ট্ৰলৰুমৰ ৱায়াৰলেছে এটা বাৰ্ত্তা কঢ়িয়াই আনিলে। কেৰোনিয়া নামৰ জাহাজখনৰ পৰা অহা এটা বাৰ্ত্তাত বিশেষ অৱস্থানত থকা হিম শিলাৰ বিষয়ে জনোৱা হৈছিল।

দুপৰীয়াৰ আগতে আকৌ বাল্টিক নামৰ জাহাজখনৰ পৰা যাত্ৰা পথত হিমশৈলৰ বিষয়ে টাইটানিকক সাৱধান কৰি দিয়া হল। জেকফিলিপছ নামৰ অপাৰেটৰ জনে টাইটানিকৰ কেপ্তেইন ই, জে, স্মিথক বাৰ্ত্তাটো দিলে। বিশেষ গুৰুত্ব নিদি স্মিথে বাৰ্ত্তাটো অইন এজন কৰ্মীক দিলে।

এনেকৈয়ে সকলো যাত্ৰীৰ অজ্ঞাতে অহা সাৱধান বাণীৰ প্ৰতি কোনো কাণসাৰ নিদিয়াকৈ আনন্দ উল্লাসৰ মাজেৰে টাইটানিক আগবাঢ়ি গৈ থাকিল।

ক্ষন্তেক সময়ৰ পিছত 'কেলিফোর্ণিয়ান' নামৰ জাহাজখনেও হিম শৈল সম্পৰ্কে এটি বাৰ্ত্তা টাইটানিকলৈ পঠিয়ালে। আত্ম গৰ্বত গৰ্বিত হৈ গৈ থকা টাইটানিকে ইয়াকো গুৰুত্ব নুবুজি কাণসাৰ নিদিলে।

ক্ৰমে নিশা হৈ আহিল। নিশাটো আছিল হিম-শীতল। শান্ত, সমুদ্ৰও শান্ত। নৈশ আহাৰৰ পাছত দ্বিতীয় শ্ৰেণীৰ কিছু যাত্ৰীয়ে প্ৰাৰ্থনা গীত গাইছিল। নাবিকৰ গীতত টাইটানিক আনন্দমুখৰ হৈ উঠিছিল। তেওঁলোকে গাইছিল — 'Oh, hear us when we cry to thee, for those in peril on the sea' সাগৰৰ বুকুত বিপদগ্ৰস্ত হৈ কন্দা আমালৈ যেন মুৰ তুলি চোৱা প্ৰভু।

নিশা ক্ৰমে গাঢ় হৈ আহিব ধৰিলে। ৱায়াৰলেছ ৰূমত একান্তমনে জেক ফিলিপছ বহি আছে। অলপ আগতে তেওঁ হেৰল্ড ব্ৰাইডৰ পৰা দায়িত্ব লৈছে। দিনৰ ভাগতে কেলিফোৰ্ণিয়ানৰ পৰা অহা বাৰ্ত্তা ব্ৰাইডে অইন কামৰ অজুহাতত লিখিও নথলে।

হঠাৎ টাইটানিকলৈ, কেলিফোৰ্ণিয়ানৰ পৰা বাৰ্ত্তা আহিল' আমি হিমৰ দ্বাৰা পৰিবেষ্টিত হৈছো'।

টাইটানিকে উত্তৰ দিলে — বন্ধ কৰা, বন্ধ কৰা। মই কোপ বেচৰ লগত কথা পাতি আছো। মোৰ চিগনেলত বাধা নজন্মাবা।

এই মুহুৰ্ত্তত ফ্লেডেৰিক ফ্লিটে প্ৰধান মাস্তুলৰ পৰা সাগৰৰ বুকুলৈ এন্ধাৰৰ বেহু ভেদ কৰি দূৰৈৰ কিহবাৰ সন্ধানত চাই আছিল। কেইবাবাৰো সাৱধান বাণী পাই ফ্লিটক নজৰদাৰীৰ কামত নিযুক্তি কৰা হৈছে। অৱশ্যে কেপ্তেইন স্মিথ সহ সকলো নাবিকেই নিশ্চিতযে টাইটানিক ডুবিব নোৱাৰে। আনচিংকেৱল।

সময়ঃ- নিশা প্ৰায় ১১-৪০

ফ্লিট থিয় হৈ প্ৰায় নিৰাশ হৈছিল।

কিন্তু ই কি !

হঠাৎ ফ্লিট চমকি উঠিল।

প্ৰায় দুই ফালং দূৰৈত একখণ্ড প্ৰকাণ্ড হিম শৈল।

তেওঁ তৎক্ষণাত জাহাজৰ ব্ৰিজলৈ ফোন কৰিলে।

: কি দেখিছা ? এক শান্ত কণ্ঠই প্ৰশ্ন কৰিলে।

: আমাৰ সন্মুখত হিমশৈল — ফ্লিটৰ ভয়াতুৰ উত্তৰ।

: ধন্যবাদ :— এক নিৰাশক্ত কণ্ঠই ইয়াকে কৈ তৎক্ষণাত যোগাযোগ বিছিন্ন কৰি পেলালে।

অৱশ্যে লগে লগেই জাহাজ ঘুৰোৱাৰ নিৰ্দেশ দিলে। বহু চেষ্টাৰ ফলত টাইটানিক লাহে লাহে বাওঁ-ফাললৈ ঘুৰিবলৈ ধৰিলে।

ফেডেৰিক ফ্লিটে নিথৰ হৈ চাই ৰল আটলান্টিকৰ বুকুত হিমশৈলই সৃষ্টি কৰা চিল্যুয়েটলৈ।

হঠাৎ টাইটানিকৰ দিশ সলনিয়ে যাত্ৰীসকলক আচৰিত কৰি তুলিছিল যদিও 'আনচিংকেৱল' মনলৈ অহাত কোনো গুৰুত্ব নিদিলে।

ইতিমধ্যে ঠিক তেতিয়াই সাগৰত ডুবগৈ থকা হিম শৈলই আঘাত কৰিলে টাইটানিকক।

জাহাজৰ তলীত ছয় নম্বৰ বয়লাৰ ৰুমত কাম কৰি আছিল ফায়াৰমেন ফ্ৰেডেৰিট বেৰেটে। তেওঁ দেখিলে যে সাগৰৰ ফেনিল পানী সোমাই আহিছে ভিতৰলৈ। জোকাৰণি এটা বহুত যাত্ৰীয়ে অনুভৱ কৰিলে। দুই





এজন কৌতুহলী যাত্ৰীয়ে ডেকলৈ ওলাই আহি বাহিৰলৈ চাই পঠিয়ালে। কোনো বিপদ সংকুল নেদেখি ভিতৰলৈ সোমাই গ'ল। আৰু বহুতে এই ঠাণ্ডাত কৌতুহল হৈ লাভ নাই বুলি সোমাই থাকিল। সকলো যাত্ৰীৰ মুখত এটাই কথা "টাইটানিক নুডুবে"।

কেপ্তেইন স্মিথে তেওঁৰ কেবিনৰ পৰা জাহাজৰ ব্ৰিজলৈ দৌৰি আহিল। ফাৰ্ষ্ট অফিচাৰ মাৰ্ডকক জোকাৰণিৰ কাৰণ সুধিলে। ইতিমধ্যেই টাইটানিকৰ সোঁফালে দেখা গৈছে প্ৰায় ১০০ মিটাৰ দীঘল এটা ফাঁট। পানী সোমাইছে অবিৰাম ভাৱে। ১৬ টা পানী নিৰোধক কোঠাৰ ৬ টা ইতিমধ্যে পানীয়ে ডুবাই দিছে।

টাইটানিকৰ মুখ্য ডিজাইনাৰ থমাছ এনড্ৰুজ আৰু কেপ্তেইন স্মিথে পৰিস্থিতি অধ্যয়ন কৰিলে। অৱশেষত সেই কৰুণ সত্যটো তেওঁলোকে উপলব্ধি কৰিলে যে আটলান্টিকৰ প্ৰায় ৪০০০ মিটাৰ গভীৰ গৰ্ভত টাইটানিকৰ সমাধি অৱধাৰিত। এনড্ৰুজে হিচাব কৰিলে আৰু খুব বেছি ৯০ মিনিট সময় তেওঁলোকে পাব।

ৱাল ক্লকৰ ঘণ্টাই ১২ বজাৰ সংকেট দিলে। বাৰ বাজি পাঁচ মিনিট যোৱাৰ লগে লগে কেপ্তেইন স্মিথে চিফ কমিছনাৰ এইচ্, এফ, ৱাল্ডক নিদেৰ্শ দিলে লাইফবোট বোৰ নমাবলৈ। ১৬ খন লাইফবোট ৪ খন কেনভাচ কোল পচিবলৰ সামৰ্থ আছিল মাথো ১১৮০ জন যাত্ৰী কঢ়িয়াবলৈ। কিন্তু যাত্ৰী মুঠ সংখ্যা আছিল ২২০০ জন।

শান্ত নিশা ক্ৰমে মানুহৰ ভয়াতুৰ কৰ্কশ মাতেৰে মুখৰ হৈ উঠিল। কেপ্তেইনে ৱায়াৰলেছ ৰূমক নিদেৰ্শ দিলে 'এচ অ এচ' পঠিয়াবলৈ, ( বিপদত পৰা জাহাজে সহায়ৰ বাবে দিয়া আন্তৰ্জাতিক বাৰ্তা )। আকাশলৈ নিক্ষেপ কৰা হল আটচ্বাজী, — বিপদৰ কথা জনাবলৈ আৰু অৱস্থান সুচাবলৈ।

ক্ৰমে ডুবন্ত টাইটানিকৰ পৰা ১৬ কিঃ মিঃ বো কম দূৰত্বত আছিল কেলিফোৰ্ণিয়ান। টাইটানিকৰ বিপদৰ কথা কিন্তু কেলিফোৰ্নিয়ানে একো নাজানিলে। কাৰণ তাৰ অনাতাঁৰ যন্ত্ৰ বন্ধ কৰি থৈ দিয়া হৈছিল। এই বেতাঁৰ যন্ত্ৰ চালু থকা হ'লেও কেলিফোৰ্নিয়ানৰ পৰা বহুতো প্ৰাণীৰ ৰক্ষা পৰিলহেতেন। নিয়তিৰ নিষ্ঠুৰ বাণী, সকলো ওলট-পালট হৈ গল। টাইটানিকক বাৰে বাৰে দিয়া বিপদসূচক বাৰ্তা দিয়াৰ পাছতো টাইটানিকে দেখুওৱা অহংকাৰৰ বাবে অপাৰেটৰ চিবিল ইভান্সে অনাতাঁৰ যন্ত্ৰ নিশা প্ৰায় ১১-৩০ বজাত বন্ধ কৰি থৈছিল। আটচবাজীত তেওঁলোকে টাইটানিকৰ ৰসিকতা বুলি ভাবি গুৰুত্ব দিয়াৰ হাবিয়াস নকৰিলে।

কেলিফোৰ্ণিয়ানে টাইটানিকৰ SOS বাৰ্তা নাপালে। কিন্তু নিউইয়ৰ্কৰ পৰা অহা কাৰ্পেটিয়া নামৰ জাহাজখনে টাইটানিকৰ পৰা অহা সেই বাৰ্তা অপাৰেটৰ ব'টামে পালে। কাৰ্পেটিয়াৰ গতিবেগ নিচেই কম। কেপ্তেইনে পুৰ্ণগতিত জাহাজ চলাবলৈ দিলে টাইটানিক অভিমুখে।

টাইটানিকৰ ডেকত সকলো যাত্ৰী চিন্তিত আৰু বিভ্ৰান্ত অৱস্থাপ্ৰাপ্ত। পোনতেই শিশু আৰু মহিলাক লাইফবোটত উঠিবলৈ দিয়া হ'ল। দুই একে টাইটানিকৰ আৰাম আৰু সুৰক্ষা এৰি লাইফবোটত উঠিবলৈ অস্বীকাৰ কৰিলে। তেওঁলোকৰ মাত টাইটানিক তেতিয়াও আনচিংকেৱল। আকৌ কিছুমানে অৱস্থা গুৰুতৰ বুলি ভাৱি নভবাকৈয়ে পানীত প্ৰাণ ৰক্ষাৰ্থে জাপ মাৰিলে। কিন্তু অটল

সাগৰৰ পানীৰ উষ্ণতা আছিল মাথো ২৮ ° ফাৰেনহাইট। জাৰত ঠেৰেঙা লাগি তেওঁলোকৰ মৃত্যু হল। কোনোৱে নিজা একমাত্ৰ পত্নীক এৰি লাইফবোটত উঠাত অস্বীকাৰ কৰি স্বামী-পত্নী একেলগে ডেকত থাকিল। নৱবিবাহিতা পত্নীয়ে নিজৰ স্বামীক এৰি লাইফবোটত উঠিবলৈ ইচ্ছা নকৰিলে।

ইতিমধ্যে টাইটানিকলৈ অহৰহভাৱে পানীৰ প্ৰৱেশ ঘটি থাকিল।

প্ৰায় ২ বাজি ১৫ মিনিট যোৱাৰ পাছত জাহাজৰ পাচফালটো ক্ৰমে হেলনীয়া হৈ পৰিব ধৰিলে। ইমানপৰে আত্মগৌৰৱত ভোল গৈ থকা টাইটানিক যাত্ৰীৰ সম্বিত ঘূৰি আহিল। জাহাজৰ ডেকত আৰ্ত্তচিৎকাৰ, সমুদ্ৰৰ বুকুত আৰ্ত্তচিৎকাৰ। আনচিংকেৱল টাইটানিক ইতিমধ্যে ডুবি আছে। শান্ত নিশাৰ ভয়াৰ্ত কৰা চিঞৰ ক্ৰমে কমি গৈ আছে। ডুবি গৈ আছে অগণন মানুহ। নিশা প্ৰায় ২ বাজি ৩০ মিনিট যোৱাৰ লগে লগে টাইটানিক ডুবি গল চিৰদিনৰ বাবে আটলাণ্টিক মহাসাগৰৰ বুকুত। লগতে সমাধি হল ১৫২২ জন যাত্ৰীৰ।

তৃতীয় শ্ৰেণীৰ যাত্ৰীক ডেকলৈ উঠি দিয়া হোৱা নাছিল। গতিকে পানীত জপিয়াই প্ৰাণৰক্ষাৰ চেষ্টাও তেওঁলোকে কৰিব নোৱাৰিলে।

কাৰ্পেটিয়া আহি যেতিয়া সেইখিনি পাইছিল তেতিয়া টাইটানিকৰ কোনো চিন মোকাম নাছিল। অৱশ্যে লাইফবোটত কঢ়িয়াই নিয়া যাত্ৰী সকলক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। বহুত যাত্ৰী আৰু তাৰ সকলো গৰ্বৰে টাইটানিক শুই ৰল আটলাণ্টিকৰ অতল তলিত। সমুদ্ৰ তেতিয়া শান্ত। ইতিমধ্যে পুৱা ৰঙা বেলিয়ে আকাশ উজ্বলাই তুলিছে।

**ৰহস্যময়ী তৃতীয় জাহাজ :—** প্ৰাপ্ত বাতৰিমতে দুৰ্ঘটনাৰ সময়ত টাইটানিক আৰু ইয়াৰ কেইকিলোমিটাৰ আতঁৰত থকা জাহাজ কেলিফোৰ্ণিয়ানৰ মাজত তৃতীয় এখন জাহাজৰ সম্ভেদ পোৱা গৈছিল। কিন্তু দুৰ্ঘটনাৰ পাছত সেই তৃতীয় জাহাজৰ কোনো সন্ধান পোৱা নগল। দুৰ্ঘটনাৰ সময়ত বেতাৰ যন্ত্ৰ বন্ধ কৰি যোৱা কেলিফোৰ্ণিয়ানে পাচত খবৰ পাই যেতিয়া টাইটানিকৰ ফালে আহিছিল তেতিয়া টাইটানিকে ইতিমধ্যেই সাগৰৰ বুকুত আশ্ৰয় লৈছিল। আৰু তৃতীয় জাহাজখনৰো কোনো সন্ধান কেলিফোৰ্ণিয়ানে নাপালে।

ৰহস্যময়ী তৃতীয় জাহাজ এখন যদি আছিলেই কৰ জাহাজ আছিল বাৰু ?

**টাইটানিক জঁকাৰ সন্ধানত :—** বাৰে বাৰে দিয়া সতৰ্কবাণীৰ বাক্যক নেওঁচি টাইটানিক বিপজ্জনক হিমশৈলৰে আৱৰা সমুদ্ৰত পুৰ্ণ গতিত ধাবিত হৈছিল। ইয়াৰ উত্তৰ টাইটানিকে নিজেই দিছিল।

১৯১২ চনত নিৰ্মৰ্জিত হোৱা টাইটানিকে আজিলৈ শিহৰিত, কৌতূহলী কৰি আহিছে মানৱ জাতিক। মুখ্যত : টাইটানিক ডুবি যোৱাৰ পিছত টাইটানিক জঁকাৰ সন্ধানত ফ্ৰান্স আৰু আমেৰিকাই যুতীয়াভাৱে ১৯৮৫ চনত অনুসন্ধান কৰে।

১৯৮৫ চন ১ চেপ্তেম্বৰ -

পুৱা ৪ বাজি ৫ মিনিট গৈছে। এনেতে বিশেষ অনুসন্ধান কাৰী জাহাজ 'আৰাগোৰ'ৰ ভিডিঅ কেমেৰাত ধৰা পৰিল টাইটানিকৰ বিছিন্ন হোৱা বয়লাৰ এটাৰ অৱস্থান। চৌপাশে সিচৰিত হৈ আছে নানা ধ্বংসাৱশেষ। টাইটানিকৰ





প্ৰধান মাস্তুল। ব্ৰিজ, কোনো জীৱৰ দেহৰ চিহ্নই পোৱা নগল। বোধহয় জলচৰ জীৱ বোৰে ভক্ষণ কৰিলে।

লক্ষণীয় বিষয় যে এক ইঞ্চি ডাঠ ইস্পাতৰ আৱৰণ বেকা হৈ গৈছে তথাপি তাত থকা কিছু আয়নাৰ পেনেল অক্ষত অৱস্থাত পোৱা গল।

জাহাজখন ছুটুকুৰা হৈ গৈছে। অনুমান কৰা হৈছে জাহজখন তললৈ নামি যোৱাৰ সময়ত পানীৰ চাপত সাগৰতলী স্পৰ্শ কৰাৰ আগতে ছুটুকুৰা হৈ যায়।

টাইটানিকৰ ধ্বংসাৱশেষ উদ্ধাৰৰ অৰ্থে যথেষ্ট ধন আৰু শক্তি ব্যয় কৰা হৈছে।

অৱশ্যে ধ্বংসাৱশেষ পুনৰুদ্ধাৰৰ বাবে এক বিতৰ্কৰ সৃষ্টি হৈছে। কাৰোমতে টাইটানিকৰ কংকাল উদ্ধাৰ প্ৰয়োজন আছে। তেতিয়াহে জানিব পৰা যাব দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ। অন্য দলৰ মতে এই পুনৰুদ্ধাৰৰ ক্ষেত্ৰত বহুতো অৰ্থ ব্যয় হব। ডুবি যোৱা জাহাজখনৰ ধ্বংসাৱশেষ উদ্ধাৰৰ বাবে এনে বিপুল অৰ্থব্যয় অনাৱশ্যক।

এই সকলো বিতৰ্কৰ মুল নায়ক টাইটানিক কিন্তু আটলাণ্টিকৰ ৪০০০ মিটাৰ গভীৰত শুই আছে নীৰৱে। আত্মগৰ্বী টাইটানিকৰ বৰ্ত্তমান কাৰো প্ৰতি ভ্ৰূক্ষেপ নাই। ●

( অন্যান্য পাঠ্য পুথিৰ সহায়ৰ আলমত লৈ লিখা হৈছে :— লেখক )

* সত্য বিজ্ঞান ভিত্তীক ঘটনা

কোনোবাই যি কোনো বিষয়ত কিবা
ক'লে সেই বিষয়টো সম্পুৰ্ণকৈ জনা
উচিত ; তাৰ পাছত ভালকৈ চিন্তা
বিবেচনা কৰি তাৰ সত্যাসত্য নিৰ্ণয়
কৰা উচিত। — গীতা

# "সংযম আৰু সংগম"

মৃদুল শৰ্ম্মা

সংযম আৰু সংগম এই দুই প্ৰকাৰৰ কাৰ্য্যৱলীয়েই ব্যক্তিৰ জীৱনত প্ৰধান কৈ ক্ৰিয়া কৰে। আৰু এই দুই প্ৰকাৰৰ ক্ৰিয়াৰ কথাকলেহে এজন ব্যক্তিৰ সামূহিক জ্ঞান-ধাৰণা নিৰূপন কৰিব পাৰি। চমুকৈ এই দুটা ক্ৰিয়াৰ আলোচনা কৰা হৈছে।

সংযম হ'ল মানুহৰ জীৱনৰ মুল গতি আৰু চৰিত্ৰ গঠনৰ মূল উপাদান। প্ৰথম কথা হ'ল, চৰিত্ৰবান হবলৈ সংযমী হব লাগিব। আৰু এই ক্ষেত্ৰত সঙ্গৰ ভূমিকা উল্লেখ যোগ্য। অৱশ্যে এই উপাদানটো আমাৰ সমাজত প্ৰায় দুৰ্লভ। এই ক্ষেত্ৰত আপুনি বা মইও বাদ পৰা নাই। যিহেতু সংযম শব্দটো মানুহৰ জীৱনত প্ৰতি মুহূৰ্ত্তে কাষ চাপি আছে গতিকে সকলোৱে ইয়াক সুপৰিচালনা কৰাটো উচিত। মহাত্মা গান্ধীয়ে কৈছিল- সংযমহীন স্ত্ৰী-পুৰুষ নষ্ট হৈ গ'ল বুলি বুজিব লাগিব। ইন্দ্ৰিয়ক নিৰস্কুশ ভাৱে এৰি দিয়া সকলৰ জীৱন কৰ্ণধাৰ বিহীন নাৱৰ নিচিনা, আঘাট পালেই সি নিশ্চয় খণ্ড-বিখণ্ড হৈ যাব। সংযমহীন মনে আমাক সদায় অধঃপতনৰ পিনে টানি আমাক নিম্নগামী কৰে আৰু খণ্ড-বিখণ্ড কৰে। কিন্তু সংযমী মনে আমাক ৰক্ষা কৰে আৰু মুক্তিও দিয়ে। গতিকে আমি সঙ্গৰ এক স্পষ্ট অৰ্থ বাহিৰ কৰি সংযমক ব্যক্তিৰ আয়ত্বৰ ভিতৰত ৰাখিবৰ চেষ্টা কৰা উচিত।

সংগম হ'ল ব্যক্তিৰ জীৱনৰ আধ্যাত্মিক চেতনা। প্ৰথমে সঙ্গ আৰু কিছুক্ষেত্ৰত সংযম আৰু শেষত সংগম অৰ্থাৎ মিলনতেই ব্যক্তিৰ সৃষ্টি। সংগমৰ ফলশ্ৰুতিয়েই জীৱন আৰু জীৱন সৃষ্টি মানেই গতিপথ। এই গতিপ-থৰ কোনো শেষ নাই। জীৱন শব্দটো অৱতাৰণা কৰিলে সংগম শব্দটোক অৰ্থাৎ মিলনক সংযোগ নকৰিলে জীৱ-নৰ সৃষ্টি নাই আৰু ইয়াৰ অবিহনে জীৱন শব্দটোৰ কোনো অৰ্থ নাই। শাৰিৰীক, আধ্যাত্মিক মিলনতে জীৱ জগত আজি এই অৱস্থাত উপনিত হৈছে।

গতিকে এই দুই বিধ উপকৰণেই মানুহৰ জীৱনৰ এক অবিছেদ্য কাৰ্য্য প্ৰক্ৰিয়া। সঙ্গ আৰু সংযমক ব্যক্তিয়ে অস্বীকাৰ কৰিব নোৱাৰে। যদিও সঙ্গ আৰু সংগমৰ ফলশ্ৰুতিয়েই জীৱনৰ সৃষ্টি, তথাপি ইয়াতো সংযমৰ ধাৰণাটোৰ প্ৰয়োজন হয়। গতিকে প্ৰত্যেক ব্যক্তিয়েই এই দুই প্ৰকাৰৰ কাৰ্য্যবিধিৰ সু-দৃষ্টি অনু-সৰণ আৰু অনুধাৱন কৰি নিজৰ গতি পথত আগুৱাই যাবলৈ চেষ্টা কৰা উচিত। আৰু ভৱিষ্যৎ কৰ্ণধাৰ সক-লৰ বাবে এক নিৰ্দিষ্ট পথ দেখুৱাই তেখেত সকলৰ যাত্ৰাক বিঘিনি নোহোৱা কৰা টোৱেই আমাৰ কাম্য হব লাগে। ●



****



# দুটা জনপ্ৰিয় কলা কৌশল

## কেৰাটে আৰু কুংফু

শ্ৰীদিব্যজ্যোতি সন্দিকৈ
উঃ মাঃ প্ৰথম বছৰ ( বিজ্ঞান )

কুংফু আৰু কেৰাটে বুলিলেই আমাৰ মনলৈ আহে এজন ওখ, খীন চুপাৰষ্টাৰ অভিনেতাৰ। যাৰ নাম হৈছে ব্ৰুচলি। ব্ৰুচলিক কেৰাটে আৰু কুংফুৰ যাদুকৰ বুলি কোৱা হয়। এতিয়া কথা হ'ল এই কুংফু আৰু কাৰাটে যাৰ সহায়ত ব্ৰুচলিৰ নাম আজি মানুহৰ মুখে মুখে-ইয়াৰ জন্মভূমি কত ? আপুনি নিশ্চয় আচৰিত হব যদি কোৱা হয় ইয়াৰ জন্মভূমি ভাৰতবৰ্ষ। এৰা, এই কেৰাটেৰ প্ৰচলন ভাৰতত পঞ্চম খ্ৰীষ্টাব্দৰ পৰাই আছিল। আপুনি ভবাৰ দৰে ইয়াৰ জন্মভূমি চীনদেশ বা জাপান নহয়, যদিও আজিকালি কেৰাটে আৰু কুংফুৰ দেশ বুলিলে চীনদেশ আৰু জাপানৰ কথাহে মনলৈ আহে। অৱশ্যে ইয়াৰ বিকাশ তথা পূৰ্ণতালভাত এইকেইখন দেশৰ যথেষ্ট অৱদান আছে। আত্মৰক্ষাৰ এইবিধ কৌশল ভাৰতৰপৰা চীনদেশলৈ বৌদ্ধধৰ্মই লৈ যায়। চীনা বৌদ্ধভিক্ষুণীসকলৰ কেৰাটেৰ উন্নতি সাধনত যথেষ্ট অৰিহনা আছে। বৌদ্ধধৰ্মই তেওঁৰ বিহাৰত তেওঁৰ শিষ্যসকলক কৰ্মঠ তথা সুস্থ কৰি ৰাখিবলৈ ওঠৰ প্ৰকাৰৰ অংগ সঞ্চালন উদ্ভাবন কৰিছিল। তাৰপ্ৰায় ৬০ দশক পিছত তেওঁৰ শিষ্য এজনে তেওঁৰ এই বিষয়ে লিখা গ্ৰন্থ এখন পাইছিল। ইয়াৰ পাছত তেওঁ আৰু ২০ টা অংগ সঞ্চালন যোগ দিয়ে। কেইবছৰমানৰ পিছত তেওঁ আৰু কেইজনমানৰ লগত লগ হৈ তাৰ লগত আৰু এশ বত্ৰিচটা অংগ সঞ্চালন যোগ দি অংগ সঞ্চালনৰ সংখ্যা এশ সত্তৰলৈকে বঢ়াই। জাপানত 'চামুৰাই', কোৰিয়াত 'টামিকণ্ডন ড' আৰু 'হাপাকী ড' নামে আৰু কেইটামান যুদ্ধ কলা-কৌশলৰ কথা পোৱা যায়। এইবিলাক কেৰাটে আৰু কুংফুৰে ৰূপান্তৰ বুলি কব পৰা যায়।

কেৰাটোৰ অৰ্থ হৈছে শুদা হাতৰ কৌশল। আটাইতকৈ আচৰিত কথা হল, বজ্ৰমুষ্টিৰ লগত কেৰাটেৰ অদ্ভুত সাদৃশ্য। বজ্ৰমুষ্টি যোদ্ধাৰদৰে কেৰা-টেকায়ো শুদা হাতেৰে ইটা বা তক্তা ফালিব পাৰে। ( এণ্টাৰ ডা ড্ৰেগন'ত বৰৱালে একেলগে তিনিটা ইটা ভঙা দেখুৱাইছিল। ) কেৰাটেত বিশেষ পাৰদৰ্শিতা লভা লোকে মৰা একোটা আঘাটতে এজন মানুহক ত্ৰিছ চেকেণ্ডৰ ভিতৰত মাৰি পেলাব পাৰে। এই আঘাট ঘণ্টাত ১০০ কিল'মিটাৰ বেগত গৈ নিৰ্দিষ্ট স্থানত পৰে। প্ৰতি চেণ্টিমিটাৰত তেতিয়া ইয়াৰ ওজন ৭০০ কিল'গ্ৰাম। কেৰাটেকাই শত্ৰুক মৰাৰ আগতে এটা বিকত চিঞৰ মাৰে বিশেষজ্ঞসকলৰমতে ই কেৰাটেকাক সম্পূৰ্ণ মনোনিবেশ কৰাত সহায় কৰে। ইয়াক কিয়াই বোলে। ( আমাৰ মহাভাৰতত ভীমসেনে শত্ৰুক আক্ৰমণ কৰাৰ আগতে সিংহনাদ মৰাৰ কথা উল্লেখ আছে। ) জাপানৰ এজন কেৰাটেকাই 'কিয়াই' এনে বিশুদ্ধভাবে আয়ত্ব কৰিছিল যে তেওঁ চিঞৰ মাৰি গছৰ চৰাই মাৰি মাটিত পেলাই দিব পাৰিছিল। এতিয়া প্ৰশ্ন হ'ল — কেৰাটেকাই ইমান শক্তি পায় ক'ত ? বিশেষজ্ঞসকলৰ মতে হাতৰ বাউসী-

ৰপৰা আঙুলিলৈকে মাংসপেশীবোৰ সম্প্ৰসাৰণ আৰু সংকোচনে এই তীব্ৰ শক্তিৰ যোগান ধৰে। ১৯৫৩ চনত 'টাছ ওৱামাই' ৯৯° পাউণ্ডৰ ষাড় এটাৰ ডিঙিটো এটা কেৰাটেৰ আঘাটেৰে ছিঙি পেলাইছিল। কেৰাটেৰ পাৰ্গ-তালি ফিটা চায়ে কব পাৰি। ন-শিকাৰুৱে তথা ডিগ্ৰী-ধাৰী বিভাগৰ ন-শিকাৰুসকলে ক্ৰমে বগা আৰু মুগা ফিটা মাৰে। ডিগ্ৰীধাৰীয়ে ক'লা ফিটা ব্যৱহাৰ কৰে এডালৰ পৰা দহডাললৈকে। ব্ৰুচলিয়ে ছয়ডাল ক'লা ফিটা মৰাৰ অধিকাৰ পাইছিল।

বক্সিং, wrestling আৰু কুংফু ইমানেই জনমানসত সোমাই পৰিছে যে ইয়াক লৈ গানো ৰচিত হৈছে। আমেৰিকাৰ প্ৰসিদ্ধ গায়ক জনী ওৱাকলিনে গাইছে 'ব্লেক চুপাৰমেন' মহম্মদ আলীক লৈ। শ্ৰীলংকাৰ এজনে আকৌ গাইছে দাৰা সিঙক লৈ। আন এজন পপ গায়ক ডীন মাৰ্টিনে গাইছে "Everybody learns kungfu fighting"। ★

( বহুতো কিতাপৰ পৰা সহায়লৈ লিখা হৈছে )



যি মানুহে কোনো এটা কাম একনিষ্ঠতাৰে কৰে তেওঁ অবশেষত সকলো কাৰ্য্য কৰিব পৰা শক্তি আয়ত্ব কৰিব পাৰে। —মহাত্মা গান্ধী—



# থোৰতে পৃথিৱী, নেপচুন আৰু প্লুটো সম্পৰ্কীয় তথ্য ॥

শ্ৰীলক্ষী পাটৰ
উচ্চতৰ মাধ্যমিক
প্ৰথম বছৰ ( বিজ্ঞান শাখা )

পৃথিৱী

বিষুৱীয় ব্যাস : ১২,৭৫৬ কিলোমিটাৰ
মেৰুসংযোগী ব্যাস : ১২,৭১৪ কিলোমিটাৰ।
পৃষ্ঠকালি : $৫\cdot১ \times \frac{৮}{১০}$ বৰ্গ কিলোমিটাৰ।
আয়তন : $১\cdot০৮ \times \frac{৬}{১০}$ কিউবিক কিলোমিটাৰ।
গড়-ঘনত্ব : ৫·৫২ ( পানীৰ ঘনত্ব = ১ ধৰি )
ভৰ : $৫\cdot৯৮ \times \frac{২১}{১০}$ টন।
মাধ্যাকৰ্ষন : ৯৮১ ছেন্টিমিটাৰ / বৰ্গচেকেণ্ড।
সূৰ্য্যৰপৰা গড় দূৰত্ব : ১৪৯,৬০০,০০০ কিলোমিটাৰ।
গড় সৌৰদিন : ২৪ ঘণ্টা।
আহ্নিক গতিৰ কাল : ২৩ ঘ: ৫৬ মি: ৪ চে:
পৰিভ্ৰমন কাল : ৩৬৫ দি: ৬ ঘ: ৯ মি: ১০ চে:।
কক্ষপথৰ বেগ : ২৯·৮ কি: মি: / চেকেণ্ড।
বিমুৰ্ত্ত বেগ : ১১·২ কিলোমিটাৰ / চেকেণ্ড।
উপগ্ৰহ : ১ এটা ★

নেপচুন :

বিষুবীয় ব্যাস : ৫০,২০০ কি:মিটাৰ।
আয়তন : পৃথিৱীৰ আয়তনৰ ৪৪ গুণ।
গড়ঘনত্ব : ২·৩০ ( পানীৰ ঘনত্ব ১ ধৰি )।
ভৰ : পৃথিৱীৰ ভৰৰ ১৭·২ গুণ।
মধ্যাকৰ্ষন : পৃথিৱী মাধ্যাকৰ্ষনৰ ১·৪ গুণ।
সূৰ্য্যৰ পৰা গড় দূৰত্ব : ৪,৪৯৭,০০০,০০০ কি: মি:।
নিজ অক্ষত আৱৰ্তন কাল : ১৫ ঘ: ৪৮ মি:।
পৰিভ্ৰমন কাল : ১৬৪·৮ বছৰ।
কক্ষপথৰ বেগ : ৫·৪ কি: মি: / চেকেণ্ড।
বিমুক্ত বেগ : ২৫ কি: মি: / চেকেণ্ড
উপগ্ৰহ : ২ টা।

প্লুটো :

বিষুবীয় ব্যাস : ৬,৪০০ কি: মি:
ভৰ : পৃথিৱীৰ ভৰৰ ০·১৭ ভাগ।
সূৰ্য্যৰ পৰা গড় দূৰত্ব : ৫,৯০০,০০০,০০০ কি: মি:।
আৱৰ্ত্তন কাল : ১৫৩ ঘণ্টা।
পৰিভ্ৰমণ কাল : ২৪৭·৭ বছৰ।
কক্ষপথৰ বেগ : ৪·৭ কি: মি: / চে:।
উপগ্ৰহ : নাই। ●

## গল্পৰ চ'ৰাত :—

তুলসী উগাধ্যায়     ভৈৰৱ কুমাৰ শইকীয়া

নিৰুগমা কোঁৱৰ     বিভুতি দাস মজুমদাৰ     দুৰ্গেশ্বৰ গগৈ

সুভাস চন্দ্ৰ কাৰ্দ্দিং     লীলা মহন     দুলাল বৰা     ৰাতুল কুমাৰ মেচ

দেৱানন্দ গগৈ     গিনুমনি গগৈ     সঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা



## —ঃ পৰিণাম ঃ—

শ্ৰীতুলসী উপাধ্যায়
স্নাতক দ্বিতীয় বাৰ্ষিক ( কলা )

অৱশেষত যেতিয়া মোৰ চেতনা ঘুৰি আহিল, তেতিয়া মই চকুমেলি দেখো মোৰ চাৰিওফালে গাঁৱৰ মানুহে আগুৰি আছে। সেই পৰ্য্যন্ত মই চোতালতেই পৰি আছো। হঠাৎ মই চোতালৰ কাষত থকা সেই আম গছ জোপালৈ চাই হতভম্ব হ'লো। দেখিছোঁ অনুপমাৰ ওলমি থকা শটো পুলিচে নমাই আছে।

খন্তেকতে অনুৰ মৃত দেহ পুলিচৰ গাড়ীত তুলি পুলিচ মোৰ ফালে আগ বাঢ়ি আহিল। মই তেতিয়া মাটিতেই বহি আছো। মোৰ কাষলৈ আহি পুলিচৰ অফিচাৰ এজনে উচ্চ স্বৰত কৈ উঠিল "উঠা"। তাৰ পাছত চিপাহী বোৰৰ ফালে চাই আদেশৰ সুৰত ক'লে, কি চাই আছ ? সোনকালে ইয়াক হেণ্ডকাপ লগাই গাড়ীত লৈ ব'ল। আদেশৰ মতে কাম। তেতিয়াও মোৰ মুখৰ পৰা কোনো প্ৰতিবাদৰ বাক্য ওলোৱা নাই। মাথো অন্তৰত ভাবিছো অনুপমাৰ মৃত্যুৰ বাবেতো মই কোনো প্ৰকাৰৰ জগৰীয়া নহয়। অথচ মোৰ হাতত আজি হেণ্ডকাপ ???

ভাবিছিলো থানাৰ পৰা মোক এৰি দিব। কাৰণ তাত নিশ্চয় বুজি পাব যে অনুপমাৰ মৃত্যুৰ বাবে মই কোনো প্ৰকাৰৰ দায়ী নহয়। কিন্তু ...... কিন্তু ...... কিন্তু হৈয়েই থাকিল। সেই দিনাই সন্ধিয়া সময়ত কেই জন মান চিপাহী আহি মোক লৈ গ'ল কাৰাগাৰলৈ। কাৰাগাৰৰ লোহাৰ দুৱাৰ খুলি মোক ঠেলা মাৰি দিলে ভিতৰলৈ। আৰু লগে লগে দুৱাৰ খনত লাগিল এটা প্ৰকাণ্ড তলা। অনুপমাৰ মৃত্যুৰ কোনো কথাই মোক নুসুধিলে। আৰু এইটো মোৰ পৰা কোনেও জানিব নিবিছাৰিলে যে অনুৰ লগত মোৰ কেনে ধৰণৰ সম্বন্ধ আছিল ? মই কোনো কথাই কোৱাৰ সুবিধা নাপালো, যদিও পাইছিলো মোৰ মুখৰ পৰা কোনো কথাই ফুটি নুঠিল। ইতিমধ্যে মই জানিব পাৰিলো যে অনুপমাৰ শৰীৰত এখন চিঠি পোৱা গ'ল, যি খন চিঠিয়ে ( মিছা হলেও ) সত্য প্ৰমাণ কৰিলে যে তাইৰ মৃত্যুৰ বাবে সম্পূৰ্ণ দায়ী ময়েই। যিটো মই অনুৰ দ্বাৰা আশা কৰা নাছিলো। মই কেতিয়াও ভৱা নাছিলো যে অনুপমাই ইমান সহজে আত্মহত্যা কৰিব ; আৰু অন্য হাতে তাইৰ মৃত্যুৰ পাছতো মোক এটা দিঘলীয়া কষ্টত পেলাই থৈ যাব বুলি। তাই লিখা চিঠিখন এনে ধৰণৰ আছিল ...........

"মোৰ এই মৃত্যুৰ বাবে সম্পূৰ্ণ জগৰীয়া বিনোদ বৰুৱা। আজিৰ পৰা প্ৰায় চাৰি বছৰ পূৰ্বৰ পৰা বিনোদ বৰুৱাই মোক ভাল পাইছিল আৰু বিয়া কৰোৱাৰ কথা দিছিল। কিন্তু এতিয়া মোৰ বিয়া মা-দেউতাই আন এজন লৰাৰ লগত কৰাৰ সিদ্ধান্ত কৰাত তাৰ আগতে মোক বিয়া কৰাবলৈ বিনোদক ক'লো। কিন্তু বিনোদে তাৰ প্ৰতিবাদ কৰি ক'লে যে - "মই তোমাক বিয়া

নকৰাও” আৰু এইটোও কলে যে “তোমাক মই কেতিয়াও ভাল পোৱা নাছিলো আৰু বিয়াৰ বাবে কথাও দিয়া নাছিলো”। বিনোদ বৰুৱাই মোক কোনো প্ৰকাৰে আশ্ৰয় নিদি আমাৰ আগৰ কথাৰ বিৰোধিতা কৰাত মই চিপজৰী লৈ আত্মহত্যা কৰিবলৈ বাধ্য হলো। মই আশা কৰোঁ বিনোদ বৰুৱাই মোৰ মৃত্যুৰ সম্পূৰ্ণ দায়ী হোৱাৰ বাবে উচিত শাস্তি পাব লাগে।

ইতি
“অনুপমা”

তিৰোতা জাতিয়ে যে ইমান মিছা কথা কব পাৰে আৰু এনে সহজ আত্ম বলিদান দিব পাৰে বুলি মই কোনো দিনা কল্পনাও কৰা নাছিলোঁ।

এইবোৰ কথাৰ ওৰ বিচাৰি বিচাৰি আজি মোৰ সেই দিনটোলৈ মনত পৰিছে। সেয়া আছিল আজিৰ পৰা প্ৰায় চাৰি বছৰ পূৰ্বৰ কোনোবা এটা দিনৰ কথা। তেতিয়া মই বি, এ, ৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। এদিন কলেজত ক্লাচ কৰি ঘৰলৈ বুলি ওলাই আহিছোঁ। কলেজৰ গেটখন পাৰ হৈ অলপ আগলৈ গৈছোহে, এনেতে পিছ ফালৰ পৰা ভাহি আহিল এটি কোমল অথচ চিনাকি চিনাকি যেন লগা মাত, “অ,’ বিনোদ দাদা, ৰব চোন,” মাতটি শুনা মাত্ৰকে মই ৰৈ গ’লো। আৰু পিচলৈ ঘূৰি চাই দেখিলো আমাৰে ক্লাচৰে অনুপমা শইকীয়া মোৰ ফালে আগবাঢ়ি আহি আছে। ওচৰ আহি পোৱাত মই কলো”

— তুমিয়েই মাতিছিলা নেকি মোক ?”

— হয় ময়েই মাতিছিলো। তাই কোমল স্বৰত কলে। কিবা কাম আছিল নেকি ? মই প্ৰশ্নবোধক স্বৰত কলোঁ। · নাই, কামতো বিশেষ একো নাই। একে লগে যাওঁ বুলি ভাবি আপোনাক ৰখালো। তাৰ বাবে কিবা বেয়া পাইছে নেকি ? তাই কলে।

- ইয়াত বেয়া পাবলৈ কি আছে ? কিবা কাম আছিল নেকি বুলি হে সুধিছিলো। ব’লা যাওঁ তেন্তে। মই কলোঁ।

এইদৰে আমি দুয়ো আগবাঢ়ি গলোঁ। মাজে মাজে কলেজৰ পঢ়া শুনাৰ বিষয়ে আলোচনা চলিল। কলেজৰ পৰা আমাৰ ঘৰলৈ প্ৰায় দুই কিঃ মিঃ মান দূৰ আছিল। অনুপমাৰ ঘৰলৈ প্ৰায় আঢ়ৈ কিলোমিটাৰ মান আছিল। ৰাস্তা একেটা। এইদৰে গৈ থাকোতে হঠাতে তাই কলে “বিনোদ দাদা, কথা এটা কওঁ বুলি ভাবিছিলো, বেয়া পাব নেকি ?

তাই দাদা বুলি কোৱাত, মোৰ অন্তৰখন এক বেলেগ ভাৱত আনন্দিত হ’ল। কাৰণ মোৰ ভনী নাছিল। ভনী এজনীৰ আৱশ্যকতা মই বেচকৈ অনুভৱ কৰিছিলো। মনৰ আনন্দতে মই কৈ পেলালোঁ “কোৱা আকৌ কি কথা, বেয়া নোকিয় পাম ?”

মোৰ পৰা সহাৰি পাই তাই কওঁ নকওঁ কৈ কলে - “আপুনি মোক ভাল পায়নে ?” মই মনতে ভাবিলোঁ - মই ইমান দিনে যি বিচাৰিছিলোঁ সেয়া আজি বিনা কষ্টেই পাইছো। তাতোকৈ আৰু কিবা সুখৰ কথা হব পাৰেনে ? এই কথা ভাবি মোৰ হৃদয় উৎফুল্লিত হৈ উঠিল। আৰু মই তাইৰ কথাত সাদৰেৰে সহাৰি জনালো। এইদৰে আমাৰ দুয়োৰে দিন বোৰ বাগৰি গৈ থাকিল। কেতিয়াবা তাই আমাৰ ঘৰলৈ আহে আৰু কেতিয়াবা মইও তাইৰ ঘৰলৈ যাওঁ। ভনী হিচাবে তাইক মই যথেষ্ট ভাল পাইছিলো। আৰু তাৰ চিন হিচাবে মই মাজে মাজে তাইক বিভিন্ন বস্তু কিনি দিছিলো। সময়ৰ গতিত আমি দুয়োৱে এদিন বি, এ পাছ কৰিলো। এইদৰে আমাৰ কলেজীয়া শিক্ষাৰ সমাপ্তি হ’ল। বি, এ





পাছ কৰি মই এটা সৰু চাকৰিত ভৰ্তি হলোঁ। অনুপমা কিন্তু কোনো চাকৰিত ভৰ্তি নহল। কাৰণ অনুপমা এনেয়ে ধনী পৰিয়ালৰ ছোৱালী তাতে আকৌ তিৰোতা মানুহ, গতিকে চাকৰিৰ কোনো দৰ্কাৰেই নাই।

যোৱা কালি সন্ধিয়া সময়ত মই বাতৰি কাকত এখন চাই আছিলো। হঠাতে অনুপমা মোৰ ওচৰত আহি ওলাল। তাইৰ মুখ মণ্ডল দেখিয়েই কব পাৰি যে কিবা কাৰণত তাই হতাশ হৈ পৰিছে। “অনুপমা সন্ধিয়া সময়ত আহি ওলালা যে; কিবা হৈছে নেকি তোমাৰ ?” মই সুধিলো।

তাই কলে “কিবা হৈছে নেকি বুলিলে যে, কব নোৱাৰে নেকি আপুনি কি হৈছে !

— ওহোঁ, মই একো নাজানো দেখোন ? কি হৈছে কোৱা চোন ?

মই কলোঁ।

— মা, দেউতাই ডাঃ জিঃ কেঃ গগৈৰ লগত মোৰ বিয়াৰ ঠিক কৰিছে। অনুপমাই এক প্ৰকাৰৰ খঙৰ সুৰত কলে।

— ভাল কথা দেখোন ... ... ...

— ভাল কথা ? তাই আচৰিত ভাৱ দেখুৱাই কলে।

— তোমাৰ বিয়া ডাঃ জিঃ কেঃ গগৈৰ দৰে এজন ভদ্ৰ মানুহৰ লগত হব যেতিয়া তাতকৈ সুখৰ কথা কি হব পাৰে ? মই কলো।

— আপুনি কি কব বিচাৰিছে বিনোদ দা ? আপুনি মোক বিয়া নকৰাই নেকি ? “তাই খঙৰ ভাৱ দেখুৱাই কৈ উঠিল। অনুপমাৰ কথাত মই আচৰিত হৈ কলো - তুমি কি কৈছা অনু ? মই তোমাক বিয়া কৰাম ? তোমাৰ মগজে ঠিক - ঠাকে কাম কৰি আছেতো ?

— “মগজ আপোনাৰ ভালে আছে নে নাই ? আপোনাৰ আৰু মোৰ তেতিয়াৰ কথা মনত আছেনে নাই ? আপুনি মোক ভাল পাওঁ বুলি কোৱা ! যিটো কথাৰ বাবে মই ইমান দিনে ৰৈ আছো। আৰু আজি এই বোৰ কি কৈছে ?” তাই কলে।

— তোমাক মই ভনী হিচাবে হে ভাল পাওঁ বুলি কৈছিলো। আৰু ভনী হিচাবেই তোমাক ইমান দিনে ব্যৱহাৰ কৰি আহিছো। কিন্তু তুমি আজি কি আচৰিত কথা বোৰ কৈছা ? ভাল পাওঁ বুলি কোৱা সকলোকে বিয়া কৰাব লাগে নেকি ? মই তোমাক যেনেকৈ ভনী বুলি ভাল পাওঁ আন বহুতক ভনী, বাইদেউ, লগৰীয়া, বান্ধবী ইত্যাদি হিচাবে ভাল পাওঁ; তেন্তে মই সেই সকলো বোৰকে বিয়া কৰাৰ লাগে নেকি ? তুমি ভুল বুজিছা অনু, তোমাক মা দেউতাই ভাল মানুহৰ লগত বিয়া দিব লৈছে। তুমি তেওঁৰ লগত বিয়া হৈ সুখৰ সংসাৰ গঢ়ি তোলা। ককাইদেউ হিচাবে তোমাক মই আশীৰ্ব্বাদ কৰিছো।

মই অনেক প্ৰকাৰে তাইক বুজাবলৈ চেষ্টা কৰিলো। কিন্তু মই কোনো প্ৰকাৰে তাইক মান্তি কৰিব নোৱাৰিলো। শেষত মই তাইৰ কথাত মান্তি নোহোৱা দেখি তাই খঙত দপ্‌দপাই ওলাই গ’ল।

এই কথা চিন্তা কৰি গোটেই ৰাতি মোৰ টোপনি নাহিল। আৰু পিছ দিনা পুৱাতে উঠি দুৱাৰ খন খুলি বাহিৰলৈ ওলায়েই দেখা পালো সন্মুখৰ আম গছত ওলমি থকা অ-নুৰ সেই মৃত দেহ .........।

এয়া মোৰ পৰিণাম। এজনী ছোৱালীক ভনীৰ মৰ্য্যদা দিয়াৰ পৰিণাম ......॥ ভনী হিচাবে ভাল পাওঁ বোলাৰ প ...... ৰি ...... ণা ...... ম ...... ॥।

# "অভাগিনী"

শ্ৰীভৈৰৱ কুমাৰ শইকীয়া
দ্বিতীয় বাৰ্ষিক ( কলা বিভাগ )
( উচ্চতৰ মাধ্যমিক )

চকুকেইটা মোহাৰি তাই খিড়িকীৰ ডাঠ পৰ্দাখন গুচাই দিলে। তেতিয়াও দূৰৈৰ মাইজান চাহ বাগিচাৰ লাইটবিলাক ফেক্টৰিত জ্বলি আছিল। তাইৰ আজি মনটো বৰ ভাল লগা নাই। ৰাতি এটা বেয়া সপোন দেখিছিল তাই। ইফালে, মাধুৰীৰ মাকক কালি তাই বহুত কিবা-কিবি ভালে বেয়াই কলে। গতিকে লাজে, অপমানে তাই বাৰুকৈয়ে জৰ্জৰিত। অনামিকাৰ নিজকে বৰ অপৰাধ অপৰাধ লাগিল। নাই নাই মাধুৰিমাৰ ওচৰত ক্ষমা খুজিবই লাগিব। আজি বন্ধৰ দিন, মাধু অফিছলৈ নাযায়। তাইক আজিয়ে লগ কৰিব পৰা যাব। লৰা লৰিকৈ শুই থকা কেচুৱাটোৰ গালৈ অনামিকাই কাপোৰ খন টানি দিলে আৰু বিছনাৰ পৰা নামি আহিল। গাটো বৰ দুৰ্ব্বল অনুভৱ কৰিলে অনামিকাই

স্বামীৰ গুৰুতৰ দুৰ্ঘটনাত মৃত্যু হোৱাৰ পাছত অনামিকাই মানসিক ভাৰসাম্য বহুখিনি হেৰুৱাই পেলাইছিল। অনামিকাৰ স্বামী অজয় চেতিয়া আছিল সেই মাইজান ছাহ বাগিছাত এচিষ্টেণ্ট মেনেজাৰ। অজয় এটা মটৰ দুৰ্ঘটনাত আজিৰ পৰা প্ৰায় ছমাহমানৰ আগতে এই সংসাৰ ত্যাগ কৰিছিল। তেওঁ এৰিথৈ গৈছিল এটি তিনিমহীয়া কেচুৱা আৰু বিবাহিতা পত্নী শ্ৰীমতী অনামিকা চেতীয়াক।

অনামিকা চেতীয়া বৰ্ত্তমান ষ্টেট বেংকৰ কেছিয়াৰ। তেওঁৰ এই বিশাল ঘৰটোত মাত্ৰ এটা লগুৱা, কেচুৱাটো, আৰু তাই নিজে, এই তিনিটি প্ৰাণীয়ে বাস কৰে। অনামিকাৰ ঘৰ গুৱাহাটিত। মাক বাপেকৰ মাথো এটিয়ে সন্তান। ঘৰত বহু মাটি সম্পত্তিৰে ভৰা এটি সুখী পৰিয়াল। মাক দেউতাক বৰ্ত্তমান নাই; আজি চাৰিবছৰৰ আগতে মাক বাপেকৰ মৃত্যু হৈছে। বাপেকৰ মৃত্যুৰ দুখ সহ্য কৰিব নোৱাৰি মাকেও হৃদপিণ্ডৰ অসুখত মৃত্যু মুখত পৰে। সকলো সা সম্পত্তি বৰ্ত্তমান অনামিকাৰ নামত। আনকালে শাহুৱেকৰ ঘৰৰ সেই একে অৱস্থা। অনামিকাৰ একোৰে অভাৱ নাই।

— ধনেশ্বৰ
— গৈছো আইদেউ।
— সকলো কাম কৰা হলনে ?
— হল আইদেউ।
— মই অলপ মাধুৰিমাৰ ঘৰৰ পৰা আহোঁ।
এতিয়া ৭ বাজিছে, তই কোনোবা আহিলে কবি মই ঘৰত নাই বুলি। বুজিলি।
মই ১০ বজাৰ আগতে পামহি।
— ভাল আইদেউ।

অনামিকাৰ বগা মাৰুতীকাৰ খন শান্ত গতিৰে আগ বাঢ়িল। চাৰিও ফালে এটা কি মধুৰ পৰিবেশ। শৰতৰ ডাঠ কুঁৱলী তেতিয়াও ভালকৈ আতঁৰা নাই। ৰাস্তাৰ দুয়োকাষে ওখ ওখ গছ লতাৰে ভৰা। বিভিন্ন চৰাই চিৰিকতিৰ গুৱলা মাতে পৰিবেশটো আৰু সুন্দৰ কৰি তুলিছে। পুৱাৰ সূৰুযৰ সোণালী কিৰন লাগি গছৰ





পাতৰ আগত লাগি থকা নিয়ঁৰৰ টোপাল বিলাক তিৰ বিৰাই উঠিছে। এই প্ৰাকৃতিক ৰাজ্যখন সচাঁই মোহনীয়।

ইতিমধ্যে অনামিকাৰ গাড়ীয়ে গন্তব্য স্থান পালে। অনামিকাই লাহেকৈ দৰজাখন খুলি বাহিৰলৈ ওলাল আৰু শান্তমনে আগ বাঢ়িল বাৰাণ্ডা খনলৈ। বাৰাণ্ডাত লাগি থকা কলিং বেলটোত লাহেকৈ টেপি দিলে। ভিতৰ ফালে এটা শব্দ হল। ক্ষন্তেক পাছতে অনামিকাই দৰজা খুলাৰ শব্দ শুনিবলৈ পালে। অ হয় সেয়া মাধুৰিমাই ওলায় আহিছে। আউল - বাউল চুলি কুছা মেলি। মাধুৰিমাই অনামিকাক দেখি আচৰিত হল। যিহেতু ইমান ৰাতিপুৱা অহাৰ বাবে। মাধুৰিমাই লাহেকৈ কলে ইমান ৰাতিপুৱাই, একো অঘটন ঘটা নাইটো।
নাই, নাই, মাধু একো হোৱা নাই। মোক এটা বস্তু লাগে মাধু। মোক ক্ষমা লাগে মাধু ক্ষমা কৰ মাধু মোক তই ক্ষমা কৰ। মোৰ কি হৈছে মই নিজে কব নোৱাৰো। মই পাগল হৈ যাম মাধু। মই পাগল হৈ যাম।

মাধুৰিমাই একো মাতিব নোৱাৰিলে। তাই লাহেকৈ অনামিকাৰ হাত দুখনত ধৰি উচুপি উঠিল। তই এই বোৰ কি কৈছ অনামিকা। তই একো ভূল কৰা নাই। মই তোৰ লগত সদায় আছো আৰু থাকিম। মই মই কথা দিছো। চাওঁ কেচুঁৱাটো দে। তই বৰ দুৰ্বল হৈ গৈছ। তোৰ খোৱা বোৱা ঠিক নোহোৱা বাবে এনে হৈছে। চব ঠিক হৈ যাব।

( মাধুৰিমা অনামিকাৰ এক মাত্ৰ বান্ধবী ) তাই বৰ্ত্তমান অসম মেডিকেল হাস্পতালৰ এগৰাকী Psychology বিভাগৰ ডক্তৰ। ঘৰত বৃদ্ধা মাকৰ বাহিৰে আন কোনো নাই। মাধুৰিমা অবিবাহিতা।

বাৰু থ এই বিলাক থ'। মই কাইলৈ গুৱাহাটীলৈ যাম। অলপ কাম আছে। তই অলপ বহ মই চাহ আনো।

কি আচৰিত এই মাধুৰিমা জনি। একেবাৰে সৰু ছোৱালীৰ দৰে। অনামিকাই নিজকে কলে।

দুয়ো চাহ খাই থাকোতে এটা নিৰৱতাই বিৰাজ কৰিলে। এনেতে সেই নিৰৱতা ভংগ কৰি অনামিকাই কলে। তই তোৰ বিয়াৰ কিবা বন্দবস্ত কৰিছ নেকি" ? থ বাদ দে বিয়াৰ কথা আজিলৈকে এজন আদৰ্শ পুৰুষ মই মোৰ চকুত বিচাৰি পোৱা নাই সকলো কাপুৰুষ বুজিছ। টকাৰ বাহিৰে আন একো চিনি নাপায়। গতিকে, চিন্তা কৰি লাভ নাই। মোক এটা স্বাধীন পৰিবেশ লাগে গতিকে মই বৰ্ত্তমান স্বাধীন। চাকৰি কৰিছো। মা আৰু মই সুখেৰে আছো তাতকৈ আৰু মই একো নিবিচাৰো আৰু নালাগেও। কিবা এটা কম বুলি কৈও অনামিকাই ৰৈ গল একো কোৱাৰ প্ৰয়োজন বুধ নকৰিলে অনামিকাই।

বাৰু, বহু সময় হল বুজিছা মই ওঠো তই কাইলৈ গুৱাহাটীলৈ গৈ কেতিয়া ঘূৰিবি ? মই তাত "এসপ্তাহ" মান থাকিম। তোলৈ এটা ধুনীয়া প্ৰাইজ আনিম বুজিলি আৰু প্ৰাইজৰ কাৰণ মই তোক আহি কম। o.k
— বাৰু মাধু মই আহিলো। Bye
— Bye। নিজৰ স্বাস্থ্যৰ প্ৰতি চকু ৰাখিবি।
মই কোৱা মতে কাম কৰিবি ;

অনামিকাই গাড়ী তীব্ৰ বেগে চলাই আহি আছে, অনতি দূৰত এখন ঠেলা বাওঁ ফালে অৰ্থাৎ অনামিকাৰ কাষৰ ফালে আৰু তাৰ বহু দূৰত এখন তীব্ৰবেগী মাল বাহী ট্ৰাক বিপৰীত ফালৰ পৰা আহি আছে। অনামিকাই বহু কথাই ভাবি আহিছে এনেতে তাইৰ আগৰ

মগজুৰ সেই খেলিমেলি আৰম্ভ হল। ঠেলাখন অতিক্ৰম কৰি চলি যাওঁতে বিপৰীত মুখি ট্ৰাকখন আহি সন্মুখত উপস্থিত হল। তেতিয়ালৈকে অনামিকাই একো কব নোৱাৰে, কেচুৱাটোৰ মাতত তাইৰ তন্দ্ৰা ভাগিল। তেতিয়া কিন্তু বহু দেৰি হৈ গ'ল। হঠাতে এটা প্ৰচণ্ড শব্দ হ'ল। অনামিকাৰ কেচুৱাটোৱে থিতাতে প্ৰাণ হেৰুৱালে আৰু অনামিকাই মৃৰত বেয়াকৈ আঘাত পায় সংজ্ঞাহীন হৈ পৰিল।

ডাক্তৰৰ উপযুক্ত চিকিৎসাত অনামিকাই আঠদিনৰ মূৰত সুস্থ হৈ উঠিল কিন্তু তেওঁ মানসিক ভাৰসাম্য একেবাৰে হেৰুৱাই পেলালে। অনামিকাক ঘৰলৈ অনা হ'ল।

সেই দিনা আছিল দেওবাৰ। মাধুৰিমাই আগৰ দিনাৰ দৰে সেই দিনাও অনামিকাৰ ঘৰলৈ গৈছিল। কিন্তু কাৰো মাত নাপায় জোৰেৰে মাধুৰিমাই দৰজাত হেচাঁ দিলে। লগে লগে দৰজাখন খোল খালে। এটা অদ্ভুত দৃশ্য দেখি মাধুৰিমাই চিঞৰি উঠিল। ওচৰৰ মানুহ আহি গোট খালে। অনামিকাই চিলিং ফেনত নিজৰ চাদৰেৰে আত্মহত্যা কৰিলে। হঠাৎ মাধুৰিমাই তলত এটুকুৰা কাগজ দেখি হাতত বুটলি ললে। তাত বিশেষ একো নাছিল, কেৱল কেইটামান শব্দ লিখা আছিল। "মাধু, বিদায়। মোৰ এই জীৱনত একো জিয়াই থকাৰ অনুভৱ নকৰিলো। মই বৰ্ত্তমান মুক্ত। তোক বহু কষ্ট দিলো। শেষত, তই যাতে মোক পুনৰ বাৰ ক্ষমা কৰ তাৰ বাবে মই তোৰ ওচৰত ক্ষমা ভিক্ষা খুজিছো। আগন্তুক জীৱনটো তোৰ বাবে সুখৰ হওক, মধুৰ হওক, এয়ে কামনা। বিদায়"।

ইতি

তোৰ অভাগি বান্ধৱী

অনামিকা চেতীয়া

মাধুৰিমাই কান্দি কান্দি ভাগৰি পৰিল। এই জীৱনটো সঁচাই বৰ অদ্ভুত। ★

✻✻✻✻

মৃত্যু বোলা কথাটো জীৱৰ হিতৰ কাৰণে
হোৱা এটা ব্যৱস্থা মাথোন। এনে মৃত্যুত
দুখ কৰা বা শোক কৰা উচিত নহয়।
জীৱৰ মৃত্যু দেখি পৰিতাপ কৰাৰ একো
কাৰণ নাই। জীৱিত সকলৰ কাৰণেহে
দুখ বেজাৰ কৰিব লাগে

—মহাভাৰত—



## "অচিনাকি"

নিৰুপমা কোঁৱৰ
২য় বাৰ্ষিক স্নাতক

নিশা তেতিয়া কিমান বাজিছে সঠিক কোৱা টান। কিন্তু ১২ ৰ যে ওচৰ হৈছে সেইটো নিশ্চিত। বাহিৰত নেবানেপেৰা বৰষুণ। কৃষ্ণ পক্ষৰ নিশা। তাতে আকাশ মেঘাচ্ছন্ন, ঘোৰ অন্ধকাৰে পৃথিৱীক গ্ৰাস কৰি পেলাইছে। বৰষুণ পৰাৰ বাহিৰে আন শব্দ নাই। হঠাৎ কিয় জানো সাৰ পাই গলো। ভয় খালো নেকি ? অলপ সময়ৰ পিছত সপোনটোৰ কথা মনলৈ আহিল। লৰাটো বেচ ধুনীয়া। নাম শ্ৰীপঙ্কজ শইকীয়া। কিন্তু কিয় মই তাক সপোনত দেখিলো ? অসুখ বেছি হৈছে নেকি ? মই ৱাৰ্ডৰ পৰা অহাৰ সময়ত সিটো ভাল অৱস্থাতে আহিছিল। কালি পুৱা দহ বজাত ভৰ্ত্তি হৈছে। ভৰ্ত্তিৰ সময়ত অৱস্থা খুউব বেয়া আছিল যদিও, পিছলৈ অলপ ভাল অৱস্থালৈ আহিছিল। আকৌ যদি বেছি হৈছে ? নাই ! নাই ! হব নোৱাৰে। আজি কিয় বাৰু duty লৈ নগলো। বিশেষ কাম দেখোন একো নাছিল।

পঙ্কজ ! তুমি ভাল হৈ উঠিবা। পঙ্কজ ! পঙ্কজ !! পঙ্কজ !!! সহস্ৰবাৰ একেটা শব্দই মনলৈ আহিছে। পঙ্কজৰ ঘৰ বাৰু কত ? তাৰ লগত কোন আহিছে ? সেইয়া লগত থকা গৰাকী মাক চাগৈ ? কিয় মই সুসুধিলো। সোধা হলে ভাল আছিল। অন্ততঃ Register বহীখন চোৱা হলেও ...... । Incharge বাইদেউক register কৰিবলৈ নিদি মই কিয় নকৰিলো ? কিয় তাৰ প্ৰতি মোৰ ইমান কৌতুহল ? ইমান আকৰ্ষণ কিয় ? লৰাটো বৰ মৰম লগা। ১৪ - ১৫ বছৰীয়া সুঠাম দেহৰ সৈতে মিঠা বৰণীয়া, গাম্ভীৰ্য্যপূৰ্ণ, নিৰ্জু প্ৰকৃতিৰ, দেখিলেই মৰম লগা। শৰীৰৰ অসুস্থতাৰ বাবেই হয়তো তাৰ মুখখন, হাত - ভৰি অলপ শেতা পৰিছে।

আজি তেৰ বছৰে চিকিৎসা মহাবিদ্যালয়ত বহুত ৰোগীক লগ পাইছো, বহুতকে শুশ্ৰূষা কৰি আৰোগ্য কৰিছো, আনহাতে বহুতক ৰোগৰ পৰা আৰোগ্য কৰিব নোৱাৰি মৃত্যুৰ মুখলৈকো ঠেলি দিছো। কিন্তু পঙ্কজৰ দৰে কোনো এজন ৰোগীয়েও মোৰ মন এনেকৈ আকৰ্ষণ কৰা নাই। কোনোৱে মোৰ ভাৱনাক এনেকৈ জাগ্ৰত কৰি তোলা নাই। ভালকৈ পৰিচয় লবলৈ মোৰ সময় নহল। তাৰোপৰি তাৰ Serious অৱস্থাটো দেখি এই বোৰ চিন্তা কৰিবলৈ পাহৰি গলো। আৰু লাগেইবা কিয় ? ৰোগৰ যেতিয়া পৰিচয় পাইছো, শুশ্ৰূষাৰহে বেছি প্ৰয়োজন। তেন্তে মোৰ কি হৈছে ? এতিয়াও বহুত ৰোগী আছে - বাকীবোৰ মনলৈ অহা নাই কিয় ?

হঠাৎ খিৰিকিৰ কাষৰ নাহৰ জোপাত কুলিৰ কুউ কুউ মাতত মোৰ তন্দ্ৰা ভাগিল। বাহিৰলৈ চালো। পোহৰ হল। পঙ্কজৰ কথা ভাবি থাকোতে ৰাতি পুৱাল। বিছনাৰ পৰা উঠি নিজৰ দৈনিক কৰ্তব্য অনুসৰি কামবোৰ কৰি গলো। সময় হোৱাত ৱাৰ্ড পালোগৈ। Record book মেলি চালো। সকলো ৰোগী ঠিকেই আছে। অলপ সময়ৰ পিছত দেখিলো পঙ্কজ বাথৰুমৰ পৰা ওলায় আহিছে। কি খবৰ ? ভাল পাইছানে পঙ্কজ ?

পাইছো sister ! ৱাৰ্ডৰ সকলোকে চাই কেবিনত সোমালো। ভণ্টীহঁতে দৈনিক কামবোৰ কৰি গৈছে। অলপ সময় বহিলো। কোনো প্ৰয়োজন নাছিল যদিও মোৰ দুৰ্ব্বলতাক সংযত কৰিব নোৱাৰিয়ে পঙ্কজৰ ওচৰলৈ গলো। সি তেতিয়া বিচনাত। হাত মুখ ধুই বহি আছে। জ্বৰ আছে নেকি কপালত হাত দি চালো। নাই, ঠিকেই আছে। ঘৰ ক'ত, সুধিলো, কলে, যোৰহাটত। লগত কোন আহিছে সুধিলো, বৰমাক আহিছে। ঘৰ যোৰহাটত যদিও বৰ্ত্তমান নামৰূপত থাকে, দেউতাক আৰু বৰমাকৰ লগত মাকৰ কথা সোধা নহল। বিশেষ জানিবলৈ নুখুজি, ঔষধবোৰ নিয়মমতে খাবলৈ কৈ তাৰ ওচৰৰ পৰা আতৰি আহিলো। ৱাৰ্ডৰ দুই এজন ৰোগীৰ খবৰো ললো। পঙ্কজৰ পৰিচয় লৈ মনটো অস্থিৰ হৈ পৰিল। সংযত কৰি ৰাখিলো যদিও তাত থিৰেৰে থাকিব নোৱাৰিলো। হঠাৎ কেবিনলৈ সোমায় আহি চকীত বহি পৰিলো। বিশেষ কাম আছে যদিও কৰা নাই। তেনেতে শুনিলো বৰমাকে ৰিঞ্জু ৰিঞ্জু বুলি মাতিছে। তাৰ পাছৰখিনি শুনাৰ ধৈৰ্য্য মোৰ নহল। আগতে সংযত কৰা মোৰ মনটো পুনৰ অস্থিৰ হৈ পৰিল। অতীতৰ কৰুণ প্ৰতিচ্ছবিখন মানস পটত ভাহি উঠিল। হঠাৎ register book মেলি চালো। দেখিলো C/o. "বিজন শইকীয়া"। ধৈৰ্য্য হেৰাই গল। কব নোৱাৰাকৈয়ে কথাবোৰ মনত পৰিল।

বহুদিনৰ আগৰ কথা। তেতিয়া মই প্ৰৱেশিকাত উত্তীৰ্ণ হৈ গোলাঘাট দেৱৰাজ ৰয় কলেজত নাম ভৰ্ত্তি কৰিছো প্ৰাক্‌বিশ্ববিদ্যালয়ৰ ১ ম বাৰ্ষিকত, কলা বিভাগত। মোৰ নাম "সপ্তালী বড়া।" মোৰ ঘৰ কলেজৰ ওচৰৰে ঠাই মিচনপটিত। গতিকে মই কলেজলৈ খোজকাঢ়ি অহা যোৱা কৰিয়ে শ্ৰেণীসমূহ কৰো। সদায় অকলে অহা যোৱা কৰো। খুব কম কথা কওঁ। প্ৰয়োজনতকৈ বেছি কথা কোৱাৰ অভ্যাস মোৰ তেতিয়া নাছিল। অৱশ্যে বন্ধু বান্ধৱীৰ সংখ্যাও কম নহয়। বিচৰামতে সকলোকে পাইছিলো। বৰ বেছি পাৰ্গত নহলেও আধুনিক গীত আৰু বনগীত মাজে সময়ে গাওঁ। প্ৰতিযোগিতাত সহযোগ কৰো। সেইবছৰৰ মহাবিদ্যালয়ৰ সপ্তাহ জোৰা কাৰ্য্যসূচীৰে "মহাবিদ্যালয় সপ্তাহ" আয়োজন কৰা হৈছিল। আধুনিক তথা বনগীতৰ প্ৰতিযোগী হিচাবে মইও তাত সহযোগ কৰিছিলো। মোৰ দৰে বহুতো প্ৰতিযোগীয়ে তাত সহযোগ কৰি 'মহাবিদ্যালয় সপ্তাহ' সাফল্যমণ্ডিত কৰি তুলিছিল। তাৰে এজন প্ৰতিযোগী বিজন শইকীয়াৰ লগত মোৰ পৰিচয় হৈছিল। বিজন শইকীয়া স্নাতক মহলাৰ কলা বিভাগৰ, Final year ৰ ছাত্ৰ। দিনবোৰ যোৱাৰ লগে লগে বিজনৰ লগতো মোৰ সম্পৰ্কটো গাঢ় হৈ উঠিছিল। দৃষ্টি গোচৰ হোৱাৰ লগে লগে কি খবৰ ? class হৈছে ? আহিলে ? এনে কিছুমান শব্দ প্ৰয়োগ কৰি ভদ্ৰতাৰ খাতিৰতে মাতো। একে বিভাগৰ ওপৰ মহলাৰ ছাত্ৰ হিচাবে মই যথেষ্ট সন্মান কৰিছিলো। সেই সন্মানত মোৰ এটা স্বাৰ্থ জড়িত হৈ আছিল। সেইটো হল কেনেকৈ পঢ়িব লাগিব আদৰ্শ লোৱা, কিছুমান বিষয়ৰ টোকা লোৱা ইত্যাদি।

বিজন শইকীয়া কৃষি বিষয়া জয়ন্ত শইকীয়াৰ ২ য় তথা সৰু পুত্ৰ। কথা বতৰাত সৰলতা, দেখাত গম্ভীৰ্য্যপূৰ্ণ, অৰ্থনীতিত major থকা ছাত্ৰ। ঘৰ যোৰহাটত। কলেজৰ ছাত্ৰাবাসত থাকে। ঘৰৰ একমাত্ৰ সৰু পুত্ৰ হিচাবে অজস্ৰ মৰম পোৱাৰ লগতে বিচৰামতে ধন সম্পতি, মান - সন্মান আদি সকলো পাইছিল। যোৰহাট চহৰৰ সকলো মানুহেই জয়ন্ত শইকীয়াক চিনি পায়। কৃষি বিষয়া হিচাবে সন্মানো কৰে। দেউতাকৰ পৰা বিজন হঁতেও মান মৰ্য্যাদা, সন্মান পোৱাৰ উপৰিও সকলোৰে পৰা মৰমো পাইছিল। বিজনৰ ককায়েক মাদ্ৰাজত থাকে। ইঞ্জিনিয়াৰিং পঢ়ি আছে। ককায়েকৰ





সৈতে সমানে খোজ মিলাব পৰা নাছিল যদিও বিজনে, মাক দেউতাকে বিচৰামতে পাৰদৰ্শিতা দেখুৱাইছিল। সেইবাৰো First class পাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। লগসঙ্গৰ পৰা প্ৰায়ে আঁতৰি ফুৰিছিল। খেলা ধূলাতো যথেষ্ট আগৰঢ়া আছিল। প্ৰায়বোৰ খেলেই খেলিছিল। সময়ত আমাৰ দুয়োটাৰে পৰীক্ষা হৈ গৈছিল। দুয়োজনে সুখ্যাতিৰে পৰীক্ষাত উত্তীৰ্ণ হৈছিলো। বিজনে আশা কৰামতে 1st class পালে। মইও বিজনৰ অনুপ্ৰেৰণা, সহায়, সহযোগ, উৎসাহতে প্ৰথম বিভাগতে উত্তীৰ্ণ হলো। অৱশ্যে মোৰ final পৰীক্ষা তেতিয়াও আগত আছিল। 2nd year শ্ৰেণীসমূহ মই নিয়মীয়াকৈ কৰিছিলো। বিজনে সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল যদিও কোনো বিশ্ববিদ্যালয়ত নাম ভৰ্ত্তি নকৰিলে। মাক, দেউতাক, ককায়েকে জোৰ কৰিও বিশ্ববিদ্যালয়ত নাম ভৰ্ত্তি কৰোৱাব নোৱাৰিলে। মইও চেষ্টা কৰিলো। কিন্তু মোৰ চেষ্টাও বিফল হল। ছাত্ৰাবাসৰ পৰা ওলোৱাৰ পিছত বিজনে মিছনপটিতে এটা ঘৰ ভাড়া কৰি থাকে। মাহটোত এদিনো নাযায় ঘৰলৈ। বিজনৰ এনে কাৰ্যকলাপত মাক দেউতাক আৰু ককায়েক অসন্তুষ্ট হৈছিল। মাদ্ৰাজৰ পৰা ককায়েকে এনে কাম নকৰিবলৈ প্ৰায়ে লিখিছিল। কিন্তু বিজনৰ মনৰ গতিক কোনেও বাধা দিব পৰা নাছিল। বেয়া গুণবোৰ ওলাই পৰিলেও নিজৰ সন্তানক মাক দেউতাকে বেয়া বুলি কব নোৱাৰে। এৰি দিয়াও সম্ভৱ নহয়। গতিকে প্ৰয়োজন মতেই টকা পইচা পঠাব লগীয়া হৈছিল। বিজনেও ইচ্ছামতেই টকা পইচা খৰচ কৰিছিল। টকা পইচা পঠালেও মাক দেউতাকৰ মন অশান্তিৰে ভৰি পৰিছিল। পুত্ৰ স্নেহত অন্ধ হৈ সকলো অশান্তিকে সহ্য কৰিবলৈ মান্তি হৈছিল।

আমাৰ সম্পৰ্কৰ মাজত অৱশ্যে কোনো বাধা পৰা নাছিল। মুক্তভাৱে আমি আমাৰ সকলো কাম কৰি গৈছিলো। সেয়েহে কেতিয়াবা ভাবো বিজনে বিশ্ববিদ্যালয়ত নাম ভৰ্ত্তি নকৰাৰ একমাত্ৰ প্ৰতিবন্ধক ময়ে নেকি ? মহাৰিদ্যালয়ৰ পৰা বিদায় ললেও বিজনে শ্ৰেণী থকা দিনকেইটাত প্ৰায়ে উপস্থিত আছিল। তেনেকৈ বিজনে মোৰ লগত থাকিয়ে মহাবিদ্যালয়ৰ তথা বাকী সকলো অনুষ্ঠানেই উপভোগ কৰিছিল। বিজনে কি হিচাবে মোক গ্ৰহণ কৰিছিল মই নাজানো কিন্তু মই তাক দাদা হিচাবে ভাল পাইছিলো; ভণ্টীৰ দৰেই বহুত কিছুমান অনুৰুধ কৰিছিলো। কিছুমান মানি লৈছিল আৰু কিছুমান মানি লোৱা নাছিল। বিজনৰ লগত পৰিচয় হোৱাৰ পিচত প্ৰথম নতুন বছৰৰ ১ জানুৱাৰীটো পাইছিলো। নতুন বছৰক আদৰিবলৈ সকলোৱে নানা পৰিকল্পনা তথা আয়োজন কৰিছিল। মোৰ বান্ধৱীসকলেও তাত সহযোগ কৰিছিল। মোৰো দুদিনমানৰ আগতে বাছনি পৰীক্ষা হৈ গৈছিল আৰু কব নোৱাৰাকৈয়ে মইও বহুতবোৰ আয়োজন কৰিছিলো। নৱবৰ্ষক খুউব স্ফুৰ্ত্তিৰে স্বাগতম জনাইছিলো। বান্ধৱীহঁতৰ লগত ফুৰিছিলো, খেলিছিলো ...... আৰু বহুত কিবাকিবি কৰিছিলো। অতি ব্যস্ততাৰে দিনটো অতিবাহিত কৰিছিলো। বিজন সেইদিনা মোৰ লগত নাছিল। সেইদিনা বিজনক জোৰ কৰিয়ে ঘৰলৈ মই পঠাই দিছিলো। মোৰ অনুৰোধ গ্ৰহণ কৰিয়ে সি ঘৰলৈ গৈছিল। কি হিচাবে গ্ৰহণ কৰিছিল নাজানো। পিছদিনা বিজনে ঘৰৰ পৰা ঘূৰি আহিছিল। কিন্তু আগৰ বিজন হৈ নহয়। নতুন ৰূপ এটা লৈ। সেইদিনা বিজনে পাগলৰ দৰে বহুত কথা কৈছিল। কথাবোৰ কি আছিল এতিয়া ঠিক মনত নাই। মাত্ৰ এষাৰ কথা মনত আছে সেইয়া হৈছে বিয়াৰ প্ৰস্তাৱ। মই প্ৰথমে আচৰিত হৈছিলো। অদ্ভুত অদ্ভুত লাগিছিল কথাবোৰ শুনি। তাৰ অনুৰোধৰ বিপৰীতে বহুত কথা মইও কৈছিলো। কাৰণ মই বিজনৰ লগত

কোনোদিনে বিয়াৰ কথা ভবা নাছিলো। একে কলেজৰ ছাত্র হিচাবে, বা দাদা হিচাবেহে তাৰ লগত সম্পৰ্কটো ঘনিষ্ঠ কৰি তুলিছিলো। ঘৰখনৰ একমাত্র ছোৱালী মই; তাতে সৰু। তেনেস্থলত এনে বোৰ কামলৈ আগবাঢ়ি যাবলৈ খোজা নাছিলো। কেনোবাদিনা বিজনৰ মুখত তেনে কথা শুনিম বুলিও ভবা নাছিলো। মই বহুত বাৰ অস্বীকাৰ কৰিছিলো। শেষত বাধ্যত পৰি মানি লব লগা হৈছিল। সেই দিনটোৱে মোৰ জীৱনৰ গতিটোকে সলনি কৰি দিছিল। কোনোদিনে ভালপোৱাৰ বলী নোহোৱা আৰু লৰাৰ সম্পৰ্ক নোপোৱা মোৰ মন, হঠাৎ মই প্ৰতিজ্ঞা কৰিলো বিজনেই মোৰ প্ৰাণৰ প্ৰাণ, মোৰ জীৱন লগৰী। অৱশেষত মোৰ Final পৰীক্ষাৰ পাছত বিয়াৰ দিন ধাৰ্য্য কৰা হৈছিল দুয়োখন ঘৰৰ অনুপস্থিতিত, বিজন আৰু মোৰ মাজত।

বিজনৰ বিয়াৰ কথা তেতিয়াই ঘৰখনে ভবা নাছিল। কাৰণ বিজনৰ ওপৰত ককায়েক আছেই। বয়স হোৱা নাই। ইতিমধ্যে মোৰ পৰীক্ষা শেষ হ'ল। সময় অনুযায়ী বিয়াও হৈ গ'ল। সামাজিক অনুষ্ঠান হিচাবে আমাৰ বিবাহ কাৰ্য্য সম্পাদন হোৱা নাছিল। দুয়োঘৰৰ অনুপস্থিতিত আমিয়ে এই কাৰ্য্যত লিপ্ত হলো। মই কোনোদিনে তেনে কামত লিপ্ত হবলৈ বিচৰা নাছিলো। বিজনৰ কাণ্ড কাৰখানাত মোৰ ধৈৰ্য্য, জ্ঞান সকলো হেৰুৱাই তাৰ তাৰ পথতেই খোজ পেলালো। প্ৰথম অৱস্থাত ঘৰখনে মোক ইমান অৱহেলা কৰা নাছিল। প্ৰথম কেইদিন ভালেই লাগিছিল। প্ৰথম কেইদিন ভাল লাগিছিল যদিও বিজনৰ ঘৰত অশান্তিৰ সৃষ্টি কৰি মনটোৱে অলপো শান্তি বিচাৰি পোৱা নাছিল। তেতিয়া মোৰ উপায়ো নাছিল। মুক্ত ভাৱে মাতিবলৈও ভয় লাগিছিল। তেতিয়া অনুতাপ কৰিও লাভ হোৱাৰ আশা নাছিল, ভুল যেতিয়া কৰিলোৱেই। মইতো এতিয়া আগৰ "সপ্নালী" জনী নহওঁ। সাংসাৰিক জীৱনৰ গধুৰ দায়িত্ব বহন কৰা মই এক মহিলা। দিনবোৰ গৈ থাকিল। সময়ৰ সোঁতৰ লগত মোৰ অশান্তিও বাঢ়ি আহিল। ঘৰখনৰ চকুৰ কুটা দাঁতৰ শূল হৈ পৰিলো। বিজনৰ আৰ্থিক অৱস্থা যিমানে উন্নত নহওক, নিজৰ উপাৰ্জন নাথাকিলে সকলো মিছা। সকলোখিনি মাক দেউতাকৰ ওপৰতে নিৰ্ভৰ কৰিব লগা হৈছিল। গতিকে সকলো অত্যাচাৰ মোৰ ওপৰতে চলিছিল। সেইসময়ত বিজনৰ মাত মতাৰ ক্ষমতা নাছিল। বিজনৰ বাহিৰে আপোন বুলিবলৈ মোৰ কোনো নাছিল। অশান্তিৰ মাজেৰে দিনবোৰ অতিবাহিত কৰিছিলো। বিজনে হয়তো একো কথাই ভাবিব পৰা নাছিল। অৱশ্যে মইও একো কোৱা নাছিলো। ঘৰৰ বাকী মানুহবোৰৰ লগত মোৰ কোনো সম্পৰ্ক গঢ়ি উঠা নাছিল। কেনে এটা পৰিস্থিতিত দিন কটাইছিলো এতিয়া ভাৱিবই নোৱাৰি ... ... ...।

বিজনে বহু দিনলৈকে মোৰ ওপৰত চলা অত্যাচাৰৰ কথা জনা নাছিল। কাৰণ সি তেতিয়া প্ৰায় ঘৰত নাথাকিছিল। সেইবোৰ কথা কৈ তাৰ অন্তৰত আঘাট দিবলৈ মোৰ সাহস হোৱা নাছিল। আৰু প্ৰয়োজন বোধ কৰা নাছিলো। কিন্তু পিছত সকলো জানিব পাৰিও নজনাৰ ভাও ধৰিব লাগিছিল। তেনে এটা অসহায় অৱস্থাত বাধা দিয়াৰ ক্ষমতাও তাৰ নাছিল। ডেৰ বছৰৰ বিৰতিৰ পিছত আমাৰ মাজলৈ ৰিঞ্জু আহিছিল। ইমান দুখৰ মাজতো ৰিঞ্জুৱে মোৰ মুখলৈ হাঁহি আনিছিল। তাক লৈ সেই সময়ত মই কিমান দ্ৰুত গতিৰে কিমান কথা ভাবিছিলো আজি মোৰ ভালকৈ মনত নাই। বিজনৰ মুখতো হাঁহি বিৰিঙিছিল। ৰিঞ্জুক মৰম কৰিছিলো। নিজকে খুউব সুখী, লাগিছিল। তেতিয়া মই ভাবিছিলো, ৰিঞ্জুৱে মোৰ জীৱনত অমাৱস্যাৰ আন্ধাৰ আতঁৰাই পূৰ্ণিমাৰ জোনাক নিশাৰ





দৰেই পোহৰ বিলাব। তেনেতে বিজনে ৰিঞ্জুক কোলাত তুলি লৈছিল।

তেনেদৰে দিনবোৰ গৈ আছিল। ৰিঞ্জুও ডাঙৰ হৈ আহিছিল। লাহে লাহে সি হাঁহিব পৰা হৈছিল। বিজনৰ মাক, দেউতাক, ভনীয়েক সকলোৱে ৰিঞ্জুক খুউব মৰম কৰিছিল। ৰিঞ্জুক লৈ সকলো ব্যস্ত হৈ থাকে। মোৰ স্থানটো অৱশ্যে আগৰ দৰেই থাকিল। চাৰিমাহ মানৰ পাছতেই বিজনক দেউতাকে কলিকতাত থকা এজন খুড়াকৰ ওচৰলৈ পঠাইছিল। কি কাৰণত আজিও নুবুজিলো। সুবিধাও নাপালো বুজিবলৈ। উপাৰ্জনহীন বিজনে অসহায় অৱস্থাত দেউতাকৰ কথামতে কলিকতালৈ গৈছিল। আৰু সেয়ে আছিল আমাৰ মাজৰ সম্পৰ্কৰ শেষ অৱস্থা। ভৱিষ্যতৰ কথা চিন্তা কৰি মইও বাধা দিয়া নাছিলো। যোৱাৰ আগমুহুৰ্ত্তত ৰিঞ্জুৰ তত্বাৱধান তথা আৰু বহুত কথাই কৈছিল। বিদায় সনা চাৱনিৰে কৈ গৈছিল যাওঁ। অৰ্থাৎ আজিয়ে শেষ। মই খুউব কান্দিছিলো। বিজনৰ অনুপস্থিতিয়ে মোৰ দিনবোৰক আৰু বেছি অশান্তিকৰ কৰিছিল। ৰিঞ্জুৰ উপস্থিতিয়ে বহু কথা পাহৰাব পাৰে যদিও সকলো অশান্তিৰ অন্ত পৰা নাছিল।

বিজনে কলিকতাত কেনে অৱস্থাত, কি কৰি আছিল, ঘৰলৈ খবৰ পঠাইছিল নে নাই সবিশেষ মই নাজানিলো। ঘৰৰ সকলোৱে প্ৰায় মোৰ পৰা আঁতৰি থাকিব বিচাৰে। প্ৰায় এমাহ মানৰ পিছত ৰিঞ্জুক মোৰ ওচৰৰ পৰা সিহঁতৰ ওচৰলৈ একেবাৰে লৈ গৈছিল। মাজে সময়েহে পাওঁ। ৰিঞ্জুৱে আমনি খুউব কম কৰে। সৰহ ভাগ সময় শুইয়ে থাকে। এমাহ সময় ধৰি বিজনৰ কোনো খবৰ নোপোৱা হলো। ঘৰত সুধিবলৈও ভয় লাগে। কাৰণ সেইঘৰৰ মই এটা প্ৰাণী বুলি সিহঁতে ভাবিবলৈ নিবিচাৰিছিল। কোনো মানুহৰ লগত মোৰ সম্বন্ধ নাছিল। ৰিঞ্জুৰ লগতো তেজ মঙহৰ সম্পৰ্কৰ বাহিৰে মোৰ কোনো বিশেষ সম্পৰ্ক নাছিল। মৃত্যুকে সাৱটি লবলৈ মন যায় কিন্তু বিজন আৰু ৰিঞ্জুৰ মৰমে তাৰ পৰাও বিচলিত কৰে। বিজন আৰু ৰিঞ্জুৰ কথাবোৰ মনলৈ আহে। ৰিঞ্জুৰ জীৱনটো গঢ়িব লাগিব। ৰিঞ্জুৰ মাক হিচাপে কি দিম?

ৰিঞ্জু নিৰ্দোষী এটি দেৱ শিশু। তাৰ গাত কোনো দোষ নাই। তেনে অৱস্থাত মাতৃ তথা পিতৃ স্নেহৰ পৰা তাক বঞ্চিত কৰিব নোৱাৰি। হে ভগৱান! তুমি ইমান নিষ্ঠুৰ নহবা! ৰিঞ্জুক ......। মোৰ মনৰ আশা এটা সময়ৰ মনতে বৈ গৈছিল। মনে মনে বিজনৰ খবৰ বিচাৰি ফুৰো। কিন্তু কাক সুধিম? কোনে কব? মোৰটো ইয়াত আপোন কোনো নাই। ঘৰৰ কাৰোবাক সুধিবলৈ মোৰ কোনো ক্ষমতা নাই। বিজনলৈ খবৰ পঠাবলৈও মোৰ ওচৰত কোনো ঠিকনা নাই। কি কৰো? কাক লৈ ব্যস্ত থাকো? অস্থিৰ হৈ যাওঁ।

সেইদিনা আছিল দেওবাৰ। পুৱা চাহ খোৱাৰ পিছত এনেয়ে ৰুমৰ ভিতৰতে ঘূৰি ফুৰিছো। সেইদিনা কাম বিশেষ নাছিল। ঘৰত অৱশ্যে কাম নায়েই। ৰিঞ্জুও মোৰ ওচৰত নাছিল। কিয় জানো বিজনলৈ খুউব মনত পৰিছিল। বিজনৰ ওচৰলৈ মোৰ মনটো দৌৰিছিল। শৰতৰ পুৱাৰ সুৰুযে হেঙুলীয়া ৰহন আনি চৌদিশে জগতক পোহৰ বিলাইছিল। ঠিক তেনে সময়তে বিজনৰ মাক ৰিঞ্জুক লৈ মোৰ ৰুমত প্ৰৱেশ কৰিছিল। ৰিঞ্জুক মোৰ হাতত দি কৈছিল। শেষবাৰৰ বাবে চাই লোৱা। "বিজন"ক ২ য় বাৰ চাবলৈ আৰু ওচৰত পাবলৈ আশা নকৰিবা। তুমি এই ঘৰৰ পৰা ওলাই

যোৱা। কথা কেইষাৰে মোৰ কৰ্ণ পটাহত কি দৰে প্ৰতিধ্বনিত হৈছিল কব নোৱাৰিলো। সেই দিনাই প্ৰথম নিৰ্ভয়ে মুখ খুলিছিলো শাহুৰৰ আগত। দুই বছৰ কেনেকৈ পাৰ কৰিলো কব নোৱাৰো। শিলপৰা কপৌৰ দৰে মই থিয় দি ৰৈছিলো। সেই সময়ত পৃথিৱীখন যেন ভৰিৰ পৰা বহুত দূৰলৈ আঁতৰি গৈছিল। বিজনৰ নাম শুনাৰ লগে লগে মোৰ গা শঙ্কিত হৈ উঠিছিল। হঠাৎ মোৰ মুখৰ পৰা বৰ আচৰিত ভাৱেৰে কৈছিলো "বিজনৰ কোনো অনুমতি পোৱা নাই। তেনে স্থলত" ……… বিজনৰ আদেশ মতে আমি তোমাক যাবলৈ কৈছো। সি লিখি পঠাইছে। নিজকে বিশ্বাস কৰিব নোৱাৰিলো। উপায়বিহীন হৈ মইও ওলাবলৈ বাধ্য হলো, ৰিঞ্জুক লৈ আহিবলৈ বিচাৰিলো। মোৰ চেষ্টা বিফল হল। বিজনলৈ খবৰ এটা দিবলৈ বিচৰাত তেখেতৰ হাততে দিবলৈ কলে। কি দিলো ঠিক মনত নাই। ভাগ্যৰ লিখন বুলি মনক সংযত কৰি আকৌ জন্মৰ ঘৰ পালোহি। ঘৰৰ সকলো অবাক। সকলো শেষ হৈ গল।

কেইমাহমান থকাৰ পিছত এজন সম্বন্ধীয় মামাৰ সহায়ত মই Nursing ত ভৰ্ত্তি হলো। আৰু Hostel ত থাকিলো। আজি প্ৰায় ১৩ / ১৪ বছৰ পাৰ হৈ গৈছে। মানৱ সেৱাই হৈ পৰিল মোৰ অভিশপ্ত জীৱনৰ ব্ৰত। মানুহৰ শুশ্ৰুষাই মোৰ কৰ্তব্য আৰু সেৱাই মোৰ জীৱনৰ উত্তৰ। যেতিয়া ৱাৰ্ডত সৰু সৰু কেঁচুৱাবোৰ লগ পাওঁ তেতিয়া মোৰ ৰিঞ্জুলৈ খুউব মনত পৰে; কল্পনা কৰো ৰিঞ্জুৱে বুলি। শুশ্ৰুষা কৰি খুউব ভাল লাগে। মনত বহুত শান্তি পাওঁ। মানৱৰ সেৱা শুশ্ৰুষা কৰি মানুহৰ (ৰোগী) মাজত থাকি জীৱনৰ বহু বেদনা পাহৰি গলো। পাহৰি গৈছিলো বহুত কিবাকিবি বোৰ। বিজন, বিজনৰ ঘৰখন। মাক, দেউতাক, ভনীয়েক। তেওঁলোকৰ আদৰ্শ, আচাৰ, অনাচাৰ এটি এটি কৰি মানস পটৰ পৰা মচিবলৈ যত্ন কৰিছিলো। কৃতকাৰ্য্যতাও হৈছিলো। কেইটামান বছৰৰ পাছতে মোৰ ইমান পৰিবৰ্ত্তন আহিছিল ভাবিলে আচৰিত হব লগা হৈছিল। এগৰাকী পৌঢ়া Christian Nurse ৰ দৰেই আগবাঢ়িলো। তথাপিও মই ৰিঞ্জুক জানো পাহৰিব পাৰিছিলো? কোনোবা মুহুৰ্ত্তত! কোনো এক পৰিবেশত নিৰ্জু দেৱ শিশুটিৰ ছৱি প্ৰায়ে মনলৈ আহে তথাপিও পাহৰি যাওঁ অতীত জীৱন। Nursing Hostel আৰু Nursing Profession এ মোৰ জীৱনলৈ আনি দিলে নতুন জীৱনৰ নতুন ভাৱাদৰ্শ। কিন্তু ৰিঞ্জুৱে আজি মোৰ সুপ্ত মনক আকৌ জাগ্ৰত কৰি তুলিলে। মোৰ মনত বহুত কিবাকিবি চিন্তাই খেলিবলৈ ধৰিলে।

ৰিঞ্জু …… মাত্ৰ এটা শব্দ। এই শব্দই মোৰ মনৰ মাজত সহস্ৰবাৰ খেলিবলৈ লাগিছে। তড়িৎ গতিত মগজুত ক্ৰিয়া কৰিবলৈ ধৰিলে। চিন্তা, যুক্তি, বিবেচনাই তীব্ৰ আঘাত সহ্য কৰিব নোৱাৰা হৈছো। উহ! কি কৰো মই ……। গোটেই পৃথিৱী মোৰ বাবে আন্ধাৰ যেন লাগিল। অন্তৰখন হাহাঁকাৰ হৈ উঠিল। ধুৱলী কুঁৱলী অনুভৱ কৰিলো। তেনেতে শুনিলো বাইদেউ! হঠাৎ উচপ খাই উঠিলো। সপোন নে দিঠক ভাবি নাপালো মাত্ৰ আগত দেখিছো এজনী ভণ্টী। তাই সুধিছে আমাৰ ৱাৰ্ডত antibiotic আছেনে নাই? কিমান সময় ভণ্টী মোৰ ওচৰত আছিল কব নোৱাৰো। তাইৰ মাতত মোৰ তন্দ্ৰা ভাগিল। Antibiotic আছে বুলি কোৱাৰ পাছত শুনিছো ৰৰমাকে ৰিঞ্জুক মাতিছে। ৰিঞ্জু ৰদ পৰিছে নহয়? ভিতৰলৈ আঁহা। খিৰিকীৰে বাহিৰলৈ চালো, দেখিছো ৰিঞ্জুৱে কেইটামান কৃষ্ণচূড়াৰ গুটি হাতত লৈ লিৰিকি বিদাৰি আছে। পুৱাৰ সুৰুযৰ ৰেঙণি তাৰ গাত পৰিছেহি। সেই হেঙুলীয়া আভাৰ পৰশত তাক যে কি





ধুনীয়া দেখা গৈছে। সেইবোৰৰ প্ৰতি তাৰ ভ্ৰূক্ষেপ নাই। কৃষ্ণচুড়াৰ গুটি চোৱাত ব্যস্ত। তাৰ মনত হয়তো হাজাৰটা প্ৰশ্ন। এখোজ দোখোজ কৰি ৰৰমাকৰ ফালে আগুৱাই আহি আছে। সি যেন লেনিয়াই সুধিব; মা! এইটো কি গছৰ গুটি? কি গছৰ গুটি! ●

(মহাবিদ্যালয় সপ্তাহত তৃতীয় পুৰস্কাৰ প্ৰাপ্ত)

***

"ৰাতি যিমান কঠিন হব, প্ৰভাত সিমানেই উজ্জ্বল হব। চাৰিওফালৰ গৰা আন্ধাৰে আৱৰি ধৰিলেও ভয় নকৰিবা, প্ৰভাত হবই"।

—জ্যোতিপ্ৰসাদ—

# মৃত্যুৰ আগত

শ্ৰীবিভূতি দাস মজুমদাৰ

ওপৰেৰে স-শব্দে দিনে ৰাতিয়ে পাৰহৈ যায় শ-শ যান-বাহন। আৰু তাৰ তলেৰেই সময়ে-সময়ে পাৰহৈ যায় দুই-এখন ৰেল গাড়ী। ইয়েই হৈছে ডিব্ৰুগড় নগৰীৰ মাজ মজিয়াত থকা "অভাৰ ব্ৰীজ"। ই কেৱল এখন যান-বাহন পাৰহৈ যোৱা 'ব্ৰীজ" নহয় (হয়তো / আমাৰ বাবে সেয়াই)। কিন্তু ই ৰামলাল, চাখা, ৰাধা, আব্দুল, ৰহিম আদিৰ দৰে দুৰ্ভগীয়াৰ বাবে ......? যাৰ এসাজ খাই এসাজ খাবলৈ নাই; যাৰ লজ্জা নিবাৰণৰ বাবেও এডোখৰ কাপোৰৰ অভাৱ; যাৰ থাকিবলৈ ভগা পজাঁ এটিও নাই; সিহঁতৰ বাবে ইয়েই আশ্ৰয় স্থল, এয়াই সিহঁতৰ ঘৰ। নহব পাৰে সিহঁতৰ আমাৰ দৰে টিন-পাট বা আৰ, চি, চি ঘৰ, কিন্তু সিহঁতৰ বাবে সেই অভাৰ ব্ৰীজৰ তলৰ ৰেল অহা যোৱা কৰা এন্ধাৰ সুৰঙ্গটোৱেই ৰাজ-মহল। তাতেই সিহঁতে জনম দিয়ে, তাতেই সিহঁতে মাতৃৰ স্নেহ দিয়ে, পিতৃৰ মৰম দিয়ে —। তাতেই সিহঁতে হেজাৰ ৰঙীন সপোন দেখে (আমাৰ দৰেই)।

তাতেই থাকে, সকলোৰে পৰিচিত গোলাপ চাচা। হয়তো নামটো নেজানিব পাৰে! কিন্তু দৃষ্টিৰে সকলোৰে পৰিচিত। গোলাপ কোনো ডাঙৰ কামৰ বাবে সকলোৰে পৰিচিত নহয়। কৰ্মৰ বাবে নহয়! গোলাপ পৰিচিত তাৰ গাত থকা ৰোগটোৰ বাবেই। কোষ্ঠ ৰোগী! ক্ষয় যোৱা হাত ভৰিৰ আঙুলি আৰু নাকেৰে সৈতে এটা বিকৃত ৰূপ —।

গোলাপৰ আপোন বুলিবলৈ কোনোৱেই নাই। এজনী প্ৰায় ৫—৬ বছৰীয়া অনাথ ছোৱালী তাৰ লগত থাকে। তায়েই তাৰ আপোন। গোলাপৰ নামৰ লগত 'চাচা' শব্দটো তাইৰ পৰাই যোগ হৈছে। তাই গোলাপক 'চাচা' বুলি মাতে।

কিছুদিন আগতে ইয়ালৈ দুটা নতুন ভিক্ষাৰী ল'ৰা আহিছে। এটা অন্ধ আৰু আনটো খোৰা। দুয়োটাই একেলগে ভিক্ষা মাগে। অন্ধটোৱে বৰ সুন্দৰ গান গায়। অন্ধটোৰ বয়স প্ৰায় ১২-১৩ বছৰ আৰু আনটোৰ প্ৰায় ৮-৯ বছৰ। দুয়ো ভাই-ককাই। আৰু কেও কিছু নাই।

ভিক্ষাৰীৰ সেই জগত খনতো সুখ-দুখ, হাঁহি-কান্দোনৰ বহুতো ঘটনা ঘটে। হয়তো সেইবোৰ আমি গমকে নেপাওঁ আৰু জনাৰ চেষ্টাও নকৰো। কিন্তু সেই ঘটনা বোৰেই সিহঁতৰ বাবে একো একোটা ডাঙৰ খবৰ। সিহঁতৰ আগত শ্ৰীলঙ্কাৰ পৰিস্থিতি, পঞ্জাৱ সমস্যা, ৰাছিয়া-আমেৰিকাৰ শীৰ্ষ সন্মিলন, নামিবিয়াৰ স্বাধীনতা আন্দোলন, ইৰাক-ইৰাণ যুদ্ধ আদিৰ দৰে আন্তৰ্জাতিক বাতৰিৰ কোনো মূল্য নাই। সিহঁতৰ বাবে কালি এটা ডাঙৰ ঘটনা ঘটি গ'ল। কালি গধূলি তেতিয়া প্ৰায় পাঁচ বাজিছে, "চুপাৰ ফাষ্ট" খন যাবলৈ হৈছে। "লেভেল-ক্ৰচিঙ"ৰ গেটখন বন্ধ কৰি দিয়া হ'ল। কিন্তু দিলে কি হ'ব; কেইটাই নিয়ম মানে? চাইকেল, স্কুটাৰ, মটৰ চাইকেল কেইখনটো গেটৰ তলেৰেই অ'হা-যোৱা কৰি থাকে। খোৰা ভিক্ষাৰী ল'ৰাটোৱে পানী আনিবলৈ গৈছিল। ৰেলখন আহি ওচৰ পোৱা দেখি লাইনৰ কাষতে ৰৈ থাকিল। কিন্তু গেটৰ তলেৰে পাৰহৈ এখন স্কুটাৰ পিছ পিনৰ পৰা আহিল আৰু আগেৰে এজনী সৰু ছোৱালী পাৰ হৈ যোৱাত ব্ৰেক মাৰিবলৈ গৈ ভাৰসাম্য হেৰুৱাই খোৰা ভিক্ষাৰী ল'ৰাটোকে খুন্দা মাৰিলে। 'লেঙেৰা' ছিটিকি গৈ ৰেলৰ চকাৰ তলত সুমাল। মূৰটো গুৰি হৈ গ'ল। হঠাৎ মানুহৰ ভিৰ লাগিল। কোনোৱে ক'লে লেঙেৰাৰ ভূল. কোনোৱে ক'লে আজি কালি ডেকা বোৰে বৰ বাহাদুৰি দেখুৱাই গাড়ী চলায়, কোনোৱে আকৌ ক'লে সৰু ছোৱালী জনীযে ধক্কা পৰিল। অলপ সময়ৰ ভিতৰতেই খবৰটো "ব্ৰীজ"ৰ তলৰ ভিক্ষাৰী খিনিৰ মাজত বিয়পি পৰিল। অন্ধ ল'ৰাটোৰ কান্দিকাটি অৱস্থা নাই-কিয়া হ'ল। কিছু সময়ৰ পিছত পুলিচ আহিল আৰু 'লাচ'টো গাড়ীত তুলি লৈ গ'ল। অন্ধ ভিক্ষাৰী ল'ৰা-টোৱে উচুপিয়েই থাকিল। অন্ধ ল'ৰাটোৰ অৱস্থা দেখি লগৰ সকলো ভিক্ষাৰীৰেই দুখ লাগিল। ৰাতি সিহঁতৰ কাৰোৱেই খোৱা বোৱা নহল। খবৰটো গোলাপে কিছু পলমকৈ পালে। তাৰো বৰ দুখ লাগিল।





ৰাতি হঠাৎ ৰেলৰ উকিৰ শব্দত গোলাপ সাৰ পালে। ওচৰৰে গুদামত ৰাতি দুই বজাৰ বেল মাৰিছে। সি চকু মেলি দেখিলে কিছু দূৰত লাইনৰ ওপৰত বগা কিবা এটা পৰি আছে। "গৰু নেকি ? নে অন্য কিবা ??", সি ভাবিলে। হঠাৎ বস্তুটো লাইনৰ ওপৰত শুই দিলে। তেতিয়াহে গোলাপে গম পালে সেইটো গৰু বা অন্য জন্তু নহয়, মানুহহে। গোলাপে খৰধৰকৈ মানুহটো লাইনৰ পৰা টানি আতৰাই দিলে। মূহুৰ্ত্তে তীব্ৰ গৰ্জন কৰি ৰেলখন পাৰহৈ গ'ল। গোলাপে মূখ খন চাইহে চিনি পালে সেইটো অন্য কোনো নহয়, অন্ধ লৰাটোহে। গোলাপে ক'লে-, "বাপু, তোমাৰ কিয় এই ইচ্ছা হ'ল ? তোমাৰ এজন আপোন গ'লে কি হ'ব; আমিও তোমাৰেই আপোন। পৰক আপোন বুলিব পৰাতহে প্ৰকৃত সুখ আছে। বাপু-, মৃত্যু নিবিছাৰিবা। জীৱন বৰ অমূল্য, সি যি ৰূপতেই নেথাকক কিয়! মৃত্যুৰ সময়ত নিজেই আহিব।" গোলাপৰ কথাত সি উচুপি উচুপি কলে-, "মই এতিয়া কি কৰি খাম। চকুৰে যে মই একোৱেই নেদেখো!" গোলাপে হাঁহি মাৰি ক'লে,"তাতে কি হ'ল ? কষ্টক ভয় কৰি মৰি গলে সুখ ভোগ কৰিব কোনে ? তুমি কষ্ট কৰা। আৰু তোমাৰ সহায়ৰ বাবে মই মোৰ লগত থকা ছোৱালী জনী তোমাক দিছো। তোমাৰ লগত থাকিলে তাইৰে সহায় হ'ব। মোৰতো অৱস্থা দেখিছাই। আৰু বেছি দিন নেথাকিম।" কথাৰ সুৰ সলাই গোলাপে পোনৰ কলে, "বাৰু-, সেইবোৰ কথা বাদ দিয়া। তুমি চিন্তা নকৰিবা। এতিয়া শুই থাকা" বুলি কৈ ল'ৰাটোক লৈ গ'ল। কিছু সময় উচুপি থকাৰ পিছত অন্ধ লৰাটো টোপনি গ'ল। গোলাপৰ নাহিল। গোলাপে কিবা চিন্তা কৰি থাকিল।

ৰাতিপুৱা পাঁচ মান বজাত মানুহৰ চিঞৰ-বাখৰত অন্ধ ল'ৰাটোৰ টোপনি ভাগিল। হাতেৰে সেপিয়াই সি গোলাপৰ কাপোৰ খিনিহে পালে। তেনেতে কোনোবা এটা ভিক্ষাৰী আহি কলে, "গোলাপক পুৱা চাৰি বজাত ৰেলে কাটিলে।" লগে লগে সি অনুভৱ কৰিলে তাৰ যেন ৰক্ত প্ৰবাহ বন্ধ হৈ গৈছে। ছোৱালীজনীয়ে তাক হাতত ধৰি গোলাপক কটা ঠাই ডেখৰলৈ লৈ গ'ল।

কোনোৱে কোনোৱে কোৱা শুনা গ'ল- "দুৰা-ৰোগ্য বেমাৰী মৰিল ভালেই হ'ল।" কোনোৱে ক'লে ঠাই দুখৰত "দেও" লাগিছে। আৰু এজনে ক'লে, "এই ভিক্ষাৰী বোৰক ইয়াৰ পৰা খেদি পঠাব লাগে।" অন্ধ লৰাটোৱে ভাবিলে-, "এৱেঁই মোক জীয়াই থকাৰ শিক্ষা দিছিল। কিন্তু মই তেওঁক মৰিব শিকালো নেকি ? তেওঁৰ গাত আছিল এবিধ ৰোগ, সেইটো কি মহাব্যাধি ? নাই, নাই-নহয়! মোৰ মনত জাগা আত্মহত্যাৰ চিন্তাটোৱেই মহাব্যাধি, দুৰাৰোগ্য। ইয়াৰ জীৱানুৱে এওঁকো আক্ৰমণ কৰিলে।"

(মহাবিদ্যালয় সপ্তাহত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত)

# হৃদয়ে হৃদয়ে

শ্ৰীদুৰ্গেশ্বৰ গগৈ
স্নাতক প্ৰথম বাৰ্ষিক ( কলা )

চিন্তাৰ মকৰা জালত ৰূপকৰ মন-প্ৰাণ আজি আচ্ছন্ন। অথচ তাৰ বাবে আজি নিশ্চয় আনন্দৰ দিন।

"এয়া মানুহৰ জীৱন তুলাচনীৰ দণ্ডৰ দৰে। দগাৰ অলপ হেৰ-ফেৰ হলেই অনুভূমিক হবলৈ যথেষ্ট সময়ৰ দৰ্কাৰ আৰু যদিহে দগা হেৰাই যায়! বেলিটো ৰঙা হৈ অহাৰ লগে লগে ৰূপকে সেই পুলক অনুভব কৰিলে - প্ৰিয়জনক লগ-পোৱাৰ আগ মুহূৰ্ত্তত সেই অনামী শিহৰণ।

ৰূপকে আজিৰ দিনটো বেচ্ ব্যস্তভাৱে কটালে যদিও তাৰ মন এক অনামী চঞ্চলতাৰে উন্মাদ। দেহৰ প্ৰতিটো কোষতে মানৱ সত্বাক হেয় কৰিব খোজা জিঘাংসা। মুখত মানৱ অস্তিত্ব অস্বীকাৰ কৰিব বিচৰা হেজাৰ যুক্তি।

সি জানে আজিও আহিব শ্ৰুতিমালা, হয়তো নাহিবও পাৰে কিন্তু ৰাতিৰ আন্ধাৰৰ আঁৰে আঁৰে মৃত কাবেৰীৰ আত্মাই কাবেৰীৰ ৰূপ লৈ আহিবই। শ্ৰুতিমালা এজনী তেজ মঙহৰ জীয়া গাভৰু। তাই ৰূপকৰ ওচৰলৈ প্ৰায়েই আহে। সময়ে অসময়ে আহি তাৰ লগত কথা পাতে, ভাল পাব বিচাৰে। ৰূপকৰ মনটো তাই আজিও ধৰিব নোৱাৰিলে। বুজিব নোৱাৰিলে তাৰ অন্তৰৰ বুভূক্ষা, মুখত এই হাঁহি, এই নিৰৱতা, এই যুৱক জনৰ মনৰ আচল খুত ক'ত তাই ধৰিব নোৱাৰিলে।

ৰূপক, ৰূপক দাস, ঘৰত মতা নাম ৰূপ। এজন ব্যৱসায়ী। ব্যৱসায় কৰে যদিও নিজৰ চহৰখনতে এজন নতুন চাকৰিয়াল, নিঃসন্দেহ আজি তাৰ বাবে। তাৰ পৰিয়ালৰ বাবে আজি নিশ্চয় আনন্দৰ দিন। লগতে আনন্দ কৰিলেহেতেন সেইজনী, যাক সি আজিলৈকে ভাল পাই আহিছে। সেইজনী হল কাবেৰী গগৈ। কিন্তু হায়! কাবেৰী যে আজি নাই। তাই যে লোকচক্ষুত এতিয়া অশৰীৰি।

কাবেৰীৰ কথা ভাবিলে আজি কালি ৰূপকৰ কেনেবা লাগে। বন্ধু-বান্ধৱ কেইজন মান আহিছিল কন্‌গ্ৰেচুলেশ্বন দিবলৈ। ইতিমধ্যে ওলাই গ'ল। মাক পাকঘৰত ৰন্ধা বঢ়া কামত ব্যস্ত। এনেতে বাহিৰত মাহি মাহি বুলি কৈ সোমাই আহিল শ্ৰুতিমালা। পিন্ধনত চেলোৱাৰ কামিজ। আধুনিকাৰ পৰশ পোৱাকৈ সামান্য প্ৰসাধনেৰে সুন্দৰ দেখাইছিল তাইক।

অ, ৰূপক দা, "ভাল।" মই ভাবিছিলো তোমাক লগ নাপামেই বুলি।

বহা, তোমাৰ মাহী পাকঘৰত। ৰূপকে কলে।

তোমাক লগ পাম বুলিয়েই আহিলো। "তুমি জানো নুবুজা মই কিয় তোমাক লগ পাব বিচাৰো বা কিয় আহো। তুমি সচাই নিষ্ঠুৰ দেই ৰূপক দা।"

এয়া হয়তো হয় অন্ততঃ তোমাৰ মানত। তাৰ পিছত অলপ ৰৈ পুনৰ কলে, আচ্ছা, তুমি মোৰ বিষয়ে কি কি জানানো। একোকে নাজানা নহয়নে? তুমি





জানা মাথো মোৰ বৰ্ত্তমানৰ বাহ্যিক ৰূপটোহে। তুমি নাজানা মোৰ অতীতৰ কথা। নাজানা মোৰ বৰ্ত্তমানৰ সংগোপনে ৰখা পৰিস্থিতিৰ কথা। আনকি ৰাতি যে মই বহি কটাও বা কটাই ভাল পাওঁ এইবোৰ কথা। কিন্তু অন্তৰালত কিবা যে ৰহস্য থাকিব পাৰে ইয়াকতো তুমি নাজানা। মুঠ কথা মই এতিয়া কোনো ছোৱালীকে ভাল নাপাওঁ। মানে প্ৰেমিকা বা স্ত্ৰীৰ শাৰীত ধৰি নলওঁ।

ৰূপকদা, তুমি নাজানা বা জানিও নজনাৰ ভাও ধৰিছা যে তোমাক মোৰ হৃদয়ত কেতিয়াবাই কেনেদৰে ঠাই দিছো। মোক বুজিবলৈ চেষ্টা কৰানা প্লিজ। মই তোমাৰ পৰা একো নিবিচাৰো। নিবিচাৰো তোমাৰ অতীত জীৱনৰ ভাল বা বেয়া দিশটোক খুচৰিব বা অশ্ৰদ্ধা কৰিবলৈ। তুমি মোৰ একমাত্ৰ শ্ৰদ্ধাৰ পাত্ৰ যাক মই সমস্ত ব্যাকুলতাৰে পাব বিচাৰো। তুমি মোৰ সেইজন হৃদয় দেৱতা, যাৰ ছত্ৰছায়াত নিজকে বিলাই দি জীৱন তথা যৌৱনৰ মাদকতা লভিব বিচাৰো। ৰন্ধ্ৰে ৰন্ধ্ৰে অনুধাবন কৰিব বিচাৰো তোমাৰ সতে মোৰ এই কুমাৰী জীৱনৰ পবিত্ৰতা। কোৱাঃ মোক সেই অধিকাৰ দিবা?

"ৰূপকদা, আৰু এটা কথা সুধিম, মাত্ৰ এটা," শ্ৰুতিমালাই শেষ চেষ্টা কৰিলে। "মাহীৰ পৰা শুনিছো তুমি হেনো আগতে এনেকুৱা নাছিলা। মোক কব লাগিব তোমাৰ অতীত জীৱনৰ কথা। মই শুনিম, ধৈৰ্য্য সহকাৰে শুনিম। এই এটাই মোৰ শেষ অনুৰোধ।

"কম, মই সচাকৈয়ে কম মোৰ অতীতৰ কথা, বৰ্ত্তমানৰ কথা, লগতে ভৱিষ্যতৰো। বিচাৰৰ ভাৰ তোমাৰ ওপৰত। ৰূপকে কবলৈ ধৰিলে —————।

ৰূপক, ৰূপক দাস, গাঁৱৰ এজন ডেকা, কলেজত পঢ়ি থকা অৱস্থাতে কাবেৰীৰ প্ৰেমত পৰিলো। কাবেৰীৰ ঘৰ আমাৰ ঘৰৰ পৰা বেছি দূৰত নহয়। মাক-দেউতাক, বায়েক আৰু এজন ককায়েকৰ সৈতে সিহঁতৰ ঘৰৰ পৰিয়াল। দেউতাক চাকৰিয়াল।

বেচেৰী কাবেৰীয়ে নিজতকৈও মোক বেছি ভাল পাই পেলালে। ভাল-পোৱাৰ সান্নিধ্যই তাইক আপোন পাহৰা কৰিলে। সম্বন্ধ গঢ়ি উঠিল। অৱশ্যে প্ৰেম পবিত্ৰ হৈ ৰ'ল।

আমাৰ অলক্ষিতে আমি কিছুমান কাম কৰো যাৰ পৰিণতি বেয়া হ'ল। পিছলৈ আমি তাকে ভূল কাম বুলি অভিহিত কৰো। হলেও ভূলৰ শুধৰণি আছে। আমিও আমাৰ অজানিতে ভূল কৰিছিলো। এই ভূল দুয়ো দুয়োকে ভাল পাই পেলোৱা ভূল। যদিহে কাবেৰীৰ ঘৰত আমাৰ মিলনত বাধা নিদিলেহেতেন তেন্তে ভূল কৰি আহিছো বুলি কেতিয়াও অনুভৱ নহলহেতেন। হলেও সেই ভূলতেই থাকি যাম বুলি দুয়ো আকোৰগোজ হৈ থাকিলো।

এদিনৰ কথা, দিনটো জন্মাষ্টমীৰ বন্ধৰ দিন আছিল। মই কাবেৰীক লগ পাবলৈ যথাস্থানলৈ মাতিছিলো। যথাস্থানত লগ পাই বহিছিলো এজোপা ফুলৰ কাষত সেউজীয়া ঘাঁহনিত। এহাল ডেকা গাভৰুৰ আহ্বানক কাষৰ নাৰ্জীফুলৰ সুবাসে আদৰণি জনালে। মই কাবেৰীৰ পিনে চাই সুধিছিলো "তোমাৰ পবিত্ৰ প্ৰেমৰ সংজ্ঞা কি দিব বিচৰা জয়া, মৰমতে তাইক মই জয়া নামেৰে মাতিছিলো।

"তোমাৰ মতে?' তাই সুধিলে।

'মোৰ মতে যিয়ে নহওক ——'

মাজে মাজে তোমাক লগ পাওঁ, কথা পাতো,

চাওঁ, হাহোঁ, ফুৰো।

ওহোঁ, এয়াতো ভাতৰ লগত পানী খোৱাৰ দৰে। যদি আমাৰ মিলন হয় তেন্তে আৰু কিবা-কিবি নকৰিমনে যিবোৰ অ-বিবাহিত যি কোনো ডেকা-গাভৰুৱে কৰা অনুচিত।

যদি আমাৰ মিলন নহয় ?

হব লাগিব। মোৰ ভালপোৱা ইমান দুৰ্ব্বল নহয়। মই দৃঢ় আমাৰ মিলন হবই লাগিব। দৰকাৰ হলে প্ৰতিবাদ কৰিম।

অ, আমাৰ প্ৰেমৰ পবিত্ৰতাৰ সংজ্ঞা নিদিলা। তাই কলে ———।

"যদি মই দিব লাগে তেন্তে ওচৰ চাপি আহা" এই বুলি মই কাবেৰীক ওচৰলৈ টানি আনিলো। তাৰ পিছত এয়া দিছো বুলি এহাতেৰে কাবেৰীক সাৱতি ধৰি বুকুৰ উমেৰে চেপা দিলো। আৰু "লগে লগে কপালত এটা আৰু কুজা হৈ বুকুত এটা চুমা দিলো।" এয়া প্ৰায় দুবছৰৰ আগৰ কথা।

তাৰ পিছত ৰূপকে ডায়েৰী এখন দি কলে, "শ্ৰুতিমালা, এইখন পঢ়ি চাবা। মোৰ বৰ্ত্তমানটো আৰু ভৱিষ্যতৰ বিষয়ে এইখন পঢ়িলে গম পাবা।"

ৰূপকৰ ডায়েৰীত

এয়া মোৰ জীৱন ডায়েৰীত আজি দহমাহে লিখি ৰাখিব খোজা নিত্য নৈমিত্তিক ঘটনা। আজি তাইৰ মৃত্যুৰ দিন ধৰি জয়া মোৰ মৰমৰ জয়া মোৰ ওচৰলৈ সদায়ে আহি আছে।

জয়া মিঠা নামটোৰ ছোৱালীজনীৰ আজি বহু কেইদিনৰ আগতে তাইৰ মৃত্যু হল। তথাপি তাই আহি আছে। তাই মৃত্যু হোৱা নাছিল হৈছিল অপমৃত্যু। কাৰণ অনাহাৰ অনিদ্ৰা চিন্তা মানসিক, অবসাদ, অযত্ন।

মোৰ ভাল পোৱাৰে তাইক জীয়াই ৰাখিব নোৱাৰিলে। এয়া মোৰ মনৰ দুখ। আজি কিয় বা কাৰ কাৰণে জীয়াই আছো তাৰ উত্তৰ দিবলৈ মোৰ ভাষা নাই।

বি-এ পাছ কৰাৰ পিছত মাক-দেউতাকে তাইৰ বিয়াৰ বন্দোবস্ত কৰিলে। প্ৰেমক তাই পদাঘাট কৰিব নোৱাৰিছে। যথেষ্ট ফুচুলনি বুজনিয়ে কাম নিদিলে। ফলস্বৰূপে কিল-চৰ আদি প্ৰথম পৰ্য্যায়ৰ অত্যাচাৰ। অব্যৰ্থ গালি গালাজ। সকলোৱে অৱহেলা কৰিব ধৰিলে তাইক।

মানসিক দুচিন্তা আৰু অযত্নত শৰীৰ ভাগি আহিব ধৰিলে। শেষলৈ প্ৰিয়তম ৰূপেও জানোচা অবহেলা কৰে এনে ভয় হল। দিনৰ পিছত দিন একেটা প্ৰত্যাশাকে বুকুত বান্ধি কিমান অপেক্ষা কৰিব। কোনো এজনৰ চিন্তাত নিজৰ সৰ্ব্বস্ব দিও অপেক্ষা কৰা কেনে টান কাম সেয়া মাথো জানে ভুক্ত ভোগীয়েহে। হয়তো এইয়া প্ৰেমৰ ক্ষেত্ৰতহে সম্ভব। প্ৰেম অন্ধ বাবেই। আজিৰ সমাজৰ গতানুগতিকতাত এয়া যি কোনো ছোৱালীৰ বাবে অসম্ভব। কিন্তু পাৰিছিল মোৰ কাবেৰীয়ে। কাৰণ তাইৰ বিশ্বাস আছিল, পবিত্ৰ বিশ্বাস ভাল পোৱাৰ প্ৰতি।

এদিন দেখা দিলে কাহঁৰ লগত তেজ। কেচা তেজ। তেজে কঢ়িয়াই আনিলে মৃত্যুৰ আগলি বতৰা আৰু সংজ্ঞাতীত মানসিক বেদনা। হায় নিয়তিৰ বিধান।

এনেদৰে তিল তিলকৈ তাই নিজকে মৃত্যুৰ পথলৈ ঠেলি দিলে। মোলৈ পঠোৱা চিঠিৰ সংখ্যা কম আছিল





যদিও প্ৰতিখন চিঠিয়েই কঢ়িয়াইছিল কুশল বতৰা। হঠাৎ এদিন দুৰ্ব্বল হাতৰ চিঠিখন পায়েই লৰা লৰিকৈ গলো সিহঁতৰ ঘৰলৈ। মই গৈ কিবা কোৱাৰ আগতেই তাই মোৰ ফালে চাই মাতিলে। ৰূপ-মোক ক্ষমা কৰিবা। মই মোৰ লক্ষ্যৰ পৰা পিছলি পৰিলো। তোমাৰ সতে যিমান ৰঙীন ভৱিষ্যতৰ কল্পনা কৰিছিলো কিন্তু সকলোবোৰ যে এনেদৰে বালিঘৰ হৈ ভাঙি যাব মোৰ কল্পনাৰো অতীত আছিল। কোৱা ৰূপ মোক ক্ষমা কৰিবাতো! জীৱনত মোৰ বহুত কামনা বাসনা ৰৈ গ'ল যিবোৰ তোমাৰ সতেহে উপভোগ কৰিব বিচাৰিছিলো। উঃ ভগৱান তুমি মোক কুমাৰীতে মাৰি নিব খুজিছা। শিৰত সেন্দুৰৰ পবিত্ৰ ফোঁটটোৰো যোগ্য নহলো মই।

এনেদৰে সেহাই সেহাই বহুসময় কথা কৈ তাই ভাগৰি পৰিল। মোৰ নিজৰ ওপৰতে খং উঠিছিল। কিয়, কিয় এজনী ছোৱালীক ভাল পোৱাৰ এনাজৰীৰে বান্ধি ৰাখি এনেদৰে অনাদৰ কৰিলো। ঘৰৰ মানুহখিনিও কিয় এনে কাণ্ডজ্ঞানহীন হব লগা হ'ল। কাবেৰীয়ে মোকনো নজনালে কিয় আগতিয়াকৈ।

সুধিবৰ ইচ্ছা আছিল বহুত কথা। মৰম সনা হাতৰ পৰশ আৰু চাৱনিৰে বুজাব খুজিছিলো বহুত কথা। এনেতে শুণা পালো ঘৰৰ সকলোৰে কান্দোনৰ ৰোল।

তাইৰ মৃত্যু হলেও তাইক পিছদিনাৰ পৰা আকৌ লগ পাব ধৰিলো। অৱশ্যে দিনত নহয় ৰাতি, পোহৰত নহয় এন্ধাৰত। বৰ্ত্তমান মোৰ প্ৰেম মোৰ ভাল পোৱা এজনী লোক চক্ষুত নিৰাকাৰ। আজি মোৰ তেজ মঙহৰ গাভৰুৰ প্ৰতি লালসা নাই। নাই কামনাৰ তাৰণা। আছে মাথো এজনীৰ বাবে মোৰ এই যৌৱন, যৌৱনৰ ঈপ্সা। সকলোতে লগ পাওঁ তাইক। সেয়ে মোৰ তৃপ্তি।

শ্ৰুতিমালাই ডায়েৰীৰ পাতবোৰ উত্তেজনাৰে লুটিয়াই বগৰাই গৈ উপলব্ধি কৰিবলৈ চেষ্টা কৰিলে। ★

⁕⁕⁕

ঈশ্বৰ আমাৰ আশ্ৰয়,
তেৱেঁই আমাৰ বল; আৰু দুখকষ্টৰ
সময়ত তেৱেঁই আমাক ৰক্ষা
কৰোঁতা। — গান্ধী —

# "মনৰ কলা ডাৱৰ"

শ্ৰীসুভাষ চন্দ্ৰ কাৰ্দ্দিং
স্নাতক ১ম বাৰ্ষিক কলা

প্ৰনব চলিহাৰ খালী হৈ থকা ভাড়াঘৰটোলৈ মানুহ অহাৰ লগে লগে বিজয়া অলপ গহীন হৈ পৰে। আৰু সুযোগ বুজি সেই ফাললৈ চাই থাকে। জাকজমকতা পূৰ্ণ এটা নতুন পৰিয়াল।

...... বহুত দিন বাগৰি যায় অবিৰাম গতিত নৈৰ সোঁতৰ দৰেই। চাওঁতে চাওঁতে এবছৰ পূৰ্ণ হবলৈ মাত্ৰ চাৰিটা মাহহে বাকী। চকুৰ পচাৰতে আঠোটা মাহ নিঃশেষ হৈ গ'ল। বিজয়াই ইয়াৰ ভিতৰত এদিনো ভাড়া ঘৰটোলৈ অহা মানুহক ভালকৈ চাব পৰা নাই। তথাপি পৰিয়ালটোৰ লোক সংখ্যাৰ প্ৰমাণ অনুমান কৰি মন উৎকণ্ঠা হৈ উঠে কিবা এটা জানিবলৈ। আনহাতে ব্যস্ততা পূৰ্ণ ঘৰুৱা পৰিস্থিতিয়ে সুবিধাও নিদিয়ে অচিনাকীৰ লগত চিনাকী হ'বলৈ। মাজতে দুদিন স্কুল বন্ধ থাঁকোতে লৰা-ছোৱালী দুটামানৰ বাহিৰে আন কোনো মানুহ বিজয়াৰ চকুত নপৰে। নবাগতৰ প্ৰতি হোৱা এই বিজয়াৰ উৎকণ্ঠা অৰূপৰ চকুত নপৰাকৈ নাথাকে। তেওঁক সন্দেহৰ কুঁৱলীয়ে বেঢ়ি ধৰে। এই বিষয়ে কিবা সুধিবলৈকো কৰ্ম্মব্যস্ত বিজয়াই সুবিধা নিদিয়ে। অৰূপ নীৰৱ যদিও তেওঁৰ মনৰ কোনোবা খিনিত যেন এটা কলা চিয়াঁহীৰ দাগ পৰি যায়। "হয়তো বিজয়াৰ অতি গভীৰ চিনাকী নবাগত জন। নতুবা তেওঁলোকৰ অপূৰ্ব্ব জাকজমকতা পূৰ্ণ পৰিবেশ দেখি নিজৰ জীৱনটোৰ প্ৰতি আস্থা হেৰুৱাই পেলাইছে। সেইবাবে বিজয়া চিন্তামগ্ন। ইয়াৰ সত্যতা প্ৰমাণ কৰে বিজয়াৰ উদাস ভাবৰ চলা ফুৰাত"।

শান্তি অশান্তিৰ সংমিশ্ৰণত দিনবোৰ আগবাঢ়ে। বিজয়াৰ এই ৰসাল ৰহস্য উদঘাটন কৰিব পৰা শক্তি জানো কাৰোবাৰ আছে? বিজয়াই মাজে মাজে কাঢ়ে একোটি কৰুণ হুমুনিয়াহ! অৰূপে প্ৰমাদ গণে! দুজনৰ মানসিক মনোবৃত্তি বিজুলী প্ৰবাহৰ দৰে বেলেগ দিশত সমানে বৈ যায়।

সেইদিনা শনিবাৰ। অৰূপে অফিচৰ পৰা আহি চিনেমা চোৱাৰ ব্যৱস্থা কৰে। লৰা-ছোৱালী দুটায়ো আজিকালি আমনি নকৰে। সিহঁত বুজা হৈছে। অৰূপৰ উদ্দেশ্য একো নহয়। মাত্ৰ বিজয়াৰ মানসিক পৰিবৰ্ত্তনৰ প্ৰত্যক্ষ প্ৰমাণ লবৰ অভিপ্ৰায়। তেওঁ সহজ ভাৱেই চিনেমালৈ ওলায়।

অফিচৰ পৰা আহোঁতে অৰূপে ভাড়াঘৰৰ মানুহজনক চিনেমা হলৰ পৰা ওলাই অহা দেখে। সেইবাবেই নিজেও চিনেমাৰ টিকট দুটা কিনি আনে। হয়তো চিনেমা হলৰ কোনোবা খিনিত বহি থকা এই নবাগতক বিৰতিৰ সময়ত বিজুলী চাকিৰ তীব্ৰ পোহৰত দেখি বিজয়াৰ মুখৰ বৰণ সলনি হ'ব; নতুবা ব্যৰ্থ প্ৰেমিকাৰ দৰেই প্ৰেমৰ দাৱানলত চটফটাই থাকিব। তেতিয়াই অৰূপে ৰূপালী পৰ্দাক লক্ষ্য কৰি আৱিস্কাৰ কৰিব পাৰিব বিজয়ৰ মানসিক পৰিবৰ্ত্তনৰ মুল তথ্য।

...... কিন্তু ইয়াৰ পিছৰ অধ্যায় কেনে হব





তাকতো অৰূপে ভৱা নাই। নাৰীৰ কোমল অন্তৰৰ মাজত সোমাই থকা গুপুত বেদনাৰ সন্ধান অৰূপৰ দৰে পুৰুষে ইমান সহজে বুজি নাপায়। যাৰ বাবে ঋষি মুনি সকলেও সময়ত ব্যৰ্থ হৈ পৰিছিল; তাৰ তুলনাত সাধাৰণ মানুহ কোন? আৰু সেই ক্ষেত্ৰত হয়তো বিজয়াই শকুন্তলাৰ ৰূপ লৈ দুষ্যন্তৰ স্মৃতিত মগ্ন নহবও পাৰে।

স্বাভাৱিকতে প্ৰশ্ন উঠে — "অৰূপ নিৰ্বোধৰ দৰেই তুমি কি কৰিছা? বিজয়াৰ উদাস ভাৱ জানো অকল এজনৰ বাবেই? ইয়াৰ বাহিৰেও টো আৰু আন কাৰণ থাকিব পাৰে।" অৰূপে ভবা মতেই চিনেমা হলৰ তীব্ৰ পোহৰত বিজয়াৰ চকু পৰে ভাড়া ঘৰৰ স্বামী স্ত্ৰীহালৰ ওপৰত। তেওঁ এবাৰ ঘুৰি চাই একো নুবুজাৰ দৰেই বহি থাকে। সেই মুহূৰ্ত্তত বিজয়াৰ একো পৰিবৰ্ত্তন চকুত নপৰে; তথাপি তেওঁ অন্তৰত পোষণ কৰা "মনৰ কলা ডাৱৰ" চপৰা আতৰি নাযায়। অৰূপে কেতিয়াবা আচৰিত হয়। ইমান ওচৰত থকা ভাড়াঘৰৰ মানুহৰ লগত পৰিচয় নোহোৱাটো। সি নিজেই নিজক ভাৱে এই ভদ্ৰলোক জনৰ লগত পৰিচয় হোৱাটো সন্মানত আচোঁৰ লাগিব পাৰে বুলি। চিনেমা হলৰ পৰিপূৰ্ণ দৰ্শকবৃন্দলৈ চাই অৰূপে ভাৱ সাগৰত তন্ময় হৈ পৰে।

পিছদিনা দেওবাৰ। কাৰো লগত কাৰো পৰিচয়ৰ সান্নিধ্য ঘটা নাই। সময় বৈ নাথাকে। মাজে মাজে অৰূপে লক্ষ্য কৰে বিজয়াই কৰ্ম্ম বেষ্টনীৰ মাজতে কেতিয়াবা কিবা এটা ভাৱি অচল হৈ পৰে।

হয়তো অতীতৰ কোনোবা এটা পাহৰিব নোৱাৰা মধুৰ দিনলৈ মনত পৰে .........।

এইদৰেই দিনৰ পৰিশ্ৰমৰ অন্তত বিছনাত পৰাৰ লগে লগে বিজয়াৰ চকু জাপ খাই নিদ্ৰাদেৱীৰ কোমল পৰশত। অৰূপৰ চকুত কিন্তু টোপনি নাই। পৰি থাকে বিছনাত নিদ্ৰাহীন অৱস্থাত ......।

তেওঁ ঘণ্টাৰ পিছত ঘণ্টা কটাই দিয়ে নিদ্ৰাহীন ৰজনী। এবাৰ উঠি আহি সন্দেহ পূৰ্ণ দৃষ্টিৰে বিজয়াৰ মুখখন চাই লয়। অৰূপৰ ভাৱৰ গভীৰতা পাতল হৈ আহে। নিৰ্বাক ভাৱে দুচকু মুদি বিছনা খনত পৰি থাকে। লগে লগে মনৰ সেমেকা ডাৱৰ ছটা অতৰ্কিতে আতৰি যায়।

বিজয়া অসুস্থ হৈ পৰাত সেইদিনটো অৰূপে অফিচলৈ যাত্ৰা কৰে এবুকু অশান্তিৰ ছাঁ লৈ। কাৰণ তেওঁ অফিচলৈ যাবৰ সময়ত বিজয়াই বিছনাত পৰি থকা অৱস্থাত। অৰূপে অফিচ পায়েই নিজৰ কাম পৰিপাটিকৈ কৰি যায়। অলপ পিছতে অৰূপৰ টেলিফোন বাজি উঠিল "Hallo, Arup, Bijoya Serious come sharp" অৰূপে অফিচৰ পৰা লৰালৰিকৈ আহিছে যদিও দুচকুৰ পৰা সৰি পৰে তপত চকুলো একাজলী। কিন্তু ঘৰলৈ আহি স্বপ্নৰো অগোচৰ দৃশ্য দেখি নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰা হৈ পৰে। বিছনাত পৰি থকা বিজয়াৰ মূৰ শিতানত বহি বিচি আছে ওচৰৰ ভাড়াঘৰৰ নবাগতা মহিলা গৰাকীয়ে। অৰূপে অবাক দৃষ্টিৰে ৰ'ল। তেওঁ ভাৱিব নোৱাৰে। তেওঁ কাক কি সুধিব একো থিৰাং কৰিব নোৱাৰি বিছনাখনৰ ওচৰলৈ গৈ ঘপকৰে সুধি পেলায় - 'গা বৰ বেয়া হৈছে নেকি?" বিজয়াই অতি কষ্টেৰে উত্তৰ দিলে নাই লগা, অথনিতে বৰ বেয়া লাগিছিল, কি হৈছিলে মই নিজেও কব নোৱাৰিলো।

"অথনি বেয়া লগা" বোলা কথাষাৰৰ অৰ্থ বুজা অৰূপৰ টান হোৱা যেন দেখি মহিলা গৰাকীয়ে নিজেই

মাত দিয়ে। "এওঁ এবাৰমান বজাত বাহিৰলৈ যাওঁতে পৰি গৈছিল। মই হঠাৎ আগফালে আহি দেখা পাই পৰি থকা অৱস্থাতে পাইছোহি"। সেইবাবে মই তোমা লৈ ফোন কৰিছিলো।

"মইতো কেনেকৈ জানিম এইজনীয়ে যে বিজয়া। মই বহুত দিন মানে কেবা বছৰো শ্বিলংত আছিলো। লগৰ ছোৱালী বোৰক পাহৰিয়ে গৈছো। ইয়ালৈ অহা বহুত দিন হ'ল যদিও ভালকৈ বিজয়াক চকুত পৰা নাই। তাতে এওঁ সদায় ভিতৰতে সোমায় থাকে নহয়।"

"আপুনি তেন্তে এওঁক আগৰ পৰাই চিনি পায়?" — অৰূপে সোধে —। "চিনি পোৱা মানে"? আমি দুয়ো একেখন স্কুলতে একে শ্ৰেণীত পৰা সহ-পাঠী। বিয়াৰ পিছত বিজয়াক দেখাই নাই। এওঁৰ বহুতো পৰিবৰ্ত্তন হ'ল।"

পৰিবৰ্ত্তন বোলা কথাষাৰ অৰূপৰ মুখ মণ্ডলব পৰা সন্দেহৰ কলা পৰ্দাএখন যেন আতৰাই লৈ যায় কোনোবাই সতৰ্কিতে। তেওঁ ভাৱে কি বিজয়াই তেওঁৰ বান্ধৱী গৰাকীৰ কথা ইমান দিনে প্ৰকাশ কৰা নাছিল। আনহাতে তেওঁটো বিজয়াক এই বিষয়ে এদিনো একো সোধা নাছিল।

ইমান দিন সহজ সৰল মানুহ জনীৰক ভুল বুজাৰ বাবে মনলৈ আত্ম গ্লানিৰ অনুশোচনা আহে। তথাপি এনে ভুলৰ পৰিসমাপ্তি ইমান সহজে ঘটিব বুলিও অৰূপে হয়তো ভবা নাছিল। তেওঁ নিৰূপাই হৈ বিজয়াৰ ওচ-ৰলৈ গৈ মূৰত হাতখন দি কবলৈ ধৰিলে —

"তোমাৰ আজিৰ অসুস্থতাই পুৰণি বন্ধুৰ লগত সাক্ষাত ঘটাই দিলে নহয়নে? এখেত আমাৰ ঘৰলৈ অকস্মাতে অহাত ময়ো বৰ আনন্দ পাইছো"। বিজয়া অৰূপৰ কথা কেইষাৰ শুনি এটি হুমুনিয়াহ কাঢ়ে, লগে লগে পুৱতি নিয়ৰৰ দৰে ওলাই আহে দুটোপাল চকুলো। কোনে জানে ই কিহৰ চকুলো? ★





# অব্যক্ত বেদনা

— লীলা মহন —
স্নাতক ৩য় বাৰ্ষিক (কলা)

নয়নতৰাই নিঃশব্দে বহুত দিনৰ পৰা বন্ধ হৈ থকা খিৰিকিখন খুলি দিলে। এই একাশৰীয়া কোঠাটোৰ খিৰিকিখন আজি চাৰিবছৰৰ আগতে বন্ধ কৰা হৈছিল আৰু আজি খোলা খিৰিকিখনেৰে এচাটি মন জুৰ পৰা বতাহে তাইৰ কপালৰ আগত অন্যমনস্ক ভাৱে ঢৌ খেলি থকা চুলি কেইডালক আমনি কৰি গ'ল। তাই কোঠা-টোৰ বাকীকেইখন খিৰিকিও খুলি দি এফালৰ পৰা ইমান দিনে মকৰাজালেৰে সৌন্দৰ্য্য বৃদ্ধি কৰা চুক-কোণবোৰ সাৰি চফা কৰি দিলে। আজি নয়নতৰাৰ বহুত কাম কৰিবলৈ আছে। আজি যেন তাইৰ বহুত দিনৰ সাধনা আৰু কেইঘণ্টা মানৰ ভিতৰতে ফলৱতী হ'ব।

সেইয়া প্ৰায় চাৰি বছৰৰ আগৰ কথা; জুপী-তৰা, নয়নতৰা আৰু পলাশ তিনিও যেন একে শৰীৰৰে বেলেগ বেলেগ অঙ্গ। তিনিওৰে মাজত এক অবুজ মিল অথচ এক বুজিব নোৱাৰা সাথৰ। জুপীতৰা আৰু নয়নতৰাৰ কাৰণে ভায়েক পলাশ যেন এটা উজ্বল নক্ষত্ৰ। ভায়েকৰ কাৰণে দুয়োজনী বায়েক ভনীয়েকে যেন নিজৰ প্ৰাণো হাঁহি হাঁহি উছৰ্গা কৰিব — এনে আছিল। কিন্তু হঠাৎ যে কি হৈ গ'ল। পলাশ নোহোৱা হৈ গ'ল। আচৰিত ভাৱে সি এদিন ঘৰৰ পৰা নিৰুদ্দেশ হ'ল। তেতিয়া সি একাদশ শ্ৰেণীৰ ছাত্ৰ। জুপীতৰা বিশ্ববিদ্যালয়ৰ চূড়ান্ত বাৰ্ষিকৰ পদাৰ্থ বিজ্ঞানৰ ছাত্ৰী আৰু নয়নতৰা স্নাতক মহলাৰে দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী। সৰুৰে পৰা লাজকুৰীয়া, অল্পভাষী, নিৰ্জু জুপীতৰা সকলোৰে আদৰৰ আছিল। তাইৰ ধীৰ - স্থিৰ, শান্ত - গভীৰ মূৰ্তি দেখি সকলোৱে তাইক সমীহ কৰি চলিছিল। মাক - দেউতাকেও জুপীত-ৰাৰ এই অস্বাভাৱিক শান্ত গভীৰ মূৰ্তি দেখি কত যে জল্পনা কল্পনা নকৰিছিল। কিন্তু পলাশ আৰু নয়নতৰা - সম্পূৰ্ণ বিপৰীত। দুয়োটাৰে আছিল প্ৰাণোচ্ছল হাঁহি, উৎফুল্ল মন, সকলোৰে মন জয় কৰিব পৰা মাৰ্জিত ব্যৱহাৰ। বায়েকৰ পৰা তাহাঁত দুয়োটাই বহুত নজনা কথাই শিকিছিল আৰু জুপীতৰায়ো সকলো পৰিহাৰ কৰি ভায়েক - ভনী য়েক দুটাৰ মাজত নিজকে বিলাই দিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। পলাশ যেন দুয়োজনী বাই - ভনীৰ আশাৰ প্ৰদীপ আছিল।

এদিন পুহমাহৰ কোনোবা এটা শীতৰ আবেলি পলাশ ঘৰৰ পৰা ওলাই গৈছিল। চাৰিমাইল দূৰৰ মোমায়েকৰ ঘৰলৈ বুলি দুদিনৰ কাৰণে যোৱা পলাশ হঠাৎ বাটৰ পৰাই একেবাৰে নোহোৱা হৈ গৈছিল। দুদিনৰ পিছত পলাশ যেতিয়া ঘূৰি নাহিল, জুপীতৰা আৰু নয়নতৰা স্বাভাৱিকতে চিন্তিত হৈ পৰিছিল। তথাপি দুয়োৰে মনৰ ভাৱ অবদমিত কৰি মাক - দেউতাকৰ লগতে শান্তনা লভিবৰ চেষ্টা কৰিলে যে পলাশে হয়তো ইচ্ছা কৰিয়েই কেইদিনমান মোমায়েক বিজয় শঙ্কৰ চৌধুৰীৰ ঘৰত থাকিব। দহদিনৰ পিছতো যেতিয়া পলাশজ্যোতি বেজবৰুৱা নামৰ সেই চঞ্চল তেজোদ্দীপ, মৃদুভাষী ল'ৰাটো ঘূৰি নাহিল, জুপীতৰা আৰু নয়নতৰাৰ লগতে গোটেই ঘৰখনেই সেইদিনা বেজাৰত ভাঙি পৰিছিল। বিজয়শঙ্কৰ

চৌধুৰীয়েও যেতিয়া পলাশৰ বিষয়ে অজ্ঞতা প্ৰকাশ কৰিলে, নয়নতৰাৰ মাক হেমপ্ৰভা পাগলীৰ দৰে হৈ পৰিছিল। দেউতাক চন্দ্ৰকমল বেজবৰুৱা স্বাভাৱিকতকৈ বেছি গহীন হৈ গৈছিল। চকুৰ পানীবোৰ, কলিজাত থুপখাই থকা অব্যক্ত বেদনাবোৰ সময়ৰ গতিত ঠেকা খাই খাই বিলীন হৈ যাবৰ উপক্ৰম হৈ গৈছিল। ছুয়োজনী বায়েক - ভনীয়েক শিলপৰা কপৌৰ দৰে নিঠৰ হৈ গৈছিল। সিহঁতে হাঁহিবলৈ পাহৰি গৈছিল।

বহুত অনুসন্ধান কৰোৱা হ'ল; কিন্তু ক'তো পলাশৰ একো শুংসূত্ৰই পোৱা নগ'ল। কালৰ কোবাল সোঁতত এটা সোতৰ বছৰীয়া ল'ৰা উটি ভঁাহি গ'ল।

নোপোৱাৰ বেদনা সহ্য কৰিব পাৰি কিন্তু পাই হেৰুৱাৰ বেদনা — বৰ মৰ্মান্তিক। সহ্য কৰিব নোৱাৰি।

কিন্তু সময়ে কাৰো বাধা নামানে। এদিন জুপীতৰাও বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ স্থানীয় কলেজ এখনত সোমাল আৰু তাৰ ছুবছৰ পিছতে সমাজৰ চিৰাচৰিত নিয়ম অনুসৰি গৌতম বৰদলৈ নামৰ এজন উদীয়মান যুৱকৰ লগত বিবাহ পাশত আৱদ্ধ হ'ল। এটি উৰণীয়া পক্ষী সজাত বন্দী হ'ল আৰু নয়নতৰাই এজনী মুক্ত বিহঙ্গিনীৰ দৰে নীৰৱে ভায়েকৰ কাৰণে অপেক্ষা কৰি ৰ'ল। তাইৰ ভাৱ হৈছিল পলাশ যেন এদিন উভতি আহিবই। তাইৰ মন, হৃদয় পলাশৰ কাৰণে ব্যাকুল হৈ পৰিল। পলাশ অহাৰ সেই শুভ দিনটোলৈ তাই অসীম আগ্ৰহেৰে বাট চাই ৰ'ল "জননী জন্মভূমি সৰ্গাদপি গৰিয়সি" এই বাক্যটোৰ তাৎপৰ্য্য পলাশ নামৰ সেই প্ৰাণোচ্ছল ল'ৰাটোৰ হৃদয়ে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। সেই কাৰণে এদিন নিজৰ পঢ়া - শুনা, ভৱিষ্যত আদিৰ কথা আওকান কৰি ঘৰৰ কাকো নোকোৱাকৈ মোমায়েকৰ ঘৰলৈ যোৱাৰ অজুহাত লৈ গোপনে সাঁচি থোৱা এটা ঠিকনাৰ পম খেদি গৈ ভাৰতীয় সীমান্ত বাহিনীত যোগ দিছিল। গৈয়েই সি একান্তমনে দেশ মাতৃৰ হকে যুজিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈছিল। তাৰ প্ৰাণত তেতিয়া কেৱল ভাৰত ভূমিৰ জয়গান প্ৰতিধ্বনিত হৈ আছিল। আচৰিত কথা কি আছিল — যি পলাশে মাক - দেউতাক আৰু বায়েক ছুজনীৰ অবিহনে থাকিব নোৱাৰিছিল সেই পলাশৰ যোৱা চাৰিবছৰ ধৰি এবাৰলৈও কাৰোলৈকে মনত নপৰিছিল। পৰিছিল যদিও সেইয়া সামান্য আছিল। দেশমাতৃৰ প্ৰতি থকা অকপট প্ৰেম, শ্ৰদ্ধাই হয়তো ইয়াৰ মূল কাৰণ। আৰু এদিন, কেইবাবছৰৰ পিছত পলাশক মাক-দেউতাক আৰু বায়েকহঁতৰ মৰমে উন্মাদ কৰি তুলিলে। তেতিয়াহে তাৰ অনুশোচনা হ'ল। কেনেকৈ সি সকলোৰে মৰমক তুচ্ছজ্ঞান কৰি একো নজনোৱাকৈ গুচি আহিছিল; তাৰ কাৰণে যি সৰ্বস্ব ত্যাগ কৰিব পাৰে, তেওঁলোকৰ ছাগে তাৰ অনুপস্থিতিত ক'ত ছুদৰ্শা হৈছে। পলাশে হৃদয়ঙ্গম কৰিলে মাক - দেউতাকে ছাগে ইমান দিনে খুউব মানসিক কষ্টত ভুগিছে। একেটা মাত্ৰ পুত্ৰৰ নিৰুদ্দেশৰ বাতৰিয়ে তেওঁলোকৰ মনত কেনেভাৱে ৰেখাপাত কৰিছে পলাশে এতিয়াহে উপলব্ধি কৰিলে। সেয়ে ঘৰলৈ যোৱাৰ বাবে এমাহৰ ছুটী মঞ্জুৰ কৰাবৰ কাৰণে বিভাগীয় কতৃপক্ষৰ ওচৰত আবেদন জনালে। ছুটিমঞ্জুৰ হ'ল।

আগতীয়াকৈ ঘৰত খবৰতো দিবৰ বাবে সি দেউতাকলৈ এখন Telegram কৰিলে।

Telegram খন পায়েই নয়নতৰাই কান্দি পেলাইছিল। আনন্দত তাই চকুলোৰে বাট নেদেখা হৈ গৈছিল। সেইদিনা কিন্তু মাক হেমপ্ৰভাই প্ৰাণ খুলি হাঁহিবলৈ বিচাৰিছিল। দেউতাকেও হাঁহিছিল। সেই হাঁহিবোৰত হাজাৰ হাজাৰ অশ্ৰু বন্যা নামি আহিছিল অজানিতে।





খবৰ পাই জুপীতৰায়ো দৌৰি আহিছিল। ভায়েকে পঠোৱা Telegram খনতে তাই মৰমৰ অজস্ৰ চুমা আঁকি দিছিল। সেইকাৰণে আজি নয়নতৰাই বহুত দিনৰ পৰা ব্যৱহৃত নোহোৱা পলাশৰ কোঠাটো সাৰি পুচি নিকা কৰি পেলাইছে। সেই বন্ধ কৰি যোৱা খিৰিকিখনেদি আগতে নয়নতৰাই তাইৰ নিজৰ কোঠাৰ পৰা ভায়েকৰ লগত কথা পাতিছিল; চুপতি কৰিছিল। সেয়ে পলাশৰ অনুপস্থিতিত সেই খিৰিকিখন তাই একেবাৰে বন্ধ কৰি দিছিল। আজি কিন্তু তাই সকলো খুলি কোঠাটোৰ ৰূপেই সলনি কৰি দিছে। ফুলনিৰ পৰা কেইপাহমান ৰঙা গোলাপ ফুল আনি ফুলদানিটো সজাইছেহি। গোটেই কোঠাটো ধূপ - ধূনাৰে সুবাসিত কৰি তুলিছেহি। তাইৰ ভাৱ হ'ল আজি যেন সময় বোৰ খুউব সোনকালেই পাৰ হয়। বহুত দিনৰ মূৰত মৰমৰ পলাশ আহিব —— কিমান আনন্দ। সঁচা —— যাৰ জীৱনত এনে ঘটনা ঘটে, তেওঁলোকেহে এই আনন্দৰ কথা মৰ্মে মৰ্মে হৃদয়ঙ্গম কৰিব পাৰিব।

তেতিয়া সময় সাত বাজি পাঁচ মিনিট গৈছে। Radio টো খুলি দি নয়নতৰাই আকৌ — মনোযোগেৰে কিবা এটা কৰিবলৈ লাগি গ'ল। হঠাৎ শুনিবলৈ পালে — আজি প্ৰায় চাৰি বজাত অসম অভিমুখে অহা Train এখন লাইন চ্যুত হৈ বেয়াকৈ ছুৰ্ঘটনাত পতিত হৈছে। কেইবাজন যাত্ৰী নিহত হৈছে আৰু বহুত যাত্ৰী আঘাট প্ৰাপ্ত হৈছে। মৃতকৰ নামৰ তালিকাত তেওঁলোকে পলাশৰ নামো শুনিবলৈ পাইছিল। শুণিয়েই মাক হেমপ্ৰভাই বিকৃত চিঞৰ মাৰি ধলি পৰিছিল। দেউতাকে বোবাৰ দৰে, এটা অবুজ শিশুৰ দৰে চাইছিল আৰু নয়নতৰাই — অবিশ্বাস্য যদিও সত্য বাতৰিতোক মনৰ যুক্তিৰে মিছা পতিয়ন নিয়াবলৈ বৃথা চেষ্টা কৰিছিল। কান্দি কান্দি তাই ভাগৰি পৰিছিল আৰু মাজে মাজে উন্মাদিনীৰ দৰে হাঁহিবলৈ ধৰিছিল। জুপীতৰায়ো কান্দিছিল। অত দিনৰ অপেক্ষা, আশা - আকাঙ্খাবোৰ ভাঙি চুৰমাৰ হৈ গৈছিল আৰু তেতিয়াই যেন কোনোবাই দৰদী কণ্ঠেৰে গাইছিল। —

হে ছহীদ তোমাক
শত শত প্ৰণাম
তোমাৰ তেজেৰে ধুই
নিকা কৰিলা,
তোমাৰ মাতৃ ধাম
হে ছহীদ ........। ★



## ★ঃ উত্তৰ ঃ★

শ্ৰীতুলাল বৰা।
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

আহি পোৱা আজি বহুদিনেই হল দেখোন। সিটো মোলৈ অন্ততঃ এখন চিঠিকে পঠাব পাৰে। সিনো ইমানেই অভিমানী হ'লনে ? অন্ততঃ এটুকুৰা কাগজত মোলৈ বুলি কেইটামান শব্দৰ সমষ্টি গোটাই দিব নোৱাৰেনে ? নিদিয়ে! দিবনো কেলেই! মইনো তাৰ হওঁকি ? বা সি চিঠিএখন দিলেই যেনিবা, মইনো তাৰ কৰিদিম কিতো ? চিঠিখনৰ বা উত্তৰকে দিম কি! সি কি লিখিব মইটো জানোৱেইছোন, জানি বুজিনো এইবোৰ কি ভাৱি আছো! ময়োতো তাৰ দৰেই না-জল, না-থল হৈয়েই ফুৰিব লাগিছো। কেতিয়াবা ৰেলৱে প্লেটফৰ্মত, কেতিয়াবা ডিব্ৰুগড় চহৰৰ মাজমজিয়াৰ কোনোবা সু-উচ্চ আট্টালিকাৰ বাৰান্দাত, কেতিয়াবা কোনোবা হোটেলত, কেতিয়াবা আৰু ক'ৰবাত! আৰু ক'ৰবাত!! আৰু ক'ৰবাত!!!

হাঁয়! এইখন কাৰ চিঠি! ভাই-তোৰ আজি মনত পৰিল! আজি ইমান দিনৰ মুৰত। তোৰ যে আজি কি মনত পৰিল, মইটো কল্পনাই কৰা নাছিলো। এইখন তোৰ চিঠিয়েই হয়টো। এতিয়াহে দিঘলীয়া উশাহ লব লগা হ'ল দিলীপ। তোলৈ কি লিখি শান্তনা দিম বাৰু তয়ে ক'চোন! মোৰ যে হাতলৈ কলমটোকে তুলি লব পৰা নাই।

দিলীপ তই মোক আজি বৰ বিপাঙত পেলালি বুজিছ। গোটেই বিশ্বখন আন্ধাৰে আৱৰি পেলালে অ! এই আন্ধাৰে সকলোকে দিক্‌হাৰা কৰি পেলাইছে অ! তাতে আকৌ এই ভয়াবহ সাগৰৰ (সমাজ) পাৰত। তোৰ মোৰ দৰে মানুহৰ আজি এই সাগৰৰ পাৰত ঢৌ খুটি মাৰি জীৱন ধাৰণ কৰাটো অসম্ভৱ দেখিছো বুজিছ। আমাৰ দৰে মানুহৰ আজি এই সাগৰৰ পাৰত জীৱন ধাৰণ কৰাটো বৰ কঠিন হৈ পৰিছে বুজিছ। আমিনো কিয় জীয়াই আছো ক'বকে পৰা নাই, বা মইনো কিয় জীয়াই আছো তাকো কব পাৰো জানো। কি কৰিম! আগলৈ একোটা আশা নিৰাশাৰ মাজত ভৱিষ্যৎ আছে। তাৰ মোহতেই ছাগৈ জীয়াই আছো যেন পাইছো। দিনক দিনে সকলোবোৰ অতীত হৈ গৈ আছে। বাহুতো আমাৰ শক্তি নাই। মইযে এই সাগৰৰ একেবাৰে পাৰতে আছোহি। সিপাৰলৈ যাওঁ বুলি ভাবি আছো। পাৰ হব পৰা যে শক্তি অকনো নাই। সাগৰৰ সোঁত আৰু গভীৰতা বৰ বেছি। বিশাল, প্ৰবল ঢৌ, কোবাল বতাহ; সকলোৱেই আছে। সোঁতো ওলোটা। উজাই যোৱাটো বৰ মস্কিল। আমি এই সাগৰৰ ঢৌ বোৰৰ লগত মিলিগৈ থাকিব নোৱাৰিম। ইয়াৰ পানীবোৰো লুণীয়া। লুণীয়াও বৰ লুণীয়া। হাতত লাগিলে কলাখাৰৰ দৰে চিঙিনিব। গোটেই দিনটোৰ সূৰ্য্যৰ তাপ ইয়াতে পৰে, পানীবোৰো উতলিয়েই থাকে যেন পাইছো। হাতভৰি যেন আমাৰ সিজাই পেলাব। পানীবোৰে বতাহৰ কোবত ইমানেই ঢৌ খেলিছে যে আমাৰ দৰে টুলুঙা নাও বোৰ নহয় কলপ্, জলপ্, কৈ আকৌ উভটি আহিব, নহয় ভাল পাকত পৰিলে সাগৰৰ তলী পাবগৈ। কোনোপধ্যে আগুৱাব নোৱাৰ। এই সাগৰৰ পানীত, এই বিশাল ঢৌৰ লগত যিয়ে কেৱেপ কৰিব পৰা মেশ্বিন নাও চলাব পাৰিব সিয়েই সিপাৰ পাব পাৰিব বা মাজতে থাকি সাগৰৰ ঢৌবোৰত সূৰ্য্যৰ





উজ্জল ৰশ্মি পৰি সৃষ্টি হোৱা ৰূপালী দৃশ্য চাই থাকিব পাৰিব।

আগতে হেনো এই সাগৰৰে পানীবোৰ আজিৰ দৰে নাছিল। ইয়াৰ মাছ কাছ বোৰো বৰ শান্ত আছিল। পানীবোৰো আজিৰ দৰে ইমান উত্তপ্ত নহৈছিল। তাৰো আগতে বোলে ইয়াৰ পানী আৰু নিয়মিয়া আছিল। লোণৰ পৰিমাণো কম আছিল, যাক ব্যৱহাৰ কৰিছিল আমাৰ দেউতাহঁতে। পানী বোৰো ইমান পৰিষ্কাৰ আছিল বোলে, দাপোনত মুখ দেখাৰ দৰে ইয়াটো বোলে মুখ চাব পৰা আছিল। কি বিশুদ্ধ! ইয়াক মানুহে সকলো কামতে ব্যৱহাৰ কৰিব পাৰিছিল। আমাৰ উপৰিপুৰুষে বোলে এই সাগৰৰ বুকুৱেদি নিজে সজা নাৱেৰে দেশ বিদেশৰ লগত ব্যৱসায় বাণিজ্য কৰিছিল। আকৌ নিজ দেশলৈ উভটি আহিছিল - নিৰাপদে, নিৰ্ভয়ে, নিসংকোচে। আজি অলপ দিনৰ পৰা বোলে সাগৰৰ পানীবোৰ নিজে নিজেই উতলিবলৈ ধৰিছে। আমাৰ চকুৰ আগতে চাছোন সদায় কি পৰিবৰ্ত্তন হব লাগিছে। সৌ সিদিনালৈকে আমিয়েই সাগৰৰ পাৰে পাৰে মলয়া বতাহ খোৱা মনত আছে। পিছে সেই মলয়া আজিকালি নোবোৱাই হৈছে। দেউতাই আগতে নিতৌ পুৱাতে উঠি আন্ধাৰে আন্ধাৰে সাগৰৰ পাৰে পাৰে এপাক ফুৰি আহিছিল। দেউতাই আমাক কৈছিল পুৱতিৰ মলয়া বৰ কোমল, স্বাস্থ্যকৰ, মৰম লগা। আজিকালি দেউতাই পিছে আগৰ দৰে যাবলৈ এৰি দিছে। প্ৰায় নোযোৱা দেখি, এদিন মই দেউতাক সুধিলো যে তেওঁ আগৰ দৰে সাগৰৰ পাৰলৈ নাযায় কিয়। তেতিয়া দেউতাই কৈছিল আজিকালি বোলে আগৰদৰে মলয়া বতাহ নবলে। সেই মলয়া বতাহ ক্ৰমান্বয়ে শেষ হৈ গ'ল। মলয়া বতাহ সদায় গছ-গছনি থকা ঠাইত বেছিকৈ বলে। কিন্তু আমাৰ দেশত বৰ্ত্তমান গছ-গছনি কমি আহিছে। সেয়েহে সেই মলয়া বতাহো এইফালে নোবোৱা হৈ পৰিছে। বৰ্ত্তমান যি বতাহ বলিব লাগিছে সেই বতাহৰ উপকাৰ যিমান তাতকৈ অপকাৰ বেছি। সেয়েহে সেই মলয়া সেৱন নকৰাই ভাল। এই বতাহ আগৰ দৰে মৃদু নহয়। বৰ তীব্ৰ, বৰ বেগেৰে বলে। আমাৰ দৰে লঘু মানুহ বোৰ উৰুৱাই নি ক'ৰবাত পেলাই দিবগৈ।

সেয়েহে সাৱধান বন্ধু! সাৱধান। এই সাগৰ দিনক দিনে ভয়াবহ হৈ আহিছে। সাগৰ বুলিলে ভাবি ছা-চোন কি বিশাল নাম সা......গ......ৰ। এই সাগৰৰ ৰূপ দিনক দিনে বহু পৰিবৰ্ত্তন হব লাগিছে। ইয়াৰ ওপৰেদি বৰ প্ৰবল প্ৰবল বতাহৰ সোঁত বৈ থাকিবলৈ আৰম্ভ কৰিছে। দিক্ বিদিক্ একো ধৰিব নোৱাৰ। সাৱধান কোন মূহুৰ্ত্তত কেনে ঢৌৰ সৃষ্টি হৈ কেনি মহতীয়াব কবকে নোৱাৰিবি। ক্ৰমান্বয়ে ইয়াৰ সোঁত পৰিবৰ্ত্তন হবহে লাগিছে। তয়ো এই পাৰৰ পৰা চোৱাহলে গম পালিহেঁতেন, সাগৰৰ পাৰত বাস কৰা মানুহৰ অৱস্থাৰ বিষয়ে। মোৰ উপৰি পুৰুষে যুগযুগান্তৰ ধৰি এই সাগৰৰ পাৰতে থাকি জীৱন অতিবাহিত কৰি আহিছে। ময়ো কৰিম। কিন্তু বৰ্ত্তমান ই বৰ অসম্ভৱ হৈ আহিছে। মাজে মাজে ভঙাপজা পগলা ঢৌৱে উটুৱাই লৈ যাবলৈ বিচাৰে। সাগৰে মৰাৰ আগতে নিজেই তাৰ বুকুত জাপ দি মৰি থাকিম বুজিছ। তেওঁ জানো জন্মভূমি এৰিদিব পাৰো। কি কৰিবি। মোৰ এয়ে শেষ সিদ্ধান্ত বুজিছ; মইযে অকলে সাগৰক ভেটা দিব নোৱাৰো।

তইতো আকৌ সুধিব পাৰ যে দেউতাই কোৱা মলয়া বতাহ জাক কলৈ কেনি বয়। তেতিয়া তোক ময়ে কব লাগিব ইয়াৰ বিষয়ে। তাকো শুন। মলয়া বতাহ বৰ শীতল বতাহ। সাগৰৰ পাৰত বয়। ইয়াৰো নিৰ্দিষ্ট সময় আছে। তইতো জানই যে সকলোৱে শান্তি বিচাৰে। গতিকে এই মলয়া বতাহ বোৱাবলৈ তয়ে ময়ে সাগৰৰ পাৰতে থাকি চেষ্টা কৰিব লাগিব। আঁতৰৰ পৰা সম্ভৱ

নহব বা অন্য সাগৰৰ পাৰলৈ যাবলৈ নহব। দেশখন শীতল কৰিবলৈ আমি নিজে কটা গছ গছনি বোৰ আকৌ নিজেই ৰুব লাগিব। সাগৰৰ ঢৌৱে যাতে সহজে পাৰ ভাঙি নিব নোৱাৰে ডাঙৰ ডাঙৰ মঠাউৰি মৰোৱাব লাগিব, আৰু সেই মঠাউৰিও যাতে ভাঙিব নোৱাৰে তাৰবাবেও বৈজ্ঞানিক পদ্ধতিৰ কাষ চাপিব লাগিব। তেতিয়া আমাৰ দেশ গছ গছনিৰে সমৃদ্ধ শীতল দেশ হব। আকৌ সদায় মলয়া ব'ব। সেই মলয়া যেতিয়া পুনৰ আমাৰ দেশত ব'ব তয়ে ভাবি চাছোন, সেই দিনবোৰ, আমাৰ দিনবোৰ, কিমান আনন্দৰ হব। আজিয়েই আহ; আমাৰ দেশৰ শান্তিৰ বাবে, এই সাগৰৰ পাৰত শান্তিৰে বাস কৰিবলৈ হলে, এই সাগৰৰ বুকুত উঠা নতুন জোৱাৰ চাবলৈ হলে, নতুন সূৰ্য্যৰ ৰঙা ৰশ্মি আমাৰ দেশত পৰিবলৈ হলে আমিয়েই চেষ্টা কৰিব লাগিব। সাগৰত উঠা কৃত্ৰিম ঢৌ বোৰ আমি ধ্বংস কৰিব লাগিব। ধ্বংস কৰিব লাগিব ইয়াৰ কৃত্ৰিম পানীৰ সোঁত বোৰ। তেতিয়াহে আমাৰ শান্তি হব, সাগৰৰ সোঁতো মন্থৰ হব, পানীবোৰো পৰিষ্কাৰ হব আৰু সৃষ্টি হব আমাৰ আপোন এখন নতুন সাগৰৰ; য'ৰ পৰা সদায় শান্তিৰ মলয়া ব'ব। ●

আমি আধুনিক বিশ্বৰ লগত সমানে খোজ পেলাব নোৱাৰিম যদিহে আমি ডাঙৰ ডাঙৰ কাৰখানাৰ ক্ষেত্ৰতেই হওক নাইবা সৰু সৰু গাঁৱলীয়া উদ্যোগৰ ক্ষেত্ৰতেই হওক নতুনতম নিৰ্মাণ শৈল গ্ৰহণ নকৰোঁ; আৰু যদি আজিৰ পৃথিৱীত পাব পৰা নতুন নতুন শক্তিৰ উৎস সমূহৰ উপযুক্ত প্ৰয়োগ নকৰোঁ। — নেহৰু

ডিব্ৰুয়ান

## প্ৰতিভাৰ জিলিঙণি



**শ্ৰীযুত অম্বেশ্বৰ চেতিয়া ফুকন**
স্বনামধন্য কবিতা কোঁৱৰ



**কনক দেউৰী**
মহাবিদ্যালয়ৰ NCC
কেডেট আণ্ডাৰ অফিচাৰ



**সঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা**
সদৌ অসম ভিত্তিত আয়োজিত যোগানন্দ বৰগোহাঁই সোঁৱৰণী (উত্তৰ লক্ষীমপুৰ) কটন মহাবিদ্যালয় নবীন লেখক-লেখিকা আৰু টাই আহোম যুৱ সংগঠনৰ দ্বাৰা আয়োজিত কবিতা প্ৰতিযোগীতাত পুৰস্কৃত হৈ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে !



**বিপুল বৰা**
বছৰৰ শ্ৰেষ্ঠ অভিনেতা



**সোণমনি দাস**
শ্ৰেষ্ঠ মৌন অভিনেতা তথা
নাট পৰিচালক



**লাকী বৰবৰা**
ছোৱালীৰ চট্‌পুট আৰু
পাঞ্জাত ১ম স্থান প্ৰাপ্ত



**নৱকুমাৰ গগৈ**
যাৰ কণ্ঠত নিনাদি উঠে
সুৰ আৰু সংগীতৰ ঝংকাৰ

## • প্ৰতিভাৰ জিলিঙণি

তামিলনাডুত অনুস্থিত বি,এল,চি কেম্পত সোণৰ পদক প্ৰাপ্ত উত্তৰ পূৰ্বাঞ্চলৰ বেষ্ট্ লিডাৰচিপ তথা মহাবিদ্যালয়ৰ চিনিঅৰ আণ্ডাৰ অফিচাৰ N.C.C.



প্ৰসন্ন কুমাৰ চেতিয়া

বছৰৰ শ্ৰেষ্ঠা মহিলা খেলুৱৈ



অনিমা গগৈ

পেশী মানৱ



উত্তম কোঁৱৰ

# "সুবিচাৰ"

শ্ৰীবাতুল কুমাৰ মেছ
বি, এচ, চি, ১ম বাৰ্ষিক

মেৰী এইমাত্ৰ তাইৰ কোঠাৰ পৰা ওলাই গৈছে। মই ছোৱালী বা তিৰোতা বিলাকক বুজিবলৈ যিমান সহজ বুলি ভাবিছিলো সিমান সহজ নহয়। তেওঁলোক বৰ বিচিত্ৰ। প্ৰথমতে মই সহজ হব বুলিয়েই ভাবিছিলো, কিন্তু এতিয়া দেখিছো সিমান নহজ নহয়। নাৰী বহুৰূপী, বিভিন্ন ৰূপত নাৰীক পোৱা যায়। তেওঁলোকৰ গাত কোমলতা, সৰলতা, কঠিনতা আটাই বিলাক গুণেই থকা দেখা যায়। সময়ত হয় মাতৃ, পত্নী, ভগ্নী আৰু কেতিয়াবা দানবৰ দৰে হৈ পৰে ভয়ঙ্কৰী। তাৰ উদাহৰণ বুৰঞ্জীয়ে আমাক দিয়ে। মেৰীও আছিল এজনী কোমল হৃদয়ৰ মৰম প্ৰয়াসী ছোৱালী।

মই যেতিয়া এই কল'নীলৈ নতুনকৈ আহোঁ, তেতিয়াই মই মেৰীক দেখিছিলো। ওখ ছোৱালীজনী। দেখাত ছোৱালী জনী ধুনীয়া, যেন যৌৱনৰ একুৰা অম্লান বহ্নি। নিলাজৰ দৰে মই তাইলৈ চাই আছিলো। ছোৱালীজনী সচাঁই ধুনীয়া। জোঙা নাক, অমিতাটোৰ আকৃতিৰ কোমল আলসুৱা মুখখন, খামোচীয়া ককাঁল, ওখ বুকুখন, দুটা নিটোল কলাফুল আৰু চকুদুটা — সচাঁই কি যে ধুনীয়া। ওঠত ঢৌখেলি থকা লাস্যময় হাঁহি। এই সকলোবোৰ মিলি মেৰীক কৰি তুলিছিল অনন্যা। মেৰুণ ৰঙৰ চুটি ফ্ৰকটোৱে তাইক অপূৰ্ব দেখুৱাইছিল। "ছোৱালী বোৰ বাৰু ইমান ধুনীয়া কিয় হয়" — মনতে মই ভাবিছিলো। প্ৰথম দেখাতে যৌৱন দীপ্তা তাইৰ শৰীৰৰ ৰূপৰ প্ৰয়োভৰে মোক চমক লগাইছিল। তাইৰ জীৱনৰ বিষয়ে জানিবৰ মন গ'ল। কিয় নেজানো মেৰীৰ প্ৰতি মোৰ এটা অহেতুক মৰম উপজিছিল।

প্ৰথম দিনা দেখি মোৰ মেৰীৰ প্ৰতি যি ভাৱ হৈছিল, এই দুটা বছৰ থকাৰ পাছত মই তাইৰ বিষয়ে চিন্তা নকৰা কৈ থাকিব নোৱাৰিলো। মই লক্ষ্য কৰিছিলো মেৰীৰ লগত কিছুমান থাৰ্ডক্লাছ বয় ফ্ৰেণ্ড প্ৰায়ে থাকে। সিহঁতে তাইৰ লগত কথা পাতিছিল, অশ্লিল ভাষাৰে জোকাইছিল। সিহঁতে সুবিধা পালেই মেৰীক অশ্লীল ইংগিত দিছিল। মোৰ মূৰটো গৰম হৈ উঠিছিল। কিন্তু তাই সিহঁতক কোনোদিনে দুৰ্ব্যৱহাৰ কৰা নাছিল। বৰঞ্চ মেৰীয়ে তেওঁলোকক ভদ্ৰভাৱে ধন্যবাদ জনাই প্ৰত্যাখ্যান কৰিছিল। সকলো কথাকে তাই সহজ ভাৱে গ্ৰহণ কৰিছিল।

মেৰী আৰু মোৰ মাজত চিনাকী হৈছিল জানুৱাৰী মাহৰ কোনোবা এটা দিনত। তেতিয়া মোৰ এই কল'নিলৈ নতুনকৈ অহা বেছিদিন হোৱা নাছিল। গতিকে দুই এজনৰ বাহিৰে বৰ বেছি চিনাকিও নাই। সেইদিনা মই অফিচলৈ যোৱা নাছিলো। হঠাৎ মেৰীয়ে মোৰ ওচৰলৈ আহি অনৰ্গল প্ৰশ্ন কৰি মোক ব্যতিব্যস্ত কৰি পেলাইছিল। যেন তাইৰ আৰু মোৰ বন্ধুত্ব অনেক দিনৰ। মই অলপ অপ্ৰস্তুত হৈছিলো। কাৰণ এনে এটা পৰিস্থিতিৰ বাবে মই অকনো প্ৰস্তুত নাছিলো। মোৰ মুখৰ ৰং সলনি হৈ গৈছিল। মই অতি গহীন ভাৱে মেৰীৰ ফালে চাই তলমূৰ কৰিছিলো। কিছুসময় নীৰৱ হৈ নিজকে প্ৰস্তুত কৰি যিমান পাৰো প্ৰশ্ন বিলাকৰ উত্তৰ দি গলো। এনেদৰে আলাপ আলোচনাৰ মাজেৰে আমি দুয়ো চিনাকি হৈছিলো। আৰু

যোৱাৰ সময়ত তাই মোৰ সেমেনা পৰা মুখখনলৈ খুচুৰা হাঁহি এটি দলিয়াই পঠিয়াইছিল। মই মোৰ বুকুৰ ধপ্-ধপনি নিজেই শুনিবলৈ পাইছিলো। তাইৰ ব্যৱহাৰত মই আচৰিত হৈছিলো। ভাবিছিলো কিমান চঞ্চল আৰু নিলাজ ছোৱালী তাই।

সেইদিনাৰ পৰা মেৰী মোৰ ওচৰলৈ মাজে মাজে আহে। তাই অলপো সংকোচ নকৰাকৈ একেলগে বহি ইটো সিটো কথা পাতে আৰু গুচি যায়। তাই যোৱাৰ পাছত মোক কিছুমান খেলি মেলি প্ৰশ্নই আগুৰি ধৰেহি।

মোৰ এই কল'নীলৈ অহা কেইবাবছৰৰ পাছত মেৰীৰ বিষয়ে মই বিভিন্ন ধৰণৰ কথা শুনিবলৈ পাইছিলো। কিন্তু মই কাকো বিশ্বাসে কৰিব পৰা নাছিলো। মই দেখিছিলো প্ৰতি সপ্তাহে মেৰীয়ে বেলেগ বেলেগ বয় ফ্ৰেণ্ডৰ লগত ফুৰিছিল।

লাহে লাহে মইও ভাবিবলৈ বাধ্য হলো মেৰী বাস্তৱতে এগৰাকী চৰিত্ৰহীনা ছোৱালী। তাইৰ বিষয়ে শুনা কথাবিলাক প্ৰকৃততে সচাঁই। কেতিয়াবা সেই কাৰণে তাইৰ প্ৰতি মোৰ খুব খং উঠে। খণ্ডত বহুত কিবা-কিবি কম বুলি ভাবো কিন্তু মেৰীৰ আকৰ্ষণীয় ৰূপৰ সৌন্দৰ্য্যই মোক মোহাচ্ছন্ন কৰি ৰখাৰ বাবেই মই তাইক একো কব পৰা নাছিলো। আকৰ্ষণীয়! সচাঁই; আকৰ্ষণীয় ৰূপ জীৱনত বহুতো লগ পাইছো কিন্তু এই ছোৱালী জনী যেন বিশেষ এটা বেলেগ গঢ়ৰ।

এদিন যেতিয়া মেৰী মোৰ ওচৰলৈ আহিল মই আৰু বৈ থাকিব নোৱাৰিলো। মোৰ অসহ্য লাগিল।

"মেৰী!" মই মাতিলো।

"উঁ!" মেৰীৰ প্ৰত্যুত্তৰ।

"তোমাক মই এটা কথা কম বুলি ভাৱিছো মেৰী। তুমি বেয়া নোপোৱাতো ?"

তাই গম্ভীৰ ভাৱে কৈছিল "কোৱা।"

"আচলতে মই তোমাক ঠিক সেইবিলাক কথা কবলৈ বিচৰা নাই। কথাবোৰ মানুহৰ মুখে মুখে শুনি আছো কিন্তু কাৰো কথা কাৰো লগত নিমিলে। মনত শংকা নানা চিন্তা আৰু উদ্বিগ্নতাই মোক বাধ্য কৰোৱা বাবেহে ক'বলৈ বিছাৰিছো। ... ... ...

... ... ... তুমি কি কবলৈ বিচাৰিছা মই বুজিছো। — মেৰী বহাৰ পৰা উচাংমাৰি থিয় হল আৰু মোৰ কথা শেষ নৌহওঁতেই তাই কৈছিল— "তোমাৰ আৰু একো কোৱাৰ প্ৰয়োজন নাই।" তাইৰ মনৰ ভিতৰত যিয়েই নেথাকক প্ৰকাশ্যে এই আলোচনা তাইৰ সহ্য নহয়; "এই আলোচনা আজিলৈ থাওক য়াচিন, মই এতিয়া যাওঁ, মোৰ অলপ কাম আছে।" মেৰীয়ে কৈছিল।

একো নকৈ মই তাইৰ মুখলৈ একেথৰে চাই ৰৈছিলো। তাৰ পাছত কৈছিলো — "যোৱা তেন্তে।"

...... পুনৰ লগ পাম। এই বুলি কৈ মেৰী গুচি গৈছিল।

"বৰ ৰহস্যময়ী, বৰ বিচিত্ৰ চৰিত্ৰৰ এই ছোৱালীজনীক মই কি ক'ম বুলি ভাবিছিলো আৰু তাই কি ভাবিলে।" মই মুখৰ ভিতৰতে ভোৰভোৰালো।

মেৰীক মই পুনৰ এজন বেলেগ লৰাৰ লগত দেখিছিলো। লৰাজনক মই বহুত দিনৰ পৰা চিনি পাওঁ। এই কল'নীৰ সকলোৱে তাক বেয়া পায় কাৰণ লৰাটো অলপো সুবিধাৰ নহয়। এই কল'নীত তাৰ এটা বদনাম আছে। সি কোনোবা ছোৱালীক অকলশৰে পালেই





তাইক আশালীন ব্যৱহাৰ কৰিবলৈ বিচাৰে। মেৰীক তাৰ লগত দেখি মোৰ মূখত লাগি থকা হাঁহি কনো নাইকিয়া হৈ গৈছিল আৰু মই একেবাৰে জথৰ লগা মানুহৰ দৰে হৈ পৰিছিলো। মই মেৰীক কি বুলি বুজাম ভাৱিব পৰা নাছিলো। মাথোন চুচকুত বৈ গল প্ৰশ্নবোধক চাৱনি।

কিছুদিন পিছত মেৰী এদিন মোৰ ওচৰলৈ আহিছিল। আগৰ দৰে খা-খৱৰ গতানুগতিক ভাৱে সুধিছিল। উত্তৰ দিব লাগে বাবেই যেন উত্তৰ দি গৈছিলো। কিন্তু আগ্ৰহ মোৰ অকনো নাছিল।

"তোমাক দেখোন আজি খং উঠা যেন লাগিছে। কি হল? গা-ভাল নহয় নেকি?" — গহীন ভাৱে তাই সুধিলে।

"নাই নাই। মোৰ একো হোৱা নাই। আৰু তোমাক নো মই কিয় খং কৰিম?" মই অলপ কঠুৱা ভাৱত কলো।

"তেতিয়াহলে মোৰেই খং উঠিছে নেকি?" এইবুলি কৈ মেৰীয়ে খিলখিল কৈ হাঁহিছিল। তাইৰ উচ্ছল হাঁহিটো ওচৰৰ বেৰত থেকা খাই ভাগি গৈছিল। মইয়ো এনেয়ে হাঁহিছিলো।

"চোৱা মেৰী, আজি মই তোমাক বহুত কথাই কম বুলি ভাৱিছো। কিন্তু তুমি যিকোনো ভূল ধাৰণা কৰাৰ আগতে মোৰ সম্পূৰ্ণ কথাখিনি শুনি লবা ...... আৰু যদি তোমাৰ হাতত সময় আছে কথাখিনি প্ৰথমতে মনদি শুনি লবা। অৱশ্যে তুমি যদি বেয়া নোপোৱা।

"আজি মোৰ হাতত বহুতেই সময় আছে। তুমি নিশ্চয় কব পাৰা। বেয়া পাম কিয়? কি বাৰো?" — ব্যস্ততাৰে তাই কলে।

মেৰীৰ চঞ্চলতাত অলপো পৰিবৰ্ত্তন দেখা নগল। তাইৰ চকুযুৰি কৌতুহলত তিৰবিৰাই উঠিছিল। ছুটি সোণালী চুলিখিনিয়ে কপালৰ আগত পৰি বাৰে বাৰে আমনি কৰা বাবে তাইৰ বগা সুডোল নিবাধৰনা হাত খনেৰে চুলিখিনি আতৰাই থৈছিল। উন্মুক্ত যৌৱনক লুকুৱাই ৰখাৰ কোনো প্ৰয়াস মেৰীয়ে কৰা নাছিল। সেয়ে মই বাৰে বাৰে অন্যমনস্ক হৈছিলো। মেৰীৰ সমগ্ৰ দেহৰ ওপৰত মোৰ লুব্ধ দৃষ্টি বৈ গৈছিল। তাই সকলো বুজিছিল।

"এইবিলাক কবলৈ মোৰ কোনো অধিকাৰ নাই আৰু তোমাক এইদৰে বাধা দিবলৈকে বা মই কোন? কিছুদিনৰ বাবে মই এইখন চহৰৰ আলহী হৈছোহি আৰু এদিন ইয়াৰ পৰা গুচিযাম। হয়তো আমি ইজনে সিজনক বুজিছো, উপলব্ধি কৰিব পাৰিছো। তাতকৈতো বেছি একো নাই। তথাপি এজন প্ৰকৃত বন্ধু বুলি তোমাক নকৈ নোৱাৰিলো। বেয়া বদনাম এটা ওলাবলৈ কিমান পৰ? আজি কালিৰ মানুহে ৰৌটোকে ঢৌটো কৰে। তুমি এটা সভ্ৰান্ত পৰিয়ালৰ ছোৱালী। এজন গন্য-মান্য ব্যক্তিৰ ছোৱালী। এজনী শিক্ষিতা আৰু ৰূপতো তুমি ধূনীয়া সেয়ে তুমি নিজৰ তথা পৰিয়ালৰ সন্মানাৰ্থে যোৱাটো উচিত আছিল। কিন্তু তোমাক ইয়াৰ ব্যতিক্ৰম যেন লাগে। ওচৰ-চুবুৰীয়াই তোমাক যেন ব্যংগাত্মক দৃষ্টিৰে চাবলৈ ধৰিছে। মই তোমাক আন দহজনে কোৱাৰ দৰে কোৱা নাই। এজন বন্ধু হিচাপে মই বৰ দুখ পাইছো তুমি এনে ধৰণৰ পথ এৰি নিদিয়া কিয়? ...... জীৱনত সন্মান সকলোতকৈ ডাঙৰ।"

ইমান সময় মেৰীয়ে মোৰ কথাখিনি নিৰৱে শুনি গৈছিল। কপালৰ আগত পৰি থকা সোণালী চুলিখিনি হাতেৰে আতঁৰাই লৈছিল। এই কথাবোৰে হয়তো তাইৰ মনলৈ আনিদিছিল ভীষণ তিক্ততা। তাই নিজৰ ওঁঠদু-খন কামুৰি কিছু পৰিমাণে সংযত হৈ বিৰক্তিৰে কৈছিল

"সন্মান! কেনেকোৱা সন্মান? এই ক'লনীত কাক কেনেকৈ সন্মান কৰিব লাগে সেই বিষয়ে মই নজনা নহয়। বিবেক বোলা বস্তু এটা মোৰ নাই জানো? মই সৰু ছোৱালী নহয়। যি কৰিছো অথবা যি কৰিম তাক মই মোৰ চিন্তা শক্তিৰেই কৰিম। বন্ধু হিচাপে আজিলৈকে মোক কোনেও এনেকৈ কোৱা নাছিল। মোৰ আনবোৰ বন্ধু আৰু তোমাৰ মাজত যেন যথেষ্ট পাৰ্থক্য আছে। নহলে মোৰ এই বন্ধুত্ব এক সপ্তাহতকৈ বেছিদিন নগল হেতেন। বন্ধুত্ব গঢ়িতোলাত মোৰ সম্পূৰ্ণ অধিকাৰ আছে। এই বন্ধুত্ব যদি শৰীৰৰ সম্পৰ্কলৈ পৰিবৰ্ত্তন নহয় তেনেহলে যুৱক যুৱতীৰ সেই বন্ধুত্বৰ বাবে মানুহৰ কোনো ক্ষতি নহয়। মানুহ বোৰৰ মনবোৰ ইমান নীচনে? কিছুমান বিবেচনা নোহোৱা মানুহে মোৰ ভাল বেয়া কথা বিচাৰ কৰে, বাঃ কি শ্ৰদ্ধা!" — তাই অলপ কঁপি উঠিছিল। বুধহয় ঘৃণাত, বিৰক্তিত! বিদ্বেষত! মই একো কোৱা নাছিলো। সেয়ে তাই পোনৰ কৈছিল —

"এই কল'নীত ঠাইখাই থকা অতবোৰ মানুহৰ মোৰ কথা শুনিবলৈ কাৰো আহৰি নাই। আজিলৈকে কিমান মানুহ লগ পালো মই, কিন্তু কাৰো অন্তৰৰ সৈতে মুখা মুখী হব নোৱাৰিলো। কোনেও মোৰ কথাবোৰ বুজিবলৈ চেষ্টা নকৰে বা নোবোজে। সকলোৱেই নিজৰ সমস্যা লৈ ব্যস্ত। সকলো ব্যক্তিৰ এটাই মাত্ৰ ইচ্ছা থাকে অলপ সুবিধা পালেই নানা ধৰণৰ নাটকৰ প্ৰেমৰ সংলাপেৰে চিঠি লিখি মোক ব্যতিব্যস্ত কৰি পেলাই। "মেৰী মই তোমাক ভাল পাওঁ। তোমাৰ ৰূপত জ্বলি জ্বলি মৰিছো। বিশ্বাস কৰা ... ... ...।" সেইকাৰণে মোৰ বন্ধুত্ব বেছিদিন নাথাকে। জানা য়াচিন, দেশে দেশে সমাজ ব্যৱস্থা বেলেগ, বেলেগ মানুহৰ আচাৰ ব্যৱহাৰ, কিন্তু মানুহৰ কিছুমান অনুভূতিৰ আচৰিত মিল আছে।" কিছুপৰ নিৰ্বাক হৈ থকাৰ পাচত মই সুধিছিলো। —

"তুমি কেতিয়াবা প্ৰেমত পৰিছিলা মেৰী?"

"প্ৰেম?" কৰিছ! ডেকালৰা বহুতৰ সংস্পৰ্শলৈ আহিলো কিন্তু চবৰে চকুত সেই একেই দৃষ্টি দেখিলো। একেই কামনা। ছেক্স! ছেক্সৰ বাহিৰে যেন সিহঁতৰ কাৰণে এই পৃথিৱীত একো নাই। ভাল পোৱাৰ অভিনয়। তাৰ পিছত দেহাৰ আবেদন। কিন্তু দেহাৰ ক্ষুধা পূৰণতে জানো প্ৰেমৰ সাৰ্থকতা? দেহাৰ প্ৰয়োজনে আমাক কাষ চপাই আনে। ক্ষণিক সঙ্গম তাৰ পিছত আকৌ সেই একেই জীৱন। আজিলৈকে মোক তেওঁলোকৰ প্ৰকৃত বন্ধু বুলি ভবা এজনো নাপালো। সিহঁতৰ চকুত ভাষা, হাঁহি আৰু আদি ভঙ্গিত মই সিহঁতৰ ইঙ্গিত ধৰিব পাৰিছিলো। তাত কিন্তু মোৰ অলপো পাপ নাছিল কিয়নো এই দিন বিলাকেইটো বন্ধু - বান্ধৱীৰ সতে মনোৰঞ্জন কৰাৰ জীৱনৰ ৰঙীন সপোন দেখাৰ, বিয়া হৈ যোৱাৰ পাছত নিজৰ তথা ঘৰখনৰ কৰ্মব্যস্ততাৰ পৰাই দেখোন আজৰি নাপায়। তাৰোপৰি আমাৰ ৰক্ষণশীল সমাজৰ কিছুমানে লৰা ছোৱালীৰ এনে সহজ বন্ধুত্বক সহজ চকুৰে নাচায়। যি ছোৱালীয়ে এই বিলাকলৈ আগ বাঢ়ে তেওঁ সমাজৰ চকুত দূষী হৈ পৰে। তোমাৰ পৰামৰ্শৰ প্ৰতি মোৰ অশেষ ধন্যবাদ। তোমাক চিৰজীৱন মনত ৰাখিম।" একে ৰাহে মেৰীয়ে কথাখিনি কৈ গৈছিল। কথাখিনি কওঁতে মেৰীৰ পদুম ফুলৰ পাপৰি সদৃশ সৰু ওঁঠ দুটি কঁপি উঠিছিল।

কিছুসময় নিৰৱে পাৰ হ'ল।





"তুমি কিয় বিয়া নোহোৱা?" নিৰৱতা ভংগকৰি মই সুধিছিলো। "বিয়াৰ পিছত অন্ততঃ এই বদনামৰ পৰা সাৰিব পাৰিবা।"

"বিয়া!" মেৰীয়ে হাঁহি হাঁহি কৈছিল — "মই এডভান্সাৰাচ্ নিশ্চয় কিন্তু মই এইটো কব নিবিচাৰো যে মোৰ কেৰিয়াৰ গঠনৰ পাছত মা-দেউতাৰ অনিচ্ছাই বিয়া হম। কাৰণ যি মোক জন্ম দিছে আদৰেৰে তুলি তালি ডাঙৰ দীঘল কৰিছে তেওঁলোকৰ জীৱনলৈ সুখৰ পৰিবৰ্ত্তে তিক্ততা কঢ়িয়াই আনিবলৈ মই নিবিচাৰো। আনহাতে ভাল পোৱা এটা বেলেগ মনোভাৱ আৰু বিবাহ এটা বেলেগ ক্ৰিয়া। বন্ধুত্বৰ খাতিৰত মই সকলোকে ভাল পাব পাৰো, সকলোৰে লগত ফুৰিব পাৰো, তাত মোক কোনেও বাধা দিব নোৱাৰে। কিন্তু সেই বুলিয়েই অতিমাত্ৰা মুকলি মূৰীয়া হৈ ফুৰাটোও নিশ্চয় উচিত নহয়। মই যিমান ল'ৰা লগ পাইছো চবেই ঠিক এনেকৈয়ে কয়। "মই হেনো ধুনীয়া, মোৰ ৰূপ আছে, মই বিয়া হব লাগে ... ... ...।" এই বুলি কৈ মেৰীয়ে মোৰ পৰা বিদায় লৈছিল আৰু তাই বাটে বাটে ভাৱিছিল —

ল'ৰা জনক মই নিতান্ত সাধাৰণ ভাৱে লগ পাইছিলো আন বহুত মানুহ লগ পোৱাৰ দৰে। কিন্তু এই সাধাৰণ চিনাকি ঘনিষ্ঠতাত পৰিণত হৈছেগৈ। সম্ভৱ এই ঘনিষ্ঠতাৰ বাবে মইয়ে বেছি দায়ী! ল'ৰাৰ লগত মোৰ সান্নিধ্য বেছি আৰু বন্ধুত্ব হবলৈ এই সান্নিধ্যটো নিতান্তই প্ৰয়োজন। যি কি নহওক তেওঁ মোক সদায় বেলেগ চকুৰে চাই আহিছে আৰু ময়ো। সম্ভৱ আমি ইজনে সিজনক বুজি পাইছো।

সেইদিনা মই অফিচৰ পৰা উভতি আহোতে সন্ধিয়া প্ৰায় সাত মান বাজিছিল।

... ... ... ভোক লাগিছিল যথেষ্ট। লৰালৰি বেডচাইড টেবুলত মই ভাল পোৱা এখনি খাদ্য বস্তুৰ প্ৰদৰ্শনী উদ্বোধন কৰি মই গৱেষণাত ব্যস্ত। এনেতে কোনোদিন ৰাতি নহা মেৰীক হুৰমুৰাই সোমাই অহা দেখি প্ৰথমতে মই আচৰিতেই হৈছিলো। মই তাইক বহিবলৈ কৈছিলো। হঠাৎ তাই মোক এই অৱস্থাত দেখা পোৱাত মই মনে মনে বৰ লজ্জিত অনুভৱ কৰিছিলো। কি ভাবিছে বাৰু মোক? গৱেষণাৰ সামৰণি মাৰি ময়ো তাইৰ লগত বহিলোগৈ। লগে লগে মই মেৰীলৈ চাইছিলো, মেৰীয়েও চাইছিল মোলৈ। তাইৰ চকুত জিলিকি উঠিছিল নিয়ৰ কণাৰ দৰেই পানীৰ কণিকা। মুখ বিবৰ্ণ।

দুয়ো বহুপৰ নিৰৱে আছিলো।

"কিবা কবা মেৰী?" নীৰৱতা ভঙ্গ কৰি মই সুধিছিলো।

"ওঁ।" তাইৰ প্ৰত্যুত্তৰ।

"কোৱা।"

আকৌ নীৰৱতা।

নিঃশব্দতাই আদৰি আনিছিল গহীন নীৰৱতাক। আন্ধাৰে আদৰি আনিছিল অন্ধকাৰৰ গহীনতাক। এইদৰে অতিক্ৰম কৰি নীৰৱ গহীন সন্ধিয়াটো লাহে লাহে নিশাৰ বুকুলৈ সোমাই গৈছিল। চহৰৰ বুকুত জ্বলি উঠা ষ্ট্ৰীট লাইট বোৰক ধূলিয়ে নিস্প্ৰভ কৰি তুলিছিল। অনুমান হৈছিল যেন পুহমহীয়া কুঁৱলীয়ে সকলোকে নিস্প্ৰভ কৰি পেলাইছে। মেৰীৰ গৰম নিশ্বাস আহি মোৰ গালে মুখে লাগিছিলহি। নিশাৰ সেই নীৰৱ নিস্প্ৰভতা ভাঙি এটা সময়ত মেৰীয়ে উচুপি উঠিছিল।

মই তাইক শান্তনা দিবলৈ একো কথাকে সেই মূহুৰ্ত্তত বিচাৰি পোৱা নাছিলো।

নিশা ক্ৰমান্বয়ে গহীন হৈ আহিছিল। বিকত চিঞৰৰ এটা মাৰি এটা নিশাচৰ চৰাই উৰি গৈছিল অন্ধকাৰৰ মাজেদি। এটা সময়ত মেৰীয়ে সশ্ৰদ্ধ নয়নে মোলৈ

চাইছিল। তাই তেতিয়া কন্দা নাছিল। তাইৰ চকুৱে মুখে প্ৰতিভাত হৈছিল এক বিৰাত সত্য আৰু দৃঢ়তা। মই কোনো কথা কব পৰা নাছিলো। মই মেৰীৰ চকুৰ পৰা নিজৰ চকু দুটা নমাই আনি মাথোন তলমূৰ কৰিছিলো।

পৰিবেশটো গহীন হৈ পৰিছিল। অন্তভত্ব হৈছিল মেৰীৰ দৃঢ়তাই যেন গোটেই ক'লনী নিজম কৰি তুলিছিল। কিছু সময় পিছত সেই নিজমতা ভঙ্গ কৰি তাই কৈছিল — "জানা য়াচিন অলপ দিনৰ পাছত মোৰ বিয়া ঠিক কৰি পেলাইছে।"

"বিয়া! সচাঁনে?" মই আচৰিত হৈছিলো।

"ওঁ, বিয়া!" কিয়? ইমান আচৰিত হৈছা যে। — মেৰীয়ে মোলৈ একেথৰে চাই কৈছিল। ওঁঠ দুখন তাইৰ কঁপি উঠিছিল।

মেৰীয়ে কথাবিলাক কওঁতে খুউব উদাত্ত ভঙ্গিমা এটাৰে কৈছিল। তাইৰ অজ্ঞাতে এটা দীঘল হুমুনিয়াহ ওলাই গৈছিল। পৰিবেশটো পুনৰ গহীন হৈছিল। এই গহীন নিস্তব্ধতা ভঙ্গ কৰি এটা সময়ত মেৰীয়ে অতি গহীন ভাৱে কৈছিল —

"জানা য়াচিন, আজি তোমাক মই এটা ডাঙৰ কথা ক'ম বুলি আহিলো। ভাৱিছো কল্পনাৰ স্বপ্নবোৰ হয়তো স্বপ্ন হৈ ৰব।" মই মেৰীৰ কথাৰ অৰ্থ বুজিব নোৱাৰি মাথোন সন্দিহান দৃষ্টিৰে মেৰীৰ ফালে চাই আছিলো। মোৰ অনুসন্ধিৎসু মনে জানিবলৈ বিচাৰিছিল মেৰীৰনো স্বপ্ন কি? কিন্তু মই মৌন হৈ থকা দেখি মেৰীয়ে পুণৰ কৈছিল —

এই কথাবিলাক কবলৈকে মই আজি 'সন্ধিয়া তোমাৰ ঘৰলৈ আহিলো। মেৰীৰ কণ্ঠস্বৰ শেষৰ ফালে করুণ হৈ পৰিছিল।

মেৰীৰ কথাখিনি শুনি মই এবাৰ এনেয়ে তাইৰ ফালে চাইছিলো। মই দেখিছিলো মেৰীৰ চকুৱে মুখে প্ৰকাশিত হৈছিল অসহায়ৰ এক দাৰুণ কাৰুণ্য। ওঁঠ দুখন তাইৰ কপি উঠিছিল। সেইবাবে মই পৰম আগ্ৰহেৰে কৈছিলো — "কি কথা?"

তাৰ পিছত মেৰীয়ে অতি অবেগপূৰ্ণ কণ্ঠেৰে কৈছিল — "আমি খুব কম দিনৰ চিনাকী হলেও এনে ভাৱ হয় যেন তোমাক মই বহুত দিনৰ পৰাই চিনি পাওঁ। গতিকে তোমাৰ ওচৰত মোৰ এটা অনুৰুধ আছে। মই আগতেই কেইবা বাৰো কওঁ কওঁ বুলি কিয় জানো নোকোৱাকৈ আছিলো। কিন্তু আজি ক' বলৈ বাধ্য হৈছো। কথা অনেকেই আছিল। কিন্তু............ দুটামান কথা কৈ যাওঁ। প্ৰত্যেক কাহিনীৰে একোটা আৰম্ভ থাকে আৰু কোনো এটা এটা নিৰ্দ্দিষ্ট বিন্দুত গৈ প্ৰত্যেক কাহিনীয়েই শেষ হব লাগিব; কিন্তু তাৰ আৰম্ভণি নানা ধৰণে হব পাৰে।

মেৰীৰ কথাখিনি মোৰ বুজিবলৈ টান হৈছিল যদিও কোনো কথা পুনৰাবৃত্তি নকৰি কেৱল তলমূৰ কৰি কিবা এটা চিন্তা কৰিছিলো। মোৰ চিন্তাত বাধা দি এটা সময়ত তাই সম্পূৰ্ণ উলংগ ভাৱেই কৈছিল —

"মই তোমাক চিৰ সঙ্গী ৰূপে গ্ৰহণ কৰিবলৈ বিচাৰিছো। মোৰ দৃঢ় বিশ্বাস তুমিও মোৰ বিপৰীত নহয়। মাত্ৰ ইজনে সিজনক প্ৰকাশ্য ভাৱে কব পৰা নাই বা কোৱা নাছিলো। হয়তো বাধকতা আছিল। মই আন বহুতক বন্ধু ৰূপেহে গ্ৰহণ কৰিছিলো, তাত প্ৰেমৰ গোন্ধ নাছিল। তেওঁলোকৰ আৰু মোৰ বন্ধুত্বৰ ভালপোৱাৰ মাজত প্ৰাৰ্থক্য অনেক। তেওঁলোকে ভাল-





পোৱাক বাসনা হিচাপে লৈছিল। কিন্তু মই কোনো দিনে সিহঁতৰ ভালপোৱাক প্ৰশ্ৰয় দিয়া নাছিলো। কথা-খিনি মোৰ অন্য বন্ধুকো ক'ব পাৰিলোহেঁতেন কিন্তু কোৱা নাই। মোৰ দৃঢ় বিশ্বাস যে তোমাক কৈ মই ভূল কৰা নাই।" কথাখিনি কৈ মেৰীয়ে মোলৈ চাইছিল তাইৰ মনত এক অবুজ ধুমুহাৰ সৃষ্টি হৈছিল।

মই কোনো কথা কোৱা নাছিলো। মাত্ৰ ভাবিছিলো কি অপৰাধত মেৰীয়ে সমাজৰ পৰা এনে গ্লানি শুনিবলৈ পাইছে? অপৰাধ হয়তো আছে — যাক মানুহে কোনো দিনেই বুজিব নোৱাৰে। মেৰীয়ে আজি মোৰ ওচৰত আশ্ৰয় বিচাৰিছে, সেই আশ্ৰয় জানো মই দিব পাৰিম।

মেৰীয়ে আকৌ কৈছিল — "তুমি হয়তো মোক এতিয়াও বিশ্বাস কৰিবলৈ টান পাইছা। মই কিন্তু সেই উদ্দেশ্য লৈ আহিছো। সমাজ আৰু নীতি নিয়মক ভয়-কৰি মই থাকিব নোৱাৰো। ওৰনিৰ আঁৰত থকাৰ দিন উকলিল। অবিচাৰ, অৰাজকতাৰ মাজত মই টোপনি নাযাও। বিদ্ৰোহ কৰিম, সকলোকে জনাই দিম এই ব্যভিচাৰৰ কথা আৰু কৈ দিম নিজৰ কাৰণে মাত মাতিবৰ প্ৰত্যেকৰে অধিকাৰ আছে। নিজৰ সুখৰ ওপৰত কাৰো হাত নাই। ইয়াৰ বিচাৰ আছে। মোক বিচাৰ লাগে; সুবিচাৰ। তুমি মোক প্ৰতাৰণা নকৰিবা য়াচিন। মোৰ বিশ্বাস মোৰ প্ৰতি লোকে লগাই দিয়া কলা চেকুৰা বোৰ তুমি ধূই পৰিষ্কাৰ কৰিবা। আজিৰ পৰা মই তোমাৰ ওচৰলৈ কেতিয়াও নাহোঁ।" মেৰীৰ কথাখিনি মই বুজিব পাৰিছিলো যদিও সেই মূহুৰ্ত্তত মই একো সিদ্ধান্ত লব পৰা নাছিলো। তাই মোৰ হাতখন সস্নেহে সাৱটি ধৰি-ছিল। তাইৰ স্পৰ্শত মোৰ গোটেই দেহৰ মাজেৰে যেন বিজুলী সোঁত পাৰহৈ গৈছিল। মূহুৰ্ত্তৰ কাৰণে মই জঠৰ হৈ পৰিছিলো।

হঠাৎ মেৰীয়ে মোৰ হাতত ধৰি একপ্ৰকাৰ টানি-নিয়াৰ দৰে কোঠাৰ ভিতৰলৈ লৈ গল আৰু দুৱাৰখন বন্ধ কৰি দিলে। এটা দুটাকৈ কেইবাটাও নীৰৱ মূহুৰ্ত্ত পাৰ হৈ যোৱাৰ পাছত যেতিয়া তাই দুৱাৰখন খুলি যাবলৈ ওলাইছিল মই দেখিছিলো তাইৰ বহল দুচকুত এটা অপৰাধী, হত্যাকাৰী মানুহ এজনৰ দৰে তাই মোৰ সন্মুখত থিয় হৈছিল। আমি কোনো এজনেও মুখেৰে মাতিব পৰা নাছিলো। মই মাথোন চিন্তা কৰিছিলো। মই কিবা কোৱাৰ আগতে এটা সময়ত তাই একো নোকোৱাকৈ মোৰ ওচৰৰ পৰা গুচি গৈছিল। মই একো বুজিব নোৱাৰিছিলো। তাৰ পৰিবৰ্ত্তে সদায় ভৱাৰ দৰে মই সেইদিনাও ভাবিছিলো "বৰ ৰহস্যময়ী, বৰ বিচিত্ৰ চৰিত্ৰৰ ছোৱালী এই মেৰী। মাথোন বিস্ময়াবিভূত্ত নেত্ৰে মই মেৰী যোৱাৰ ফালে চাই থাকিলো। ★

“শিক্ষা অকল মানসিক বা বুদ্ধিজ্ঞান চৰ্চ্চাত আবদ্ধ থাকিলেই প্ৰকৃত শিক্ষা নহয়। শিক্ষা নৈতিক আৰু দৈনিক জীৱনৰ লাগতিয়াল অৰ্থাৎ আধ্যাত্মিক আৰু সাংসাৰিক জীৱন যাত্ৰাৰ কাৰ্য্যবোৰৰ সহায়ক হব লাগে।”

— লক্ষ্মীনাথ বেজবৰুৱা





## ডাষ্টবিনৰ সুখ

অধ্যাপক চন্দ্ৰগুপ্ত বৰা

মননশীল মনলৈ জড়তা অহা নাছিল,
জড় পদাৰ্থৰ নিষ্ক্ৰিয়তাও মনত নাছিল।
গতিশীল পৃথিৱীৰ চৌদিশ গতিময়।
গতানুগতিক সোঁতত উটি গ’ল স্বপ্নিল দিন।
এনেতে তন্দ্ৰা ভাগিল।
বিবেকে কলে — ‘তইহে নিঠৰ হৈ পৰিলি।
দেখা নাই, কাৰে উজান দি মানুহে ঢাপলি মেলিছে!
পাহাৰ ভাঙি পাহাৰ সিপাৰ, কিম্বা মৰুজ প্ৰান্ত।
জোৱাৰ অতিক্ৰমি কোনোবা ধনকুবেৰৰ দ্বীপ,
নতুবা আকাশ অতিক্ৰমি অসীম মহাকাশলৈ’।
মানুহবোৰ পগলা হ’ল।
কিহৰ সন্ধানত বিভোৰ হৈ সীমাহীন যাত্ৰা ?
হয়তো সুখ নতুবা কিবা অজান সম্পদ।
সুখ - সম্পদ ব্যস্ত মহানগৰীৰ ডাষ্টবিনতো পোৱা যায়।
‘নিঃস্ব আৰু যাযাবৰী অনাথবোৰে তাতে সুখ বিচাৰি ফুৰে’।
মনৰ সঁফুৰাখন মুকলি হ’লত বুজিলো।
ব্যস্ত মহানগৰীৰ নাগৰিকে ভুলতে দলিয়াই দিলে সুখ।
আবৰ্জনাৰ মাজত সম্পদো তাতে সৰকি গ’ল
হিচাবৰ টুকুৰা কাগজ আৰু ফটা পেকিডত সুখ পৰি ৰ’ল
গৰাকীহীন নগৰীয়া কুকুৰে তাতে উম বিচাৰি শুই গ’ল
দৰিদ্ৰ নীচলা শিশুৱে কাগজবোৰ পুৱাই বুটলি নিলে।
নিমিলা হিচাবৰ আবৰ্জনাবোৰ সিহঁতৰ সমল হ’ল।
ডাষ্টবিনত পোৱা সিহঁতৰ সুখবোৰ ব্যস্ত নাগৰিকৰ পেলনীয়া।
এতিয়া এয়াই হয়তো জীৱন দৰ্শন —
মানুহৰ পৃথিৱীত দুখ হলেও
‘ডাষ্টবিনত সুখ’॥

✳★✳

## "প্ৰতি মানুহ সেউজী শব্দৰ বাহক" :-

শ্ৰীসঞ্জীৱ কুমাৰ দত্ত
স্নাতক ৩য়বৰ্ষ ( কলা )

মোৰ দেশৰ প্ৰান্তে প্ৰান্তে উদিত হয় অনিৰুদ্ধ শব্দৰ
শব্দৰ সাচতে সংযোজিত হয়
অনাহাৰী আৰ্তনাদ, সেউজী সাজৰ খচৰা হিচাপ
সুন্দৰ অসুন্দৰ অনিৰ্বাণ খবৰ।
আকাশ অথবা সাগৰ আৰু পথাৰত মানুহৰ অবোধ অহঙ্কাৰৰ সমাহাৰ,
উদগ্ৰ হাতৰ তপ্ত চেতনাত
সুন্দৰ হয় শব্দ আৰু কলম।

মানুহ শব্দৰ প্ৰজ্ঞান প্ৰাণ,
কৃগ্ন সন্ধিয়া অথবা সুস্থ জালিকটা পুৱাৰ জোনাকত শব্দবোৰ জাগে ;
শব্দ মৰে আকৌ গজে বেলিৰ বুকুত
প্ৰতি মানুহ একো একোটা সেউজী শব্দৰ বাহক।

হে শব্দৰ সত্য শঙ্খ :
কোনো এক দুৰ্ভগীয়া বেশ্যাৰ প্ৰথম আবেদনত থকা হলে দিনৰ গান,
শুকান মাটিতো দেখা হলে সপ্ত নদীৰ তীৰৰ
কেচু কুমটি আৰু জীপাল ভেকুলীৰ অষ্টিৰ সমাবোহ ;
সমস্ত পৃথিৱীৰ শ্মশান অথবা জন্মস্থানত
প্ৰতি কবিতাই হলহেঁতেন
একো একোটা সেউজী শব্দৰ বাহক
উক্লাই বতাহত আথৰৰ সোণালী শৃঙ্খল।

আৰু আছে এনে বহু নেদেখা স্কেচৰ বিভৎস্য বিমূৰ্ত্ত প্ৰাণ
যাৰ বাবে হাঁহি-কান্দি
প্ৰতি শব্দত কবিতাৰ দেওভূত লম্ফে
বগলীৰ ডেউকাৰ ঢপ্‌ঢপনিত সাগৰলৈ নামি আহে স্থলভাগ
পৃথিৱীলৈ নামি আহে আকাশ।
কবিতা সূৰ্য্য —
প্ৰতিজ্ঞাৰ এই উদ্দীপ্ত সূৰ্য্য সাগৰৰ বুকুলে সোনকালে নমা হলে ... ... ...
অনিকদ্ধ প্ৰজন্মৰ মৌন নিবেদনত জাগ্ৰত হব আকাঙ্খাৰ ভৰাঁল
যি মানুহৰ কাঁচিত কবিতা চপোৱাৰ সপোন
আৰু
প্ৰতি মানুহ একো একোটা সেউজী শব্দৰ বাহক।
প্ৰতি মানুহ কবিতাৰ আজীৱন ইতিহাস॥

( মহাবিদ্যালয়ৰ সপ্তাহত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত )



## আহবান

শ্ৰীমুনীন দুৱৰা
উচ্চতৰ দ্বিতীয় বাৰ্ষিক ( বিজ্ঞান )

বন্ধু,
আহা আমি মিলি যাওঁ
সামাজিক জীৱন ধাৰাৰ
মূল সূঁতিৰ লগত।
সন্ত্ৰাসবাদক বৰ্জন দিওঁ
নৰহত্যাৰ যজ্ঞত পূৰ্ণাহুতি ঢালি॥
বাৰুদৰ ধোঁৱাৰে আবৃত আকাশত
আজি বতাহৰ অভাৱ
এইয়া কাৰ বাবে ?

পকা ধানৰ ঠোক গোৰতো
কেচাঁ তেজৰ চেকুৰা
এইয়া তোমাৰ
অশান্তিৰে শান্তিৰ আয়োজন।
বন্ধু,
তোমাৰ স্বপ্ন দিঠকত হব
শান্তিৰ কপৌজনীৰ ডেউকাৰ বাত ( বতাহত )
মুক্তি কৰা সেই কপৌজনীক
তোমাৰ বন্ধ পিঞ্জৰাৰ পৰা॥

আহা বন্ধু আমি সকলোৱে
একেলগে চিঞৰো
আমি শান্তি বিচাৰো
আমাক শান্তি জীৱন লাগে॥ ★

( মহাবিদ্যালয় সপ্তাহত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত )



## জীৱন

শ্ৰীনিপেন চেতিয়া
স্নাতক দ্বিতীয় বাৰ্ষিক ( বিজ্ঞান )

মোৰ হুচকুত একুৱা বনজুই
হৃদয় দহন কৰা, এই জুইক
প্লাবিত জলে নুমুৱাব পৰা নাই
মাথো জ্বলিছে তুগুণে।
জীৱন মানেনো কি ?

যত হাহাঁ বুলিও কান্দিবলৈ পাওঁ
জীৱনৰ শেষ আশাবোৰো
আজি মাৰ যাওঁ যাওঁ।

মোৰ বাবে জানো জগতত একো নাই
তেন্তে ইমান শূণ্যতা কিয় ?
বুকুত মোৰ হেজাৰ ছবি
প্ৰতিভাষিত কম্পিত
ৰঙা নীলা বহু ৰঙৰ
যিবোৰৰ কোনো মূল্য নাই !

সেয়েনেকি আশাৰ নীল পদুম
য'ত হাঁহিবোৰ কান্দোন হয়
য'ত চকুলোবোৰ নদী বয়
এইয়ে জানো জীৱন ?

( মহাবিদ্যালয় সপ্তাহত তৃতীয় পুৰস্কাৰ প্ৰাপ্ত )

***

# মই আহি আছো

শ্ৰীসঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা
স্নাতক ৩য় বাৰ্ষিক ( কলা )

মই আহি আছো
আকাশ ওন্দোলাই ধৰা
কলীয়া ডাৱৰৰ বাট ফাঁলি
সূৰ্য্যক বুকুত সাৱতি,
মানৱৰ মন, ৰিপু আৰু বিবেকৰ
তুমুল সংঘৰ্ষৰ অৱশান ঘটাই,
মিছা আধুনীকতাৰ বাকলি পিন্ধি
পৃথিৱীক ফাঁকি দি শোষণৰ
জোলোঙা বহল কৰা
প্ৰতি ব্যক্তিক শেঁতেলিৰ সন্ধান দি,
মই আহি আছো
জগতৰ প্ৰতি শ্ৰমিকৰ অস্থিচৰ্ম্মা দেহাৰ
কেচাঘামৰ সৰি পৰা লৱণুৰে
চক্ৰান্তকাৰী, দুৰ্নীতিকাৰী
ক্ষণিকৰ বিলাসিতাত উন্মাদ হোৱা
প্ৰতি ব্যক্তিক আকাশৰ সন্ধান দি,
মই আহি আছো
লাঞ্চিত, বঞ্চিত, নিষ্পেষিতৰ বলী হোৱা
জনতাৰ কোলাহল পূৰ্ণ স্বাধীনতাৰ শ্লগানেৰে
কু অভিসন্ধি কাৰী প্ৰতি ব্যক্তিক সাগৰৰ সন্ধান দি,
মই আহি আছো
ধৰ্মৰ নামত যি বিভেদৰ বীজসিঁচি
দুহাত তেজত ডুবাই, নিজকে ভগৱান সজাই
লেতেৰা ৰাজনীতি খেলি
পৃথিৱীক নিছে আগুৱাই ধ্বংসৰ মুখলৈ
তেনে প্ৰতি ব্যক্তিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি
যৌনাঙ্গ ছেদ কৰি,
মই আহি আছো
এখনি সেউজীয়া পৃথিৱী বুকুত সাৱতি
প্ৰতি ব্যক্তি নদীৰ সতে মুখ গুজি
মানৱ সভ্যতা জগাই তুলিবলৈ
মই অবিৰত যাত্ৰা কৰি আহি আছো
মৰু উদ্যানৰ বুকু ফালি
অযুত আশা বুকুত সাৱতি
আকাশৰসতে একাত্মহৈ
বিজুলিৰ গতিৰে
পৃথিৱীক পিন্ধি
মই আহি আছো।

***





# 'ছবি'

সূৰ্যাভক্ত শৰ্ম্মা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ ( বানিজ্য )

আঁকি লৈছিলো এখন ছবি, কিন্তু ;
আধা আঁকা হৈয়ে ৰ'ল
তাত আৰু
আশাৰ বাসনা বোলোৱা নহল।

গোপন আশাৰ নীৰৱ ভাষা
এক অতৃপ্ত বাসনা,
তুহঁ জুই হৈ মনতে ৰ'ল।

নিশাৰ আশাৰ দৰে ছলনাময়ী চলচাতুৰী
মোৰ মনে যে পাহৰি গ'ল।
আধা আঁকা ছবিখন
পৰি ৰ'ল ইয়াতেই
তাত আৰু
কোনো ৰং দিয়া নহল

মনৰ আশা মনতে ৰ'ল
আশাৰ ৰং বোলোৱা নহল॥

★●★



# চাৰিবেৰৰ মাজত

বিপুল চন্দ্ৰ তালুকদাৰ
স্নাতক ১ম বাৰ্ষিক ( বানিজ্য )

আশাৰ জোৱাৰ আহিল
ৰঙ, স্ফূৰ্টিৰ ঝংকাৰ উঠিল,
এইবাটেদিয়েই —
মানুহজাক আগুৱাই গ'ল
মুখত তৃপ্তি আৰু আশাভৰা সপোন লৈ

অন্ধকাৰ কাৰাগাৰৰ দ্বাৰ
আজি চূৰ্ণীকৃত হব
দানৱৰ দুৰ্দান্ত প্ৰতাপ
আজি বিণাশ হ'ব

হঠাৎ আবিৰ্ভাৱ হ'ল
এজাক প্ৰচণ্ড ধুমুহাৰ —
কঢ়িয়াই আনিলে
স্বাৰ্থ, দ্বেষ, হিংসা, কঠোৰতা ......।
এইজাক ধুমুহাৰ খবৰ সিহঁতেওঁ উপলব্ধি কৰিলে
লগে লগে বাটতো আউল লাগি গ'ল
তাইৰ কথা সিহঁতে পাহৰি গ'ল —
গৃহ কন্দল, কটা মৰাৰ
শুভাৰম্ভ !
এতিয়া তাই
অন্ধকাৰ কাৰাগাৰত॥

★★★

## 'ইতিহাস'

দয়ানন্দ বৰগোঁহাই
স্নাতক প্ৰথম বৰ্ষ ( কলা )

গৌৰৱৰ ইতিহাস যুগে যুগে
কত ভাঙিছে গঢ়িছে
তাৰ কোনো অন্ত নাই।
কত স্মৃতি বিজড়িত আছে
গৰিমামণ্ডিত হৈ
মনোৰম ধৰণীৰ শ্যামল বুকুত
সভ্যতা, সংস্কৃতিৰ
গৌৰৱৰ ইতিহাসে!
লুইতৰ বুকুত গঁথা
মৰ্মন্তুদ করুণ কাহিনী
কি যে গৌৰৱৰ,
লুইতৰ বিশাল বুকুত
অপূৰ্ব স্মৃতি
অবিস্মৰণীয় ইতিহাস ॥

✱★✱



## "গোহৰ"

শ্ৰীপ্ৰাঞ্জল ৰাজকুমাৰ
স্নাতক প্ৰথম বৰ্ষ ( বিজ্ঞান )

ঘোৰ অন্ধকাৰ
মাজনিশা,
চাৰিওফালে নিজান নিতাল
কলীয়া ডাৱৰে নীলা আকাশ
ধৰিছে ছানি;
মোৰ অবুজ প্ৰাণে
বাট চাই আছে প্ৰতি ক্ষণে ক্ষণে
কাৰোবাৰ লক্ষ্যত;
সেয়া মোৰ অলীক কল্পনা
হঠাৎ কলীয়া ডাৱৰ ফালি
মোৰ ফালে আহি আছে
এচাটি শীতল পোহৰ॥

★★★



"জীৱনত কৃতকাৰ্য্য হোৱাটো গৌৰৱৰ কথা নহয়;
কিন্তু অকৃতকাৰ্য্যতাৰ পৰা সফলতা লাভ কৰিবলৈ
চেষ্টা কৰাতহে আমাৰ গৌৰৱ প্ৰকাশ পায়।"

—কাৰ্লাইল



## —ঃ প্ৰেম ঃ—

শ্ৰীভূপেন নেওঁগ
স্নাতক "বাণিজ্য বিভাগ", "২য় বাৰ্ষিক"

হৃদয় মন্দিৰটো যদি
কাঠেৰে নিৰ্মিত হ'লহেঁতেন
দেখুৱাব পাৰিলোহেঁতেন
প্ৰেমৰ ঘনত্ব কিমান॥
সোঁৱৰণীৰ অশ্ৰুক যদি
ৰক্ত কণিকা বুলি ভাবিলোহেঁতেন
দেখুৱাব পাৰিলোহেঁতেন
প্ৰেমৰ পবিত্ৰতা কিমান॥
অনিদ্ৰিত নয়নক যদি
নিদ্ৰাৰ প্ৰশ্ন সুধিলোহেঁতেন
বুজিব পাৰিলোহেঁতেন
প্ৰেমৰ আকুলতা কিমান॥
চিন্তাৰ সমুদ্ৰত যদি
ডুবাৰ চেষ্টা কৰিলোহেঁতেন
দেখুৱাব পাৰিলোহেঁতেন
প্ৰেমৰ গভীৰতা কিমান॥
হৃদয়ৰ বেদনা যদি
তুলা চালনিৰে জুখিব পৰাহেঁতেন
দেখুৱাব পাৰিলোহেতেন
প্ৰেমৰ আবেগ কিমান॥
বিৰহ হুমুনিয়াবোৰত যদি
নিজেই সোমাই পৰিলোহেঁতেন
বুজিব পাৰিলাহেঁতেন
প্ৰেমৰ বিষাদতা কিমান॥

✱★✱





## "সময়ৰ খোজত"

শ্ৰীদিগন্ত ফুকন
স্নাতক ৩য় বৰ্ষ ( বিজ্ঞান )

ঐতিহ্যপূৰ্ণ সংস্কৃতপ্ৰেমী ব্যক্তিৰ তীৰ্থভূমি,
অনুপম মনোৰম প্ৰকৃতিৰ কোলাত
পুৱাৰ সুৰুযে যাচে ন ন জ্যোতি
নানা ধৰ্ম, জাতি বৰ্ণ নিৰ্বিশেষে
বাহু মেলি মেলি যাচে, বাৰে ৰহনীয়া কৃষ্টি,
সৌন্দৰ্য্যৰ বৈজয়ন্তী পিন্ধি
এই ধৰিত্ৰী চিৰ যৌৱনাময়ী।

বিশাল লৌহিত্যৰ পাৰত আছে
শংকৰ মাধৱৰ অপূৰ্ব সংস্কৃতি
ইযে জাতীয় জীৱনৰ পূৰ্ণ প্ৰতিফলন
অসমৰ জোনাকৰ চোতালত আছে ৰাংঢালী
আইতাৰ স্নেহভৰা ৰহস্য জাতিষ্কাৰ,
চিৰবিনন্দীয়া, সেউজী সোণালী মাতৃভূমিৰ
দাপোনত কতজনৰ বিচিত্ৰ বন্দনা॥

পিছে?
আমাৰ সৰলতাৰ সুবিধা লৈ সমাজ ৰচোতাই
তিল্ তিল্‌কৈ পাতিলে ভাঙোনৰ নাট
জীৱনক লৈ কোনোৱে যেন খেলে হেতালি,
এটি ইঙ্গিতত সাম্প্ৰদায়িকতাৰ বিনিময়ত
অতীতৰ গৌৰবোজ্জ্বল ইতিহাসৰ পুনৰাবৃত্তিৰে
আমাৰ আইক আগুৱাই নিব
নোৱাৰিলে, সময়ে জানো পঙ্গু বুলি নেহাঁহিব॥

✱★✱

## 'অৰ্থহীন'

বিপুল সোনোৱাল
উচ্চতৰ মাধ্যমিক ( কলা )

পূৰ্ণ হ'ল স্বাৰ্থ আজি
ব্যৰ্থ হ'ল অসমভূমি
ক্ষণ গনা সময়বোৰে
ইতিকিং কৰি গ'ল
আই অসমীক।
কষ্ট, সাধনা, আশা, কল্পনা
লয় হৈ গ'ল
সময় নিজৰাত।
শত শত শ্বহীদৰ প্ৰাণ বলিদান
অথলে গ'ল ;
পুত্ৰহাৰা মাতৃৰ কৰুণ বিননিত
অশ্ৰুৰ নিজৰা শুকাই গ'ল
অৰ্থহীনতাত॥

★★★



## ইতিহাস, তুমি আঁতৰি যোৱা

শ্ৰীভীমৰাজ নেৱাৰ
স্নাতক তৃতীয় বৰ্ষ ( বাণিজ্য শাখা )

হে ইতিহাস!
তুমি আঁতৰি যোৱা
নানিবা মোৰ মনলৈ
এৰি অহা সেই দিনবোৰৰ কথা॥
মনত পৰে,
সেই দিনটোৰ কথা —
দেশ মাতৃৰ পূণ্য মঞ্চত
জীৱন আহুতি দিয়া
বীৰ খৰ্গেশ্বৰৰ কথা,
মনত পৰে তুলিয়াজানৰ কথা।
সৌ সিদিনা
কাল ৰূপ ধৰি ৰক্তাতুৰ নিয়তিয়ে
ইতিহাস ৰচিছিল আইৰ কপালত।
সেইবাৰো ভাই
আইৰ বুকু শুদা হল
খৰ্গেশ্বৰ, দিলিপৰ আত্ম ত্যাগত —
ৰক্তৰ লিখনিৰে
বুৰঞ্জীৰ প্ৰথম পাতত
চিৰ জ্যোতিষ্মান হৈ ৰ'ব
তোমাৰ নাম
তুলিয়াজান।

★★★



## এজাক বান্দৰ

নয়ন জ্যোতি চেলেং
স্নাতক প্ৰথম বৰ্ষ ( কলা )

এইজাক এজাক বান্দৰ!
পোহৰলৈ ভয় কৰা
এজাক ধূৰ্ত্ত বান্দৰ
কলখাই শিয়ালক বাকলি দিয়া
বন্ধুত্বৰ মুখা পিন্ধা
এজাক ধূৰ্ত্ত বান্দৰ।
নদীখনেদি নামি অহা সূৰ্য্যটোলৈ
সিহঁতে ভয় কৰে।
সূৰ্য্যটোৰ পোহৰৰ পৰা সিহঁতে
নিজকে সদায় দূৰত ৰাখিব বিচাৰে।
সিহঁতে সিহঁতৰ নিৰাপত্তাৰ বাবে
হিতোপদেশ দিয়া
চৰাইজনীৰ বাহঁটোও ভাঙিব পাৰে।

সিহঁতৰ প্ৰয়োজনত নহা বস্তু
চোবাই নষ্ট কৰিবলৈকো সিহঁতে
কেতিয়াও নাপাহৰে।

ঘৰীয়ালৰ চকুপানী
সিহঁতৰ চকুতো আছে।
নৈতিকতাৰ বটবৃক্ষৰ ডালত বহি,
শোষণ, উৎপীড়ন, নিষ্পেষণৰ জয়গান গোৱা
এইজাক এজাক মুখাপিন্ধা বান্দৰ!
এইজাক বান্দৰ ...॥

★✱★



## 'চিত্ৰলেখা'

প্ৰভাত জ্যোতি দেউৰী
স্নাতক ২য় বৰ্ষ ( কলা )

চিত্ৰলেখা ......
নামি আহা মেঘৰ মাজেৰে
বিচাৰি পোৱা নাই
অনিৰুদ্ধক ?

ইয়াতে আছে
দেৱতা, দানৱ, গান্ধৰ্ব।
ইয়াতে আছে
হিংস্ৰতা, ঘৃণা, বিশ্বাসঘাটকতা।
ইয়াতে আছে
প্ৰেম, প্ৰীতি, ভালপোৱা।
মাথো নাই
অনিৰুদ্ধ!

প্ৰেমৰ বাতৰি লৈ
যাবা নে তুমি
সখী চিত্ৰলেখা
যাবানে বিচাৰি
উৰন্ত তৰাৰ জলৰাশিৰ মাজেৰে ?
অকলশৰে বহি আছে উষা
মেঘৰ মাজেৰে নামি আহা
সখী চিত্ৰলেখা ......।

★★★

## "বিদ্ৰোহী মন"

শ্ৰীদেবানন্দ সিংহ
স্নাতক ১ম বাৰ্ষিক ( কলা )

বৃত্তৰ পৰিধিত সমাজৰ গতি
সুবিধাবাদী দলৰ স্থিতিয়েই বা ক'ত ?
সোঁতৰ বিপৰীতে কান্দি উঠে মন প্ৰাণ
মই বিদ্ৰোহী হৈ পৰো।

ৰাজনীতিৰ পাকচক্ৰত
অৰ্থনীতিৰ মেৰপাকত সিহঁত অন্ধ।
সমাজত চলিছে কিহৰ প্ৰতিযোগীতা
দুৰ্ব্বল পাই নিমাখিত প্ৰাণীৰ মুখ বন্ধ ?
মই বিদ্ৰোহী হৈ পৰো।

ৰখীয়াৰ পৰা অভিযন্তালৈ
পিয়নৰ পৰা মন্ত্ৰীলৈ
কৰ্মচাৰীৰ পৰা ব্যৱসায়ীলৈ
হেৰ পশুৰ দ'ল
কিহৰ বাবত কৰিছ শোষণ ?
মই বিদ্ৰোহী হৈ পৰো।
জাগি উঠা ডেকাবন্ধু
জাগি উঠা ডেকা কবি
ধৰণীৰ তীক্ষ্ণ অস্ত্ৰ ধৰি
আহাঁ যাওঁ ৰণলৈ আগ বাঢ়ি
সোঁতৰ বিপৰীতে
মই বিদ্ৰোহী হৈ পৰো।

❋❋❋



## 'ই মানুহৰ দেশ'

মিনাক্ষী ফুকন
স্নাতক ২য়বৰ্ষ ( কলা )

দিশে দিশে দিশহাৰা
প্ৰগতিবাদী এদল মৌমাখিয়ে
প্ৰতিৰোধৰ প্ৰতিধ্বনি তুলিছে।
কণ্ঠধ্বনি ......
লাহে লাহে পৃথিৱীৰ বুকুত মিলিছে
সভ্যতা সংস্কৃতিৰ হাতত
আধ্যাত্মিকতাৰ নাম প্ৰতাৰণা
সংস্কাৰৰ নামত সৰ্বাংগ কপাঁই তোঁলে।
এয়ে আমাৰ দেশ, আমাৰ জন্মভূমি
শান্তিকামী পৃথিৱীৰ দেশ
ই মানুহৰ দেশ
সভ্যতাৰ দেশ।
দিশে দিশে দিশহাৰা
প্ৰগতিবাদী দলৰ লগত
আমি দৌৰিব লাগিছো
খোজত খোজ মিলাবৰ বাবে।
সভ্যতাৰ মুখা পিন্ধিব লাগিছো
আমি ধ্বংস হবলৈ ধৰিছো
ভিক্ষাৰ পাত্ৰ হাতত লৈ
বাট বুলিব লাগিছো
এয়ে আমাৰ দেশ, আমাৰ জন্মভূমি
শান্তিকামী পৃথিৱীৰ দেশ
ই মানুহৰ দেশ
সভ্যতাৰ দেশ॥

❋★❋



## 'শ্ৰেষ্ঠ মানৱ'

তুলসী উপাধ্যায়
স্নাতক ২য়বৰ্ষ ( কলা )

তুমি মানৱ, শ্ৰেষ্ঠ মানৱ
তুমিয়েই জীৱৰ শ্ৰেষ্ঠ মানৱ
সেয়েহে তুমি আজি উন্নতিৰ শিখৰত, অগ্ৰগামী পথত
কাৰণ যে তুমি জীৱ শ্ৰেষ্ঠ মানৱ
তুমিয়েই কৰিলা সৃষ্টি মানৱৰ
তুমিয়েই কৰিলা সৃষ্টি বিজ্ঞানৰ
আৰু গঢ়িছা অস্ত্ৰ ধ্বংসৰ,
তুমি পূজাৰী সত্য আৰু সুন্দৰৰ
তুমিয়েই মূল মহা সন্ত্ৰাসৰ
কাৰণ তুমি যে জীৱ শ্ৰেষ্ঠ মানৱ।
তুমিয়েই আজি নৰূপত সজালা অতীতৰ বিশ্বক
পোহৰালা জ্ঞানেৰে জনতাক, তথাপি তুমি অবুজ
তুমি হত্যা কৰিছা নিৰ্দোষ প্ৰাণীক
কাৰণ যে তুমি জীৱ শ্ৰেষ্ঠ মানৱ
তুমি বিশ্বত সাজিছা বহুতো নৱ কৃষ্টি
দেখা দিয়ে ন্যায়-অন্যায় তোমাৰ দৃষ্টিত
কিন্তু তুমি জানিও নাজানি, বুজিও নুবুজি
কৰা কত নীচ, ঘৃনণীয় কু মহা কৰ্ম্ম
কাৰণ যে তুমি মানৱ, শ্ৰেষ্ঠ মানৱ
তুমিয়েই জীৱৰ শ্ৰেষ্ঠ মানৱ ॥

❋❋❋



## "জাগ্ৰত প্ৰহৰী"

চন্দ্ৰ কুমাৰ দত্ত
স্নাতক ১মবৰ্ষ ( বিজ্ঞান )

সেইদিনা,
চতুৰ্দ্দিশে ক'লা ডাৱৰে আৱৰি ধৰিছিল,
আঘোনৰ সোণোৱালী ধাননি পথাৰখন
বতাহত হালি পৰিছিল
সেই ধাননিৰ কুঁৱলীৰ তলে তলে
জাগ্ৰত বন্ধুহঁত আগুৱাই আহিছিল।
সেইদিনা,
গাঁৱৰ কৃষক ৰাইজৰ মাজত
বিপ্লৱৰ জয়গান বাজি উঠিছিল,
এটি দুটিকৈ বহুত প্ৰাণী
সেই বিপ্লৱৰ অগনিত জ্বলি মৰিছিল,
সৰ্বশেষত সকলো আগুৱাই আহি
শোষণকাৰীহঁতক হয়তো নিঃশেষ কৰিছিল।
সেইদিনা,
শোষণকাৰীহঁতৰ ধ্বংসলীলা
কৃষক বন্ধু সকলে আয়োজন কৰিছিল,
গাঁৱৰ জাগ্ৰত প্ৰহৰীৰ চিঞঁৰত
সকলো সেই বিপ্লৱলৈ আগুৱাই গৈছিল
তাত শোষণকাৰী বৰ্বৰবোৰে
জাগ্ৰত প্ৰহৰীকো হত্যা কৰিছিল।
সেইদিনা,
নিহত হোৱা জাগ্ৰত প্ৰহৰীৰ মাজত
মোৰ একমাত্ৰ ভাই জিতেনো আছিল,
অৱশেষত শোষণকাৰীক নিঃশেষ কৰি
জাগ্ৰত প্ৰহৰী বন্ধুহঁতে ... ... ...
এখন শোষণমুক্ত সমাজ গঢ়িছিল ॥

★★

## নতুন পুৰুষ

শ্ৰীঅতুল কলিতা
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

হে নবাগত
তোমাক কৰো প্ৰণাম
জীৱনৰ এই সংগ্ৰামী পথত
তুমি যেন হোৱা মহান।
তোমাৰ অন্তৰত ভৰি উঠক
শিক্ষাৰ জ্যোতি
বন্তিৰ শিখা হৈ উঠক
এই মহান তীৰ্থত।
শোভাসিত হওঁক ধৰা
ৰক্তিম জীৱন কুসুম
মলয়াত দশোদিশ উজ্জ্বলি উঠক
এপাহি পবিত্ৰ পদুম।
হে ৰণাংগনৰ নতুন পুৰুষ
জীৱন যুজত হোৱা মুগ্ধ
জনতাক শুনোৱা বিজয়ৰ গান
দেখুওৱা সজাগতাৰ স্বপ্ন।
হে নবাগত 'সতীৰ্থ'
তুমি যদি কৰা পুণ্য
এই মহান তীৰ্থত
তুমি যে নিজেই ধন্য।



## সংস্পৃহা

শ্ৰীপ্ৰসন্ন কুমাৰ চেতিয়া
স্নাতক দ্বিতীয় বাৰ্ষিক (বিজ্ঞান)

সংগ্ৰামী জীৱনৰ কোবাল জল ধাৰাৰ!
অনন্তহীন জোৱাৰত সংগীতৰ লাস্যময়ী ওন্দোলনিয়ে
তুলি যায় হিয়াত মোৰ প্ৰসন্নতাৰ বিননি;
আন্ধাৰৰ আঁৰে আঁৰে যাত্ৰীদল আগুৱাইছে,
লক্ষ্য সৌ প্ৰাচীৰ খন … … … … ।
যাত্ৰীদলৰ দেহত আন্ধাৰৰ আৱৰণ!
তুমি যদি সোধা … … … … ।
আন্ধাৰত জানো দেখা! অলপ পোহৰ লোৱা !!!
সিহঁতে হয়তো কব … … … … ।
দেহৰ বাহ্যিক ভাগত পোহৰৰ প্ৰয়োজন নাই,
হৃদয়ৰ পোহৰেই যথেষ্ট।
কৃত্ৰিম পোহৰে আমাক অন্ধ কৰিব।
আমাৰ লক্ষ্য ভগ্ন কৰিব !!!
আমি গতিৰুদ্ধ হৈ ৰ'ম!
পোৱা নোপোৱা, কল্পনামিশ্ৰিত অগ্ৰগামী সোঁতত
তুমিয়ে আগবঢ়াই নিয়া মোৰ জীৱনৰ ডিঙাখনি।



## "বিপ্লৱ"

শ্ৰীতুলু গগৈ
স্নাতক ৩য় বৰ্ষিক (কলা বিভাগ)

দপ্‌দপকৈ জ্বলিব ধৰিছে,
ফিৰিঙটিয়ে ছাট মাৰিছে।
জাতিৰ অগ্ৰগতিৰ জুই,
এই দেশৰ সকলো ঠাই।
কাৰো দেহত তৰণী নাই,
সকলোকে লাগে স্বাধীন ঠাই।
ছাৰখাৰ হৈছে অসমীয়া ভাই,
এই বিলাকৰ সীমা নাই।
কত জনৰ প্ৰাণ নাশ হল,
কত জনযে শ্বহীদ হল।
এইবিলাকৰ বিচাৰ নাই,
জাতিৰ চেতনা জগা নাই।
মুক্তিৰ নিৰাপত্তাৰ আশা লৈ,
আশা বাঢ়ি যায় অকলৈ।
গঢ়ো বুলি জাতিৰ সমাজ,
নহয় কাৰো আশাৰ সাজ।
আটাইয়ে বিচাৰে নিজৰ স্থান,
এনেকৈয়ে কৰা বহুত টান।
শান্তি বিচাৰি কৰে অনশন,
থাকে কেনেকৈ নিজৰ মান।
সমাজ সেৱা সদায় থাকে,
নিজক কেনেকৈ বচাই ৰাখে।
নহলে যে এই দেশক ল'ই,
নিজৰ ৰুলিব নহব ঠাই।

★★★



## —সময় হ'ল ৰাইজ নিজকে এবাৰ ভাবি চোৱাৰ—

অপূৰ্ব্ব চেতিয়া
(স্নাতক দ্বিতীয় বাৰ্ষিক) কলা শাখা।

সময় হ'ল ৰাইজ
নিজকে এবাৰ ভাবি চোৱাৰ।
আজি দেশৰ নেতা
সকলো মিছা।
সিহঁতি কেৱল স্বাৰ্থৰ বাবে
নিজৰ গাদীত বহে;
জনতাৰ বাবে নহয়।
সিহঁতি কথা কয়
ভোটৰ সময়ত
সিহঁতি কাম কৰে—
দুৰ্যোগত;
যেতিয়া গাদীখন
বুঢ়া কালত দাঁত লৰাৰ দৰে
লৰফৰ কৰে।
তেনে সময়তে সিহঁতি
গাওঁখন নগৰ কৰে।
নগৰখন চিটি কৰে।
নদীত বান্ধ দিয়ে।
ৰাস্তাবোৰ ইন্দ্ৰপুৰী কৰে।
'কিন্তু' সকলো মিছা
সময় হ'ল ৰাইজ
নিজকে এবাৰ ভাবি চোৱাৰ॥

য'তে প্ৰেম আছে, ত'তে জীৱনো আছে। ঘৃণাই মানুহক ধ্বংসৰ বাটলৈহে নিয়ে। প্ৰেমে প্ৰতিদান দাবী নকৰে; ই সদায় দানহে কৰে।

— গান্ধী

২৫





# "ৰস ৰচনা আৰু লিখিব নোৱাৰিম নেকি" !

ৰস ৰচনা :—

প্ৰফুল্ল কলিতা
বাণিজ্য বিভাগ তৃতীয় বাৰ্ষিক

ৰস ৰচনা বুলিলে মই কিবা ৰসাল ফলৰ বিষয়ে লিখা ৰচনা বুলি ভাবিছিলো আৰু; পিছতহে বুজি পালো আছলতে মই ভবামতে ই নহয়। কি বিলাক যে মই ভাবো আৰু দিয়ক ছোন। এইয়া দেখিলেনে কিবা এটা লিখাৰ মানসেৰে কলম ডাল হাতত লৈ, ই ! কেইটামান শব্দ লিখাৰ লগে লগে এই আজিকালিৰ খহটা কাগজত নিপটো ভাঙিলেই নহয়। হ'ল আৰু আজি লিখিম ৰস ৰচনা। নিপটো থিক কৰোতেই প্ৰায় ১ ঘণ্টা ৫৯ মিনিট ৬০ চেকেণ্ড সময় লাগি গ'ল। অৱশেষত যেনিবা নিপটো ভাল হ'লগৈ তেওঁ তেৰাৰ কৃপাত দেও। হলেও কি হব এই অভাগাৰ ভাগ্যত কিবা এটা লিখাৰ ভাগ্য নাই যেন পাইছো ৰাইজ। আহুকাণে পহুকাণে কোৱা শুনো মানুহক হেনো কিবা এটা লিখিবলৈ বা জীৱনত উন্নতি কৰিবলৈ প্ৰেৰণাৰ প্ৰয়োজন। লাগে-লাগে কিয় নালাগিব বাৰু। নিশ্চয় লাগিব নহয় জানো ? মোকো লাগে। আনকি তাহানি হেনো ডাণ্টেকো কোনোবা ছোৱালীয়ে লেখনিৰ বাবে প্ৰেৰণা যোগাইছিল। ছোৱালীজনীৰ নামটোহে পাহৰিলো, এই আপোনালোকে নিজে মনত পেলাই লবহে। এই মগজুটোৱেনো আৰু কিমান ছোৱালীৰ নাম কঢ়িয়াই লৈ ফুৰিব।

পিছে মোকনো কোনে প্ৰেৰণা দিব হেৰি ; নাই নহব কোনেও নিদিয়ে। ছোৱালী নালাগে, কলমটোলৈকে মন কৰকছোন এনেখন কৰিব লাগেনে বাৰু। লিখিবলৈ তাক ইমান আমন জামনকৈ মোৰ খহটা আঙুলি তিনিটাৰ মাজত বহুৱাই ললো। কিন্তু ই কেইমানে ছুটা মান শব্দ বমি কৰি দিয়াৰ পাছতেই একে বাৰে নাক মুখ কোছ খাই খছ খছাই উঠিলেই নহয়। মইয়ো কম নহয় বাপেকে দিলো নহয় ঠেকেছ মাৰি, পিছে কি হব কলমটো পকাত নপৰি গৈ ডানলপ দিয়া মোৰ এই সুকুমল বিছনা খনত পৰিল। পকাত পৰাহলেই ভাল আছিল বুজিলে, বগা বিছনা চাদৰ খন একেবাৰে কৈছো নহয় চিয়াঁহীৰ দাগে ভমকাফুল বাছিলে। এই বাৰ মই টেবুলৰ পৰা উঠি গৈ বিচনা চাদৰখন ধুবলৈ আৰম্ভ কৰিলো নহলে আজি মোৰ পিঠিত ঢকোৱা বাজিল হেতেন। চাদৰ খন ধুইহে ৰক্ষা পালো।

এইবাৰ মই এটা ডট কলম লৈ পুনৰ মোৰ এই হেলেক ধেলেক টেবুল খনত বহিলো "ৰস ৰচনা" লিখাৰ মানসেৰে। হেৰি কি হ'ল ইমানকৈ হাঁহিবলৈ কিহে পালেহে কিহে পালে ? অ কথাৰ গুৰি কৰবাত। টেবুল খন বুঢ়া গৰুৰ দাতৰ দৰে হিলাৰ কথা কোৱা কাৰণেই হাঁহিছেটো ? বৰ ভুল কৰিছে ডাঙৰীয়া। আপুনি জানেনে এই খন টেবুলৰ ওপৰত টুপনিয়াই টুপনিয়াই পঢ়িয়েই মোৰ কিমান উপৰি পুৰুষ সাহিত্যিক হ'ল। আপুনি ৰসৰাজ লক্ষীনাথ বেজবৰুৱাৰ কথা শুনা নাই ? কি নাই শুনা ? কত শুনিব আপুনি। অ বুজিলো চিনি নাপায় অসমীয়া সাহিত্যিকতো কত চিনি পাব কোনোবা হিন্দী নাইবা ইংৰাজী চিনেমাৰ হিৰো, হিৰো-

য়িন নাইবা পপ গায়ক হলে তপৰাই উত্তৰ দিলেহেঁতেন হয়, মই ভালদৰে চিনি পাওঁ আন কি মই তেওঁলোকৰ Programe ওঁ চাইছো। খালে খালে, আপোনালোকে খালে একদম শেষ কৰি দিলে। শুনক অলপ অসমীয়া গান, সাহিত্য, কলা আদিৰো চৰ্চ্চা কৰকছোন। অন্য নালাগে হোৱাই নোহোৱাই দুই এশাৰী কবিতাকে লিখক। চাব লাহে লাহে আপোনাৰ পেকটিছ হৈ যাব। তাৰ পাছত আপুনি আৰু ভালকৈ লিখিবলৈ আগ্ৰহী হৈ যাব। তাৰ পাছত কথাই নাই, মানে আপুনি ধৰিলওঁক ৰাষ্ট্ৰপতি Award নহলে নবেল বটা পাবই পাব। নহয় জানো হেৰি কি কয় মাননীয়, শ্ৰদ্ধেয়, শ্ৰদ্ধাভাজন, ডাঙৰীয়া ? যদি তেতিয়াও নোৱাৰে, এই মই এটা বুদ্ধি দিওঁ ভালদৰে শুনক ; পাৰিলে এগৰাকী সুন্দৰীৰ প্ৰেমত পৰক, বছ চব বেমেজালী Solve হৈ যাব। চাব তেতিয়া আপোনাৰ কলমৰ সাঁফৰ খোলখোৱাৰ লগে লগে কিযে মনোমুগ্ধ কবিতাৰ লাইন নিজে নিজে নিগৰিত হব

তুমি মোৰ জীৱনৰ
তুমি মোৰ নয়ণৰ
তুমি মোৰ শয়ণৰ
তুমি মোৰ সপোনৰ
তুমি মোৰ ধ্বংসৰ কাৰণ।

বাহ : বাহ : কিযে লিখিছে আপুনি ; দেখিছো নামজ্বলা কবি হৈ যাব হে। এতিয়া বুজিলেতো প্ৰেৰণা নামৰ ঔষধ পালিৰ কাম। কিমান সোনকালে এইফেৰি দৰবে কাম আৰম্ভ কৰে। একেবাৰে কৈছো নহয় Quicle Service. উস ৰাম আপোনাক উপদেশ দি থাকোতে মোৰ এই পকা সুমথিৰাৰ দৰে ৰঙা গাল খনত এটা এনকেফেলাইটিছ মহ নে মেলেৰিয়া মহেই জানো কামুৰি একেবাৰে শেষ কৰিলে। ঠাচ কৈ নিজৰ গালতে চৰ এটা শুধাই দিলো। দেহিঐ ! ইছ ইছ ইমান সোপা তেজ খালে। ইছ ৰাম মোৰ দেহত থকা বীৰ লাচিত দাৰ তেজ সোপাকে এই জহনীমৰা মহটোৱে শুহি খালে। কি হব এতিয়া ! তাৰমানে মোৰ দেহত আৰু লাচিত দাদাৰ সমান জোৰ নাথাকিব নহয় জানো ? বাৰু সেই বিলাক পিছতো দেখা যাব, এতিয়া এনকেফেলাইটিছ নাইবা মেলেৰিয়া বেমাৰত পৰি যদি Balcony ৰ টিকত লৈ নৰক যাত্ৰা কৰিব লাগে ? যদি নৰক যাত্ৰাৰ বাবে Passport এখন যম নগৰীৰ পৰা যম দেৱতাই পঠাই দিয়ে কি হব বাৰু ? নাই নাই মই চিধাই যম ভিনিদেউক কৈ দিম, দেখা ভিনিটি মই এতিয়াই "এছকাৰছনত" নৰক পুৰীলৈ নাযাওঁ কৈছিলো। যমক ভিনি বোলা কাৰণে আপোনালোকে কিজানি ভাবিছে এইটো পগলা হলনিকি অ যমক ভিনি বুলিবলৈ। আছল কথা কি জানে যমক ভিনি কলে কিজানিবা খুলখালী বুলি এইবাৰৰ কাৰণে মাফ কৰেইবা। অৱশেষত যম ভিনিদেউৱে মোৰ Application খন Grant কৰিলে। ৰক্ষা তেওঁ প্ৰভূ। মই মৰা হলে এই পৃথিৱী খনৰ, নহয় নহয় এই অসম খনৰ বিশেষকৈ বৰ ক্ষতি হলহেঁতেন। ভাবক ছোন মই এটা ইমান ডাঙৰ কাম হাতত লৈছো মানে "ৰস ৰচনা" লিখাৰ কথা কৈছো। হঠাৎ যদি মৰি থাকো মোৰ এই কাম আধৰুৱা হৈ নাথাকিব জানো ? গতিকে দুদিনমান থাকি কাম ফেৰা সমাধা কৰিব পাৰিলেই ৰক্ষা দেওঁ। অন্তত : আমাৰ অসমৰ সাহিত্যৰ বেৰ নথকা চালৰ সুৰুঙাৰে জোনদেখা পোৱা ভৰালটো পূৰণ হব বুলি মই ভাৰিছো। দেখিলে মই কিমান দকৈ ভাবিব পাৰো ; কিয় নোৱাৰিম হে কিয় নোৱাৰিম ? ইহ নোৱাৰিম বুলি কলে হলনে আমুকীয়ে। তাই কবই কাৰণ তাইৰ পৰা যে মই একো সহায় বিচৰা নাই। আৰু এই আমুকাক আমুকীৰ সহায় নালাগে ; নালাগে-নালাগে। বৰ সহায় কৰিবলৈ আহিছে। মই তাইক কৈ দিছো আগতে নিজে চেনী খাবলৈ মানা কৰিবা। দেখিছো নহয় তাই কিখন যে লিখে ! হৰি বিষ্ণু হৰিবিষ্ণু। সাহিত্য চৰ্চ্চা কৰিলেই বুলি এনেকৈ কৰেনে। নোৱাৰিলে





নকৰিবা সেই বুলি হাক খোৱা ভাত খোৱা এগাল লাগ বান্ধ নথকা বেবেৰি বাঙ কথা লিখিলেই নহব নহয়। যি কি নহওঁক তাই অবলা ছোৱালী। ছেহ মওঁযে আৰু উৰহৰ খং ভগা ধাৰীত খঙৰ ভমকতে বহুত কিবা কিবিখন বকিদিলো নহয় তাইক। বেছেৰী তাইৰ সাগৰ যেন চকু যুৰিয়েদি দুধাৰী অশ্ৰু বৈ আহোতে, সেইঅশ্ৰুত মই মোৰ সাহিত্যৰ বহুত "Instrument" দেখা পাইছিলো। লগে লগে মোৰ লিখি দিবৰ মন গৈছিল মানে এক প্ৰকাৰে লিখিয়ে দিছিলো দুলাইন মান।

তোমাৰ অশ্ৰুত
দেখো আজি মই ... ...... ... ।

এহ, নহব আৰু নহব। মোৰ এই জীৱনত আৰু "ৰসবচনা" লিখা নহব। চাওঁকছোন লিখিবলৈ মোৰ কিমান হেপাহ, কিমান আশা তথাপিও নোৱাৰো। মানে ডাকৰ বচনত কয় নহয়, ভবা কথা নহয় সিদ্ধি বাটত আছে কনা বিধি, ঠিক মোৰ দশা একেই হৈছে। এইমাত্ৰ হকাৰ টোৱে দি যোৱা "দৈনিক অসম" নামৰ বাতৰি কাকত খনত চকু ফুৰাবলৈ এৰি যাওঁ মোৰ ভাগ্য হোৱানাই অথন। মানে প্ৰথমে দেউতা, তাৰপাছত মায়ে এবাৰ ৰান্ধনী ঘৰলৈ নিয়ক তৰপাছত দাদা, নবৌ, বাইদেউ অবশেষতহে মোৰ কাষ পায়হি কাকতখন। তেতিয়ালৈ কাকতখন কাকত হৈ নাথাকে আৰু। ভজা বুট বান্ধি দিয়া কাগজ খনৰ দৰে হয়। ঠিক তেনে অৱস্থা হয় এই বাতৰি কাকত খনৰ মোৰ টেবুল পায়হি মানে। কবলৈ গলে তাত ৰান্ধনী ঘৰৰ হালধী তেল ; বাইদেউৰ ওচৰৰ পৰা অহাৰ বাবে তাত লাগি থাকে নানা ধৰণৰ "কছমেটিকছ", মুঠতে পেপাৰখন আৰু পঢ়াৰ উপযোগী হৈ নাথাকে। কিন্তু কি কৰিব, উপাই নাই After all Paper পঢ়িবই লাগিব।

প্ৰথম পৃষ্ঠাত অলপ চকু ফুৰালো, মানে Head line বিলাক পঢ়িছো যেনিবা পঞ্জাৱত আতঙ্ক বাদীৰ হাতত ২০ জন নিহত, বাংলাদেশত ঘণ্টাত ৫০০ মাইল বেগেৰে ঘূৰ্ণীবতাহ, ১৫ খন মাছমৰীয়া নাওঁ নিৰুদ্দেশ, অসমৰ বানপানী সমস্যা, এইদৰে প্ৰথম পৃষ্ঠা লুটিয়ালো। তাৰ পাছত দ্বিতীয় তৃতীয়; তাৰ পাছত চতুৰ্থ পৃষ্ঠাত হঠাৎ মোৰ চকু থৰহৈ বৈ গল যেন মোৰ চকুৰ মণি দুট। চিৰদিনৰ বাবে অথল হৈ যাব মোৰ এনে ভাৱ হল। চতুৰ্থ পৃষ্ঠাৰ সোঁফালে লিখা কথা খিনি মই পঢ়ি গলো, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিক কলা, বিজ্ঞান আৰু বাণিজ্যৰ চূড়ান্ত পৰীক্ষাৰ Programen। লগে লগে মোৰ গাত জ্বৰ আৰম্ভ হল। কাৰণ Programe দিলেই অহা ২০ জুনৰ পৰা পৰীক্ষা। মানে মোৰ কি কৰো কি নকৰো লাগি গ'ল। লগে লগে "ৰস ৰচনাৰ" কথা পাহৰিবলৈ চেষ্টা কৰিলো। বেয়া নাপাব কিন্তু, কি কৰিম কওঁক পৰীক্ষা নহা হলে নিশ্চয় এটা ধুনীয়া "ৰসৰচনা" লিখিলো হেঁতেন। উপায় নাই আৰু কিযে 'বে টাইমত' পৰীক্ষা চৰীক্ষা বিলাক পাতে আৰু পাই। আমাৰ ভাৰতৰ অ' নহয় অসমৰ এই ধৰক ঘড়ী, গাড়ী, আৰু পৰীক্ষা কেতিয়াও সময় মতে নচলে। আপুনি গাড়ীৰ কাৰণে বৈ থাকক কিন্তু গাড়ী নাহে, ঘড়ীটো চাই থাকক দেখিব কেতিয়াবা তেজী ঘোৰাৰ দৰে first চলিছে, আৰু কেতিয়াবা গৰু গাড়ীৰ দৰে লেট। ঠিক তেনেকৈ পৰীক্ষা কেতিয়াবা সময়তকৈ আগতে কেতিয়াবা পাছত মুঠতে এই তিনিটা অদ্ভুত বস্তুৱে আমাক নাকত ধৰি চাকত ঘূৰাই ঘূৰাই মাৰিব ধৰিছে। বেয়া নাপাব সাহিত্য প্ৰেমী ৰাইজ। আপোনালোকৰ মনৰ আশা এই অধমৰো অধমে পূৰণ কৰিব নোৱাৰিলে। এই অধমক তেৰা সবে নিজগুণে ক্ষমা কৰে যেন।

আগধৰি পৰীক্ষাটো দি লওঁ, পাছে পৰে কেতিয়াবা শকতি হলে অধমে আপোনা সবৰ মনোবাঞ্চা পূৰ্ণ কৰাৰ চেষ্টা কৰা হব। আহিছো দেউতা, আজিলৈ তেন্তে সেৱাহে মাগিছো। ★

সংগ্ৰাহক—শ্ৰীউমাকান্ত হাজৰীকা
বাণিজ্য শাখা, দ্বাদশ শ্ৰেণী

★ শব্দ - শব্দ - শব্দ (প্ৰতি শব্দ)

আফ্ৰিকাৰ এখন দেশৰ নাম উগাণ্ডা। তাৰ ঘাই প্ৰদেশখনৰ নাম বুগাণ্ডা। তাৰ অধিবাসীসকলক বোলা হয় বাগাণ্ডা। তাৰ ভাষাত মানুহৰ প্ৰতিশব্দ, মুগাণ্ডা। ভাষাটোৰ নাম লুগাণ্ডা। দেশৰ ঐতিহ্য আৰু আচাৰ-ব্যৱহাৰবোৰক বোলা হয় কিগাণ্ডা।

★ কম কথা ( সত্য ঘটনা )

পেৰিচত এবাৰ এখন ৰচনা প্ৰতিযোগিতা হৈছিল; বিষয় আছিল —"সকলো অনৰ্থৰ মূল।" অৰ্থনীতিৰ বিভাগৰ ছাত্ৰ এজনে প্ৰথম পুৰস্কাৰ লাভ কৰিছিল । তেওঁৰ ৰচনাখনত মাত্ৰ এটা শব্দ আছিল। শব্দটো হ'ল - ধন।

শ্ৰীদীনেশ দলে
উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক (কলা) শাখা

## কৌতুক —

এজন মাছ বেপাৰীয়ে এখন সৰু হাটত প্ৰকাণ্ড প্ৰকাণ্ড "ৰৌ" মাছ বিক্ৰী কৰি আছিল। এনেতে এজন অফিচাৰ, হাটখনলৈ আহিল আৰু প্ৰকাণ্ড প্ৰকাণ্ড মাছবোৰ দেখি আচৰিত হৈ কলে —

অফিচাৰ :— হাউ মাচ !

বেপাৰী :— "চাৰ" ৰৌ মাছ।

অফিচাৰ হোৱাট ?

বেপাৰী :— হয়, চাৰ" বৰ সোৱাদ।

অফিচাৰ :— নন্ চে'ন্‌চ্।

বেপাৰী :— নাই, নাই, 'চাৰ' ৯/১০ টকাত নেপায়, কাৰণ মই কেজীত ২০.০০ টকা দি আনিছো।

✳✳✳



কবিতা কোঁৱৰ শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকনৰ সৈতে এখন্তেক —

# সাক্ষাৎকাৰ ঃ প্ৰশ্নৰ উত্তৰ ঃ কবিতাৰে

[ অসমীয়া সাহিত্যৰ খ্যাতনামা কবি, গীতিকাৰ শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকনৰ পৰা কিছু কথা জনাৰ অভিপ্ৰায়েৰে তেখেতৰ সোণাৰীত থকা বাস ভৱনলৈ কিছু প্ৰশ্নৰ উত্তৰ বিচাৰি পঠাইছিলো। ককাই জীৱনৰ শেষ বয়সতো আমাৰ প্ৰশ্ন সমূহৰ উত্তৰ দি আৰু অনুজ সকললৈ আগবঢ়োৱা দিহা-পৰামৰ্শৰ বাবে তেখেতক কৃতজ্ঞতা জ্ঞাপন কৰিলো। — সম্পাদক ]

প্ৰশ্ন — ককা, আপোনাক অসমীয়া সাহিত্যৰ কবিতা জগতত কবিতা কোঁৱৰ নামেৰে অভিহিত কৰা হৈছে। আমি জানো আপুনি এই সন্মান পাবৰ যোগ্য। আপোনাৰ এতিয়ালৈকে কিমানখন কবিতা পুথি প্ৰকাশ পাইছে। লগতে আপুনিতো বনগীত আদিও লিখে। এই বনগীত বিলাক লিখাৰ উদ্দেশ্যৰ বিষয়ে কিছু কথা আমাক জনাব নেকি ? সাম্প্ৰতিক বাঢ়ি অহা আধুনীক গীত তথা অন্যান্য গীত সমূহে এই অসমীয়া জাতীয় জীৱনৰ লগত জড়িত বনগীত সমূহক ম্লান কৰিব বুলি আপুনি ভাবে নেকি ?

উ: "সাহিত্যৰ জগত"ত "কবিতা কোঁৱৰ"
ময়েই প্ৰথমে পালো উপাধি যিদিনা —
নাচিছিল আনন্দত মন-প্ৰাণ মোৰ
শুনিছিলো অসমীৰ মাত মউসনা।
ৰচিছিলো কাব্য নাট বুৰঞ্জী অনেক
একুৰি ছখন পুথি সাধনাৰ দ্বাৰা
সৃষ্টি কৰে "বনগীতে" "শিল্পীৰ পৃথিৱী"
বয় তাত সঙ্গীতৰ সুৰৰ নিজৰা।
"জাতীয় জীৱন ম্লান" নোৱাৰে কৰিব
অসমৰ গীত মাতে কেতিয়াও সোণ —
পুনৰ উদয় হ'ব নীল আকাশত
জাঁউসী তিথিত সেই মৰিলেও জোন।

প্ৰশ্ন — আপুনি ১৯৮১ চনত অসম সাহিত্য সভাৰ তিনিচুকীয়া সাহিত্য সভাৰ কবিচক্ৰৰ সভাপতি হিচাবে দায়িত্ব পালন কৰিছিল। তেতিয়া আপোনাৰ মন কেনে লাগিছিল আৰু পৰৱৰ্ত্তী কোনো সাহিত্য সভাৰ বিশেষ গুৰুদায়িত্ব পালন কৰিছে নেকি ?

উঃ 'ৰঙিয়া'ত হইছিল "সাহিত্য সভা"ৰ
বিশেষ আনন্দপূৰ্ণ "কবি সন্মিলন" —
সভাপতি হই মই কবিতাৰে দিলো
জ্বলাই প্ৰদীপ ধূপ সিদিনা ভাষণ।
'সাংস্কৃতিক সন্মিলনে" 'তিনিচুকীয়া'ত
উদ্বোধক কবি মোক যাঁচিলে সন্মান —
কৃষ্টি সংস্কৃতিৰ ক'লো বহুতেই কথা
দেখিছিলো সুন্দৰৰ জ্যোতি মহীয়ান।
"সাহিত্যৰ পৰিষদে" 'শিৱসাগৰ'ৰ
'চাৰিঙ'ত সভাপতি পাতিছিল মোক —
দিছিলো ভাষণ তাতো কবিতাৰে মই
চালি জাৰি অসমৰ চাই চাৰি চুক।

প্ৰশ্ন — ককা, আপুনি কবিতা তথা গীত লিখিবলৈ কেতিয়াৰ পৰা লৈছিল আৰু কাৰোবাৰ পৰা অনুপ্ৰেৰণা পাইছিল নেকি ?

উঃ "শিৱসাগৰ গৱৰ্ণমেণ্ট হাই স্কুল"ত
পঢ়ি থকা অৱস্থাতেই কবিতা ৰচিলো —

‘পদ্মধৰ’ ডিম্বেশ্বৰ’ দুজনা গুৰুৰ
তাৰ বাবে আশীৰ্ব্বাদ কত পাইছিলো।
লগে লগে গীতো মই লেখিবলৈ ল’লো
যিবোৰ প্ৰকাশ হ’ল যথা সময়ত —
সাহিত্য সাধনা কৰি মাতৃ বৰদাৰ
দেখিলো জীৱন জ্যোতি মহিমা মহত।

প্ৰশ্ন — সাম্প্ৰতিক অসমীয়া সাহিত্যত বাঢ়ি অহা নতুন কবি সকললৈ আপুনি কিবা পৰামৰ্শ আগবঢ়াব নিশ্চয় আছে আৰু এই নতুন কবিতা বোৰৰ উদ্দেশ্যৰ বিষয়ে আপোনাৰ মন্তব্য কেনে ধৰণৰ ?

উঃ নাই কবিতাৰ নাম “নতুন - পুৰণি ’ —
থাকিব লাগিব তাত মাত্ৰ ছন্দ ধ্বনি।
ক-কথা, বি-বিশেষ, তা- তাৎপৰ্য্যপূৰ্ণ —
এয়ে হ’ল কবিতাৰ স্বৰূপ স্বৰ্বণ।
গছত ফুলিছে ফুল একে ধৰণৰ,
হোৱা নাই ৰূপ তাৰ কোনো লৰ-চৰ।
সাপেও সলায় মোট — বিষ জানো যায়,
নতুন কবিয়ে তাক বুজক সদায়।
নাথাকিলে ছন্দ লয় স্বকীয়তা-গুণ —
কবিতা পঢ়িলে ভাল লাগিবনে সোণ ?
বন গীত, বিহু গীত, আই-বিয়া-নাম —
মন্ত্ৰ পঢ়িলেও তাত ছন্দ থকা পাম।
জন সাধাৰণে যদি নকৰে আদৰ —
“কবিতা জগত” খন হ’বনে পোহৰ ?
দুৰ্ব্বোধ্য কবিতা ৰচি ইদৰে থাকিলে,
শেষত কি হ’ব গতি আন্ধাৰ নামিলে ?
মেলি বিতৰ্কৰ সেই নতুন পাতনি —
বুদ্ধিজীবি সকলৰ কৰি জয় ধ্বনি।
সেউজীয়া দেশৰেই মাটিৰ কবিক —
পাৰিবনে আনি দিব সোণৰ মাণিক ?
নতুন পুৰুষে তাক কৰক বিচাৰ —
অপ্ৰিয় হলেও ক’লো এই কথাষাৰ।

প্ৰশ্ন — আপোনাক কবিতা কোঁৱৰ নামেৰে অভিহিত কৰা হৈছে। কিন্তু আপোনাক জনসমাজে বা অনুজ সকলে আপোনাৰ কবিতা তথা গীত বিলাকক কেনে ধৰণে আকোৱালী লয়, লগতে চৰকাৰৰ ফালৰ পৰা আপুনি কিবা সুবিধা পাইছে নেকি ?

উঃ “কবিতা-কোঁৱৰ” হই অসমৰ
বচিলো অনেক কবিতা গান · -
সৰ্ব্বসাধাৰণে পঢ়ি শুনি তাক
ভাল পোৱা বাবে যাঁচিছে মান।
দিছে চৰকাৰে সেই কাৰণেই
সাহিত্যিক পেঞ্চন এটা মোক,
ঘৰখন মেয়ে চলাব লাগিছো
মুগুচে পেটৰ অলপো ভোক।

প্ৰশ্ন — আমাৰ বৰ্ত্তমান শিক্ষা ক্ষেত্ৰত পৰীক্ষাৰ ফলাফল সমূহে বাৰুকৈয়ে হতাশ কৰিছে। তথা যি সকলে কৃত-কাৰ্য্যতাৰো হৈছে তেখেতলোকৰ সৰহ ভাগেই নিবনুৱা। এই বিষয়ে কি কি উপায় অৱলম্বন কৰিলে এই সমস্যা সমূহ দূৰ হব বুলি আপুনি ভাবে ?

উঃ শিক্ষা নীতিবোৰ সলনি কৰোতে
পৰীক্ষা চলাই ইদৰে থাকোতে
সোণত ভেজাল দিওঁতে দিওঁতে
খাটি সোণ আৰু নোহোৱা হ’ল —
শিক্ষক ছাত্ৰই, পানৰুৱা জনে
আন চিন্তা কৰি থকাৰ কাৰণে
নাপায় সুফল — “ডাকৰ বচনে”
আমাক ই কথা কৈয়েই গ’ল।
শিক্ষিতা শিক্ষিত গাভৰু-ডেকাই
নিবনুৱা হই আছে আজি হাঁয়
জীয়াই থকাৰ কোনো পথ নাই
আমাৰ দেশত কিয়নো বাৰু —





আনে কাঢ়ি খায় মুখৰেই ভাত
দেখিও নেতাই দিছে জানো মাত
হেৰায় আহিছে চেতনাও গাত
নাজানো শেষত কি হ’ব আৰু।
নিজ সমষ্টিৰ বিধায়কে আজি
ঘৰে ঘৰে গ’ই লক নিজে বুজি
নাপায় চাকৰি কিমানেই খুজি
বিহিত ব্যৱস্থা কৰক তাৰ —
তেতিয়াহে হ’ব অশান্তি বিদূৰ
নাবাজে বীনাত বিপ্লৱৰ সুৰ
নিদিয়ে অস্ত্ৰত কোনেও ধাৰ।

প্ৰশ্ন — বৰ্ত্তমান শিক্ষা জগতত দেখা দিয়া শিক্ষক শিক্ষয়ত্ৰী আৰু ছাত্ৰ ছাত্ৰীৰ মাজত যিখিনি দূৰ সম্পৰ্ক গঢ়ি উঠিছে, ইয়াৰ নিবাৰণৰ বিষয়ে কিছু কব নেকি ? লগতে এই ক্ষেত্ৰত আমাৰ অভিভাৱক সকলৰ দায়িত্ব কেনে হোৱা উচিত বুলি আপুনি ভাৱে ?

উঃ শি—মানে শিষ্টাচাৰ, ক্ষ—মানে ক্ষমা
ক—মানে করুণাৰ কথাকে বুজায় -
থাকে যদি তিনি গুণ শিক্ষকৰ গাত
ছাত্ৰ ছাত্ৰী সকলেও পূজিব সদায়।
ছয় নম্বৰৰ সেই উত্তৰত পাব
দিয়া আছে তাতে ছাত্ৰ-শিক্ষকৰ কথা—
মধুৰ সম্পৰ্ক গঢ়ি উঠিলে নিশ্চয়
আঁতৰিব ভেদভাৱ অন্তৰৰ ব্যথা।
লাগে অভিভাৱকৰ আৰু সহযোগ
ছাত্ৰ-ছাত্ৰীসকলক উপদেশ দিয়া—
শিক্ষা-গুৰু সকলক সন্মান জনালে
দেখিব পোহৰ পথ চিৰ যুগমীয়া।

প্ৰশ্ন — শেষত আপোনাৰ পৰা জানিব বিচাৰিছো যে সাম্প্ৰতিক সমাজত বাঢ়ি অহা সাম্প্ৰদায়িকতা, বিচ্ছিন্নতা-বাদী মনোভাৱ তথা মূল্যবৃদ্ধি আদি কাৰণত আজি অসমীয়া জাতি গঠনত সম্পূৰ্ন বাধাৰ সৃষ্টি কৰিছে। এই বিলাক দুৰ কৰিবৰ বাবে আপোনাৰ মতামত কেনে-ধৰণৰ ?

উঃ—ইখন আমাৰ দেশ—স্বৰ্গ বসুন্ধৰা,
জাতি-উপজাতি মিলি থাকিব লাগিব —
সাম্প্ৰদায়িকতাবাদী হওঁ যদি আমি
দেশ ল’ই অন্ধকাৰ পুনৰ নামিব।
স্বৰ্গদেউ চুকাফাই এই নীতি ল’ই
ৰচি গল মান চিত্ৰ বৰ অসমৰ—
খণ্ড খণ্ড কৰো যদি স্বদেশক আমি
বিদেশী শতুৰু আহি সোমাব ভিতৰ।
বিচ্ছিন্নতাবাদী হৈ কোনো জাতিয়েই
নিজৰ অস্তিত্ব বোধ নোৱাৰে ৰাখিব —
অতীতৰ ইতহাসে তাকে কই গ’ল
খাল খান্দি যখিনীক কোনেনো চপাব ?
সময়ত পাঠ্যপুথি যদিহে নাপায়
ছাত্ৰ -ছাত্ৰীসকলৰ হব অপকাৰ—
দোষ দিব সকলোৱে শিক্ষা বিভাগক
জনতাৰ আদালতে কৰিব বিচাৰ।
বানপানী এইদৰে হৈয়েই থাকিব।
ভূ গৰ্ভত পৰমাণু অস্ত্ৰৰপৰীক্ষা —
বৈজ্ঞানিক দলে হাঁয় সিদিনা কৰিলে
পাৰিব দেশখন কৰিব সুৰক্ষা ?
বাম হ’ল বৰ নই— সাগৰৰ তলী
জোকাৰণি খাই খাই এতিয়া তেনেই -
উপনৈৰ পানীবোৰ কিদৰে টানিব
মঠাউৰী দিলে লাভ হব জানো সেই ?
বিজ্ঞানে ধ্বংসৰ পথ কিয় বাছি ল’লে
ধুনীয়া ধৰণীখন থাকিবনে ৰই—
উপগ্ৰহ উৰুৱাই কোনোবা ৰাষ্ট্ৰই
“নৈসৰ্গিক অস্ত্ৰ” মেলি দিছে এনেকই।

বান-পানী ভূঁইকঁপ - ধুমুহাৰ গতি
খৰাঙ বতাহে হাঁয়, কোনোবা এদিন—
কৰিব পৃথিৱী খন বিনাশ যেতিয়া
জোনৰ দেশৰ দৰে ৰ'ব মাত্ৰ চিন।
বৈজ্ঞানিক সকলৰ চেতনা জাগক
মৰণৰ অস্ত্ৰ যেন দিয়ে ধ্বংস কৰি—
শান্তিৰ কাৰণে চিন্তা কৰক আটায়ে
তেতিয়াহে দেশখন হ'ব ইন্দ্ৰপুৰী।
দুৰ্নীতি-স্বজনপ্ৰিয়-শোষণ-শাসন
কৰিব লাগিব ত্যাগ সকলো লোকেই,
নহ'লে মৃত্যুৱে আহি কাষ চাপিবহি
"বানচেঙ মাৰি" ক'লো কথাষাৰ এই।
মন্তব্য ঃ
আঠোটা প্ৰশ্নৰ দিলো উত্তৰ তোমাক,
ল'বনে-নলয় মানি সকলোৱে তাক।
এনেদৰে এইখন দেশত আজিও,
কবিতাৰে দিয়া নাই উত্তৰ কোনেও।
কবিতা কোঁৱৰ" নাম কৰিছো সাৰ্থক,
ভাল পাওঁ জন্মভূমি মোৰ অসমক।
"বহুজন সুখ„ আৰু 'হিত'ৰ কাৰণে—
ৰচিছো কবিতা - গীত মই সযতনে।
নাই মোৰ অন্তৰত কোনো ভেদভাৱ,
নিবিচাৰো ভিক্ষা কৰি লোৱা মান-বাব।
জাতি-উপজাতি কাকো হিংসা কৰা নাই,
সকলো আপোন মোৰ চেনেহৰ ভাই।
প্ৰত্যেক গোষ্ঠীৰ ভাষা-ধৰ্ম্ম-কৃষ্টি ৰ'ক—
সংস্কৃতিৰ জয়-দ'ল জিলিকি উঠক।
কৃষ্টি-উপনৈয়ে সৃষ্টি কৰে বৰ নই—
মহামিলনৰ সোঁত গই থাকে বই।
নিবিচাৰো কু-চক্ৰীৰ হিত উপদেশ,
সিহঁতেই দেশখন কৰিছে নিঃশেষ
ভাৰতৰ অঙ্গৰাজ্য অসম যদিও,
নোৱাৰে অস্তিত্ব নাশ কৰিব কোনেও।
চলালে শোষণ-নীতি দেশৰ নেতাই,
নাথাকো দুচকো মুদি—আছো সাৰ পায়।
পশ্চিমৰ উদঙীয়া আহি গৰুবোৰে—
চুলেহি ভাতৰ চৰু কোনে ৰ'ব পাৰে ?
লাচিত-মূলাৰ দেশ ইখন আমাৰ—
খেদিম বিদেশী শত্ৰু আছে শক্তিগাৰ।
নতুন পুৰুষদল আহক ওলায়—
প্ৰকৃত সমাজবাদ গঢ়ক দুনাই।
শান্তি-সম্প্ৰীতিক ৰক্ষা আটায়ে কৰক,
সোণৰ অসম দেশ জিলিকি উঠক। ●





# অভিমত শিতান ঃ—

[ অভিমত শিতানলৈ অসমৰ সামাজিক, ৰাজনৈতিক, শৈক্ষিক আৰু অৰ্থনীতিৰ সংক্ৰান্তক লৈ মুঠ এঘাৰটা প্ৰশ্নৰ উত্তৰ বিচাৰি ডিব্ৰুগড়ৰ কেইবাজনো বিশিষ্ট লোক আৰু শিৱসাগৰ ছোৱালী কলেজৰ অধ্যাপক শ্ৰীসুৰেশ ফুকনৰ ওচৰ চাপিছিলো। আমাৰ প্ৰশ্ন সমূহৰ উত্তৰ দি সহায় কৰাৰ বাবে তেখেত সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো — সম্পাদক ]

## প্ৰশ্নসমূহ দাঙি ধৰিছে — আলোচনীৰ সম্পাদক — শ্ৰীসঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱাই

প্ৰশ্ন নং — ১) স্কুলীয়া শিক্ষাৰ বৰ্ত্তমান অৱস্থাৰ আজি — যিদৰে অৱনতি ঘটিবলৈ ধৰিছে তাৰ ফলশ্ৰুতি হিচাপে প্ৰতি বছৰে লক্ষ লক্ষ ছাত্ৰ-ছাত্ৰী উদ্দেশ্য বিহীন হৈ পৰিছে। ইয়াৰ কাৰণ অপুনি কি বুলি ভাৱে ?

২) বৰ্ত্তমান আমাৰ শিক্ষা ব্যৱস্থা সম্পূৰ্ণ পৰীক্ষা কেন্দ্ৰিক হৈ উঠিছে বুলি আপুনি ভাৱে নেকি ? ইয়াক বাস্তৱ মূখী কৰি তোলাৰ বাবে আপুনি কি পৰামৰ্শ আগবঢ়াব বিচাৰে ?

৩) আজি কিছুদিনৰ পৰা ৰাতৰি কাকত আলোচনীত এটি কথাই বৰকৈ দেখা যায় — শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ সম্পৰ্ক অধিক অৱনতি ঘটা বুলি সৰলোৱে কব খোজে। এই সম্পৰ্কত আপোনাৰ মতামত ?

৪) "আজিৰ ছাত্ৰ কাইলৈ দেশৰ নাগৰিক" বুলি যি এষাৰ কথা আছে, সেই কথাষাৰ বাস্তৱত ৰূপায়িত কৰাত শিক্ষক আৰু ছাত্ৰ সকলৰ ভূমিকা কেনে হোৱা উচিত বুলি ভাৱে ?

৫) ছাত্ৰ আৰু ৰাজনীতিৰ সম্পৰ্ক কেনেহোৱা উচিত বুলি ভাৱে ?

৬) "ছাত্ৰানং অধ্যয়নং তপ" এই কথাষাৰৰ বৰ্ত্তমান যুগত কিমান খিনি যুক্তি-যুক্ততা আছে বুলি ভাৱে ? দেশ আৰু সমাজৰ স্বাৰ্থত এজন ছাত্ৰৰ কৰ্তব্য কি হোৱাটো বিচাৰে ?

৭) এজন শিক্ষক অথবা ছাত্ৰ হিচাপে সমাজৰ পৰা আপুনি যি আশা কৰে তাক পাইছেনে ?

৮) সাম্প্ৰতিক অসমত জন গোষ্ঠীগত সমস্যা, বানপানী সমস্যা, নিবনুৱা সমস্যা, পাঠ্য-পুথিৰ সমস্যাকে ধৰি এশ এবুৰি সমস্যাই এক জটিল ৰূপ লোৱা দেখা গৈছে। সমস্যা সমূহৰ উদ্ভৱৰ কাৰণ আপুনি কি বুলি ভাৱে। সমস্যা সমূহৰ সমাধানৰ উপায় কি বুলি ভাৱে ?

৯) আজি অসমৰ যুৱ সমাজৰ মাজত এখন শ্ৰেণীহীন আৰু শোষণহীন সমাজ গঢ়া মানসীকতাই গঢ়লোৱা দেখা গৈছে। প্ৰকৃত এখন শ্ৰেণীহীন আৰু শোষণহীন সমাজ গঢ়াৰ লক্ষ্যত উপনীত হবলৈ যুৱক-যুৱতী সমাজে কেনে ভূমিকা লোৱা উচিত বুলি ভাৱে ?

১০) বৰ্ত্তমান দেশত চলিত শিক্ষা ব্যৱস্থাৰ প্ৰতি আপোনাৰ ধাৰণা কেনে ? এই শিক্ষা ব্যৱস্থাৰ ওপৰত আপোনাৰ আস্থা কেনে ?

১১) সাম্প্ৰতিক অভিভাৱক সকলে লৰা-ছোৱালীৰ ওপৰত কতৃত্ব হেৰুৱাই পেলোৱাৰ দৰে অনুভৱ হৈছে। ইয়াৰ কাৰণ আপুনি কি বুলি ভাৱে ? এজন ছাত্ৰক সু-নাগৰিক হিচাপে গঢ়ি তুলিবলৈ হলে অভিভাৱক সকলৰ কৰ্ত্তব্য কেনে হোৱা উচিত বুলি আপুনি ভাৱে ? ★

### অভিমত —

শ্ৰীভূবন বৰুৱা
ডিব্ৰুগড় বিশ্ববিদ্যালয়

উঃ ১) বাস্তৱিক জীৱন আৰু সামাজিক প্ৰয়োজনৰ লগত

সংগতি নথকা শিক্ষা ব্যৱস্থা এটাকে স্বাধীনতাৰ পাছতো খামোছ মাৰি থকাৰ বাবেই সকলো পৰ্য্যায়তে শিক্ষাই প্ৰাসংগিকতা হেৰুওৱাৰ উপক্ৰম ঘটিছে। এইখিনিতে মনত পৰিল তাহানিথন শিক্ষা আয়োগে উল্লেখ কৰা তাৎপৰ্য্যপূৰ্ণ মন্তব্য এটি Education is a threefold Process of imparting knowledge, developing Halls and inculcating Proper interests, attitudes and Values. ইয়াৰে আমি প্ৰথমটোতহে গুৰুত্ব দি আছো, কিন্তু শিক্ষাৰ নামত যি জ্ঞান দিয়া হৈছে সেইবোৰো আওপুৰণি বাস্তৱ বিবৰ্জিত। তেনে শিক্ষাই ছাত্ৰ ছাত্ৰীৰ মনলৈ উদ্দেশ্যহীন ভাব এটা আনিবই। দুখৰ কথা যে আমাৰ শিক্ষাত বাস্তৱ জীৱনৰ লগত সংগতি থকা পাঠ্যক্ৰম এতিয়াও সংযোজিত নহল। শিক্ষাক সামাজিক প্ৰয়োজনৰ লগত সংগতিপূৰ্ণ কৰিব নোৱাৰিলে হতাশ বাঢ়িব, সামাজিক বিশৃঙ্খলতা বৃদ্ধি পাব, সমাজ জীৱন বিপৰ্যস্ত হব। সম্প্ৰতি আমি তেনে এটা অৱস্থাৰে মুখা মুখি হৈ আছো। শিক্ষাৰ নীতি নিৰ্দ্ধাৰণ কৰোতা সকলে সমস্যাৰ প্ৰতি সঠিক গুৰুত্ব দিয়া বুলি নাভাবো।

২) এই কথা সচা যে আমাৰ শিক্ষা ব্যৱস্থা সম্প্ৰতি সম্পূৰ্ণ ভাবেই পৰীক্ষা কেন্দ্ৰিক হৈ আছে। এনে ব্যৱস্থাই ছাত্ৰ ছাত্ৰীক কোনোমতে কেইটামান প্ৰশ্ন মুখস্থ কৰি কোনোমতে পৰীক্ষা বৈতৰনী পাৰ হবলৈহে সহায় কৰিছে। অসমত পৰীক্ষা ব্যৱস্থাৰ উন্নতিৰ নামত ছেগাচোৰোকাকৈ যিবোৰ ব্যৱস্থা লোৱা হৈছে তাক কোনোমতেই যথেষ্ট বুলি ক'ব নোৱাৰি। আচলতে ছাত্ৰ ছাত্ৰীয়ে অৰ্জন কৰা জ্ঞানৰ অবধাৰিত মূল্যায়ন ( Continuous Assessment ) নোহোৱালৈকে অৱস্থাৰ উন্নতি হোৱাৰ আশা ক্ষীণ। এই ধৰণৰ আচঁনিৰ বাবে বিদ্যালয়, মহাবিদ্যালয়বোৰত এটা সুস্থ শৈক্ষিক পৰিবেশ তৈয়াৰ হব লাগিব। চাকৰিৰ লগত ডিগ্ৰীৰ সম্পৰ্ক নোহোৱা কৰাৰ প্ৰস্তাব মাজে মাজে দিয়া হলেও তাক কাৰ্য্যকৰী কৰা হোৱা নাই। বৰ্ত্তমানৰ পৰীক্ষাকেন্দ্ৰিক শিক্ষা ব্যৱস্থাই সমস্যাৰ জটিলতা ক্ৰমে, বঢ়াইছে বুলি মোৰ ধাৰণা। ইয়াৰ বিকল্প অপৰিহাৰ্য্য হৈ পৰিছে। কিন্তু মেকুৰীৰ ডিঙিত টিলিঙা আৰে কোনে ?

৩) সম্প্ৰতি আমাৰ সমাজ জীৱনৰ প্ৰায় সকলো স্তৰতে চলা বিশৃঙ্খলতা, বিসংগতি আদিৰ প্ৰতিফলন ছাত্ৰ শিক্ষকৰ মাজত অতীতত চলা মধুৰ সম্পৰ্কৰ ক্ষেত্ৰতো দেখা গৈছে। সেই মধুৰ সম্পৰ্ক আজি আৰু নাই বুলি নিজৰ অভিজ্ঞতাৰ পৰাই অনুভৱ কৰিছো। তাৰ বাবে দায়ী কোন বুলি ঘপহকৰে কোৱা টান যদিও কেতিয়াবা আত্মবিশ্লেষণ কৰি ভাবো, আমি শিক্ষক হিচাবে ছাত্ৰ ছাত্ৰীক প্ৰেৰণা দিব পৰা শক্তি হৈ আছোনে? শিক্ষক এগৰাকী হব লাগে এজন Committed man, Committed to faith in the future of man. কিন্তু শিক্ষকৰ মাজত সেই Committment বিভিন্ন কাৰণত অন্তৰ্হিত। সমাজৰ মাজত আজি যি আস্থা বিশ্বাসহীনতা তাৰ ফলত ছাত্ৰ ছাত্ৰী সকলৰ মন আক্ৰান্ত। তেওঁলোকে আনকি নিজৰ শিক্ষকক আস্থা বিশ্বাসত লব নোখোজে। এনে অৱস্থাত সম্পৰ্কৰ অৱনতি ঘটাই স্বাভাৱিক। পিছে এই বিষয়ত কোনো এটা পক্ষক জগৰীয়া নকৰি সামগ্ৰিক ভাবে চালেহে সমাধানৰ পথ ওলাব পাৰে। এই কথা ঠিক যে সম্পৰ্কৰ অৱনতিয়ে শৈক্ষিক পৰিবেশ বিনষ্ট কৰিছে — শিক্ষক এতিয়া আৰু friend, philosopher and guide হৈ থকা নাই। ছাত্ৰ ছাত্ৰী সকলো আস্থাহীন। গতিকে সম্পৰ্ক সুন্দৰ হ'ব কেনেকৈ ?

৪) ছাত্ৰ ছাত্ৰীক ভৱিষ্যতৰ সুনাগৰিক কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষক সমাজে প্ৰয়োজনীয় ভূমিকা লোৱাটো অপৰিহাৰ্য্য। আদৰ্শৰ ক্ষেত্ৰত কোনো ধৰণে আপোচ নকৰা শিক্ষকে ছাত্ৰ ছাত্ৰীক ভৱিষ্যতৰ সুনাগৰিক কৰি গঢ়ি তোলাত নিশ্চয় সহায় কৰিব পাৰে বুলি মই ভাবো। শিক্ষকেই তেওঁলোকৰ প্ৰেৰণাৰ উৎস। ভৱিষ্যতৰ সমাজখন,





নাগৰিক সকল কেনে হ'ব তাৰ নিৰ্ণয় শিক্ষকেই শ্ৰেণীকোঠাৰ ভিতৰতে কৰি দিব পাৰে। অৱশ্যে শিক্ষক সমাজে দেখুৱাই দিয়া বাটটোৰে অগ্ৰসৰ হবলৈ ছাত্ৰ ছাত্ৰী সকলো প্ৰকাৰে সাজু হ'ব লাগিব। ক'ত জানো পঢ়িছিলো, Nations are built in their class rooms. কথাষাৰ আজিও সমানে প্ৰাসংগিক বুলি ভাবো।

৫) ছাত্ৰই প্ৰত্যক্ষ ৰাজনীতিত জৰিত নোহোৱাকৈয়ে সামাজিক, ৰাজনৈতিক পৰিস্থিতিৰ লগত পৰিচিত হ'ব পাৰে। সমাজ নাইবা ৰাজনৈতিক জীৱন বিচ্ছিন্ন হৈ আমি কোনো থাকিব নোৱাৰো। দুখৰ কথা যে স্বাৰ্থন্বেষী ৰাজনৈতিক নেতা সকলে নিজৰ অভিসন্ধি পূৰণ কৰিবলৈ আজিকালি ছাত্ৰ সমাজক ব্যৱহাৰ কৰিবলৈ লৈছে। ছাত্ৰ ছাত্ৰী সকল ৰাজনৈতিক নেতাৰ হাতৰ পুতলা হোৱা অনুচিত। ভৱিষ্যতৰ সুনাগৰিক হ'বলৈ হ'লে ছাত্ৰ সমাজে ৰাজনীতি সম্পৰ্ক অধ্যয়ন কৰা উচিত। তেনে কাম দলীয় কাম কাজত প্ৰত্যক্ষভাবে জৰিত নোহোৱাকৈও কৰিব পাৰি। ৰাজনীতি সম্পৰ্কে অধ্যয়ন, জ্ঞান লাভ আৰু প্ৰত্যক্ষভাবে দলীয় ৰাজনীতিৰ মাজত থকা পাৰ্থক্যৰ সীমাৰেখা ডাল ছাত্ৰসমাজে মনতে আঁকি ল'ব লাগে।

৬) ছাত্ৰৰ বাবে অধ্যয়নেই যে ধ্যান, জ্ঞান সাধনা সেই পুৰণি শাস্ত্ৰ বাক্যশাৰি আজিৰ দিনতো সমানেই যুক্তিযুক্ত। অৱশ্যে আজিৰ ছাত্ৰ সমাজে কোনবোৰ বিষয়ত জ্ঞান অৰ্জন, অধ্যয়ন কৰিব লাগিব তাক সঠিকভাবে নিৰ্ণয় কৰি লব লাগিব। অধ্যয়নেহে মানুহক সম্পূৰ্ণ কৰি তোলে। দেশ আৰু সমাজৰ স্বাৰ্থতে ছাত্ৰ সমাজ নিষ্ঠাবান, অধ্যয়নশীল হোৱা উচিত। ছাত্ৰ ছাত্ৰীৰ বাবে অধ্যয়নৰ কোনো বিকল্প নাই। মাথোন আজিৰ যুগত কেনে ধৰণৰ অধ্যয়নৰ প্ৰাসংগিকতা আছে তাক ভালদৰে নিৰ্ণয় কৰি লব লাগিব।

৭) এনে এটা প্ৰশ্নৰ উত্তৰ দিবলৈ লোৱাৰ মূহুৰ্ত্তত মোৰ মনলৈ আন এটা প্ৰশ্নহে আপোনা আপুনি আহিছে — আমি আমাৰ সমাজখনক আচলতে কিবা দিব পাৰিছোনে ? সাম্প্ৰতিক কালত আমাক ব্যক্তিগত স্বাৰ্থ, বাসনাই বৰ বিপদজনক ভাবে গ্ৰাস কৰি পেলাইছে আৰু সামাজিক ভাবে কোনো কথাকে চিন্তা কৰিব নোৱৰা হৈ পৰিছো। মই নিজে যদি একোকে দিব পৰা নাই, আনৰ পৰা বিচাৰিম কেনেকৈ ? আমি এচামে সমাজৰ পৰা সুবিধাখিনি নিৰংকুশভাবে আদায় কৰি আছো, তাকো ব্যক্তি স্বাৰ্থ পূৰণৰ বাবেহে।

৮) উল্লেখিত প্ৰতিটো সমস্যা অতি জটিল, সেই বিষয়ে চিন্তাচৰ্চাও যথেষ্ট হৈছে। আটাইবোৰ সাঙুৰি একেষাৰে উত্তৰ দিবলৈ টান। মাথোন ইয়াকেই ক'ব খোজো এই সমস্যাবোৰৰ সমাধানৰ ওপৰতহে অসমৰ ভৱিষ্যত ভাগ্য নিৰ্ভৰ কৰিছে। সমস্যাবোৰ সমাধানত নেতৃত্বৰ দুৰ্বলতা দেখি মাজে মাজে শংকাগ্ৰস্ত হৈ পৰো। তেতিয়াই ভাব হয় অসমৰ ভৱিষ্যত যেন বৰ অনিশ্চয়তাৰে আগুৰি ধৰিছে।

৯) এখন শ্ৰেণীহীন, শোষণহীন সমাজৰ প্ৰথম পদক্ষেপ হ'ল যুৱক যুৱতী সকলে তাৰ বাবে নিজকে প্ৰস্তুত কৰি তোলা। নিজক গঢ় দিব নোৱাৰি কেৱল মাথোন আদৰ্শৰ পিছত দৌৰিবলৈ আৰম্ভ কৰাটো মিছা মৰিচীকা খেদাৰ দৰেহে হব। যুৱক যুৱতীৰ গঠনমূলক কামকাজ, সামূহিক উন্নতিৰ আদৰ্শগত প্ৰেৰণা, চৰিত্ৰ গঠন আদিয়েহে সমাজখন সুন্দৰ কৰিব। তেতিয়াহে সফল হ'ব শ্ৰেণীহীন সমাজৰ সপোন।

১০) বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থা যে আঁসোৱাহেহ, বিসংগতিপূৰ্ণহে কৰিছে তাক আগেয়েই উল্লেখ কৰিছো। আমাৰ শিক্ষা ব্যৱস্থাৰ অন্ধকাৰ দিশটো ছানি ধৰি আছে উপনিবেশিক মডেল আৰু মূল্যবোধে, ব্যক্তিস্বাৰ্থৰ ক্ষুদ্ৰতা আৰু অস্বাস্থ্যকৰ প্ৰতিযোগিতা পৰীক্ষা পাচ কৰি সামাজিক স্থান দখল কৰাৰ ধাৰাই। গতিকে ই সামাজিক তাৎপৰ্য্য হেৰুৱাই পেলাইছে — it has proved itself to be inadequate to meet our natural needs and

aspiration এনে এটা ব্যৱস্থাৰ ওপৰত আস্থাবান হওঁ কেনেকৈ ?

১১) ... ... ... ...

## অভিমত —

ড ° প্ৰহ্লাদ কুমাৰ বৰুৱা
ৰীডাৰ, অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

প্ৰশ্নোত্তৰ — ১) শিক্ষাৰ সম্প্ৰসাৰণৰ প্ৰকৃত লক্ষ্য আৰু উদ্দেশ্য কি — এই বিষয়ত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ে স্পষ্ট নহয়। ৰাস্তৱমুখী কোনো প্ৰকাৰ পৰিকল্পনা অথবা আঁচনি নাই বাবেই আজিৰ ছাত্ৰ ছাত্ৰীৰ বহু সংখ্যক উদ্দেশ্যবিহীন হৈ পৰিছে।

২) সাম্প্ৰতিক শিক্ষা ব্যৱস্থা পৰীক্ষামুখী হৈছে আৰু হোৱাটোৱেই স্বাভাৱিক। কিন্তু মনত ৰাখিব লাগিব যে, শিক্ষা ব্যৱস্থা পৰীক্ষামুখী হলেই বাস্তৱ বিমুখী বুলি ভাবিব নালাগে। কাৰণ পৰীক্ষা মুখী নহলে মেধাবী ছাত্ৰ ছাত্ৰী নিৰ্বাচন কেনেকৈ সম্ভৱ হ'ব ? মই ভাৱো — অষ্টম মান শ্ৰেণীৰ পৰাই ছাত্ৰ-ছাত্ৰীৰ ৰুচি অভিৰুচি অনুসৰি কলা, বিজ্ঞান, বাণিজ্য, কাৰিকৰী, প্ৰায়োগিক অন্যান্য দিশত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। কাৰণ আমি এনে কিছুমান লৰা নাপাওঁ নে — যিয়ে পাঠ্যপুথি পঢ়াতকৈও ৰেডিঅ এটা, ঘড়ী এটা জনাই নজনাই ভাল কৰি ভাল পায়। তেনেবোৰ লৰাক ৰুচিৰ বিপৰীতে অংক, ভূগোল, বুৰঞ্জীৰ পাঠ্যপুথিৰ বোজা জাপি দি কি লাভ ? সেয়ে মই ভাবো — এতিয়া আমাক যুগ উপযোগী শিক্ষা আঁচনি এখন লাগে।

৩) শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ সম্পৰ্কৰ অৱনতি ঘটাটো নিষ্ঠুৰ সত্য। অপ্ৰিয় হলেও ক'ব লাগিব যে, দেশৰ ৰাজনৈতিক চৰিত্ৰ যদি সুস্থ নহয় ; তেনেহলে দেশ তথা সমাজৰ নৈতিক স্খলন ঘটে আৰু তেতিয়াই মানুহৰ পাৰস্পৰিক সম্পৰ্কৰ অৱনতি ঘটে। সম্প্ৰতি শিক্ষক আৰু ছাত্ৰ ছাত্ৰীৰ মাজৰ সম্পৰ্কৰ অৱনতিৰ মূলতো সমাজৰ দায়িত্বশীল একাংশ মানুহৰ নৈতিক অধঃপতনেই বুলি ক'ব লাগিব।

৪) শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ ভূমিকা গুৰুত্বপুৰ্ণ ; এইষাৰ, কথা অস্বীকাৰ কৰিব নোৱাৰি। উচ্চ আদৰ্শ, সুস্থ চিন্তা, সাহস আৰু নিষ্ঠাৰ দ্বাৰা আজিৰ ছাত্ৰ সমাজক কালিলৈ দেশৰ সুনাগৰিক কৰি তুলিব পাৰি। কিন্তু ক'বই লাগিব যে, অধ্যয়ন বিমুখিতা সুনাগৰিকতাৰ চৰম শত্ৰু।

৫) যি ৰাজনীতিয়ে ক্ষমতান্ধতা, ব্যক্তিস্বাৰ্থ আৰু ভোগবাদৰ প্ৰতি ব্যক্তিক লালায়িত কৰে ; তেনে ৰাজনীতিৰ পৰা ছাত্ৰ ছাত্ৰী বহু নিলগত আতঁৰি থাকিব লাগে আৰু অগ্ৰজ সকলে এই দিশত চোকা দৃষ্টি ৰাখিব লাগে। কিন্তু নিস্বাৰ্থ দেশ প্ৰেম আৰু জাতি প্ৰেমৰ তাড়নাত ৰাজনীতিৰ সৈতে জড়িত হোৱা বাঞ্চনীয়। গান্ধী আৰু জয়প্ৰকাশ নাৰায়ণক আদৰ্শ ব্যক্তি হিচাপে এই ক্ষেত্ৰত গ্ৰহণ কৰিব পাৰি।

৬) তপ বা তপস্যা শব্দ দুটাৰ অৰ্থ বহিলৈ চকু মুদি নিৰন্তৰ ঈশ্বৰ বা কাৰোবাক ধ্যান কৰি থকা নুবুজায়। তপ বা তপস্যাৰ অৰ্থ বৰ গভীৰ আৰু ব্যাপক। সৰল অৰ্থত তপ শব্দৰ অৰ্থ সাধনা। অধ্যয়নকেন্দ্ৰিক সাধনাৰ পক্ষ বিৰত থকা ছাত্ৰ ছাত্ৰীক যথাৰ্থ ছাত্ৰ বা ছাত্ৰী বুলি ক'ব নোৱাৰি। গতিকে এই যুগত কিয় — সৰ্ব্বকালৰ বাবেই ছাত্ৰ ছাত্ৰী মাত্ৰেই অধ্যয়নক তপস্যা বা সাধনা হিচাপে লবই লাগিব। কিন্তু অধ্যয়নক সাধনা বা তপস্যা হিচাপে লৈ যি ছাত্ৰ-ছাত্ৰীয়ে দেশ আৰু সমাজৰ স্বাৰ্থ আৰু কল্যাণৰ প্ৰতি আওকাণ কৰে ; তেনে ছাত্ৰ-ছাত্ৰী মোৰ বোধেৰে দেশৰো কাম্য নহয়। যদি কোনো ছাত্ৰ ছাত্ৰীয়ে গভীৰ অধ্যয়নলব্ধ জ্ঞানেৰে আৰু মৌলিক সৃষ্টিৰে জাতিৰ কল্যাণ সাধন কৰিব খোজে অথবা কৰিব পাৰে; তেনেহলে সেয়া আমাৰ কাম্য। কাৰণ মৌলিক চিন্তা আৰু সৃষ্টিৰে দেশ আৰু জাতিৰ পৰম কল্যাণ সাধিব





পাৰি। শংকৰদেৱ-মাধৱদেৱ, বেজবৰুৱা, গোহাঞি বৰুৱা, জ্যোতি প্ৰসাদ-বিষ্ণু প্ৰসাদ আদি মহান পুৰুষ সকলৰ মৌলিক চিন্তা আৰু সৃষ্টিৰেহে আজি আমি আমাৰ জাতীয় পৰিচয় দিব পাৰিছো। গতিকে যি ধৰণে পাৰে ; অথবা যাৰ যেনে ধৰণৰ যোগ্যতা আছে ; সেই ধৰণেৰেই দেশ আৰু জাতিৰ স্বাৰ্থত এজন ছাত্ৰই সেৱা আগ বঢ়াব লাগে। মোৰ দৃষ্টিত একোগৰাকী ছাত্ৰ-ছাত্ৰীৰ কৰ্ত্তব্য এনে হোৱাটোকে বিচাৰোঁ। সমাজ, দেশ আৰু জাতিৰ প্ৰতি দায়বদ্ধতাহীন ছাত্ৰ-ছাত্ৰী মই মুঠেই কামনা নকৰো।

৭) আশা কৰা মতে পোৱা নাই সঁচা ; কিন্তু একেবাৰে পোৱা নাই বুলি কলে নিতান্ত ভুল হ'ব। ক্ষয়িষ্ণু সমাজৰ মাজতে বহু ব্যক্তি লগ পাইছো ; যি সকলৰ মানসিক দিগন্ত বহল আৰু স্বচ্ছ। তদুপৰি গভীৰ দেশ প্ৰেম, সামাজিক দায়বদ্ধতা আৰু মহানুভৱতা থকা অনেক মানুহ আছে আমাৰ সমাজখনতে। সেইখিনি আশা কৰোঁ আৰু সেইসকল ব্যক্তিৰ ওপৰতে আশা আৰু ভৰসা কৰি জীয়াই আছো। আমি কেৱল বেয়াখিনিকে চোৱা আৰু দেখা উচিত নহয়। ভালখিনিও চাব লাগিব আৰু দেখিব লাগিব।

৮) সমস্যা থাকিবই। কিন্তু য'তেই সমস্যা আছে ; তাত সমাধানৰো পথ বা উপায় আছে। গোষ্ঠীগত সমস্যা, বানপানী সমস্যা, নিবনুৱা সমস্যা, পাঠ্যপুথিৰ সমস্যা আদি যি সমস্যাই নহওক — এই সকলোবোৰ সমস্যাৰ সমাধানৰ পথ আছে। কিন্তু যেতিয়ালৈকে ৰাজনৈতিক চৰিত্ৰৰ সংশোধন নহয় ; তেতিয়ালৈকে এই সমস্যাবোৰৰো সমাধান নহয়। ভোগৰ বিপৰীতে ত্যাগৰ মনোভাৱেৰে ৰাজনীতিৰ ক্ষেত্ৰলৈ ওলাই যোৱা নতুন মানসিকতাৰ দল এটা ওলাব লাগিব। চুক্তি আৰু আঁচনিৰে সমস্যাৰ সমাধান নহয়। কাৰণ চুক্তি আৰু আঁচনি ৰূপায়ণৰ বাবে যি সততা আৰু আন্তৰিকতাৰ প্ৰয়োজন ; সেয়া আমাৰ দেশৰ উৰ্দ্ধতম মহলৰ কিমানৰ আছে ?

৯) চিন্তা, নিষ্ঠা, সাধুতা, সংযম, ত্যাগ আৰু মহানুভৱতা আদি গুণবোৰ আয়ত্ব কৰি আত্ম প্ৰস্তুতি চলাব লাগিব। সময় লাগিব পাৰে ; কিন্তু সফলতা নিশ্চিত।

১০) ধাৰণা বৰ ভাল নহয়। আস্থাও অলপহে আছে। কাৰণ আমাৰ শিক্ষা ব্যৱস্থাটোৰ শতকৰা প্ৰায় সত্তৰ ভাগমান ভুল। সমাজ, দেশ আৰু জাতিৰ কল্যাণ আৰু বিকাশত সহায় হোৱাকৈ শিক্ষা ব্যৱস্থা গঢ়ি তুলিব লাগে। আমাৰ তেনে হোৱা নাই। দেশৰ প্ৰগতিৰ বাবে কি কি ধৰণৰ শিক্ষাৰ প্ৰয়োজন — সেইবোৰ দিশ চালি জাৰি চাইহে শিক্ষা ব্যৱস্থা গঢ়ি তুলিব লাগে! আমাৰ দেশৰ শিক্ষা ব্যৱস্থা বহুপৰিমাণে লক্ষ্য আৰু উদ্দেশ্য বিহীন। গতিকে তেনে ব্যৱস্থা এটাৰ ওপৰত সম্পূৰ্ণ আস্থা আছে বুলি কেনেকৈ ক'ম ?

১১) সকলো অভিভাৱকেই লৰা ছোৱালীৰ ওপৰত কৰ্তৃত্ব হেৰুৱাই পেলাইছে বুলি মই নাভাৱো। সংখ্যাত তাকৰ হ'ব পাৰে ; কিন্তু কিছুমান অভিভাৱকে নিজৰ লৰা ছোৱালীক যথেষ্ট নিয়ন্ত্ৰণত ৰাখিছে। অৱশ্যে অধিক সংখ্যক অভিভাৱকে নিজৰ লৰা ছোৱালীৰ ওপৰত কতৃত্ব আৰু নিয়ন্ত্ৰণ বজাই ৰাখিব পৰা নাই। পাৰিব কেনেকৈ ? নিজৰে অৱস্থা শোচনীয়। চাৰিত্ৰিক সাধুতা, সুস্থ চিন্তা আৰু সাংস্কৃতিক ৰুচিবোধৰ অভাৱ হলে অভিভাৱকে লৰা ছোৱালীৰ ওপৰত কতৃত্ব স্থাপন কৰা সম্ভৱ নহয়। যিবোৰ অভিভাৱকে সৎ জীৱন যাপন কৰিবলৈ শিকা নাই ; সেইবোৰ অভিভাৱকে লৰা ছোৱালীক সৎ জীৱন বা উচ্চতৰ জীৱনৰ বাবে প্ৰেৰণা দিব কেনেকৈ ? নিজৰ লৰা ছোৱালীক উচ্চতৰ জীৱন প্ৰেৰণা দিব নোৱাৰাটো অভিভাৱকৰ বাবে পাপ বুলি মই ভাৱো।

## অভিমত —

কিৰণ চন্দ্ৰ মেছ
বিষ্ণু নগৰ, ডিব্ৰুগড়

উঃ ১) ইয়াৰ বহু কাৰণ আছে। লেখিলে এটা দিঘলীয়া

প্ৰবন্ধই হব। বিদ্যালয়ৰ শিক্ষাৰ অৱনতি ঘটাৰ প্ৰধান কাৰণবিলাক হ'ল —

ক) ছাত্ৰ-ছাত্ৰী সকলে নপঢ়ে।

খ) বিদ্যালয় সমূহত পাঠদান কাৰ্য্য কমি আহিছে।

গ) শিক্ষক অভিভাৱক আৰু ছাত্ৰ ছাত্ৰীৰ সমন্বয়ত কৰবাত আঁত হেৰাইছে।

ঘ) সমাজৰ সকলো ক্ষেত্ৰতে ছাত্ৰ ছাত্ৰী সকলে অংশ গ্ৰহণ কৰিবলৈ গৈ নিজৰ বহুমূলীয়া সময় নষ্ট কৰে।

ঙ) শিক্ষানীতিৰ সঘন পৰিবৰ্ত্তন।

চ) ছাত্ৰ ছাত্ৰী সকলৰ এক বেপৰুৱা মনোভাৱ।

২) হয় সম্পূৰ্ণ পৰীক্ষাকেন্দ্ৰিক হৈ পৰিছে। বৰ্ত্তমান আমাৰ দেশত শিক্ষা আহৰণৰ মূল লক্ষ্যই হল এটি চাকৰি যোগাৰ কৰা। চাকৰিৰ অনুসন্ধানত পৰীক্ষাৰ ফলাফলেই মূল মাপকাঠি। অৰ্থনৈতিক উন্নয়ণৰ অবিহনে অন্য কথা এই সন্দৰ্ভত চিন্তা কৰিব নোৱাৰি। অৱশ্যে সকলো দেশতে কেৱল জ্ঞান আহৰণৰ নিমিত্তে শিক্ষা গ্ৰহণ নকৰেও। আমাৰ দেশত অলপ বেচি।

৩) সকলো ক্ষেত্ৰতে নহয়। মাজে মাজেহে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত সম্পৰ্কৰ কিছু অৱনতি ঘটিছে। ইয়াৰ প্ৰধান কাৰণ হ'ল ছাত্ৰ ছাত্ৰী সকলৰ অহমিকা ভাৱ গঢ় লৈ উঠাৰ বাবে। ইয়াৰ বাবে ছাত্ৰ ছাত্ৰী যিমান জগৰীয়া কোনো কোনো ক্ষেত্ৰত শিক্ষক শিক্ষয়িত্ৰী আৰু সমাজো জগৰীয়া।

৪) এতিয়া আমাৰ অসম ভূমিত সময় আৰু ঠাই বিশেষে ছাত্ৰ অৱস্থাতে দেশৰ নাগৰিক হোৱাহে দেখা গৈছে। এই ক্ষেত্ৰত অধিক লেখা নিষ্প্ৰয়োজন।

৫) ৰাজনীতি জ্ঞান আহৰণ কৰাত বাধা নাই। কিন্তু নিজা কৰ্ত্তব্য অৱহেলা কৰি ৰাজনীতিৰ পথাৰত নামিলে শিক্ষা আধৰুৱা হবই।

৬) এই কথাষাৰ কেৱল ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰতে ব্যৱহাৰ কৰি ক্ষান্ত থাকিব নালাগে। সকলোৱে নিজা কাৰ্য্যত তপস্যা কৰিলে সকলোবে প্ৰগতি ধুৰুপ। —

৭) চাকিৰ উদ্দেশ্য পোহৰ দিয়া। শিক্ষকৰ উদ্দেশ্য ছাত্ৰ-ছাত্ৰী সকলক জ্ঞান দিয়া। ছাত্ৰ-ছাত্ৰী সকলৰ উন্নতিয়ে তেওঁলোকৰ আনন্দৰ আৰু আশাৰ বন্তি ...। গতিকে সমাজৰ পৰা আশা কৰা কথাটো ... ...।

৮) জটিল সমস্যাৰ সহজ সমিধান দিয়াতো সম্ভৱ নহয়।

৯) সমাজ ভীমৰ গদাৰ দৰে। ভীমৰ গদাক দাঙিবলৈ হলে ভীমৰ বলৰ প্ৰয়োজন। সমাজক সংশোধন কৰিবলৈ হলে নিজকে পৰিষ্কাৰ আৰু শুদ্ধ কৰি লব লাগিব। শ্লোগান দিয়া আৰু কৰ্ম কৰা দুয়োটাৰ মাজত পাৰ্থক্য আছে। এখন লেতেৰা মেজ পৰিষ্কাৰ কৰিবলৈ হলে কাপোৰখন চাফা হোৱা বাঞ্চনীয়। গতিকে যুৱক-যুৱতী সকলে প্ৰথমতে কৰ্ম তৎপৰতা, মানবীয়তা, ত্যাগ স্বীকাৰ কৰিব পৰা গুণ আয়ত্ব কৰি লব লাগিব ... ...।

১০) বৰ্ত্তমান দেশত পুনৰ নতুন শিক্ষা ব্যৱস্থাৰ বিষয়ে আলোচনা বিলোচনা চলি থকা অৱস্থাত প্ৰশ্নটিৰ উত্তৰ দিয়া নিৰৰ্থক।

১১) আমাৰ সমাজৰ বেচি ভাগ মানুহেই আজি ব্যক্তি-কেন্দ্ৰিক হৈ পৰিছে। সামাজিক দায়িত্ব আজি বেচি ভাগ মানুহেই লবলৈ অনিছা প্ৰকাশ কৰে। শিক্ষক আৰু অভিভাৱক সকলৰ লগ পোৱাৰ স্থলি নাই। লৰাই অকৃতকাৰ্য্য হলে, বিদ্যালয় বা মহাবিদ্যালয়ত আসন নাপালেহে অভিভাৱক সকলক সাধাৰণতে লগ পোৱা যায়। আগতে অভিভাৱক সকলে নিজৰ লৰাৰ গুনানুকীৰ্ত্তন শিক্ষকৰ আগত অন্তত: নকৰিছিল আজিকালি কৰে। আজিকালি বেচি ভাগ অভিভাৱকেই ছাত্ৰ বা ছাত্ৰী গৰাকীৰ সবিশেষ খৱৰ দিলে বেয়া পায়। গতিকে এই সম্পৰ্কে অধিক নিলিখাই মঙ্গল। ★





## অভিমত —

সুৰেশ ফুকন
অধ্যাপক, শিৱসাগৰ ছোৱালী কলেজ

১) উঃ স্কুলীয়া শিক্ষাই বোলক বা কলেজীয়া শিক্ষাই বোলক, শিক্ষাব্যৱস্থাৰ মূল কাঠামো ( Structure )ভাৰতত তথা অসমত বৃটিছ শাসনৰ যুগতে মেকলেৰ মাইন্যুত আৰু উডৰ শিক্ষাচনদৰ আতঁধৰি গঢ়ি উঠিছিল। এই শিক্ষা ব্যৱস্থাৰ মূল উদ্দেশ্য আছিল বৃটিছ আমোলৰ অফিচ আদিত "চাকৰি কৰা মানুহ তৈয়াৰ" কৰা। দেশীয় চৰকাৰে মূল কাঠামোৰ, জাতীয় জীৱনৰ সৈতে খাপ খুৱাই আজিও সাধিক পৰিবৰ্ত্তন ( Totalchange ) আনিব পৰা নাই। মাত্ৰ পুৰণি কাঠামোটোকে ইফাল সিফাল কৰিছিল। গতিকে, বৃটিছ আমোলতে প্ৰস্তুত কৰা কাঠামোৰ ওপৰত প্ৰতিস্থিত শিক্ষা ব্যৱস্থাৰে শিক্ষা লোৱা লোক সকল, বৰ্ত্তমান পৰিবৰ্ত্তিত পৰিস্থিতিত উদ্দেশ্য বিহীন হৈ পৰা স্বাভাৱিক।

২) বৰ্ত্তমান শিক্ষাযে পৰীক্ষা সৰ্ব্বস্ব তাত ঘোৰ দ্বিমত নাই। ইয়াক বাস্তৱমুখী কৰিবলৈ হ'লে কৰ্ম্মমুখী আৰু শ্ৰমভিত্তিক কৰিব লাগিব — Sense of dignity of labour বিকাশ সাধন কৰিব লাগিব আৰু তাকে কৰিবলৈ হ'লে পুৰণি কাঠামো একেবাৰে ভাঙি নতুন কাঠামো তৈয়াৰ কৰিব লাগিব।

৩) কথাটো একেবাৰে সত্য। ইয়াৰ বাবে শিক্ষক, ছাত্ৰ-ছাত্ৰী, সমাজ, অভিভাৱক, সময়, যুগ আদি সকলো বিষয় সমানে জগৰীয়া।

৪) কোনোবা এজন ব্যক্তি জন্মসূত্ৰে দেশৰ নাগৰিক হ'বই; লাগে তেওঁ ছাত্ৰই হওক বা অছাত্ৰই হওক। কিন্তু, ওপৰৰ কথাষাৰৰ এটি বিশেষ তাৎপৰ্য্য আছে। নাগৰিকৰ কিছুমান গুণ আৰু বৈশিষ্ট আছে। সেই গুণ আৰু বৈশিষ্ট সমূহ ছাত্ৰই আৰ্জ্জন কৰাৰ উপায় আছে। সুনাগৰিকত্বৰ বাবে শিক্ষা প্ৰদানৰ ব্যৱস্থা শিক্ষা ব্যৱস্থাত থাকিব লাগে। আমাৰ শিক্ষা ব্যৱস্থাত এনে ব্যৱস্থা আছে জানো ? তদুপৰি দেশ আৰু জাতিক ভাল পোৱাৰ সৰল ৰেখা যিমান দীঘল হ'ব সিমানেই বহল আৰু ওখ নাগৰিকত্বৰ ত্ৰিভূজ আঁকিব পৰা যাব। ইয়াৰোপৰি, সুনাগৰিকত্বই সু-নেতৃত্বৰ কথাও সূচায়। কোনোৱে ক'ব খোজে Leaders are born not made সেয়ে, পৰিবেশ, পৰিস্থিতি আৰু সময়ে নেতাৰ জন্ম দিব পাৰে কিন্তু সি সু-নাগৰিকত্বৰ ভেটিৰ ওপৰত প্ৰতিস্থিত নহয়। কিন্তু Born নেতা সকলে সদায়েই দেশ আৰু জাতিৰ সংকট কালত অগ্ৰনী ভূমিকা লয়। গতিকে সু-নাগৰিকত্বৰ ক্ষেত্ৰত "আজিৰ ছাত্ৰ কাইলৈ দেশৰ নাগৰিক" বোলা কথাষাৰ প্ৰচলিত বাক্যহে। ইয়াত দুয়োপক্ষৰ বাহ্যিকভাৱে কৰিব লগা একো নাই। ই সম্পূৰ্ণ আভ্যন্তৰিক বিষয়। "চুৰ নকৰিবা" বুলি শিক্ষকে 'প্ৰচলিত জ্ঞান' দিব পাৰে। কিন্তু, ছাত্ৰই শিক্ষা দীক্ষা লৈ ডাঙৰ অফিচাৰ হোৱাৰ পাছত যেতিয়া 'ভদ্ৰ ভাৱে চুৰ' কৰে তেতিয়া প্ৰচলিত জ্ঞান বাক্যৰ মূল্য নেথাকে। অন্যহাতে Dr. Radha krishnan ৰ এষাৰ কথা এইখিনিতে ক'বলৈ মন গৈছে। যেনে - The greatest crimes against the civilization are not committed by the so-called uncivilized and Uneducated, but by the highly so-called civilized and so called educated. গতিকে 'so-called' শিক্ষা দিয়া শিক্ষক আৰু 'so-called' শিক্ষা পোৱা ছাত্ৰই 'সু-নাগৰিক'ৰ ক্ষেত্ৰত কি ভূমিকা পালন কৰিব পাৰে ?

৫) ছাত্ৰ সীমিত পৰিবেশৰ 'বিষয়'। ৰাজনীতি কিন্তু বিশাল পৰিবেশৰ 'বিষয়'। মই এই ক্ষেত্ৰত এম, এল, এ. মন্ত্ৰী হোৱাৰ বা এম. পি হোৱাৰ বা 'নেতা' হোৱাৰ ৰাজনীতিৰ কথা কোৱা নাই 'জীৱন' সম্পৰ্কীয় ৰাজনীতিৰ কথাহে কৈছো। ৰাজনীতি এখন 'সাগৰ', ছাত্ৰ 'এটোপ'

পানী এটোপ পানী সাগৰত মিলি যাবহে পাৰে সাগৰত তাৰ অস্তিত্ব জীয়াই ৰাখিব নোৱাৰে।

৬) কথাষাৰৰ যুক্তিযুক্ততা অগতেও আছিল, এতিয়াও আছে আৰু ভৱিষ্যতলৈও থাকিব। ছাত্র হিচাবে তেওঁৰ মূল কৰ্ত্তব্য হ'ল অধ্যয়ন বাকীবোৰ আনুসঙ্গিক। গতিকে, অধ্যয়নৰ মাজেদি নিজকে গঢ়ি ল'লেই দেশ আৰু সমাজৰ স্বাৰ্থৰ হকে কাম কৰা বুজাব। কাৰণ ছাত্র দেশ আৰু সমাজৰে এজন —। তেওঁৰ বিকাশে দেশ আৰু সমাজৰ বিকাশকেই সূচায়।

৭) নাই পোৱা বুলি ক'ব নোৱাৰি। হয়তো যিমান আশা কৰা হয় সিমান পোৱা নাই। কিন্তু, কেৱল, পাবলৈ আশা কৰিলেইতো নহ'ব; সেই অনুপাতে দিবও লাগিব। ছাত্র হিচাবে, শিক্ষক হিচাবে আমি সমাজে বিচৰাখিনী দিব পাৰিছোনে নাই সেইটোও চাব লাগিব।

৮) জনগোষ্ঠীগত সমস্যা সমাধানৰ বিষয়ে বিশদ আলোচনা অবিহনে কেৱাটো অসম্ভৱ। আমি সকলোৱে National বা International Integration ৰ কথা কৈ আছো। কিন্তু Racial understanding ৰ বাবে আমি একো কাম কৰা নাই। কাম কৰিলেহে ভুল শুদ্ধ ওলাব। তাৰ পাছতহে সমাধান। কামেই য'ত কৰা নাই তাত সমাধান কিদৰে দিয়া যায়?

হোৱাংহোৰ দৰে নৈ ভেটা দিয়া হ'ল। অসমৰ ব্ৰহ্মপুত্ৰৰ বান ৰোধ কৰিবলৈ কেৱল মঠাউৰী বন্ধাৰ বাহিৰে অন্য কোনো উপায়কে লোৱা নহল। ব্ৰহ্মপুত্ৰৰ Source ত জলবিদ্যুত উৎপাদন প্ৰকল্প, ডোং দিয়া, কাটিপোনাই দিয়া ইত্যাদি নানান উপায় আছে যিবোৰৰ যোগেদি বান সমস্যাৰ সমাধান পাব পাৰি।

নিবনুৱা সমস্যা কেৱল চাকৰি যোগানৰ মাজেদি সমাধান কৰিব নোৱাৰি। স্ব-বিয়োজন ব্যৱস্থাৰ মাজেদি ইয়াৰ সমাধান বিচাৰিব লাগিব।

পাঠ্যপুথি সমস্যাৰ সমাধানৰ বাবে লেখক, প্ৰকাশক, ছপাশাল, বিতৰণ কৰোঁতা, চৰকাৰৰ যোগান আদিয়ে সমানে কাম কৰিব লাগিব। ইয়াৰ যিকোনো এটাৰ গতি লেহেম হ'লেই সমাধান অসম্ভৱ।

৯) "মানসিকতাই গঢ়লোৱা" নাই ঠাইহে পাইছে। মনত ঠাই লোৱা এই ভাৱক বিবৰ্ত্তনমান প্ৰক্ৰিয়াইহে গঢ় দিব। দ্বন্দ আৰু সংঘাতৰ মাজেদি ই গঢ় ল'ব। গতিকে ই গঢ় লৈছে বুলি ক'ব পৰা হোৱা নাই। বস্তুবাদী দ্বন্দৰ বৌৰঞ্জীক বিবৰ্ত্তনৰ প্ৰক্ৰিয়া যুৱক-যুৱতী সকলে বুজিব লাগিব। ইয়াৰ বাবে লাগিব গভীৰ অধ্যয়ন আৰু দ্বন্দৰ মাজেদি পোৱা সূত্ৰক কামত লগাব পৰাকৈ শ্ৰমকৰাৰ মানসিকতা অৰ্থাৎ শ্ৰমৰ প্ৰতি মৰ্য্যাদা।

১০) এই সম্পৰ্কে আপোনালোকৰ প্ৰথম প্ৰশ্নতেই উত্তৰ দিছো। তথাপিও, কওঁ, বৃটিছ আমোলত ৰূপলোৱা বৰ্ত্তমানৰ শিক্ষা কাঠামোৱে এতিয়াও আমাক গোলামী শিক্ষাকে দি আছে। স্বাধীন চিন্তাৰ উদ্ৰেক ঘটাব পৰা কোনো ব্যৱস্থা ইয়াত নাই।

১১) সৰু কালৰে পৰা মাক-দেউতাকে (যাক অভিভাৱক বুলি ক'ব খুজিছো) সন্তানক পায় আৰু মাক দেউতাকৰ জ্ঞাতে বা অজ্ঞাতে সন্তানে তেওঁলোকৰ কৰ্ম্ম আৰু চিন্তাৰ অনুকৰণ কৰে। চিগাৰেত হুপিবলৈ দেউতাকে যেতিয়া — সন্তানক জুইবাহঁটো খোজে, গধুলি গিলাছত মদটোপা ঢালি দিবলৈ দেউতাকে মাকক হুকুম দিয়া সন্তানে নিজ চকুৰে দেখে, ওচৰ চুবুৰীয়াৰ সৈতে পৰিয়ালৰ সু-সম্পৰ্ক যেতিয়া সৰুৰে পৰা সন্তানে নেদেখে, জ্যেষ্ঠ জনক সন্মান কৰা নিজ মাক বাপেকৰ পৰা যি সন্তানে শিকা নাই সেই সন্তানক সেই অভিভাৱকে কি নেতৃত্ব দিব? নেতৃত্ব দিবলৈ অভিভাৱকৰ নেতৃত্বৰ গুণ থাকিব লাগিব। যি অভিভাৱকৰ এইবোৰ গুণ আছে তেনে অভিভাৱকে কৰ্ত্তৃত্ব হেৰোৱাই পেলোৱা নাই। আজিও এনে সন্তান আছে যি সন্তানে কৰবালৈ ওলাই গ'লে মাক-দেউতাকৰ চৰণত সেৱা জনাইহে ওলাই





যায়। গতিকে যি অভিভাৱকে নিজকে নিজ নৈতিক দায়িত্ব আৰু কৰ্ত্তব্যৰ সীমাৰেখাৰ ভিতৰত ৰাখিছে তেনে অভিভাৱকে কেতিয়াও কৰ্ত্তৃত্ব হেৰোৱাই পেলোৱাৰ সমস্যা আহিব নোৱাৰে নাহে। কেৱল অভিভাৱকেই নহয় শিক্ষকৰ কথাও এই ক্ষেত্ৰত সমানে প্ৰযোজ্য। অধ্যয়নপুৰঠ, ব্যক্তিত্ববান শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ ওপৰত কোনোদিন কৰ্ত্তৃত্ব নেহেৰোৱাই। বাকী এনে গুণ বিহীন অভিভাৱক বা শিক্ষকে কৰ্ত্তৃত্ব হেৰোৱাই পেলোৱা স্বাভাৱিক।

বাকী অংশ উত্তৰ মই আপোনাৰ চতুৰ্থ প্ৰশ্নৰ উত্তৰত দিছো।

শেষত দেশ আৰু জাতিৰ সৰ্ব্বোতম মঙ্গলৰ বাবে আপোনালোকৰ দৰে নতুন পুৰুষৰ জীৱন উচৰ্গিত হওক; ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থী ঐক্য চিৰ যুগমীয়া হওক এই কামনাৰে।

## অভিমত —

মূৰব্বী অধ্যাপক শ্ৰীমহেন্দ্ৰ নাথ গগৈ
ৰাজনৈতিক বিজ্ঞান, ডিব্ৰু মহাবিদ্যালয়

১) বৰ্ত্তমান স্কুলীয়া শিক্ষা পদ্ধতি, পাঠদান পদ্ধতি, কাৰিকুলাম, ক্ৰুতিপূৰ্ণ পাঠ্যপুথি তাতে আকৌ সময় মতে প্ৰকাশ নোপোৱা বেমাৰ, ছাত্ৰ-ছাত্ৰীৰ বাহিৰা বহুতো বস্তুৰ প্ৰতি ক্ৰমবৰ্দ্ধমান আকৰ্ষণ আৰ্থসামাজিক পৰিস্থিতি, সমাজৰ নৈতিক মানদণ্ডৰ ক্ৰমাত অৱনতি আদিকে ধৰি আৰু এনএবুৰি কাৰণত এনেকুৱা পৰিস্থিতিৰ উদ্ভৱ হৈছে বুলি ভবাৰ স্থল আছে।

২) আন বিকল্প ব্যৱস্থা গঢ়লৈ নুঠালৈকে আমাৰ বৰ্ত্তমান শিক্ষা ব্যৱস্থা পৰীক্ষা কেন্দ্ৰীক হৈ থকাটো স্বাভাৱিক। শিক্ষা ব্যৱস্থাৰ লক্ষ্য কৰ্ম্মমুখী বা বৃত্তিমূলক কৰি ব্যৱহাৰিক কালটোত বেছি জোৰ দিয়া উচিত বুলি আমি ভাবো। বছেৰেকৰ মূৰত পৰীক্ষা পাতি পাছত মূল্যাঙ্কন কৰাতকৈ দৈনন্দিন কাৰ্য্যদক্ষতাৰ ওপৰত ভিত্তি কৰি মূল্যাঙ্কন পদ্ধতি বিনিয়োগ কৰিলে বেছি ফলপ্ৰসু হব যেন লাগে।

৩) শিক্ষক ছাত্ৰ ছাত্ৰীৰ সম্পৰ্ক বিজুতি ঘটিছে বুলি একে আষাৰতে কব নোৱাৰি অৱশ্যে তাহানিৰ মধুৰ সম্পৰ্ক এতিয়া আৰু নাই। ইয়াৰ বাবে আমি সকলোৱে কম বেছি পৰিমাণে জগৰীয়া। আমি বহুতেই শিক্ষকতা কৰিছো কিন্তু প্ৰকৃত শিক্ষক হব পৰা নাই ঠিক তেনেদৰে বহুতো ছাত্ৰ-ছাত্ৰীয়ে নামহে ভৰ্ত্তি কৰিছে কিন্তু প্ৰকৃত ছাত্ৰ-ছাত্ৰী হব পৰা নাই। ঘৰুৱা, সামাজিক আৰু শিক্ষানুষ্ঠানৰ পৰিবেশে শিক্ষক ছাত্ৰ-ছাত্ৰীৰ সম্পৰ্কত প্ৰভাৱ পেলায়। বৰ্ত্তমান আমাৰ শিক্ষা অনুষ্ঠানসমূহ ছাত্ৰ ছাত্ৰীৰে ঠাহ খাই পৰিছে; বস্তুনিষ্ঠ সা-সুবিধা বঢ়াই শিক্ষক ছাত্ৰৰ অনুপাত কমাই ৰাখিলে সম্পৰ্ক আৰু উন্নিত হব যেন লাগে।

৪) দেশৰ সু-নাগৰিক হ'বলৈ সুচৰিত্ৰবান হ'বই লাগিব। সু-চৰিত্ৰ গঠন কৰিবলৈ ছাত্ৰ ছাত্ৰী সকলে ছাত্ৰাৱস্থাৰে পৰা চেষ্টা কৰিব লাগিব। এই ক্ষেত্ৰত শিক্ষক সকলে প্ৰকৃত পথ প্ৰদৰ্শকৰ ভূমিকা লব লাগিব। শিক্ষানুষ্ঠান সমূহত শিক্ষক ছাত্ৰৰ অনুপাত সঙ্গতিপূৰ্ণ হ'লে এই বিষয়ত সু ফল আশা কৰিব পাৰি। সংহতি ভাৱাপন্ন একোজন শিক্ষকে ছাত্ৰৰ কেৱল পথ প্ৰদৰ্শকেই নহয় ঘনিষ্ঠ সহযোগীও হ'ব পাৰে।

৫) ছাত্ৰ সকলো সমাজৰ অবিচ্ছেদ্য অংগ। তেওঁলোক সমাজৰ জাগ্ৰত প্ৰহৰী স্বৰূপ। চৌপাশে সমাজখনৰ ঘটনা ৰাজিৰ বোবা দৰ্শক তেওঁলোক নিশ্চয় হব নোৱাৰে। সংকীৰ্ণ আৰু বোকাময় ৰাজনীতিত লৈটি নলৈ দেশৰ ঐক্য সংহতি আৰু অখণ্ডতা ৰক্ষা কৰিবৰ বাবে ছাত্ৰাৱস্থাতে উপযুক্ততা অৰ্জ্জন কৰি লব লাগে।

৬) এজন ভাল ছাত্ৰ হ'লেহে এজন ভাল নাগৰিক হ'ব পাৰে; আকৌ এজন ভাল নাগৰিকেহে দেশ আৰু জাতিক সেৱা কৰিব পাৰে। অধ্যয়নেহে ছাত্ৰক এইখিনি কৰিবলৈ সক্ষম কৰি গঢ়ি তুলিব পাৰিব। ছাত্ৰ সকলে প্ৰকৃত অধ্যয়নৰ মাধ্যমেদিহে প্ৰকৃত দেশ সেৱা কৰিব পাৰিব।

৭) আমি সমাজক কি দিছো; তাৰ অনুপাতিক হিচা-

পেহে আমি সমাজৰ পৰা কিবা এটা পোৱাটো আশা কৰিব পাৰো। সামৰ্থ অনুযায়ী আমি যদি সমাজলৈ সেৱা আগবঢ়াওঁ; তেন্তে সমাজৰ অঙ্গ হিচাপে সমাজেও আমাৰ প্ৰাপ্যখিনি নিশ্চয় দিব।

৮) আমি মনত প্ৰকৃত জাতীয়তাবাদী ভাৱধাৰা জাগ্ৰত কৰি মনৰ পৰা গোষ্ঠীগত আৰু সাম্প্ৰদায়িক ভেদভাৱ দূৰ কৰি দেশ তথা জাতিৰ সামগ্ৰিক বিকাশ সাধন কৰিব পাৰিব লাগিব। প্ৰকৃত দেশ সেৱাৰ মনোভাৱ জাগ্ৰত হ'লে সমাজৰ বহু সমস্যাই নোহোৱা হ'ব বুলি আশা কৰিব পাৰি।

৯) কেৱল অসমতেই নহয় সমগ্ৰ বিশ্বৰ যুৱ সমাজেই এখন শোষণহীন আৰু শ্ৰেণীহীন সমাজ বিচৰাটো চিৰ-শাশ্বত কথা। শোষণহীন আৰু শ্ৰেণীহীন সমাজ এখন ৰচনাৰ পথ প্ৰশস্ত হ'ব শান্তিপূৰ্ণ বিৱৰ্তনৰ মাজেদিহে।

১০) আধুনিক সমাজৰ প্ৰয়োজন পূৰণ কৰিব পৰাকৈ বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থা উন্নতি সাধন আৰু আধুনিকীকৰণ কৰিব লাগিব। বৰ্ত্তমান যুগৰ চাহিদানুপাতে। শিক্ষা ব্যৱস্থা অধিক কৰ্ম্মমুখী আৰু বাস্তৱমুখী হ'লে স্বাভাৱিকতে ইয়াৰ প্ৰতি সকলোৰেই আস্থা বাঢ়িব।

১১) সাম্প্ৰতিক কালত অভিভাৱক সকলে নিজ সন্তানৰ ওপৰত কতৃত্ব হেৰুৱাৰ উপক্ৰম হৈছে বুলি ক'লে বৰ ভূল কৰা নহব। ইয়াৰ কাৰণে দুয়ো পক্ষই জগৰীয়া হলেও মূলতে পিৰি ব্যৱধানেই ( generation-gap ) দোষী। 'জেনেৰেচন গেপ' পৰম্পৰাগত ভাবে চলি অহা এক সমস্যা। ইয়াৰ ফলতেই নিজ সন্তানৰ ওপৰত অভিভাৱকৰ কতৃত্ব নোহোৱা হৈ পৰিছে বুলিব পাৰি। অৱশ্যে এইটো কথা কব পাৰি যে যেনেকৈ এজন কৰ্ত্তব্য পৰায়ন, দায়িত্বশীল, সংহতি ভাৱাপন্ন শিক্ষকৰ ছাত্ৰৰ ওপৰত কতৃত্ব থাকে ঠিক তেনেকৈ এজন অভিভাৱকৰ নিজ সন্তানৰ প্ৰতি থকা দায়িত্ব, কৰ্ত্তব্য আৰু কতৃত্ব সদায় থাকে। ★

## অভিমত —

ড° কৰবী ডেকা হাজৰীকা
অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

মৰমৰ

সঞ্জীৱ নাৰায়ণ,

শুভেচ্ছা ল'বা। তোমালোকৰ মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশৰ পথত বুলি জানি ভাল পাইছো! আশাকৰো ছাত্ৰ-ছাত্ৰী সকলৰ মানদণ্ডপূৰ্ণ ৰচনা ইয়াত পঢ়িবলৈ পাম।

তুমি মোলৈ পঠোৱা প্ৰশ্ন সমূহ পালো। পিছে তাৰ উত্তৰ যদি চালি-জাৰি লিখিবলৈ বহোঁ, এটা অতিশয় সুদীৰ্ঘ প্ৰবন্ধই হবগৈ। আজিৰ ব্যস্ততাৰ কালত মোৰ লিখাৰ আৰু তোমালোকৰ পঢ়াৰ সময় কমি অহা নাই জানো! গতিকে প্ৰশ্ন কেইটিৰ সন্দৰ্ভত মোৰ মনলৈ অহা কথাখিনিকে তোমাক চমুকৈ কৈছো।

প্ৰথমতে চোৱা যাওক শিক্ষক আৰু ছাত্ৰৰ সম্পৰ্কলৈ। প্ৰকৃততে শিক্ষক আৰু ছাত্ৰৰ সম্পৰ্ক শ্ৰদ্ধা আৰু চেনেহ, সন্মান, আনুগত্য আৰু দায়িত্বৰ সংমিশ্ৰিত ৰূপ। সামগ্ৰিক ভাবে আমাৰ সমাজত ই সুস্থভাবে বৰ্তি আছে। কেতিয়াবা যদি অৱনতি ঘটিছেও — তাত দুয়োপক্ষৰে দায়-বদ্ধতা আছে। অকল ছাত্ৰৰ গাতে মই দোষ নিদিওঁ। শিক্ষকৰ মাজত ব্যক্তিত্বৰ প্ৰকাশ থাকিলে আৰু এখোজ নামি ছাত্ৰৰ মাজলৈ আহিলে আৰু মুকলি মনেৰে সকলো প্ৰকাৰৰ আলোচনা কৰিলে শিক্ষক ছাত্ৰৰ মাজত সুস্থ সম্পৰ্ক নিশ্চয় ৰক্ষিত হব। তাৰ বাবে শ্ৰেণী কোঠাৰ বাহিৰেও ভাল পৰিৱেশত উভয় পক্ষ মিলিত হ'বলৈ পৰিৱেশ আৰু উপলক্ষ লাগিব।

সন্মান আৰু স্নেহৰ মোল নোপোৱা বহুত ছাত্ৰও আছে সঁচা! তেওঁলোকে শিক্ষকৰ প্ৰতি আচৰণ কেনে হোৱা উচিত সেই কথা নাজানে। বৰ মৰম কৰি আৰু





যত্ন কৰি শিক্ষা দিয়া ছাত্ৰৰ মুখত শুনিব নলগীয়া কথা শুনিলে শিক্ষকে বৰ আঘাত পায়। ছাত্ৰ ইমান দায়িত্বহীন হোৱাৰ লগত যুৱ-মানসৰ অস্থিৰতাৰ প্ৰশ্নটো জড়িত হৈ আছে। তাৰ লগতে আছে তেওঁলোকৰ ওপৰত অভিভাৱকে কতৃত্ব ৰক্ষা কৰিব নোৱৰা প্ৰশ্নটো। অভিভাৱক সকল সচেতন হ'লে আৰু নিজৰ সন্তানক সৰুৰে পৰা স্নেহ আৰু সহানুভূতিৰে নিয়ন্ত্ৰণ কৰিলে তেওঁলোক বিপথে নাযাব।

৮ নং প্ৰশ্নটোত যিমানবোৰ সমস্যা আছে তাৰ ভিতৰত জনগোষ্ঠীগত সমস্যাটোৱেই সবাতাকৈ ভয়াবহ। একোজন শিক্ষিত যুৱকে যেতিয়া নিজা জনগোষ্ঠীৰ স্বকীয় দাবীত আন্দোলন কৰে অথবা বন্ধ পালন কৰে, তেতিয়া মই অবাক হওঁ, দুঃখিত হওঁ। আজিৰ ব্যস্ত প্ৰতিযোগিতামূলক আধুনিক যুগত সেইবোৰতকৈ প্ৰয়োজনীয় কাম বহুত পৰি আছে। বৃহত্তৰ অসমীয়া জাতিক সমূহীয়া ভাবে আগবঢ়াই নিয়াটোহে আমাৰ লক্ষ্য হোৱা উচিত। গতিকে ৰাইজৰ সচেতনতা এই ক্ষেত্ৰত অতি প্ৰয়োজনীয়।

বৰ্ত্তমান দেশৰ শিক্ষা ব্যৱস্থাৰ প্ৰতি মোৰ ধাৰণা ভাল নহয়। এনে ব্যৱস্থাত ছাত্ৰৰ কৃতিত্বৰ যোগ্য নিৰূপণ কেতিয়াও নহয়। পৰীক্ষা পদ্ধতি আসোঁৱাহ যুক্ত। তাক গুৰিৰে পৰা শুধৰাব লাগিব। শেষত, ছাত্ৰ আৰু ৰাজনীতিৰ চিৰন্তন প্ৰশ্নটো। আজিৰ যুগত ৰাজনীতি এৰাই চলিব পৰাটো সহজ নহয়। আমাৰ চাৰিও ফালৰ জীৱনধাৰা ৰাজনৈতিক বাতাবৰণে নিয়ন্ত্ৰণ কৰিছে। গতিকে প্ৰয়োজন সাপেক্ষে ছাত্ৰ সকল ওলাই আহিবই লাগিব। কিন্তু, একলব্যৰ দৰে তেওঁলোকৰ দৃষ্টি থাকিব লাগিব নিজৰ অধ্যয়নৰ ওপৰত। দেশ আৰু সমাজৰ স্বাৰ্থত তেওঁলোকে নিজকে সুস্থ মনৰ, বিবেকবান, যুক্তিবাদী আৰু সাহসী কৰি তুলিব লাগিব। তাৰ বাবে শিক্ষা বাদ দি কেৱল অনশন, পিকেটিং ইত্যাদি কৰি থাকিলেও নহব।

আজিলৈ থওঁ। পিছত কেতিয়াবা কথা পাতিম।

এটা কথা, এগৰাকী শিক্ষয়ত্ৰী হিচাবে সমাজৰ পৰা মই বিচৰাখিনি পাই আহিছো। দুই এজন ছাত্ৰ এতিয়াও ব্যতিক্ৰম ৰূপে ইফালে সিফালে চকুত পৰে। তথাপিও মুঠ ছাত্ৰ সমাজৰ লগত ভাল সম্পৰ্ক এটা মই স্থাপন কৰিব পাৰিছো। তাৰ বাবেই মই সুখী।

মৰম আৰু শুভেচ্ছাৰে

কৰবী বাইদেউ

## অভিমত —

— তাৰানাথ দুৱৰা
নৃতত্ব বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয় ডিব্ৰুগড়।

প্ৰকৃত পক্ষেই ই এক ভয়ানক পৰিস্থিতি। আমাৰ শিক্ষা ব্যৱস্থা আৰু পৰীক্ষা ব্যৱস্থা, পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰা দুৰ্ভগীয়া ছাত্ৰ-ছাত্ৰী সকলৰ দুৰৱস্থাৰ কাৰণে মৌলিক ভাবে দায়ী। ক্ৰমবৰ্দ্ধমান সমাজ ব্যৱস্থাত শিক্ষাৰ প্ৰসাৰণ আৰু চাহিদা নিতৌ বৃদ্ধি হোৱা স্বাভাৱিক। এই সত্যটোৰ কথা শিক্ষাবিভাগীয় কতৃপক্ষই গভীৰ ভাৱে উপলব্ধি কৰি শিক্ষা ব্যৱস্থাক বহুমুখী কৰি তুলি প্ৰত্যেকজন শিক্ষাৰ্থীক সমাজৰ এটা নহয় এটা দিশত যোগ্য কৰি তোলাৰ দায়িত্ব ল'ব লাগিব। গাৱেঁ-ভূঞে নগৰে-চহৰে প্ৰায় প্ৰতি বছৰে বৃদ্ধি পোৱা শিক্ষাৰ্থী সকলৰ নিম্ন শ্ৰেণীৰ পৰা যথোচিত ভাৱে গঢ় দিয়াৰ ব্যৱস্থা নকৰি যি কোনো প্ৰকাৰে পৰীক্ষক সকলৰ নম্বৰ দিয়াৰ কাৰ্য্যৰ ফলত তেওঁলোকৰ লক্ষ লক্ষ হতাশাগ্ৰস্ত কৰি আত্মতুষ্টি লাভ কৰাটোকেই যদি শিক্ষা বিভাগৰ কতৃপক্ষই নিজৰ একমাত্ৰ দায়িত্ব বুলি ভাবিছে তেনেহ'লে তেওঁলোকে আমাৰ শৈক্ষিক পৰিবেশক দিনে দিনে ঘোৰ তমসাচ্ছন্ন অৱস্থালৈ আগবঢ়াই নিছে।

পৰীক্ষা ব্যৱস্থা সম্পূৰ্ণৰূপে আসোঁৱাহপূৰ্ণ। ছাত্ৰ-ছাত্ৰীৰ ওপৰত পাঠ্যক্ৰম গধুৰ বোজা, বিদ্যালয়ত শিক্ষা দানৰ কাৰ্য্যকাল কম, ছুটী, বন্ধ, হৰতাল আদিৰ প্ৰাধান্য

আৰু সৰু সৰু কথাকলৈয়েই আন্দোলনৰ ধ্বনি, শিক্ষাদানৰ ক্ষেত্ৰত শিক্ষক সকলৰ পূৰ্ব্ব ধৰণৰ একাগ্ৰতা আৰু আন্তৰিকতাৰ অভাৱ, পাঠ্যপুথিৰ অভাৱত সহায়িকাক মূলধন হিচাপে ল'ব লগীয়া পৰিস্থিতি, বিদ্যালয়ত শিক্ষক সকলৰ প্ৰাইভেট টিউশ্বনৰ প্ৰতি ধাউতি আৰু অসম আন্দোলনৰ সময়ত ছাত্ৰ ছাত্ৰী সকলৰ মাজত সৃষ্টি হোৱা ঘৰে-বাহিৰে অনুশাসনহীন মনোভাৱ আদি তেনে পৰিস্থিতিৰ বাবে জগৰীয়া। আমাৰ উত্তৰ পুৰুষসকলৰ ভৱিষ্যত হিত চিন্তা কৰা সকলোৱে আজি এই সম্পৰ্কে গভীৰভাৱে মনোনিবেশ কৰা উচিত।

যি সকল শিক্ষকে আমাৰ ছাত্ৰ সমাজৰ কল্যাণ কামনা কৰে তেওঁলোকেই কঠোৰ ভাবে ছাত্ৰ সমাজত অনুশাসন বৰ্তাবলৈ আগবাঢ়ি আহিব লাগিব। ছাত্ৰৰ প্ৰতি দায়িত্ব বোধহীন শিক্ষক অৱশ্যে এই ক্ষেত্ৰত আগভাগ নলৈ বিতৰ্কৰ সন্মুখীন নোহোৱাকৈ চাকৰিকাল শেষ কৰি দিবলৈয়ে বিচৰাটো স্বাভাৱিক। শিক্ষক সমাজৰ নিৰৱতাৰ হেতুকেই যে ছাত্ৰ সমাজত উদ্ভণ্ডালি বৃদ্ধি পাইছে তাত দ্বিমত নাই। এই নিৰৱতাই শিক্ষক সমাজক যে অসহায় কৰি তুলিছে সেই কথাও দোহাৰিব প্ৰয়োজন নাই। শিক্ষকসকল শিক্ষক নামৰ যোগ্য হ'বলৈ হ'লে নিজ দায়িত্ব আৰু কৰ্ত্তব্য পালন কৰিবই লাগিব। যোৱা কেবাদশক ধৰি শিক্ষক সমাজ সেই দায়িত্বপালনত ব্যৰ্থ হোৱা হেতুকেই সমাজত শিক্ষকৰ মৰ্য্যদা হ্ৰাস পাইছে। উঠি অহা চামক অনাগত ভৱিষ্যতৰ মানৱ জাতিৰ যোগ্য অংশীদাৰ কৰি তুলিবলৈ হ'লে সকলো ভেদাভেদৰ উৰ্দ্ধত তেওঁলোকক তুলিবলৈ চেষ্টা কৰিব লাগিব।

আমাৰ ৰাজ্যখনৰ অধিবাসী সকলৰ মাজত অনৈক্য, অসূয়া অপ্ৰীতি, ভয়াবহ ধৰণে বৃদ্ধি পাইছে। এনে বিদ্বেষৰ মনোভাৱ স্বাৰ্থ জড়িত সকলৰ মাজত থকাটো কিছুপৰিমাণে স্বাভাৱিক হ'লেও ছাত্ৰ-ছাত্ৰীৰ মাজত থাকিব নালাগিছিল, কিন্তু ছাত্ৰ-ছাত্ৰীৰ মাজতেই সি সংক্ৰামক ব্যাধিৰ ৰূপ লৈছে আৰু তেনে মানসিকতাই সমাজৰ মাঙহাড় ডালতেই আক্ৰমণ কৰিছে যেন লাগে। আমাৰ যুৱ ছাত্ৰসকল যদিহে কোনো ধৰণৰ দু: সাহসিক আৱিষ্কাৰ অথবা ভাল কামৰ জৰিয়তে বিশ্বৰেকৰ্ড সৃষ্টি কৰ্তাৰ ক্ষেত্ৰত আগবাঢ়িল হেতেঁন তেনে গৌৰৱত আমাৰ বুকুও ওফন্দি উঠিলহেতেঁন। আজিৰ যুৱক সমাজলৈ বিশ্ববিজয়ী হোৱাত যিবোৰ সা-সুবিধা আহিছে সেইবোৰ আমাৰ পূৰ্ব পুৰুষ সকলে লাভ কৰাটো তেনেই দুৰ্লভ আছিল। কিন্তু সেই সুবিধা সমূহ গ্ৰহণ কৰাৰ সলনি একমাত্ৰ বিভাজনবাদী মানসিকতাৰে সমস্যা সমূহৰ সমাধান বিচৰা হৈছে। ফলস্বৰূপে কেউদিশত অৰাজকতা আহি পৰিছে। একোটা গভীৰ সমস্যাৰ যেতিয়া উদ্ভৱ হয়, তেতিয়া ছাত্ৰ সমাজে চকুমুদি থাকিব নোৱাৰে সচাঁ তেনে একোটা সমস্যা ছাত্ৰই জনসাধাৰণৰ সন্মুখত দাঙি ধৰাটোৱেই কৰ্ত্তব্য শেষ। তেনেবোৰ জটিল সমস্যা জ্যেষ্ঠ অভিজ্ঞলোকৰ পক্ষে সমাধান হোৱাটোও সম্ভৱ। ★



## বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন ঃ—

### সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ--

প্ৰতিবেদনৰ আৰম্ভনিতে যি সকল বীৰ পুৰুষে অসম মাতৃৰ অস্তিত্ব ৰক্ষা কৰিবলৈ গৈ নিজৰ জীৱন হাঁহি হাঁহি বিসৰ্জ্জন দিলে সেই মহান বীৰ ছহিদ সকলক শ্ৰদ্ধাৰে সোঁৱৰিছো।

তাৰোপৰি মোক বিনা প্ৰতিদন্দ্বিতাৰে ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে নিৰ্বাচিত কৰাৰ বাবে সকলো ডিব্ৰুয়ানলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

লগতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা সমূহ অধ্যাপক, অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱী সকললৈ সশ্ৰদ্ধা প্ৰণাম আগবঢ়াইছো।

কাৰ্য্যভাৰ হাতত লোৱাৰ আগতে কল্পনা কৰিছিলো মই সা: সম্পাদকৰ দৰে গুৰু দায়িত্বত থাকি মহাবিদ্যালয় খনৰ কাৰণে বহুত কৰিম, কিন্তু ভবামতে কৰিব পৰা নগল। ইয়াৰ মূলতে আছে এশ এবুৰি সমস্যা। মই ভাবো সেই কৰ্ত্তব্য আৰু দায়িত্ব পালনৰ চেষ্টাৰ ত্ৰুটি কৰা নাই।

### কাৰ্য্যভাৰ গ্ৰহণ ঃ—

ছাত্ৰ-ছাত্ৰী তথা ডিব্ৰু মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰি যাম বুলি প্ৰতিজ্ঞাবদ্ধ হৈ দায়িত্ব ভাৰ গ্ৰহণ কৰো! দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতে এখনি কাৰ্য্যনিৰ্ব্বাহক সভাৰ যোগেদি "মহাবিদ্যালয় সপ্তাহৰ দিন ধাৰ্য্য কৰা হয়।

### মহাবিদ্যালয় সপ্তাহ ঃ--

৫/১/৯০ তাৰিখৰ পৰা ১২/১/৯০ "মহাবিদ্যালয়ৰ সপ্তাহ" অনুষ্ঠিত কৰা হয়।

### কাৰ্য্য নিৰ্বাহক সভা ঃ—

২/১/৯০ তাৰিখে আমাৰ ডিব্ৰু মহাবিদ্যালয়ৰ নৱ নিৰ্বাচিত ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ অতি প্ৰয়োজনীয় সমস্যাৰ ভিত্তিত এখন কাৰ্য্যনিৰ্বাহক সভা আয়োজন কৰো। এই সভাত ছাত্ৰ একতা সভাৰ তৰফৰ পৰা উত্থাপন কৰা দাবী সমূহ অধ্যক্ষ মহোদয়ৰ উপস্থিতিত আলোচনা কৰা হয় আৰু সেই মৰ্মে এখন স্মাৰক পত্ৰ অধ্যক্ষৰ ওচৰত প্ৰদান কৰা হয়।

ছাত্ৰ একতা সভাই উত্থাপন কৰা নিম্নলিখিত সমস্যা সমূহ সমাধানৰ বাবে আশ্বাস দিয়ে।

ছাত্ৰ একতা সভাৰ ফালৰ পৰা আকৌ ২১/৯/৯০ তাৰিখে এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হয় উক্ত সভাত সকলো ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। এই সভাতে কিছুমান দাবী উত্থাপন কৰা হ'য়।

ছাত্ৰ একতা সভাই উত্থাপন কৰা দাৰী সমূহ তলত দিয়াহ'ল :—

### আমাৰ ত্বৰম্যাদী দাৰী সমূহ ঃ—

১) মহাবিদ্যালয়ৰ বিভিন্ন শ্ৰেণীসমূহ আৰু Practical সমূহ নিয়মীয়া কৰা।

২) নিয়মীয়াকৈ উপস্থিত নথকা শিক্ষকৰ প্ৰতি ব্যৱস্থা গ্ৰহণ। ঠিক তেনেদৰে ৭৫% শ্ৰেণীত উপস্থিত নথকা ছাত্ৰ ছাত্ৰীক পৰীক্ষাত বহিবলৈ অনুমতি দিব নালাগে।

৩) মহাবিদ্যালয়ৰ শ্বহীদ বেদীৰ কাষত চাইকেল ষ্টেণ্ডটোলৈ যাবলৈ এটি পথ নিৰ্মাণ কৰিব লাগে। ছাত্ৰ-ছাত্ৰী সকলে বোকাৰ বাবে চাইকেল ষ্টেণ্ডলৈ নগৈ চাইকেল সমূহ ৰাস্তাতে ৰাখে যাৰফলত মানুহ অহাযোৱা কৰাত

অসুবিধা হয়।

৪) মহাবিদ্যালয়ৰ খোৱা পানীৰ অসুবিধা দূৰীকৰণ।

৫) ছাত্ৰী জিৰণী কোঠাত খেলৰ সা-সঁজুলি যোগান ধৰিব লাগে।

৬) ৰসায়ন বিভাগৰ মূৰব্বীজনে আজি কেইবছৰ মান আগতে ছাত্ৰ-ছাত্ৰীক practical শিকাই থকা অৱস্থাত দুৰ্ঘটনাবশতঃ এটি চকুৰ দৃষ্টি হেৰুৱাব লগীয়া হৈছিল। যিহেতু তেখেতৰ দুৰ্ঘটনাটো college working Hour ত ঘটিছিল, তেখেতক college ৰ ফালৰ পৰা চিকিৎসা দিব লাগিছিল। কিন্তু দিয়া ন'হল। গতিকে আমি দাবী জনাওঁ যে তেখেতে নিজৰ ফালৰ পৰা চিকিৎসা কৰোতে যি খৰছ পাতি হৈছিল সেই সমূহ ধন অনতি পলমে তেখেতক আদায় দিয়াৰ ব্যৱস্থা কৰিব লাগে। বৰ্ত্তমানেও তেখেতে সম্পূৰ্ণ আৰোগ্য লাভ কৰা নাই। গতিকে তেখেতক পুনৰ কলেজৰ খৰছত চিকিৎসা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

৭) ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ ইউনিফৰ্ম পৰিধান কৰাটো বাধ্যতামূলক কৰিব লাগে। অন্যথাই ছাত্ৰ-ছাত্ৰী সকলক শ্ৰেণী কোঠাত সোমাবলৈ অনুমতি দিব নেলাগে।

৮) ছাত্ৰ একতা সভাৰ এখন লিখিত সংবিধানৰ প্ৰস্তুতিৰ ক্ষেত্ৰত ব্যৱস্থা লব লাগে।

৯) পৰীক্ষাগাৰ সমূহৰ অৱস্থাৰ উন্নতি সাধন আৰু সকলো সুবিধা প্ৰদান কৰিব লাগে।

## আমাৰ দীৰ্ঘম্যাদী দাবীসমূহ হ'ল --

১০) অনতি পলমে মহাবিদ্যালয়ৰ প্ৰত্যেক শ্ৰেণী কোঠাতে ফেনৰ ব্যৱস্থা কৰিব লাগে। যিহেতু প্ৰত্যেক বছৰেই ছাত্ৰ-ছাত্ৰীৰ পৰা "গৰম বতৰৰ বাবদ" মাছুল লৈ থকা হৈছে।

১১) মহাবিদ্যালয়ৰ প্ৰসাৰগাৰ, শৌচাগাৰ আদি বহলাব লাগে আৰু বৰ্ত্তমানে থকা কেইটাৰ উন্নতি সাধিব লাগে।

১২) বাণিজ্য বিভাগত আৰু এটি বা দুটি সন্মান বিষয় খুলিব লাগে।

১৩) এটি "স্থায়ী প্ৰেক্ষাগৃহ" সাজি উলিয়াব লাগে।

১৪) এটা স্থায়ী "ছাত্ৰ জিৰণী কোঠা" সাজিব লাগে।

১৫) মহাবিদ্যালয়ৰ শ্ৰেণীকোঠা সমূহৰ মজিয়া প্লাষ্টাৰ কৰণ আৰু "College Building"টো চূণ তেল দিয়াৰ ব্যৱস্থা হাতত লব লাগে।

১৬) ছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালয়ৰ ফালৰ পৰা বেজ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

১৭) মহাবিদ্যালয়ত এটি ব্যায়ামগাৰ সাজিব লাগে আৰু খেল-ধেমালিৰ সকলো সুবিধা প্ৰধান কৰিব লাগে।

১৮) মহাবিদ্যালয়লৈ অহা যোৱা কৰা ৰাষ্টা দুটাৰ উন্নতি সাধিব লাগে।

১৯) মহাবিদ্যালয়ৰ খালী হৈ থকা পদসমূহত যোগ্যভাৰ ভিত্তিত নিযুক্তিকৰণ কৰিবলৈ ব্যৱস্থা কৰিব লাগে।

২০) মহাবিদ্যালয়ৰ বেঞ্চ, ডেস্ক আদিৰ মানদণ্ড উন্নত কৰিব লাগে।

২১) স্নাতক বিজ্ঞান বিভাগত Chemistry ত সন্মান বিষয় খোলাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

২০ দিনৰ ভিতৰত "হ্ৰস্বম্যাদী দাবীসমূহত" আৰু ৪০ দিনৰ ভিতৰত "দীৰ্ঘম্যাদী দাবীসমূহৰ" ক্ষেত্ৰত কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিবলৈ এই দাবী সমূহ অধ্যক্ষ মহোদয়লৈ প্ৰেৰণ কৰা হয়।

অধ্যক্ষ মহোদয়ে হ্ৰস্বম্যাদী দাবীসমূহ কাৰ্য্যকৰী হোৱাৰ পথত অগ্ৰগতি লাভ কৰিছে আৰু দীৰ্ঘম্যাদী দাবী সমূহ অধ্যক্ষ মহোদয়ে কাৰ্য্যকৰী কৰিম বুলি প্ৰতিশ্ৰুতি দিছে।

মোৰ কাৰ্য্যকালতেই লেবৰেটৰীৰ পিছফালৰ মাটি ডৰাৰ বাবে দিচপুৰলৈ যোৱা হয় আৰু ৰাজহ মন্ত্ৰী, শিক্ষামন্ত্ৰী, মুখ্যমন্ত্ৰীক এখন স্মাৰক পত্ৰ দিয়া হয়। কিন্তু মন্ত্ৰীসকলে স্মাৰক পত্ৰৰ কোনো কাণসাৰ নিদিলে।

মোৰ কাৰ্য্যকালতেই ইং ২১/৮/৯০ তাৰিখে ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ভৱনটো ডিব্ৰুগড় জিলা





ছাত্ৰ সন্থাৰ সভাপতি ডাঙৰীয়াৰ দ্বাৰা আধাৰ শিলা স্থাপন কৰা হয়। বৰ্ত্তমান ভৱনটো কাৰ্য্যকৰী হোৱা পথত অগ্ৰগতি লাভ কৰিছে।

## শোক সভা --

ইং ২২/১/৯০ তাৰিখে অসমৰ প্ৰাক্তন মন্ত্ৰী মহোদয় ৺ললিত ৰাজখোৱা দেৱৰ অকাল মৃত্যুত এখনি শোক সভা পতা হয়। উক্ত সভাত আমাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত নন্দলাল বৰগোঁহাই দেৱে সভাত সভাপতিত্ব কৰে।

## বিদায় সভা ঃ--

ইং ১৬/৭/৯০ তাৰিখে এখনি কাৰ্য্যনিৰ্বাহক সমিতি পতা হয়। ইং ২০ জুলাইত চূড়ান্ত বাৰ্ষিক স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰী সকলক বিদায় সম্ভাষণ জনাবলৈ বিদায় সভাৰ আয়োজন কৰো।

## নৱাগত আদৰণি সভা --

ইং ৮/৯/৯০ তাৰিখে আমাৰ মহাবিদ্যালয়ত নৱাগত সকলক আদৰণি জনাবলৈ এখন আদৰণি সভা পতা হয়। উক্ত সভাত নিৰ্দিষ্ট বক্তা হিচাৱে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ডঃ মোহিনী শইকীয়া ডাঙৰীয়া দেৱে, মহাবিদ্যালয় সমূহৰ পৰিদৰ্শকদেৱে সুৱলা বক্তৃতাৰে সমূহ ন তথা পুৰণি ডিব্ৰুয়ান সকলক মুহিত কৰে।

মোৰ কাৰ্য্য কালত ছাত্ৰ একতা সভাৰ দাবীৰ ভিত্তিত কাৰ্য্যকৰী হোৱা আৰু হোৱাৰ পথত অগ্ৰগতি লাভ কৰা বিষয় সমূহঃ—

মোৰ কাৰ্য্যকালত সঁচাকৈ মহাবিদ্যালয়খনৰ উন্নতিৰ বহুতো উন্নয়ণমূলক আঁচনি লোৱা হয়। মোৰ কাৰ্য্যকালতেই কিছুমান কাম হৈ উঠে — মহাবিদ্যালয়ৰ কাষত থকা মাটি ডোখৰ জালানৰ পৰা লোৱা হয় আৰু তাতে ছাত্ৰ একতা সভাৰ কাৰ্য্যলয়তো স্থাপন কৰা হয়। practical Room বিলাকত চিলিং লগোৱা হয়। নতুন শিক্ষকৰ নিযুক্তি দিছে। চাইকেল ষ্টেণ্ডলৈ এটা বাট নিৰ্মাণৰ কাম আগ বাঢ়িছে। ছাত্ৰ একতা সভালৈ এটা গডৰেজ আলমিৰা অনা হয়।

## সঁচাকৈ মই যি পাহৰিব নোৱাৰো --

এখন মহাবিদ্যালয় সাধাৰণ সম্পাদকৰ গধূৰ দায়িত্বত থাকিবলৈ পোৱাটো সঁচাকৈ সৌভাগ্য পূৰ্ণ। মোৰ কাৰ্য্যকাল চলাই যোৱাত মোক দিহা পৰামৰ্শৰে, আগুৱাই নিয়াত সৰ্ব্বশ্ৰী ৰাতুল বূঢ়াগোঁহাই, একাদিত্য হাজৰিকা, সঞ্জীৱ গগৈ, জয়ন্ত কাকতি, ভাগ্যৰঞ্জন কোঁৱৰ, প্ৰদীপ গগৈ, ত্ৰিদিৱ গগৈ, ৰোহিনী সোনোৱাল, হিৰণ্য কোঁৱৰ, ডেভিদ কাৰদং, প্ৰশান্ত দত্ত, মুকুত দিহিঙ্গীয়া আৰু জ্ঞাত-অজ্ঞাত ভাৱে বিভিন্ন ক্ষেত্ৰত মোক সহায় তথা দিহা পৰামৰ্শেৰে আগুৱাই নিয়াত বহু বন্ধু-বান্ধৱী সকলৰ লগতে কাৰ্যাকাল ছোৱাত সকলো সময়তে ছাঁৰ-দৰে থিয় দিয়া মোৰ অতিকৈ আপোন ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকৰ্মী সকলৰ সহায় সহযোগিতা কেতিয়াও পাহৰিব নোৱাৰো।

সৰ্বশেষত অধ্যক্ষ মহোদয় আৰু সকলো শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ পুনৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো আৰু ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো

জয় আই অসম

জয়তু জন্মভূমি

জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

শ্ৰীকনক দেউৰী --

সাধাৰণ সম্পাদক

## শৰীৰ চৰ্চ্চা সম্পাদকৰ প্ৰতিবেদন —

জয় জয়তে অধ্যক্ষ উপাধ্যক্ষ সহিতে সমূহ অধ্যাপক আৰু এবছৰীয়া কাৰ্য্যকালছোৱাত লগ পোৱা ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী সকললৈ মই এই প্ৰতিবেদনৰ যোগেদি আন্ত-

ৰিক অভিনন্দন তথা ধন্যবাদ জ্ঞাপন কৰিছো। এৰি অহা কাৰ্য্যকালছোৱাত শৰীৰৰ চৰ্চ্চা বিভাগৰ সম্পাদক হিচাপে কি কৰিলো কি নকৰিলো সেইয়া নিশ্চয় আপোনালোকৰ অজ্ঞাত নহয়।

ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচনৰ মাত্ৰ এসপ্তাহমানৰ পাছতে ডিব্ৰু মহাবিদ্যালয়ৰ ২৫ তম মহাবিদ্যালয় সপ্তাহ পালন কৰিবলৈ কাৰ্য্যকৰী সভাত সিদ্ধান্ত লোৱা হয় আৰু সেইমতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। উক্ত মহাবিদ্যালয়ৰ সপ্তাহত বিভাগীয় দায়িত্ব পালনত অসুবিধা পাইছিলো যদিও কেইবা গৰাকীও শিক্ষাগুৰু তথা ছাত্ৰ বন্ধুৰ সহযোগত অসুবিধা সমূহ দূৰ কৰিবলৈ সক্ষম হলো।

শৰীৰ চৰ্চ্চা বিভাগটোৰ অন্তৰ্গত কেইবাটাও খেল আছিল যদিও সময়ৰ অভাৱত মাত্ৰ চাৰিটা খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ সক্ষম হলো। প্ৰতিযোগিতা সমূহ হৈছে শক্তি উত্তোলন, ভাৰ উত্তোলন, পাঞ্জা, আৰু দেহশ্ৰী প্ৰতিযোগিতা। ১৯৯০ চনৰ জানুৱাৰী মাহৰ ৯ তাৰিখে মই এদিনীয়া কাৰ্য্যসূচীৰে মই মোৰ শৰীৰ চৰ্চ্চা বিভাগটোৰ খেল সমূহ সন্ধিয়ালৈকে বন্ধু বান্ধৱীৰ সহযোগত সুন্দৰ ৰূপে পাৰ কৰালো।

## কৃতজ্ঞতা স্বীকাৰ

কাৰ্য্যকালছোৱাত মোক বিভিন্ন দিশত গঠনমূলক পৰামৰ্শ তথা সৎ উপদেশ দি সহায় কৰা ভাৰপ্ৰাপ্ত অধ্যাপক ড: অলখ নিৰঞ্জন চাহায় দেৱলৈ মই কৃতজ্ঞতা যাচিলো। সকলো কামতে মোৰ কাষত ছাঁৰ দৰে কাষত থাকি কাম কাজত সহায় কৰিলে বন্ধু সৰ্ব্বশ্ৰী ভাস্কৰ সোনোৱাল আৰু বিৰাজ চাংমাইয়ে; তেওঁলোকৰ সেই আন্তৰিক সহযোগিতা মই চিৰ দিন মনত ৰাখিম।

বিভাগীয় প্ৰতিযোগিতা সমূহৰ বিচাৰকৰ দায়িত্ব বহন কৰি সুকলমে পাৰ কৰি দিয়াৰ বাবে অসমী সংঘৰ সক্ৰিয় সদস্য সৰ্ব্বশ্ৰী নাৰায়ণ চৰৱ, প্ৰশান্ত বৰা, বিজিত তুৱৰা আৰু বিজু শৰ্মালৈ মোৰ আন্তৰিক কৃতজ্ঞতা শ্ৰদ্ধাৰে নিবেদিছো।

সদৌ শেষত মোৰ বিভাগীয় দায়িত্ব সমাপ্তি হোৱালৈকে যিসকল ডিব্ৰুয়ানে মোক সহায় সহযোগ আগবঢ়ালে তেখেতসকললৈ মোৰ শলাগৰ শৰাই আগবঢ়ালো।

কাৰ্য্যকালছোৱাত জ্ঞাতে অজ্ঞাতে কৰা বিভিন্ন দোষত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা খুজিছো। ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি শৰীৰ চৰ্চ্চা বিভাগৰ প্ৰতিবেদন ইমানতে সামৰিছো।

ধন্যবাদ

শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদক
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা
শ্ৰীঅৰুণ সোনোৱাল

( ২৫ তম মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল সমূহ তলত দিয়া হ'ল। )

### শক্তি উত্তোলন লৰাৰ

— ৫০ কেজি — ৫৫ কেজি গ্ৰুপৰ।

প্ৰথম — শ্ৰীউত্তম কোঁৱৰ।
দ্বিতীয় শ্ৰীননিমেচ, কমল ফুকন।
তৃতীয় — মহম্মদ মহিবুল্লা।

৫৫ কেজি — ৬০ কেজি গ্ৰুপৰ।

প্ৰথম — শ্ৰীজীৱন জ্যোতি তুৱৰা।
দ্বিতীয় — শ্ৰীৰাজকুমাৰ দত্ত।
তৃতীয় — শ্ৰীমুকুল ডেকা।

৬০ কেজি — ৭০ কেজি গ্ৰুপৰ।

প্ৰথম — শ্ৰীঅৰুণ সোনোৱাল।

### ভাৰ উত্তোলন লৰাৰ

৫০ কেজি গ্ৰুপৰ

প্ৰথম — মহম্মদ মহিবুল্লা।

### পাঞ্জা লৰাৰ

A. গ্ৰুপৰ
প্ৰথম — শ্ৰীৰঞ্জন দাস।





দ্বিতীয় — শ্ৰীইন্দ্ৰ গগৈ।

B. গ্ৰুপৰ
প্ৰথম — শ্ৰীনৱ গগৈ।
দ্বিতীয় — শ্ৰীননিমেচ, কমল ফুকন।

C. গ্ৰুপৰ
প্ৰথম — শ্ৰীকনচেং বৰগোঁহাই।
দ্বিতীয় — শ্ৰীহেমন্ত হাজৰিকা।

D. গ্ৰুপৰ
প্ৰথম — শ্ৰীভাস্কৰ সোনোৱাল।
দ্বিতীয় — শ্ৰীচন্দন সোনোৱাল।

E. গ্ৰুপৰ
প্ৰথম — শ্ৰীনাথু সোনোৱাল।

F. গ্ৰুপৰ
প্ৰথম — শ্ৰীএকাদিত্য হাজৰিকা।
দ্বিতীয় — শ্ৰীভাগ্যৰঞ্জন কোঁৱৰ।

### পাঞ্জা ছোৱালীৰ

A. গ্ৰুপৰ
প্ৰথম — শ্ৰীমতী ভাৰতী সন্দিকৈ।
দ্বিতীয় — শ্ৰীমতী ৰিজু মনি বৰা।

B. গ্ৰুপৰ
প্ৰথম — শ্ৰীমতী অনিমা গগৈ।
দ্বিতীয় — শ্ৰীমতী পিনু মনি গগৈ।

C. গ্ৰুপৰ
প্ৰথম — শ্ৰীমতী লাকী বৰবৰা।
দ্বিতীয় — শ্ৰীমতী ৰূপাৱতী বড়া।

### দেহশ্ৰী প্ৰতিযোগিতা

প্ৰথম — শ্ৰীঅৰুণ সোনোৱাল।
দ্বিতীয় — শ্ৰীজীৱন জ্যোতি তুৱৰা।
তৃতীয় — শ্ৰীউত্তম কোঁৱৰ।

১৯৯০ চনৰ ২৫ তম মহাবিদ্যালয় সপ্তাহত ডিব্ৰুশ্ৰী সন্মান লাভ কৰে শ্ৰীঅৰুণ সোনোৱালে। শ্ৰেষ্ঠ পেশীমানৱ হিচাপে সন্মান লাভ কৰে শ্ৰীউত্তম কোঁৱৰে। শ্ৰেষ্ঠ ভাৰোত্তোলক হিচাপে খ্যাতি লাভ কৰে মহম্মদ মহিবুল্লাই। শ্ৰেষ্ঠ শক্তিমানৱ হিচাপে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হয় শ্ৰীঅৰুণ সোনোৱালে।

শ্ৰীঅৰুণ সোনোৱাল
বিভাগীয় সম্পাদক
শৰীৰ চৰ্চ্চা বিভাগ
ডিব্ৰুমহাবিদ্যালয় ছাত্ৰ একতা সভা। ★

## ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন —

জয় জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক অধ্যাপিকা, কৰ্ম্মচাৰীবৃন্দ তথা ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱী সকললৈ মোৰ হিয়াঁভৰা ওলগ জনাইছো। ১৯৮৯ - ৯০ চনৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা পদৰ বাবে বিপুল ভোটত বিজয়ী হোৱাত বিভিন্ন দিহা পৰামৰ্শ তথা সহায় সহযোগিতা আগবঢ়োৱা ককাইদেউ-বাইদেউ ভাইটি-ভণ্টী তথা বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

জীৱনত প্ৰথম বাৰৰ বাবে এনে এক গুৰু দায়িত্বত অধিষ্ঠিত হৈ মূল লক্ষ্যত কিমানখিনি সফলতা লাভ কৰিবলৈ সক্ষম হলো তাৰ মূল্যায়নৰ ভাৰ মাননীয় সুধী বৃন্দৰ হাতত অৰ্পণ কৰিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই আমাৰ কাৰ্য্যনিৰ্বাহকৰ যোগেদি বছেৰেকীয়া "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। উক্ত "মহাবিদ্যালয় সপ্তাহ"ত মোৰ বিভাগৰ খেল আছিল —বেডমিণ্টন, কেৰম আৰু ডবা। যি দৰেই অতি আনন্দিত হৈছিলো প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা প্ৰতিযোগীসকলৰ উৎসাহ উদ্দীপনা দেখি, ঠিক সেইদৰেই অতি দুঃখিত হৈছিলো প্ৰতিযোগিতাত আশানুৰূপ প্ৰতিযোগীৰ অভাৱ পৰিলক্ষিত হোৱাত। যি কি নহওক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা সকলৰ মাজত কোনোৱে যি দৰে সফলতা লাভ

কৰিবলৈ সক্ষম হৈছিল ঠিক সেইদৰে কোনোৱে হয়তো বিফল হৈছিল। প্ৰতিযোগিতাত সফলতা লাভ কৰা প্ৰতিযোগিসকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে সফলতা লাভ কৰিবলৈ সক্ষম নোহোৱা প্ৰতিযোগীসকললৈও আহ্বান জনাইছো তেওঁলোকৰ চেষ্টাৰ পৌনঃপৌনিকতাৰ বাবে এদিন নিশ্চয় তেওঁলোকৰ বাবে কঢ়িয়াই আনিব তেওঁলোকলৈ বিজয়ৰ মুকুট। মোৰ আশা, সমূহ ডিব্ৰুয়ানেই যেন এদিন সক্ষম হৈ উঠে ক্ৰিয়াৰ দিশত এটি বলিষ্ঠ পদক্ষেপ আগবঢ়াবলৈ। তাৰ বাবে থাকিল আন্তৰিক শুভাশীৰ্ষ।

এই বছৰৰ "মহাবিদ্যালয় সপ্তাহ"ত আন্তঃ বিভাগ অন্তৰ্গত প্ৰতিযোগিতাত কৃতিত্ব অৰ্জন কৰা খেলুৱৈ সকলৰ নাম উল্লেখ কৰিছো।

**বেডমিণ্টন :—**

বিজয়ী — শ্ৰীমতী লক্ষী বৰুৱা

বিজীত — শ্ৰীমতী লাকি বৰবৰা

**বেডমিণ্টন যুটিয়া ভাবে :—**

বিজয়ী — শ্ৰীমতী পুষ্পাঞ্জলী সন্দিকৈ
শ্ৰীমতী ফৰিদা খাতুন

বিজীত — শ্ৰীমতী লক্ষী বৰুৱা
শ্ৰীমতী মিনাক্ষী ফুকন

**বেডমিণ্টন লৰা-ছোৱালীৰ যুটিয়া ভাবে :—**

বিজীত — শ্ৰী অনন্ত শৰ্ম্মা
শ্ৰীমতী পুষ্পাঞ্জলী সন্দিকৈ

বিজীত — শ্ৰীআবুল হুছেইন
শ্ৰীমতী ফৰিদা খাতুন

**কেৰম :—**

বিজয়ী — শ্ৰীমতী পুষ্পাঞ্জলী সন্দিকৈ

বিজীত — শ্ৰীমতী ৰূপাৱতী বড়া

**কেৰম যুটিয়া ভাবে :—**

বিজয়ী — শ্ৰীমতী ৰঞ্জু কোঁৱৰ
শ্ৰীমতী ৰূপাৱতী বড়া

বিজয়ী — শ্ৰীমতী লাকি বৰবৰা
শ্ৰীমতী ৰুমা ভূৱৰা

**ডবা —**

বিজীত — শ্ৰীমতী সীতা দেবী শৰ্ম্মা

বিজীত — শ্ৰীমতী লক্ষী বৰুৱা

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায় সহযোগ তথা দিহা পৰামৰ্শ দি বিশেষ ভাবে উপকৃত কৰা তত্বাৱধায়ক অধ্যাপিকা শ্ৰীমতী লিলি বেগম বাইদেউৰ ওচৰত মই চিৰ কৃতজ্ঞ।

প্ৰতিবেদনৰ এইখিনিতেই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ কৰিব বিচাৰো যে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই যেন কাৰ্য্যনিৰ্বাহকত উৎথাপিত মহাবিদ্যালয়ৰ ছাত্ৰী সকলৰ অন্যান্য সমস্যাৰ সমাধান কৰি তেওঁলোকৰ প্ৰতিভা বিকাশত অৰিহণা যোগায়। অন্যথাই ছাত্ৰী সকলে দীৰ্ঘদিনলৈ এনে সমস্যাৰ সন্মুখীন হৈয়ে থাকিব।

পৰিশেষত ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰতিজন হিতাকাংক্ষীৰ ভৱিষ্যৎ উজ্জ্বল হোৱাৰ কামনা কৰিলো আৰু ডিব্ৰু মহাবিদ্যালয়ৰ উন্নতি হোৱাৰ কামনা কৰি প্ৰতিবেদন সামৰণি মাৰিলো।

ধন্যবাদেৰে —
শ্ৰীমতী বিজয়া গোহাঁই
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা
ডিব্ৰু মহাবিদ্যালয়

## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন —

প্ৰতিবেদনৰ আৰম্ভণিতে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় শিক্ষাগুৰু সকল আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ সকললৈ মোৰ আন্তৰিক অভিনন্দন জনাইছো। লগতে ১৯৮৯ - ৯০ চনৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে সৰ্বাধিক ভোটত মোক নিৰ্বাচিত কৰি উক্ত বিভাগৰ দায়িত্ব ভাৰ গ্ৰহণ





কৰাত সহায় কৰা সমূহ ডিব্ৰুয়ান সতীৰ্থ বৃন্দক ধন্যবাদ জনাইছো।

মোৰ কাৰ্য্যকালৰ চমু সময়চোৱাত সমাজ কল্যাণ বিভাগৰ সম্পাদক হিচাপে মোৰ কাৰ্য্যক্ষেত্ৰত কিমান দূৰ সফল হলো নাজানো। তাৰ সকলোবোৰ বিচাৰৰ ভাৰ আপোনালোকৰ হাতত্তেই থাকিল।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই প্ৰতি বছৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ৰ "বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয়। মোৰ বিভাগৰ কাৰ্য্য আছিল তোৰণ ( Gate ) সজা আৰু মঞ্চ ( stage ) সজা। এই কাম সম্পন্ন কৰিছিলো আমাৰ মহা বিদ্যালয়ৰ এন. চি. চি. ( N. C. C. ) কেডেট সকলৰ সহায়ত।

প্ৰত্যেক ব্যক্তিকে একোখন সমাজ লাগে। সমাজক বাদ দি কোনো ব্যক্তিয়ে এক সুস্থ জীৱন যাপন কৰাৰ কথা ভাবিব নোৱাৰে। সেয়ে সমাজ সেৱা মানুহৰ স্বাভাৱিক ধৰ্ম হোৱা উচিত। সহজ অৰ্থত সমাজ সেৱা বুলিলে সমাজৰ উন্নতিৰ বাবে কৰা কাৰ্য্যকে বুজায়। যাক মানৱ সেৱা বুলি কব পাৰি। ই সমাজৰ প্ৰত্যেক ব্যক্তিকে একে পৰিয়ালৰ অন্তৰ্ভূক্ত বুলি অনুভৱ কৰাব পাৰে। ব্যক্তিয়ে নিজৰ মহৎ ধাৰণা আৰু মহান সমাজ সচেতনতাক ব্যৱহাৰিক ক্ষেত্ৰত কামৰ মাজেদি প্ৰকাশ কৰাতেই সৃষ্টি হয় সমাজ সেৱাৰ। সমাজ সেৱাৰ বিভিন্ন দিশ আছে। ব্যক্তিয়ে নিজ ইচ্ছামতে ইয়াৰ যিকোনো দিশত অগ্ৰসৰ হ'ব পাৰে। শতকৰা সত্তৰ ভাগ লোকে দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত জীৱন নিৰ্ব্বাহ কৰা আমাৰ দৰে দেশত ইয়াৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি।

এই অতি প্ৰয়োজনীয় বিষয়টোৰ লগত ৰজিতা খোৱাই আমাৰ মহাবিদ্যালয়ত গঠিত হোৱা ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ ( N. C. C. ) জৰিয়তে আৰু মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ তত্বাৱধানত মহাবিদ্যালয়ৰ চৌহদ পৰিস্কাৰ, বৃক্ষৰোপন আদি মোৰ কাৰ্য্যকালৰ ভিতৰত কৰা কামৰ অন্তৰ্ভূক্ত।

তাৰ উপৰিও ডিব্ৰুয়ান ছাত্ৰ একতা সভাই মহাবিদ্যালয় খনৰ উন্নয়নৰ হকে আৰু কিছুমান দৃঢ় পদক্ষেপ হাতত লয় যদিও মহাবিদ্যালয়ত সঘনাই হৈ থকা পৰীক্ষা আৰু বন্ধৰ বাবে কাম কৰিবলৈ যথেষ্ট অসুবিধা হয়।

মোক বিভিন্ন দিশত দিহা পৰামৰ্শ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ সহপাঠী বন্ধু সকল আৰু বিভিন্ন কামত সহায় আগবঢ়োৱা বন্ধুবৰ মোহিনি, দেৱজিত, বিজয়, দিগন্ত, মইনোল, আচলাম, নিপন, তুলিকা, প্ৰতিভা, বিজয়া, একাদিত্য তথা সমূহ ছাত্ৰ ছাত্ৰীলৈ এই সুযোগতে সশ্ৰদ্ধ প্ৰণাম জনাইছো।

শেষত অনিশ্চাকৃত ভাবে হৈ যোৱা ভুল ক্ৰটীৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত থকা ছাত্ৰ-ছাত্ৰী সকল, শিক্ষাগুৰু আৰু কৰ্ম্মচাৰী সকলৰ মাজত এক পৰিয়ালৰ মানসিকতা গঢ়াৰ লক্ষ্যত মহাবিদ্যালয় সমাজ সেৱা বিভাগ অধিক তৎপৰতাৰে অগ্ৰসৰ হওঁক আৰু অধিক সফলতা লাভ কৰক। যৱনিকাত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ তুলিকাৰে আঁকি যাওঁ সমাজৰ প্ৰতিচ্ছবি; এই মানসেৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু ডিব্ৰু মহাবিদ্যালয়,
জয় আই অসম।
শ্ৰীপ্ৰসন্ন কুমাৰ চেতিয়া
সম্পাদক, সমাজ সেৱা বিভাগ। ★

## ১৯৯০ – ৯১ চনৰ
## সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ—

প্ৰথমেই ডিব্ৰু মহাবিদ্যালয়ৰ সমূহ শিক্ষা গুৰু, কৰ্ম্মচাৰী বৃন্দ তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ শত সহস্ৰ প্ৰণাম আগবঢ়ালো। মই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতেই ২৫ তম ( ৰূপালী জয়ন্তী ) ডিব্ৰু মহাবিদ্যালয় সপ্তাহ পাতিবলৈ স্থিৰ কৰা হয় গতিকে মোৰ সংগীত প্ৰতিযোগীতা সমূহ মোৰ মাননীয় শিক্ষাগুৰু তথা বন্ধু-বান্ধৱীৰ সহায় সহযোগত পৰিচালনা কৰো। কাৰ্য্য-সমূহ পৰিচালনা কৰোতে যদি অজানিতে কিবা ভুল হৈ গল তাৰ বাবে সকলোৰে ওচৰত মই ক্ষমাৰ প্ৰাৰ্থী হৈ ৰলো।

মোৰ সংগীত প্ৰতিযোগীতাৰ প্ৰতিটো ক্ষেত্ৰতে সহায় কৰিছিল আমাৰ মহাবিদ্যালয়ৰ মাননীয়া অধ্যাপিকা তথা সংগীত বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপিকা শ্ৰীমতী ৰূপজ্যোতি গগৈ বাইদেউলৈ মোৰ সশ্ৰদ্ধা প্ৰণাম জনালো। লগতে এই প্ৰতিযোগীতাৰ কাৰ্য্যসূচী সমূহ সুচাৰুৰূপে পৰি-চালনা কৰাত সহায় কৰিছিল আমাৰ মহাবিদ্যালয়ৰে অধ্যাপক শ্ৰীযুত চন্দ্ৰগুপ্ত বৰা, শ্ৰীযুত প্ৰদীপ চেতীয়া ফুকন দেৱ তথা অধ্যাপিকা ডঃ ৰমিজা খাতুন বাইদেউৰে। তেখেত সকললৈ মোৰ ভক্তিভৰা কৃতজ্ঞতা যাছিলো।

২৫ তম "মহাবিদ্যালয় সপ্তাহ"ৰ সংগীত বিভাগৰ প্ৰতিযোগীতা সমূহৰ ফলাফল তলত উল্লেখ কৰা হল —

**ৰৰগীত ঃ—**

প্ৰথম ঃ— শ্ৰীমতী মধুৰেখা গগৈ।
দ্বিতীয় ঃ— „ „ আৰিফা বেগম।
তৃতীয়া ঃ— „ „ ৰুমা ডুৱৰা।

**লোকগীত ঃ—**

প্ৰথম ঃ— শ্ৰীমতী আৰিফা বেগম।
দ্বিতীয় ঃ— „ ৰুমা ডুৱৰা।
তৃতীয় ঃ— „ প্ৰণতি গগৈ।
আৰু শ্ৰীদিগন্ত ফুকন।

**জ্যোতি সংগীত ঃ—**

প্ৰথম ঃ— শ্ৰীমতী চন্দ্ৰমা দেউৰী।
দ্বিতীয় ঃ— „ আৰিফা বেগম।
তৃতীয় ঃ— „ তৃষ্ণা ৰাজকোঁৱৰ।

**বিষ্ণুৰাভা গীত ঃ—**

প্ৰথম ঃ— শ্ৰীমতী প্ৰণতি গগৈ।
দ্বিতীয় ঃ— „ আৰিফা বেগম।
শ্ৰীদিগন্ত ফুকন।
তৃতীয় ঃ— „ অনন্ত মোহন।

**বনগীত ঃ—**

প্ৰথম ঃ— শ্ৰীমনজিৎ ফুকন।
দ্বিতীয় ঃ— শ্ৰীমতী তৃষ্ণা ৰাজকোঁৱৰ।
„ চন্দ্ৰমা দেউৰী।
তৃতীয় ঃ— „ স্বৰ্ণ দেউৰী।

**আধুনীক গীত ঃ—**

প্ৰথম — শ্ৰীপ্ৰণৱ জ্যোতি গগৈ।
শ্ৰীমতী স্বৰ্ণ দেউৰী।
দ্বিতীয় ঃ— শ্ৰীউত্তম সোনোৱাল।
শ্ৰীমতী প্ৰণতি গগৈ।
তৃতীয় ঃ— শ্ৰীমতী তৃষ্ণা ৰাজকোঁৱৰ।
শ্ৰীপুলিন চেতিয়া।

**বিহুগীত —ঃ**

প্ৰথম ঃ— শ্ৰীমতী স্বপ্না দিহিঙ্গিয়া।
দ্বিতীয় ঃ— শ্ৰীমতী স্মৃতিৰেখা বৰুৱা।
শ্ৰীসোণমনি দাস।
তৃতীয় ঃ— শ্ৰীনাৰায়ণ শইকীয়া।
শ্ৰীমতী মধুৰেখা গগৈ।

**টোকাৰী গীত ঃ—**

নিতেন চেত্তীয়া আৰু তেওঁৰ লগৰীয়া সকল।
লগৰীয়া সকল হল যথাক্ৰমে ঃ—





শ্ৰীপ্ৰদীপ গগৈ।
„ শুভাষ কুমাৰ তামুলী।
„ নিপেন চেতীয়া।
„ শিৱাজী ফুকন।
„ সত্য দেউৰী।
„ খগেশ্বৰ দেউৰী।

উপৰুক্ত ফলাফল সমূহৰ পৰা কোনো এজন প্ৰতিযোগীকে এই বছৰৰ শ্ৰেষ্ঠ শিল্পী হিচাপে বিবেচনা কৰিব পৰা নগল লগতে বহুতো প্ৰতিযোগিতা সময়ৰ অভাৱত অনু-ষ্ঠিত কৰিব পৰা নহল আৰু বহুতো প্ৰতিযোগিতা, প্ৰতি-যোগীৰ অভাৱত পাতিব পৰা নগল। তাৰ বাবে মই ডুঃখিত। শেষত মোৰ কাৰ্য্য সমূহ পৰিচালনা কৰাত বিশেষ ভাৱে সহায় কৰিছিল শ্ৰীৰাতুল চন্দ্ৰ কলিতা, শ্ৰীউত্তম সোনোৱাল, তপন শইকীয়া, দিগন্ত বড়া, উৎপল সোনোৱাল, সঞ্জীৱ নাৰায়ণ চাওদাং বৰুৱা, ভূপেন, ভাগ্য, সঞ্জীৱ, প্ৰশান্ত, কোশল, প্ৰফুল্ল, ৰাজকুমাৰ, পাৰ্থ, মৃদুল, হেমন্ত, একাদিত্য, ৰঞ্জু, প্ৰণতি, আৰিফা, ৰুমা, চন্দ্ৰমা, লাকি, তেওঁলোকলৈ মোৰ সদায়েই মনত থাকিব আৰু ইয়াৰ ওপৰিও মোৰ বন্ধু-বান্ধৱী, সহপাঠী তথা ছাত্ৰ-ছাত্ৰী সকললৈ হিয়া ভৰা কৃতজ্ঞতা যাচিলো। সৰ্বশেষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

ধন্যবাদেৰে
নৱ কুমাৰ গগৈ
সম্পাদক সংগীত বিভাগ
ডিব্ৰু মহাবিদ্যালয়
ছাত্ৰ একতা সভা ★

## সাধাৰণ খেল বিভাগৰ প্ৰতিবেদন —

জয়জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি তথা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত ভৰত নাৰা-য়ণ জামুৱাৰ দেৱলৈ মোৰ সশ্ৰদ্ধা প্ৰণাম জনাইছো।

মহাবিদ্যালয়ৰ ১৯৮৯ - ৯০ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনৰ 'সাধাৰণ খেল' বিভাগৰ সম্পা-দকৰ আসন খনিলৈ মোক নিৰ্বাচিত কৰা বাবে সমূহ ডিব্ৰুয়ান বন্ধু-বান্ধৱীলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আমি ছাত্ৰ একতা সভাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিন মানৰ পাচতেই "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। আমাৰ মহাবিদ্যালয়ৰ সাধাৰণ খেল বিভাগৰ উপ-দেষ্টা অধ্যাপক মহোদয় শ্ৰীযুত মহেশ জৈন দেৱে বিভিন্ন দিশত অকুণ্ঠ সহায় সহযোগ আৰু দিহা পৰামৰ্শ আগ-বঢ়োৱাৰ বাবে মই মহোদয়ৰ ওচৰত চিৰঋণী।

মহাবিদ্যালয় সপ্তাহৰ সাধাৰণ খেল বিভাগৰ অন্তৰ্গত খেল সমূহ আৰম্ভ হৈছিল স্থানীয় ৰেলৱে খেল পথাৰত। মহাবিদ্যালয়ৰ সাধাৰণ খেল বিভাগৰ পতাকা উত্তোলন কৰি অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে মহাবিদ্যা-লয়ৰ উপাধ্যক্ষ মাননীয় শ্ৰীযুত নন্দলাল বৰগোহাঁই দেৱে। সাধাৰণ খেল বিভাগৰ খেল সমূহ পৰিচালনা কৰাত সহায় সহযোগ তথা পৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যাপক মাননীয় শ্ৰীযুত প্ৰদীপ কুমাৰ চেতীয়া ফুকন-দেৱ, শ্ৰীযুত ইন্দ্ৰ বৰা দেৱ, শ্ৰীযুত লক্ষণ বৰা দেৱ আৰু সকলো সহায়কাৰী সুহৃদ বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰ কৃতজ্ঞ।

১৯৮৯ - ৯০ চনৰ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ সাধাৰণ খেল বিভাগৰ অন্তৰ্গত খেল সমূহৰ ল'ৰাৰ শাখাত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰিছে শ্ৰীকনচেং বৰগাহাঁইয়ে, আৰু ছোৱালীৰ শাখাত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰিছে শ্ৰীমতী অনিমা গগৈয়ে। প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা সকলো প্ৰতিযোগীলৈকে মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

সদৌশেষত মোৰ এই দায়িত্বৰ অন্তিম সময়লৈকে কৰা সহায় সহযোগৰ বাবে সমূহ ডিব্ৰুয়ান বন্ধু-বান্ধৱীলৈকে শলাগৰ শৰাই আগবঢ়োৱাৰ লগতে মহাবিদ্যালয়ৰ ভৱিষ্যৎ উন্নতিৰ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয় আই অসম"

ধন্যবাদেৰে

শ্ৰীঅনন্ত শৰ্ম্মা

সাধাৰণ খেলবিভাগৰ সম্পাদক

ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা। ★

## ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ ১৯৮৯-৯০ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক ৰূপে নিৰ্বাচিত কৰা বাবে মই সমূহ ছাত্ৰ ছাত্ৰীক আন্তৰিক শুভেচ্ছা তথা অভিনন্দন জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদক হিচাবে অধ্যাপক অধ্যাপিকা ছাত্ৰ-ছাত্ৰী আদি যি সকলে মোৰ কাৰ্য্যকালৰ দিনত সকলো ধৰণৰ দিহা পৰামৰ্শ আগ বঢ়াইছিল তাৰ বাবে মই তেখেতলোকক মোৰ আন্তৰিক শ্ৰদ্ধা তথা শলাগৰ শৰাই আগবঢ়ালো।

জীৱনৰ বিশালতাত থকা আশা আৰু নিৰাশা, মোৰ কাৰ্য্যকালতো আশা নিৰাশাৰ দোমোজাতেই সম্পূৰ্ণ কৰিলো। প্ৰতিশ্ৰুতিৰ পূৰ্ণ প্ৰতিফলিত ঘটাব নোৱাৰাৰ বাবে মোক ক্ষমা কৰিব। মোৰ কাৰ্য্যকালত বহুতো ভুল ত্ৰুটিৰ সমষ্টি। "প্ৰতিজন মানুহে জীৱনত সকলো কাম নিয়ঁৰিকৈ কৰিব নোৱাৰাটো একো অস্বাভাৱিক নহয়। মানুহৰ আশা অভিলাষৰ বিপৰীতে কাৰ্য্য ক্ষমতা সদায়েই দুৰ্ব্বল।"

ছাত্ৰ জিৰণী কোঠাৰ অন্তৰ্গত চাৰিবিধ খেল (যেনে — টেবুল টেনিছ, বেডমিণ্টন, কেৰেম আৰু ডবা) খেলোৱাৰ দায়িত্ব মোৰ ওপৰত আছিল। বেমেজালিৰ মাজেৰে মই মোৰ দায়িত্ব পালন কৰিলো। যি সকল প্ৰতিযোগীয়ে এই বিলাক খেলত যোগদান কৰি খেলৰ প্ৰতি উচ্ছাহ দেখুৱালে সেইসকল, প্ৰতিযোগীলৈ মোৰ ফালৰ পৰা আন্তৰিক শুভেচ্ছা আৰু চেনেহ থাকিল। আশা ৰাখিছো ভৱিষ্যতে দুগুণ উৎসাহ ও ভাল খেলাৰ যোগ্যতালৈ প্ৰতিযোগীসকলে অংশ গ্ৰহণ কৰি জয় যুক্ত হব।

এই ক্ষেত্ৰত বিভিন্ন দিশত খেলপৰিচালনা কৰিবলৈ সহায় সহযোগ কৰা শ্ৰীমান শৈল্য হাজৰিকা, দিগন্ত শইকীয়া, নিখিল দত্ত, নিৰুপম সন্দিকৈ, অঞ্জন শৰ্মা, দিলিপ দিহিঙিয়া আদিৰ নামো সোঁৱৰিব লাগিব। তেখেত সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সদৌ শেষত লুইতৰ দুয়োপাৰ জিলিকাবলৈ মহাবিদ্যালয়লৈ অহা ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীক জ্যোতিৰ জ্যোতি আৰু ৰাভাৰ আভাক জোতিষ্মান কৰাৰ আদৰ্শৰে অনুপ্ৰাণিত হবলৈ আহ্বান জনাই সদৌটি ডিব্ৰুয়ানলৈ আন্তৰিক ধন্যবাদ যাছিলো আৰু ভৱিষ্যতে ছাত্ৰ একতা সভাৰ দীৰ্ঘায়ু কামনা কৰিলো। সংগ্ৰামী শুভেচ্ছাৰে মোৰ প্ৰতিবেদন সামৰিলো।

"জয় আই অসম" —

শ্ৰীবিদ্যুৎ কোঁৱৰ

ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক

স্নাতক ১ম বাৰ্ষিক (বিজ্ঞান বিভাগ)

১৯৮৯—৯০ ★

## ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতে ডিব্ৰু মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে ছাত্ৰ একতা সভালৈ নিৰ্বাচিত কৰি সাংস্কৃতিক সম্পাদকৰূপে সেৱা কৰিবলৈ যি সুযোগ দিলে তাৰ বাবে মই সকলোলৈকে আন্তৰিক শুভেচ্ছা ও কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সাংস্কৃতিক সম্পাদক ৰূপে নিৰ্বাচিত হোৱাৰ পাছত





মোৰ কাৰ্য্যকাল আৰম্ভ হয় "মহাবিদ্যালয়ৰ সপ্তাহ"ৰ যোগেদি। এই মহাবিদ্যালয়ৰ সপ্তাহত প্ৰথমে মই যথেষ্ট বাধাৰ সন্মুখীন হৈছিলো যদিও কেইগৰাকীমান বন্ধুৰ উপদেশ, সহায় সহযোগৰ কাৰণে সেই বাধা দূৰ হৈছিল। মোৰ কাৰ্য্যকালৰ সময়ত বিশেষভাৱে সহায় কৰা তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন চাৰৰ ওচৰত মই চিৰঋণী। ইয়াৰ উপৰিও মোৰ কাৰ্য্যকালত সহায় কৰা অধ্যাপিকা শ্ৰীযুতা ৰূপজ্যোতি গগৈ, শ্ৰীযুতা লিলি বেগম, শ্ৰীযুতা ৰমিজা খাতুন বাইদেউ এই সকলোলৈকে মোৰ ভক্তিভৰা শ্ৰদ্ধা জনাইছো।

মোৰ কাৰ্য্যকালৰ আৰম্ভনিৰ পৰা শেষলৈকে প্ৰতিক্ষেত্ৰতে সহায় কৰা বন্ধু ক্ৰমে সঞ্জীৱ গগৈ, ভাগ্য কোঁৱৰ, সঞ্জীৱ দত্ত কুশল হাজৰাকা, ৰাতুল বুঢ়াগোহাঁই, প্ৰদীপ গগৈ, ত্ৰিদিপ দুৱৰা, সীমান্ত বৰুৱা, হিৰণ্য কোঁৱৰ, মৃদুল শৰ্ম্মা, দ্বিপম দিহিঙ্গিয়া, কনক দেউৰী, প্ৰেম সোনোৱাল, সীমান্ত শৰ্ম্মা, পাৰ্থ বৰুৱা, বিতোপন পাচনী, অপূৰ্ব চুতীয়া, ইমদাদ আলি, সঞ্জাৱ বৰা, ভূপেন, দেৱজিত আৰু ভণ্টী বিজয়া গোহাঁই আৰু বহুতো বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰকৃতজ্ঞ। ইয়াৰ উপৰিও ডিব্ৰু মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী আৰু ব্যক্তিগত ভাৱে মহাবিদ্যালয়ৰ প্ৰাক্তন উপ সভাপতি মাধুৰ্য্য গোহাঁইৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ থাকিম।

শেষত মোৰ কাৰ্য্যকালৰ সময়ত অজানিতে যদি ভুল ত্ৰুটি হৈছে তাৰ বাবে সমূহ "ডিব্ৰুয়ান"ৰ ওচৰত ক্ষমা বিচাৰিছো।

ধন্যবাদেৰে —

শ্ৰীপ্ৰশান্ত কুমাৰ দত্ত

সাংস্কৃতিক সম্পাদক

ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা, ডিব্ৰু মহাবিদ্যালয়। ★

## শ্ৰেণী প্ৰতিনিধিৰ প্ৰতিবেদন —

জয় জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ প্ৰমুখ্যে সমূহ অধ্যাপক কৰ্ম্মচাৰী বৃন্দ আৰু (1990) ১৯৯০—৯১ চনত লগপোৱা সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধুৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোক শ্ৰেণী প্ৰতিনিধি হিচাপে নিৰ্বাচনত যি সকল ছাত্ৰ ছাত্ৰীয়ে সহায় সহযোগিতা আগ বঢ়ালে তেখেত সকলৰ বাবে শত সহস্ৰ ধন্যবাদ জ্ঞাপন কৰিলো।

মহা বিদ্যালয়ৰ শ্ৰেণী প্ৰতিনিধি হিচাপে দায়িত্ব পালনত মই কিমান দুৰ কৰিব পাৰিলো সেইয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। মোৰ কাৰ্য্য কালত মহাবিদ্যালয়ৰ উন্নতিৰ বাবে চেষ্টাৰ ত্ৰুতি কৰা নাছিলো। শ্ৰেণী বিলাক সুচাৰুৰূপে হোৱাৰ বাবে মই সদায় অধ্যক্ষৰ পৰা সং পৰামৰ্শ লৈ ছাত্ৰ-ছাত্ৰী সকলক নিয়মীয়া কৈ শ্ৰেণীত উপস্থিতি থাকিবৰ বাবে অনুৰোধ জনাইছিলো। ইয়াৰ উপৰিও আমাৰ মহাবিদ্যালয় সদায় যাতে পৰিষ্কাৰ পৰিচ্ছন্নতা হৈ থাকে তাৰ বাবে মই সদায় সজাগ আছিলো। মোৰ কাৰ্য্য বিলাক সুচাৰুৰূপে পৰিচালনাত কৰাত মহা বিদ্যালয়ৰ একতা সভাৰ ছাত্ৰ তথা বন্ধু-বান্ধৱ সকলে সদায় সহায় সহযোগ আগ বঢ়াইছিল। ইয়াৰ উপৰিও মোৰ কাৰ্য্য কাল ছোৱাত শিক্ষা গুৰু সকলে গঠন মূলক পৰামৰ্শ দি প্ৰতিটো ক্ষেত্ৰতে উপদেশ দি সহায় আগ বঢ়োৱাৰ বাবে মই তেখেত সকলৰ ওচৰত চিৰ কৃতজ্ঞ।

মোৰ কাৰ্য্য ক্ষেত্ৰত বা ব্যৱহাৰত কেতিয়াবা আপোনালোকে যদি ক্ষুব্ধ হৈছিল তেনে হলে মই আপোনালোকৰ ওচৰত ক্ষমাৰ প্ৰাৰ্থী। সদৌ শেষত ডিব্ৰু মহা বিদ্যালয়ৰ উন্নতিৰ কামনা কৰি মোৰ শ্ৰেণী প্ৰতিনিধিৰ প্ৰতিবেদন সামৰিলো।

শ্ৰীৰোহীত হাজৰিকা

শ্ৰেণী প্ৰতিনিধি

ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

১৯৯০—৯১ চন ★

— ENGLISH SECTION —



# Expansion of Banking System in India in Recent Years.

*Dr. Romiza Khatun*, M A., Ph. D.
**Department of Commerce**

Modern banking system based on western types started in India from the very beginning of the nineteenth century. Those were mainly commercial banks which were established by the East India Company for business purposes. The first joint stock bank was established at Calcutta known as Bank of Hindustan and put under British management. But this bank failed very soon. By this time the Bank of Bengal, the Bank of Bombay and the Bank of Madras were started functioning in 1806, 1840 and 1843 respectively. These three banks were called the Presidency Banks. These banks had the right of issuing notes in their respective regions.

The first bank based on Indian type was first established in 1881 known as the Oudh Commercial Bank. It was followed by the establishment of Punjab National Bank in 1894 and the People's Bank in 1901. With the Swadeshi Movement there was a great incitement among Indians to start banks purely on Indian lines. But unfortunately in 1913 a disaster occured in the banking system in the form of bank failures for which several banks failed in India. Again in 1921-22 another bank crisis shook the joint stock banks in India. This crisis continued till India became liberated from the British regime.

